# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Hemonto kumar Sarmah | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhityāya Sabhaā Patārikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha Jorhat |
| Year: 1973 | Edition: |
| Size: 23 1/2 cms. 4+96+3+95+3+94+3+96+87+104+3+79+3+47+3+64 | Genre: Magazine |
| Volumes: 30 - 9 issues | Condition of the original: Not good |
| Remarks: [illegible]: 1st volume published in 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

৭ম সংখ্যা ॥ কাতি





সম্পাদক : হেমন্তকুমাৰ শৰ্মা

## ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকাৰ বছৰ বহাগৰ পৰা আৰম্ভ হ'ব আৰু প্ৰতি অসমীয়া মাহৰ প্ৰথম ভাগত এখনকৈ ওলাব।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ২০'০০ টকা আৰু ছমহীয়া বৰঙণি ১০'০০ টকা আগ ধৰি দিব লাগিব। প্ৰতি সংখ্যাৰ বেচ ২'০০ টকা।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি এপিঠিত ফট্‌ফটিয়াকৈ লিখি "অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব। আখৰ জেঁাটনিত দ্বিত্ব বৰ্জন কৰে যেন।

৪। পত্ৰিকাত উচ্চমান-বিশিষ্ট জীৱনী, ভ্ৰমণ-কাহিনী, ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, দৰ্শন, বিজ্ঞান আদি বিষয়ক প্ৰবন্ধ, গল্প, মৌলিক আলোচনা আদিয়ে ঠাই পাব। **প্ৰবন্ধাদি চুটি হোৱাটো বাঞ্ছনীয়।**

৫। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয় আৰু সেই প্ৰসঙ্গৰ কোনো উত্তৰ দিয়াও নহয়।

৬। সকলো টকা-পইচা "প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১ বা ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১" এই ঠিকনাত পঠাব।

৭। বিজ্ঞাপন আৰু কাকত সম্পৰ্কীয় চিঠি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব।


### অসম সাহিত্য সভা পত্ৰিকাৰ কাৰণে

অসমৰ বিভিন্ন ঠাইত বিজ্ঞাপন-সংগ্ৰহ আৰু পত্ৰিকা-বিক্ৰীৰ বাবে এজেণ্টৰ প্ৰয়োজন। এজেণ্টসকলক উচ্চ হাৰত কমিচন দিয়া হয়। তলৰ ঠিকনাত যোগাযোগ কৰক।

সহকাৰী সম্পাদক,
অসম সাহিত্য সভা,
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১


# অসম সাহিত্য সভা পত্ৰিকা


ত্ৰিংশ বছৰ ॥ ১৮৯৫ শক

৭ম সংখ্যা ॥ কাতি


অসম সাহিত্য সভা

ইং ১৯৭৩


সম্পাদক : হেমন্তকুমাৰ শৰ্মা

**অসম সাহিত্য সভা পত্ৰিকা**
ত্ৰিংশ বছৰ, ৭ম সংখ্যা, কাতি
১৮৯৫ শক ॥ ১৯৭৩ চন

প্ৰকাশক :
**শ্ৰীনগেন শইকীয়া**
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় :
**চন্দ্ৰকান্ত সন্দিকৈ ভৱন**
যোৰহাট—১

গুৱাহাটী কাৰ্যালয় :
**ভগৱতীপ্ৰসাদ বৰুৱা ভৱন**
গুৱাহাটী—১

বেটুপাত : গুৱেশ্বৰৰ জনাৰ্দন মন্দিৰ
( অসম ৰাজ্যিক সংগ্ৰহালয়ৰ সৌজন্যত )

ছপাশাল :
**পূৰ্বদেশ মুদ্ৰণ**
ৰিহাবাৰী,
গুৱাহাটী-৮

বেচ—২·০০ টকা

# সূচীপত্ৰ


| | বিষয় | পৃষ্ঠা | লেখক |
|---|---|---|---|
| ১। | কালিদাসৰ ওপৰত অশ্বঘোষৰ প্ৰভাৱ | ॥ ১ ॥ | আচাৰ্য শ্ৰীমনোৰঞ্জন শাস্ত্ৰী |
| ২। | অসম সম্পৰ্কত অজ্ঞতা আৰু অপপ্ৰচাৰ | ॥ ৪ ॥ | শ্ৰীযুগল দাস |
| ৩। | চাহ-মজদুৰৰ অতীত জীৱন | ॥ ৯ ॥ | শ্ৰীনাৰায়ণ ঘাটোৱাৰ |
| ৪। | সমালোচক বেজবৰুৱা | ॥ ১২ ॥ | অধ্যাপক চিত্তৰঞ্জন চৌধুৰী |
| ৫। | সামাজ্য প্ৰাণী ( অনূদিত গল্প ) | ॥ ২০ ॥ | শ্ৰীকৰবী হাজৰিকা |
| ৬। | সংস্কৃত নাটকত অতি লৌকিকতা আৰু অদ্ভুত ৰস | ॥ ২৪ ॥ | ডঃ মুকুন্দমাধৱ শৰ্মা |
| ৭। | মানৱ সমাজত জ্যোতিষৰ প্ৰভাৱ | ॥ ২৮ ॥ | শ্ৰীকামেশ্বৰ ঠাকুৰীয়া |
| ৮। | বড়ো সম্প্ৰদায়ৰ সমাজ সংস্কৃতি | ॥ ৩৩ ॥ | শ্ৰীলেবেন্দ্ৰ নাথ ব্ৰহ্ম |
| ৯। | অসমত ভাষাতত্ত্বৰ চৰ্চা | ॥ ৪০ ॥ | শ্ৰীনৰনাৰায়ণ শৰ্ম্মা |
| ১০। | অতুল হাজৰিকা মানুহজন | ॥ ৪৪ ॥ | ৺নিত্যানন্দ বৰদলৈ |
| ১১। | চিন্তাৰ চাকনৈয়া ( গল্প ) | ॥ ৪৯ ॥ | শ্ৰীঅনন্ত কুমাৰ শৰ্মা |
| ১২। | নিৰ্গুণ ব্ৰহ্মঃ সগুণ ঈশ্বৰঃ সনাতন জীৱ | ॥ ৫৪ ॥ | অধ্যাপক গদাধৰ শৰ্মা |
| ১৩। | ৰাইজৰ চিঠি | ॥ ৬২ ॥ | শ্ৰীমোহন চন্দ্ৰ মহন্ত |
| ১৪। | অসমীয়া বিজ্ঞান সাহিত্য | ॥ ৬৪ ॥ | অধ্যাপক শ্ৰীসোণেশ্বৰ শৰ্মা |
| ১৫। | এৰা বোটলা যংকিক্কিং | ॥ ৬৮ ॥ | অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা |
| ১৬। | অৰুণাচলে আমাক পাহৰা নাই | ॥ ৭৩ ॥ | শ্ৰীগিৰিধৰ শৰ্মা |
| ১৭। | পোৱা পুথিৰ চিনাকি | ॥ ৭৭ ॥ | অধ্যাপক দিলীপ চৌধুৰী |
| ১৮। | সম্পাদকৰ চ'ৰা | ॥ ৭৯ ॥ | |


*অসম সাহিত্য সভা পত্ৰিকা * ৩০শ বছৰ * ৭ম সংখ্যা কাতি * ১৮৯৫ শক ॥ ১৯৭৩ চন

সম্পাদক—**হেমন্তকুমাৰ শৰ্মা**

সুৰুচিপূৰ্ণ বিভিন্ন বিষয়ক সামৰা
মাহেকীয়া আলোচনী

**নতুন প্ৰবাহ**

[ নিয়মীয়াকৈ ওলাই এতিয়া দ্বিতীয় বছৰ পাইছেহি ]

বছৰেকীয়া বৰঙণি—১২·০০ টকা
প্ৰতি সংখ্যা—১·০০ টকা
এবছৰৰ কমত গ্ৰাহক কৰা নহয়।

আপোনাৰ ওচৰৰ এজেণ্টৰ ওচৰত
খবৰ কৰক
নতুবা
বাৰ টকা আগধন পঠিয়াই
বছৰেকীয়া গ্ৰাহক হওক

'নতুন প্ৰবাহ'ৰ বছৰেকীয়া গ্ৰাহক হোৱা মানেই
আপুনি আৰু আপোনাৰ পৰিয়ালৰ দিনটোত
এনেয়ে হোৱা অলাগতীয়াল খৰছৰ
তিনি দশমিক তেত্ৰিশ পইচা
সংকামত লগোৱা

যোগাযোগৰ ঠিকনা—

পৰিচালক : 'নতুন প্ৰবাহ'
জয়া প্ৰেছ
কমাচল ৰোড
গুৱাহাটী-৩

# কালিদাসৰ ওপৰত অশ্বঘোষৰ প্ৰভাৱ

আচাৰ্য শ্ৰীমনোৰঞ্জন শাস্ত্ৰী

মহাকৱি কালিদাসৰ ৰচিত কাব্যৰ কোনো কোনো বাক্য বা বাক্যাংশ অশ্বঘোষৰ ৰচিত কাব্যৰ বাক্য বা বাক্যাংশৰ লগত এনেভাৱে মিলে যে সেই মিল দেখি অধ্যাপক কাৱেল আদি আন্তৰ্জাতিক খ্যাতিসম্পন্ন প্ৰাচ্যবিদ্যাবিদ্ পণ্ডিতসকলে সেইবিলাক ক্ষেত্ৰৰ ভাৱ বা ভাষা কালিদাসে অশ্বঘোষৰ পৰা লৈছিল বুলি নিৰ্ণয় কৰিছে।

এই দুজনা কৱিৰ কোনজন পূৰ্ববৰ্তী সেই কথাৰ আজিলৈ অবিসম্বাদিভাৱে নিৰ্ণয় হোৱা নাই। কালিদাসৰ কাল সম্বন্ধে মতানৈক্য চলিয়েই আছে। কোনো কোনোৱে কালিদাস খৃঃ পূঃ ১ম শতকৰ লোক বুলি অনুমান কৰে আৰু কোনো কোনোৱে খৃঃ ৪ৰ্থ বা ৫ম শতকৰ বুলি কয়।

যদি কৱি দুজনাৰ পৌৰ্বাপৰ্যবিষয়ক পূৰ্বতন সিদ্ধান্তৰ প্ৰতি লক্ষ্য নকৰি তেওঁবিলাকৰ গ্ৰন্থৰ আভ্যন্তৰীণ আলোচনাৰ দ্বাৰা কোনজনে কোনজনৰ পৰা ভাষা আৰু ভাৱ গ্ৰহণ কৰাটো সম্ভৱ সেইটো নিৰ্ণয় কৰিব পৰা যায় তেতিয়া হ'লে সেই নিৰ্ণয়ে পৌৰ্বাপৰ্যৰ প্ৰশ্নটিৰ নিৰ্ণয়ৰ পথ সুগম কৰি দিব।

কৱি হিচাপে বিচাৰ কৰিলে অশ্বঘোষক কালিদাস, ভাৰৱি, মাঘ আৰু শ্ৰীহৰ্ষৰ নিচিনা বুলি ধৰিব নোৱাৰি। কালিদাস বিশুদ্ধ ৰসবাদী কৱি আছিল। ভাৰৱি, মাঘ আৰু শ্ৰীহৰ্ষ চমৎকাৰবাদী বা অলঙ্কাৰ প্ৰধান কৱি; কিন্তু অশ্বঘোষক আমি উপদেশবাদী বা প্ৰচাৰবাদী কৱি হিচাপেহে গ্ৰহণ কৰিব পাৰোঁ। এওঁ কাব্যৰচনাত কাব্যানন্দ বা ৰসক প্ৰধানভাৱে নলৈ ধৰ্ম প্ৰচাৰৰ বা বৈৰাগ্যৰ সাধনৰূপেহে লৈছিল।

কালিদাস আদি অন্যান্য কৱিসকলৰ কাব্যৰ উৎস আছিল সৌন্দৰ্যবোধ বা ৰসানুভূতি। তেওঁবিলাকৰ কাব্যত ৰসাস্বাদৰ উপাদান বিভাৱ, অনুভাৱ, সঞ্চাৰী ভাৱৰূপেহে বৰ্ণনীয় বিষয়বিলাক উপস্থাপিত কৰা হৈছে আৰু সামাজিকৰ ৰসাস্বাদতে সেইবিলাকৰ অৱসান বা সাফল্য প্ৰতিপন্ন হয়। সমাজৰ অনুকৰণীয়, অনুসৰণীয় বা আচৰণীয়ৰূপে যিকণ আদৰ্শ বা শিক্ষা অৱশেষ থাকি যায় সি অতিৰিক্ত লাভ—কলগছৰ খেতিয়কে লাভত পোৱা পাত-পচলাৰ নিচিনা।

কিন্তু অশ্বঘোষৰ কৱি-প্ৰতিভা প্ৰয়োগৰ লক্ষ্য তথা কাব্য ৰচনাৰ উৎস সমাজ কল্যাণ, ভূতানুকম্পা বা তত্ত্বদৰ্শনৰ উন্মেষ। এওঁ ৰসমেধি নিৰ্মাণ কৰিছে তাৰ অসাৰতা আৰু অনিত্যতা প্ৰদৰ্শনৰ যোগেদি বৈৰাগ্য উৎপাদনৰ অৰ্থেহে, উপভোগৰ অৰ্থে নহয়। কৱিয়ে এই কথা নিজেই 'সৌন্দৰনন্দ' কাব্যৰ অন্তত মুক্তকণ্ঠে ব্যক্ত কৰিছে :—

"ইত্যেষা ব্যুপশান্তয়ে ন ৰতয়ে মোক্ষাৰ্থগৰ্ভা কৃতিঃ
শ্ৰোতৃণাং গ্ৰহণাৰ্থমন্য মনসা কাব্যোপচাৰাৎ কৃতা।
যন্মোক্ষাৎকৃত মন্যদত্ৰ হিময়া তৎকাব্যধৰ্মাৎকৃতং
পাতুং তিক্তমিৱৌষধং মধুযুতং হৃদ্যং কথং স্যাদিতি ॥"

[ সৌঃ নঃ ১৮।৬৩ ]

—মোক্ষ বা নিৰ্বাণৰ কথাৰে ভৰপূৰ, মোৰ এই ৰচনা ৰসাস্বাদ বা সংসাৰত অনুৰাগ উৎপাদনৰ অৰ্থে নহয়, সমগ্ৰ সাংসাৰিক প্ৰবৃত্তি, জৈৱ ধৰ্ম আৰু জন্ম-জৰা-মৃত্যুৰ উপশমৰ অৰ্থেহে, যাতে শ্ৰোতাসকলে মোক্ষ বা নিৰ্বাণৰ কথাবোৰ গ্ৰহণ কৰে তাৰ কাৰণে মোক্ষ বা অধ্যাত্ম জ্ঞানৰ প্ৰতি লক্ষ্য ৰাখি কাব্য ৰচনাৰ ছলেৰে কৰা হৈছে; যিদৰে কেনেকৈনো খাবলৈ ভাল হয়? তাকে ভাবি তিতা ঔষধত মউ (মধু) মিহলাই দিয়া ॥

কিন্তু কালিদাস সম্পূৰ্ণ "কবিযশঃপ্ৰাৰ্থী" লোক আছিল বুলি নিজেও ঘোষণা কৰিছে—

"মন্দঃ কবিযশঃপ্ৰাৰ্থী গমিষ্যাম্যুপহাস্যতাম্।"

[ ৰঘুবংশ ]

গতিকে কাব্যধৰ্ম অৰ্থাৎ সাহিত্যৰস পৰিৱেশনৰ উদ্দেশ্যেই তেওঁ গ্ৰন্থ ৰচনাত প্ৰবৃত্ত হৈছে।

অশ্বঘোষে কাব্যৰচনাৰ যোগেদি ভগৱান বুদ্ধৰ শিক্ষা প্ৰচাৰৰ দ্বাৰা জনতাক মোক্ষমাৰ্গত প্ৰবৃত্ত কৰিবৰ অৰ্থে কবিপ্ৰতিভাৰ প্ৰয়োগ কৰিছে।

কালিদাসে ৰামৰ কথা, হৰ-গৌৰীৰ কথা বা যক্ষৰ বিৰহ-ব্যথাৰ জৰিয়তে কাব্যৰস পৰিৱেশনৰ দ্বাৰা জনতাক কাব্যানন্দ উপভোগ কৰোৱাৰ অৰ্থে কবি-প্ৰতিভাৰ প্ৰয়োগ কৰিছে।

যি উদ্দেশ্যলৈ গ্ৰন্থ প্ৰণয়ন কৰা হয় সেই উদ্দেশ্য সম্পন্ন হোৱাটোৱে গ্ৰন্থকাৰৰ কৃতকাৰ্যতা। উদ্দেশ্য সিদ্ধিৰ উপায় উপস্থাপনত কিবা খুঁত বা ত্ৰুটি থাকিলেও তাৰ দ্বাৰা গ্ৰন্থকাৰৰ ন্যূনতা প্ৰতিপন্ন নহয়। গতিকে যদি অশ্বঘোষে তেওঁৰ গ্ৰন্থত কাব্যধৰ্মৰ বা কবিতা ৰচনাৰ ক্ষেত্ৰত কাৰো পৰা কিবা ধাৰ কৰি আনিও প্ৰয়োগ কৰে তথাপি তাৰদ্বাৰা তেওঁৰ অকৃতকাৰ্যতা বা গ্ৰন্থৰ গৌৰৱ হানি অথবা গ্ৰন্থকাৰৰ দক্ষতাৰ অভাৱ প্ৰতিপন্ন নহয়। আনহাতে কালিদাসৰ গ্ৰন্থৰ উদ্দেশ্যই কাব্যৰসাস্বাদ পৰিৱেশন বা কাব্যধৰ্ম। তাকেই যদি তেওঁ আনৰ পৰা ধাৰ কৰি আনি পূৰণ কৰিব লগাত পৰে তেন্তে তেওঁৰ কৃতকাৰ্যতা সন্দিগ্ধ হৈ পৰিব, গ্ৰন্থৰ ন্যূনতা আৰু গ্ৰন্থকাৰৰ দক্ষতাৰ অভাৱ সুস্পষ্ট ভাৱে প্ৰতিপন্ন হ'ব।

'অনৱীকৃততা' কাব্যৰ এটা ডাঙৰ দোষ। কবিয়ে বৰ্ণনীয় বস্তুক যিমানে নতুন নতুন ভাৱে উপস্থাপিত কৰিব পাৰে কাব্যৰচনাৰ ক্ষেত্ৰত তেওঁৰ সিমানেই নিপুণতা প্ৰতিপন্ন হয়। গতিকে যিকোনো 'কবিযশঃপ্ৰাৰ্থী' লোকেই অনৱীকৃততা দোষৰ প্ৰতি সজাগভাৱে, অতি সাৱধানে নিজৰ প্ৰতিভা প্ৰয়োগ কৰে—যাতে নিজৰ ৰচনা আনৰ ৰচনাৰ লগত মিলি নগৈ অভিনৱ-ৰূপে প্ৰকট হৈ উঠে।

সেইকাৰণে কালিদাসৰ পক্ষে জ্ঞাতসাৰেই হ'ক বা অজ্ঞাতসাৰেই হ'ক অশ্বঘোষৰ কাব্যৰ এনেভাৱে অনুসৰণ কৰাটো অত্যন্ত দোষাৱহ আৰু কবিযশস্যাৰ প্ৰতিকূল, গতিকে তেনে কৰাটো অসম্ভৱ যেন লাগে। কিন্তু অশ্বঘোষ কবিযশঃপ্ৰাৰ্থীও নহয়, কাব্যধৰ্ম তেওঁৰ প্ৰতিভা-প্ৰয়োগৰ উদ্দেশ্যও নহয়, গতিকে কাব্যধৰ্মৰ ক্ষেত্ৰত তেওঁ কালিদাসৰ পৰা এনেকৈ যৎকিঞ্চিৎ গ্ৰহণ কৰাত উদ্দেশ্যসিদ্ধিৰ ব্যাঘাত নঘটে; কোনো অযশস্যাৰো সম্ভাৱনা নাই।

বাঢ়ৈৰ কাম কাঠ কটা। তাৰ কাৰণে তেওঁ কমাৰৰ পৰা হাথিয়াৰ গ্ৰহণ কৰাত কোনো আপত্তি নাই। কিন্তু কমাৰৰ কাম হাথিয়াৰ গঢ়া। তেওঁৰ পক্ষে আনৰ পৰা দা-কটাৰি ধাৰ কৰি অনাটো দূষণীয়। কালিদাসে ব্যাস-বাল্মীকিৰ পৰা গ্ৰহণ কৰাৰ দৰে অশ্বঘোষেও যে তেওঁবিলাকৰ পৰা কিছু কিছু গ্ৰহণ কৰিছে সেইটো নিঃসন্দেহে বুজা যায়। কিন্তু কালিদাসে যিদৰে তেওঁবিলাকৰ ঋণ স্বীকাৰ কৰিছে অশ্বঘোষে সেইদৰে



কাৰো ওচৰত ঋণ গ্ৰহণৰ কথা স্বীকাৰ কৰা নাই। এই বৈলক্ষণ্যৰ কাৰণ বিচাৰিলে এইটোকে অনুমান কৰিব পাৰি যে কালিদাসে তেওঁৰ প্ৰতিভা প্ৰয়োগৰ মুখ্য উদ্দেশ্য কাব্য-ধৰ্মত (কবিতা ৰচনাত) মহৰ্ষি বাল্মীকি আদিৰ কাব্যধৰ্মৰ প্ৰভাৱ উপলব্ধি কৰিছিল কাৰণেই তেওঁবিলাকৰ প্ৰতি সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছিল। যদি তেওঁ নিজৰ কবিতাত অশ্বঘোষৰ প্ৰভাৱ পৰা বুলি বুজিব পাৰিলেহেঁতেন অৰ্থাৎ অশ্বঘোষৰ গ্ৰন্থ দেখিলেহেঁতেন তেন্তে তাৰো এটা ইঙ্গিত নিদিয়াকৈ নাথাকিলহেঁতেন।

অশ্বঘোষৰ মুখ্য উদ্দেশ্য যি মোক্ষমাৰ্গ-প্ৰদৰ্শন তাৰ উপায়ৰূপে গৃহীত কাব্য-ধৰ্মত আনৰ পৰা জ্ঞাতসাৰে বা অজ্ঞাতসাৰে যিমানেই গৃহীত হ'ক বা নহ'ক, উপায়ৰ ক্ষেত্ৰত আনৰ সাহায্য অপৰিহাৰ্য হেতুকে তাৰ স্বীকৃতি দান নিষ্প্ৰয়োজন বুলি তেওঁ বুজিছিল; উপেয় মোক্ষ-ধৰ্মৰ ক্ষেত্ৰত তেওঁ আন কাৰো পৰা একো লোৱা নাই। যিখিনি নিজৰ গুৰুসম্প্ৰদায়ৰ পৰা পাইছে তাৰ স্বীকৃতি প্ৰকাশৰ প্ৰথাও নাই—আৱশ্যকো নাই। পিতৃ-পিতামহৰ সম্পত্তিত যিদৰে পুত্ৰ-পৌত্ৰৰ স্বত্ব ওপজে গুৰুৰ জ্ঞানসম্পদতো সেইদৰে শিষ্যৰ স্বত্ব হয়। গতিকে যিদৰে পৈতৃক সম্পত্তি ভোগ কৰা পুত্ৰই 'মই পিতৃৰ সম্পত্তি ভোগ কৰিছো' বুলি লোকত প্ৰচাৰ কৰাৰ আৱশ্যক নাই আৰু ভাৰতীয় শিষ্ট সমাজত তেনে পদ্ধতি প্ৰচলিতো নাই সেইদৰে গুৰুৰ পৰা প্ৰাপ্ত জ্ঞান-সম্পদ প্ৰচাৰ কৰা শিষ্যই 'মই অমুক গুৰুৰ পৰা এই জ্ঞান পাইছো'—বুলি জনসাধাৰণৰ মাজত প্ৰচাৰ কৰাৰ কোনো প্ৰয়োজন নাই আৰু সেইটো স্বদেশে কৰ্তব্য ৰূপে ভাৰতীয় শিষ্ট সম্প্ৰদায়ৰ মাজত প্ৰচলিতো নাই। এই কাৰণে অশ্বঘোষে কাব্য-ধৰ্মৰ ক্ষেত্ৰত ব্যাস-বাল্মীকিৰ পৰা গ্ৰহণ কৰাৰ দৰে কালিদাসৰ পৰাও গ্ৰহণ কৰাটো অধিক সম্ভৱপৰ।

ব্যাস-বাল্মীকিৰ পৰৱৰ্তী সংস্কৃত কবিসকলৰ ভিতৰত যে কালিদাস সৰ্বশ্ৰেষ্ঠ সেইটো সৰ্বসম্মত কথা। ভাৰতৰ সকলো কাব্যালোচকেই কালিদাসক মহাকবি, কবিকুল-গুৰু, কবিশিৰোমণি ইত্যাদি শ্ৰেষ্ঠতাসূচক শব্দৰে উল্লেখ কৰিছে। আনকি যিসকল বৌদ্ধাচাৰ্য সাহিত্য আলোচনাত প্ৰবৃত্ত হৈছিল সেইসকলেও কাব্যৰ ক্ষেত্ৰত অশ্বঘোষতকৈ কালিদাসক অধিক গৌৰৱপূৰ্ণ স্থান দিয়া দেখা যায়। উদাহৰণ স্বৰূপে ৯৩১ খৃষ্টাব্দত সিংহলী বৌদ্ধাচাৰ্য, ৰত্নশ্ৰীজ্ঞানৰ প্ৰণীত 'ৰত্নশ্ৰী' নামক কাব্যাদৰ্শৰ টীকাত কালিদাসৰ ৰঘুবংশ, কুমাৰসম্ভৱ আৰু অভিজ্ঞান শকুন্তলৰ পৰা অনেক উদ্ধৃতি গ্ৰহণ কৰা হৈছে অথচ অশ্বঘোষৰ পৰা হ'লে এটিহে পদ্য উদ্ধৃত কৰা দেখা যায়[১]।

যদি অশ্বঘোষৰ কাব্যৰ প্ৰভাৱ কালিদাসৰ ওপৰত পৰা বুলি পূৰ্বৰ কাব্যালোচক সকলে বুজিব পাৰিলেহেঁতেন অথবা অশ্বঘোষক কালিদাসতকৈ শ্ৰেষ্ঠ কবি বুলি মানি ললেহেঁতেন, তেন্তে আনে নহলেও বৌদ্ধাচাৰ্যসকল নিশ্চয় কালিদাসতকৈ অশ্বঘোষৰ কাব্যত অধিক গুৰুত্বদান আৰু সমাদৰ প্ৰদৰ্শন কৰিলেহেঁতেন। আৰু সেয়ে হলে অশ্বঘোষৰ কাব্যৰ আলোচনা কালিদাসৰ কাব্যৰ তুলনাত কম নহ'লহেঁতেন।

ভাৰতবৰ্ষত বৌদ্ধধৰ্মৰ বা বৌদ্ধগ্ৰন্থৰ আলোচনাৰ অগ্ৰগতি খৃঃ ১০ম শতিকালৈকে ভালদৰে চলি থকাৰ প্ৰমাণ পোৱা যায়। অশ্বঘোষৰ কাব্যৰ অধ্যয়ন-অধ্যা-

( ৮ পৃষ্ঠাত চাওক )

(১) ৰত্নশ্ৰীজ্ঞানে "যথোক্তমাচাৰ্যাশ্বঘোষেণ" বুলি "আলস্যংযৰদিন ভাৱেজ্জগচ্ছনৰ্থঃ কোবিৰানিহনভৱেদ্ধ কনখৰোৱা আলস্যাদৰনিবিয়ং সমাগৰাহি সম্পূৰ্ণ নৰপণ্ডিজিন্ড নিৰ্ধনেষ ॥" এই শ্লোকটি উদ্ধৃত কৰিছে। [ কাব্যলক্ষণ ৰত্নশ্ৰী ১।.০৪, পৃঃ ৬০ ] এতিয়ালৈকে প্ৰকাশিত অশ্বঘোষৰ গ্ৰন্থত এই পদ্য বিচাৰি পোৱা নগ'ল। অনাবিষ্কৃত বা অপ্ৰকাশিত অশ্বঘোষৰ গ্ৰন্থৰ ভিতৰত নিশ্চয় এই পদ্য আছিলে।

# অসম সম্পৰ্কত অজ্ঞতা আৰু অপপ্ৰচাৰ

শ্ৰীযুগল দাস

অসমীয়া যে এটা স্বকীয়া ভাষা আৰু অসমীয়া সাহিত্য যে অতি সমৃদ্ধ, অসমীয়া ভাষা যে বঙলা ভাষাৰ দোৱান নহয়, এই সত্য ভালদৰে প্ৰতিষ্ঠিত হৈছে। ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ নিচিনা বঙলা ভাষাবিদেও পূৰ্বৰ মত সলনি কৰি অসমীয়া ভাষা-সাহিত্যৰ স্বকীয়তা স্বীকাৰ কৰিছে। কিন্তু বঙালীসকলে নিজৰ অজ্ঞতাৰ বাবেই হওক—বা অসমীয়া বিদ্বেষৰ বাবেই হওক,—অসমীয়া ভাষা-সাহিত্যৰ বিষয়ে যি অসত্য প্ৰচাৰ কৰিলে, তাৰ কণ-কঠিয়া সহজতে মাৰিবলৈ টান। তদুপৰি বঙালীয়ে অসমীয়া ভাষা-সাহিত্য বঙলা ভাষা-সাহিত্যৰ পৰা উদ্ভৱ হোৱা বুলি কৰা মন্তব্য বৰকৈ নৰজিলেও তেওঁলোকৰ মতামতত আউজি আনে কৰা সমতুল্য মন্তব্য কিন্তু মাৰাত্মক। বিশেষকৈ এনে সমালোচনা বা মন্তব্য যেতিয়া বিশ্ব সাহিত্যত প্ৰকাশ পায়, তেতিয়া ঘৰত বৰমতা ওলোৱা অসমীয়াৰ আটাহে বিদেশৰ কাৰো কৰ্ণ স্পৰ্শ কৰিব নোৱাৰে। ৰামকৃষ্ণ মিছনৰ ঠাল-ঠেঙুলি সমগ্ৰ বিশ্বতে বিয়পি আছে। তেওঁলোকৰ সাংস্কৃতিক বিভাগে বলিষ্ঠভাৱে ভাৰতীয় সাহিত্য সংস্কৃতি প্ৰচাৰ কৰি আছে। তেনে এখন চাৰিখণ্ডত প্ৰকাশিত গ্ৰন্থাৱলী হৈছে "ভাৰতৰ সাংস্কৃতিক ঐতিহ্য" (The cultural Heritage of India)। এই গ্ৰন্থাৱলীৰ প্ৰচাৰ বিশ্বব্যাপক। তেনে গ্ৰন্থাৱলীত বা পুথিত অসম আৰু অসমীয়া ভাষা-সাহিত্যৰ পৰিপন্থী কোনো সমালোচনা বা মন্তব্য প্ৰকাশিত হোৱাটো বাঞ্ছনীয় নহয়।

আমি ৰামকৃষ্ণ মিচনৰ "ভাৰতীয় সাংস্কৃতিক ঐতিহ্যৰ" প্ৰথম খণ্ডৰ ৪৮ পৃষ্ঠালৈ অসমীয়া ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। প্ৰবন্ধটো সংকলন কৰিছে শ্ৰীগুৰু চন্দ্ৰ নৰং, বিদ্যালঙ্কাৰে। এওঁ বোম্বাই বিশ্ববিদ্যালয়ৰ ভাৰতীয় পুৰণি ইতিহাস আৰু সংস্কৃতিৰ প্ৰাক্তন অধ্যাপক। তদুপৰি নৰংদেৱ ভাৰতীয় ইতিহাস পৰিষদৰ সম্পাদক। নৰং দেৱে লিখিছে :

"অসমীয়া ভাষা দৰাচলতে বঙলা ভাষাৰ এটা দোৱানহে; কিন্তু ইয়াৰ বিশিষ্ট ভৌগোলিক অৱস্থানে ইয়াক ভাষাৰ মৰ্যদা দান কৰিছে।"

[ Assamiya or Assamese is really a dilect of Bengali, but its distinct geographical position has given it the position of a language. ]

এতিয়া এনে মন্তব্য কিদৰে খণ্ডন কৰিব পাৰি, তাৰ যথাযথ উপায় গ্ৰহণ কৰিব কোনে ? অসম সাহিত্য সভাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

২। অসম সাহিত্য সভাৰ দ্বাৰা সদ্য প্ৰকাশিত ৺কনকলাল বৰুৱা দেৱৰ "Studies in the Early History of Assam খনৰ ৩০ পৃষ্ঠালৈ মন কৰক। অসমৰ উৰণীয়া সিংহৰ ভাস্কৰ্যৰ বিষয়ে, নগাঁৱৰ হাতীমূৰা মন্দিৰ সন্দৰ্ভত, প্ৰত্নতত্ত্ববিদ শ্ৰীআৰ. ডি. বেনাৰ্জীয়ে





মন্তব্য কৰিছে :

"সিংহৰ প্ৰচলিত প্ৰতিমূৰ্ত্তিয়ে প্ৰমাণ কৰে যে অসম উপত্যকাৰ বাসিন্দাসকলে বনৰ ৰজাৰ লগত পৰিচিত নহয়।"

[ The conventional representation of the lion shows, that the inhabitants of the Assam Valley were not familiar with the king of beasts." ]

অসমৰ হাবিত বনৰাজ সিংহ নাই সঁচা; সেইবাবেই অসম উপত্যকাৰ অধিবাসীয়ে সিংহ দেখা নাই বুলি খাটাংকৈ কৰলৈ যোৱাটো শিশুৰ প্ৰলাপ যেন লাগে। অসমৰ তাহানিৰ ভাস্কৰ্য বা চিত্ৰকলা ভাৰতীয় ভাস্কৰ্য আৰু চিত্ৰকলাৰ মূল সুঁতিৰ পৰা আঁতৰি থকা নাছিল। কামৰূপৰ শিল্পীসকলেও শিল্প-শাস্ত্ৰ চৰ্চা কৰিছিল আৰু একেদৰে শিল্প-সম্ভাৰ সৃষ্টি কৰিছিল। হাবিত বা সাগৰত নেদেখাকৈ অসমীয়া শিল্পীয়ে গৰুড় পক্ষী আৰু মকৰ ৰচনা কৰিছিল। অসমত উট নাথাকিলেও অসমীয়া চিত্ৰকৰে "সমুদ্ৰ মন্থন" নামৰ চিত্ৰ পুথিত অতি আন্তৰিকতাৰে উটৰ চিত্ৰ আঁকি গৈছে। এতেকে সিংহ অসমীয়া চিত্ৰকৰে দেখা নাই গুণেই ভুলকৈ ডেউকা লগাই সিংহ খোদাই বা অংকিত কৰা নাছিল। প্ৰকৃততে অসমীয়া শিল্পীয়ে সিংহক ৰূপান্তৰিত কৰি নতুনৰূপ দি লৈছিল আৰু সিংহৰ এই ৰূপক জাতীয় কলাৰ এক বিশেষ ৰূপ বুলি পৰিগণিত কৰিছিল। দৰাচলতে অসমৰ চিত্ৰ-ভাস্কৰ্যৰ উৰণীয়া সিংহ বনৰ সিংহৰ প্ৰতিৰূপ নহয়। ই চীনৰ ড্ৰেগন আৰু ভাৰত সিংহৰ মিশ্ৰিত কাল্পনিক এক জন্তুৰ ৰূপ। পৌৰাণিক কাহিনীত হাতী এসময়ত আকাশত উৰি ফুৰা জন্তু বুলি কল্পনা কৰা হৈছিল। চীনৰ ড্ৰেগনকো মেঘৰ মাজত উৰি ফুৰা কাল্পনিক জন্তু বুলি চীনা সংস্কৃতিত গ্ৰহণ কৰা হৈছে আৰু ড্ৰেগনৰ পাখি সংযোগ কৰা হৈছে। অসমৰ উৰণীয়া সিংহই ৰূপ গ্ৰহণ কৰিছে মঙ্গোলীয়া (চীন) আৰু ভাৰতীয় সংস্কৃতিৰ সংমিশ্ৰণত। এই উৰণীয়া সিংহক "চিমেৰা" (chimera) বুলি জনা যায়। সঁচি স্তূপৰ পূব আৰু পশ্চিম দ্বাৰৰ ভাস্কৰ্যতো এনে উৰণীয়া সিংহৰ মূৰ্তি দেখা যায়।* চীনৰ এই চিমেৰাৰ সৈতে মেছপটমিয়াৰ গ্ৰীফিন বোলা কাল্পনিক জন্তুটোৰ এটা সাদৃশ্য আছে। পাখি লগা সিংহই ক্ষিপ্ৰ গতি বুজাইছে। প্ৰকৃত ৰূপত প্ৰতীক সংযোগ কৰি অলঙ্কৃত কৰা (stylise) স্বাধীনতা শিল্পীয়ে সদায় ভোগ কৰি আহিছে। বেছি দূৰলৈ যাবই নেলাগে, কলিকতাৰ পাৰ্কষ্ট্ৰীটৰ মূৰত ময়দানৰ হেৰ সিদিনা দেৱী প্ৰসাদ ৰায় চৌধুৰীয়ে নিৰ্মাণ কৰা প্ৰকাণ্ড গান্ধীজীৰ মূৰ্তিটো, অনেকৰ মতে, সাইলাখ গান্ধীজীৰ প্ৰতিমূৰ্তি নহয়। তেওঁৰ পিন্ধা কাপোৰে পথৰ কণ্টক ধুমুহাৰ দৰে মোহাৰি সমাধি লৈ যোৱা দেখুওৱা হৈছে। এই মূৰ্তিৰ ভাব যোজনা প্ৰণিধান যোগ্য। এনেস্থলত দেৱীপ্ৰসাদ ৰায় চৌধুৰীয়ে গান্ধীজীক দেখা নাই বা গান্ধীজীয়ে কাইটনি আৰু ফুটুকনিৰ মাজেৰে অলিয়া বলিয়া হৈ উধাতু খাই ঘূৰি ফুৰিছিল বুলি ব্যাখ্যা দিয়াটো সমিচীন হ'বনে ? অসমীয়া খনিকৰৰ বিষয়ে বেনাৰ্জী বাবুৰ মন্তব্যত অসমীয়াৰ প্ৰতি বক্ৰোক্তি আৰু অজ্ঞতা, দুয়োটা কথা সোমাই আছে যেন অনুমান হয়।

৩। অনা-অসমীয়াই অসমীয়া মানুহৰ সাজ পাৰৰ বিষয়ে কি কৈছে মন কৰক। ষোড়শ শতাব্দীতে মহম্মদ কাছিমে প্ৰণয়ন কৰা "আলমগীৰ নামাত" অসমৰ মানুহ আৰু তেওঁলোকৰ সাজপাৰৰ বিষয়ে তলত লিখাৰ দৰে বৰ্ণনা পোৱা যায় :

"অসমৰ মানুহৰ মন, পুৰুষোচিত গুণৰ আৱৰণেৰে আবৰা নহয়। সিহঁতৰ দেহৰ সাজপাৰো অতি নিঃকিন। সিহঁতে মূৰত এডোখৰ কাপোৰ বান্ধে, এডোখৰ

* The Arts and Man—by Raymond S. Stites ৩১৩ পৃষ্ঠা দ্ৰষ্টব্য।

কঙ্কালত পিন্ধে আৰু এখন কাপোৰ হুয়ো বাহু ঢাকি গাত মেৰাই লয়। এই দেশত পাগ, চোলা, তলত পিন্ধা সাজ আৰু জোতা পিন্ধা দস্তুৰ নাই।

[ "As they (the Assamese) are destitute of mental garb of manly qualities, they are also deficient in the dress of their bodies, they tie a cloth round their heads and another upon their lions and throw a sheet round their shouldiers ; but it is not customary in that country to wear turbans, robes. drawers or shoes." ]

মহম্মদ কাছিম চাহাবে অসমৰ কোনবোৰ মানুহক দেখি এই বৰ্ণনা লিপিবদ্ধ কৰিলে তাক জানিবৰ উপায় নাই। তেওঁৰ পৰ্যবেক্ষণ আৰু বিবৰণ সঁচা হ'লে হিউৱেন চাঙৰ বৰ্ণনা গোটেই মিছা বুলি পৰিগণিত কৰিব লাগিব। তেওঁ দেখি লিখিছিল নে অসমীয়া বৈৰী কোনোবা সনাহী চোলাধৰাই কোৱামতে লিখিলে ?

উপৰোক্ত বৰ্ণনা সন্নিহিত কৰা হৈছে শ্ৰীজামিলা ব্ৰীজ ভূষণ প্ৰণীত The Costumes & Textiles .of India নামৰ বৃহৎ পুথিখনত (৩৬ পৃষ্ঠা দ্ৰষ্টব্য)। ভূষণদেৱে ভাৰতীয় গহনা, গাথৰি, অলঙ্কাৰ আদিৰ বিষয়ে কেবাখনো মূল্যবান কিতাপ লিখিছে। তেওঁক একপ্ৰকাৰ এই বিষয়বোৰৰ গুৰু (authority) বুলি মানি লোৱা হয়। মহম্মদ কাছিমৰ বৰ্ণনা সম্বন্ধে ভূষণদেৱে যি মন্তব্য কৰিছে, সেই মন্তব্য আৰু পুতৌ লগা। ভূষণদেৱে মন্তব্য কৰিছে :

"বৰ্ণনাৰ ভাষা বৰ সন্তোষজনক হোৱা নাই। এনে ভাষাই (অসমীয়া) মানুহ বিলাকৰ প্ৰতি কোনো সদ্ভাৱ পোষণ কৰা নুবুজায়। কিন্তু জোতাৰ কথা বাদ দিলে, বাকীবোৰ কথা আজিও সঁচা। জোতা হলে আজিকালি জনপ্ৰিয় হৈ পৰিছে।"

[ The choice of words, is not very happy, nor does it display any love of the people, but this description, with the exception of shoes, which have now become quite popular, holds good to present day. ]

ভূষণদেৱ আৰু মহম্মদ কাছিম একেবিধৰ ওপৰচকুৱা পৰ্যবেক্ষক। মহম্মদ কাছিমে নহয় ষোড়শ শতাব্দীত অসম বুলি কোনখন অটব্য হাবিত প্ৰবেশ কৰিলে, কোন "জংলি আদ্মিক" লগ পালে, তাক খাটাংকৈ কবলৈ টান। কিন্তু ভূষণ দেৱৰ কিতাপখন প্ৰকাশ হৈছে ১৯৫৮ চনত, যেতিয়া অসমলৈ পাক এটা মাৰি যোৱাটো একো কথাই নাছিল। তদুপৰি ভূষণদেৱে ইচ্ছা কৰা হ'লে অসমৰ বিষয়ে দুই এখন কিতাপ সংগ্ৰহ কৰিও অসম আৰু অসমীয়াৰ বিষয়ে অন্ততঃ কিছু শুদ্ধ তথ্য সংগ্ৰহ কৰিব পাৰিলেহেঁতেন। তাকে নকৰি ভূষণদেৱে ভুলৰ পৰ্যবেক্ষণ তত্ত্বত থিয় হৈ সুদূৰ বোম্বাইৰ পৰা অসম আৰু অসমীয়াৰ বিষয়ে তেওঁৰ ভ্ৰান্ত ধাৰণা লিপিবদ্ধ কৰিলে। পিছে কিহে গুমগুমায় কোনে কাণ পাতি শুনে ? ভূষণদেৱে ভাগ্যে যে লেখা নাই যে অসমত চুৰিয়া পিন্ধা মতা মানুহ নাই বুলি।

৪। এইবাৰ গুৰুজনাৰ কথালৈ আহক। অতি পৰিতাপৰ বিষয় যে অসমৰ অপ্ৰতিদ্বন্দ্বী ধৰ্ম, সংস্কৃতি আৰু সাহিত্যৰ গুৰি ধৰোঁতা শ্ৰীমন্ত শঙ্কৰদেৱৰ বিষয়ে ভুল ধাৰণা প্ৰকাশ কৰিছে এলা-পেছা বিধৰ যেই সেই মানুহে নহয়,—স্বয়ং স্বামী বিবেকানন্দই। স্বামীজী এই শতিকাৰ প্ৰথম দশকত অসমলৈ আহিছিল ; তেওঁ গুৱাহাটী আৰু শ্বিলঙত বাহৰ পাতিছিল। তেওঁ অসমৰ প্ৰাকৃতিক দৃশ্য চাই মুগ্ধ হৈছিল। কেওঁ কৈছিল, "শ্বিলঙৰ পাহাৰ বোৰ অতি মনমোহা। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৌন্দৰ্য তুলনা নহয়" [ The Shillong hills are very beautiful. The Brahmaputtra Valley is incomparable in its beauty. ] কিন্তু দুখৰ বিষয়, এই হেন দেৱৰো দুৰ্লভ অসম ভূমিৰ যি প্ৰাণবস্তু, সেই গুৰুজনাৰহে তাৎপৰ্য তেওঁ উপলব্ধি কৰিব নোৱাৰিলে। আমাৰ মনে ধৰে, অসমীয়া বৈৰী সনাহী, চুকতে থাকি বুকুতে



কামোৰা কোনোবা অনা-অসমীয়াই স্বামীজীক গুৰুজনাৰ বিষয়ে ভুল বাতৰি পৰিবেশন কৰিছিল। আলমোৰাৰ মায়াৱতীৰ অদ্বৈত আশ্ৰমে প্ৰকাশ কৰা Talks with Swami Vivekananda নামৰ ইংৰাজী কিতাপখনত অসম আৰু গুৰুজনাৰ বিষয়ে স্বামীজীয়ে এইদৰে কোৱা বুলি লিখা আছে :

"এইখন তন্ত্ৰৰ দেশ। মই "হঙ্কৰ দেৱৰ" কথা শুনিছোঁ। তেওঁক অৱতাৰ স্বৰূপে পূজা কৰা হয়। মই জানিব পাৰিছোঁ যে তেওঁৰ পন্থাৰ লোক ব্যাপক ভাবে আছে। শঙ্কৰাচাৰ্যৰে নামান্তৰ "হঙ্কৰদেৱ" নেকি মই ঠিৰাং কৰিব নোৱাৰিলোঁ। তেওঁলোক সন্ন্যাসী, —বোধ হয় তান্ত্ৰিক সন্ন্যাসী। তেওঁলোক শঙ্কৰৰ (শঙ্কাচাৰ্যৰ) আন এটা সম্প্ৰদায়ো হব পাৰে।"

[ It is the land of Tantra. I heard of one "HankarDeva" who is worshipped there as an Avatara. I heard, his sect is very wide-spread. I could not ascertain if Hankar Deva was but another form of the name of Sankaracharya. They were monks, perhaps Tantric Sannyasins. Or perhaps one of the Sankara Sects.

—Talks with Swami Vivekanada, Page 248]

স্বয়ং স্বামী বিবেকানন্দৰ দ্বাৰা উক্ত গুৰুজনাৰ বিষয়ে এই ভ্ৰান্ত ধাৰণা সহজে বদ কৰিবলৈ টান। অসমৰ বাহিৰত অসম আৰু অসমীয়াৰ বিষয়ে প্ৰকৃত তথ্য দাঙি ধৰিবলৈ আমাৰ কোনো সক্ৰিয় ব্যৱস্থা নাই, আন্দোলন নাই, প্ৰচাৰ নাই আৰু আন ভাষাত পুথি-পত্ৰও নাই। সিদিনা অসমলৈ চক্ৰৱৰ্ত্ত অহা জৈনমুনি এগৰাকীয়ে গুৰুজনাৰ হিন্দী জীৱনী এখন বিচৰাত দিব পৰা নহল। আমি অসম চৰকাৰৰ প্ৰকাশন পৰিষদ আৰু অসম সাহিত্য সভাৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

৫। সৰ্ব শেষত গান্ধীজীৰ এটা মন্তব্য আলোচনা কৰি এই প্ৰবন্ধ সামৰা যাওক। গান্ধীজীয়ে এবাৰ "হিন্দ্ স্বৰাজ" নামৰ পুস্তিকাখনত অসমৰ মানুহবোৰক পিণ্ডাৰি আদি আদিমবাসীৰ লগত একে শাৰীৰ মানুহ বুলি বৰ্ণনা কৰিছিল। শেষত যেনিবা প্ৰকৃত সত্য উপলব্ধি হ'লত তেওঁ তাৰ বাবে ত্ৰুটি স্বীকাৰ কৰে। (শ্ৰীসতীশ চন্দ্ৰ কাকতিদেৱৰ Discovery of Assam ৰ ৬ পৃষ্ঠা দ্ৰষ্টব্য) কিন্তু গান্ধীজী অসম ভ্ৰমণলৈ ১৯২১ চনত প্ৰথমবাৰ আহোঁতে অসমীয়া মানুহৰ বিষয়ে আৰু এটা মাৰাত্মক মন্তব্য কৰি যায়। সেই মন্তব্য পিছত তেওঁ প্ৰত্যাহাৰ কৰিলেনে নাই আমি তাৰ ভু নেপাওঁ।

এই মন্তব্য ভাৰতীয় বিদ্যাভৱনৰ দ্বাৰা প্ৰকাশিত Gandhi's Vi.w of Life (সংকলন শ্ৰীচন্দ্ৰ শেখৰ শুকলাৰ) নামৰ পুস্তিকাত লিপিবদ্ধ হৈছে। (৭০ পৃষ্ঠা দ্ৰষ্টব্য)। গান্ধীজীয়ে এইদৰে মন্তব্য কৰিছে :

"মই নিজৰ ক্ষেত্ৰত অতি নৈষ্ঠিক কিন্তু আনৰ ক্ষেত্ৰত উদাৰ।

• • •

১৯২১ চনত মোৰ অসম ভ্ৰমণ কালত (অসমৰ) কোনো এখন ঠাইত এটা নতুন মূত্ৰাধাৰত মোলৈ পূৰ্ণ পাত্ৰ গাখীৰ অনা হৈছিল। মই মনত বৰ বেয়া পাইছিলোঁ ; কিন্তু কাকো একো নকৈ মই মনে মনে থাকিলোঁ। যিবিলাক দুখীয়া মানুহে মোৰ বাবেই এই পাত্ৰটো কিনি আনিছিল, তেওঁলোকে এই পাত্ৰ সাধাৰণতে কি কামত ব্যৱহাৰ কৰে নেজানে।"

(I am a Puritan myseif, but I am catholic to others.

During my tour of Assam in 1921, at one of the halts, milk was brought to me in a brand new chamber-pot (?) I very much disliked this, but ket quiet, for the poor people who purchased the pot, specially for this purpose, evidently had no

knowledge of the use which was ordinarily made of it." )

"Chamber-pot"ৰ অভিধানিক অৰ্থ হ'ল মূত্ৰাধাৰ। তেওঁ অসমীয়াৰ চৰিয়াটোকে মূত্ৰাধাৰ বুলিছে। অসমীয়াই স্থান বিশেষে চৰিয়াক মূত্ৰাধাৰ স্বৰূপেও ব্যৱহাৰ কৰে, সঁচা। অসমীয়াৰ চৰিয়া এশ এটা কামত ব্যৱহৃত হয়। চৰিয়াত অকল গাখীৰেই নহয়, বিভিন্ন খাদ্য দ্ৰব্যও খোৱা হয়। সত্ৰ আৰু ৰবনাম ঘৰত আৰু বিয়াই সভাই বৰ বৰ চৰিয়াত গিয়াতি গঙ্গাৰ বাবে মাহ প্ৰসাদ, কোমল চাউল তিওৱা হয়—জা-জলপান ৰাইজক পৰিবেশন কৰিবলৈ যুগুতাই খোৱা হয়। তেনেস্থলত গান্ধীজীয়ে তেনে যদি ভাবেই হৈছিল তেন্তে অসমৰ মানুহক, অন্ততঃ তেওঁৰ অনুগামীসকলক সুধি নেচালে কিয়,—কিয় চৰিয়া নামৰ মূত্ৰাধাৰত তেওঁলৈ কেঁচা গাখীৰ আগবঢ়োৱা হৈছিল ? কিয় ? বাণ্টিবোৰ কি দৰে ব্যৱহাৰ কৰা হয় ? একে বাণ্টিত দেখোন গাখীৰ খিৰায়, খোৱা পানী যুগুতাই ৰাখে, আৰু ভোজে ভাতে খোৱা বস্তু ভৰায়ো পৰিবেশন কৰে; সেই একে বাণ্টি আকৌ মৰণৰ শৌচাধাৰ স্বৰূপেও ব্যৱহাৰ হয় ? তেতিয়া ভাৰতুথন তললৈ নেযায়নে ? অসমীয়া মানুহেনো বাৰু গান্ধীজক মূত্ৰাধাৰত গাখীৰ হেন দ্ৰব্য—যোগান ধৰা কথাটো ভাবিব পাৰি নে ? কিন্তু দুখৰ বিষয় অসমীয়াৰ তেজত এনে স্বভাৱ কস্মিন কালেও নথকা সত্বেও গান্ধীজীৰ লিখনীয়ে তাক বাহাল কৰি গ'ল।

ওপৰত উল্লেখ কৰা প্ৰত্যেকখন কিতাপ ভাৰতৰ বাহিৰৰ পঢ়ুৱৈয়েও পঢ়ে। এনেবোৰ কিতাপ পঢ়ি অসমীয়া মানুহৰ শুদ্ধ চিত্ৰ এখন কেতিয়াও আনে কল্পনা কৰিব নোৱাৰে। আমি মাত্ৰ পাঁচখন কিতাপৰ টোকাহে ওপৰত উল্লেখ কৰিছোঁ। ইয়াৰ বাহিৰেও বা কত কিতাপ পত্ৰত অসমীয়াক ভুলকৈ অংকিত কৰা হৈছে ! অসমীয়া-বিদ্বেষ, ন্যস্ত স্বাৰ্থৰ বহুদিনৰ কুচক্ৰান্ত। আমি পিছেও আজিও সজাগ নহলোঁ।

---

( ৩ পৃষ্ঠাৰ পিছৰ পৰা )

পনাও যে এই দেশত অচল হৈ পৰিছিল এনে নহয়। আলঙ্কাৰিক ৰাজশেখৰে [ ৮৮০-৯২০ খৃষ্টাব্দৰ ] 'কাব্য-মীমাংসা'ত নামাখ্যাত কৰিব উদাহৰণ স্বৰূপে অশ্বঘোষৰ বুদ্ধচৰিতৰ পৰা "হতত্বিষোঽস্কাঃ শিথিলাংসবাহৱঃ" ইত্যাদি [ বুঃ চঃ ৮।২৫ ] পদ্য উদ্ধৃত কৰিছে। খৃঃ ১০ম শতিকাৰ জৈন কবি সোমদেৱ সূৰিয়েও তেওঁৰ যশস্তিলক চম্পূ'ত বৌদ্ধধৰ্মত নিৰ্বাণৰ স্বৰূপ বৰ্ণনা কৰিবলৈ গৈ অশ্বঘোষৰ ৰচিত 'সৌন্দৰনন্দ'ৰ পৰা [ সৌঃ নঃ ১৬।২৮-২৯ ] দুটা পদ্যাংশ উদ্ধৃত কৰিছে। খৃঃ ১২ শ শতিকাৰ বৌদ্ধ-কবি শৰণ দেৱেও 'দুৰ্ঘটবৃত্তি'ত বুদ্ধচৰিতৰ "ইদং পূৰং তেন বিৱৰ্জিতংৱনম্"—ইত্যাদি [ বুঃ চঃ ৮।১৩ ] শ্লোকটি উদ্ধৃত কৰিছে।

খৃঃ ১৪ শ শতিকাৰ প্ৰাচীন কামৰূপৰ বিদগ্ধ পণ্ডিত 'ৰায় মুকুট' নামেৰে খ্যাত, মহীন্তাপনীয়, শক্ৰবৃহস্পতি ৰাজধৰ মিশ্ৰই 'অমৰকোষ'ৰ স্বৰচিত টীকাত আৰু খৃঃ ১৫শ শতিকাৰ বঙ্গৰ পণ্ডিত সৰ্বানন্দই 'অমৰকোষ'ৰ তেওঁৰ প্ৰণীত 'সৰ্বস্ব' নামৰ টীকাত সৌন্দৰনন্দৰ পৰা শ্লোক উদ্ধৃত কৰিছে।

তথাপি বহুশ্ৰীজ্ঞানৰ নিচিনা বিবিধ শাস্ত্ৰত ব্যুৎপত্তি থকা বৌদ্ধ পণ্ডিতেও অশ্বঘোষৰ গ্ৰন্থতকৈ কালিদাসৰ গ্ৰন্থৰ প্ৰতি অধিক সমাদৰ দেখুৱাব লগাত পৰিল কিয় ! ইয়াৰ কাৰণ বিচাৰিলে ইয়াকে বুজা যায় যে, তেওঁৰ ( অশ্বঘোষৰ ) কাব্যবিলাক কাব্যিক সম্পদত কালিদাসৰ কাব্যৰ সমকক্ষ নাছিল হেতুকে কাব্যামোদীসকলৰ মাজত বেচি সমাদৃত হৈ থকা নাছিল ; বৌদ্ধ ধৰ্মৰ তত্ব আলোচনা কৰোঁতাসকলৰ মাজত তথা ব্যাকৰণ আদি শাস্ত্ৰৰ অনুশীলন কৰোঁতাসকলৰ মাজতহে অধিক প্ৰচলিত বা সমাদৃত হৈ আছিল।

( ক্ৰমশঃ)

# চাহ-মজদুৰৰ অতীত জীৱন

শ্ৰীনাৰায়ণ ঘাটোৱাৰ

অসমৰ চাহবাগিচাবোৰত মজুৰী কাম কৰি জীৱিকা নিৰ্বাহ কৰা মানুহবিলাকেই চাহ-মজদুৰ। তেওঁলোকৰ আদি বাসস্থান একে ঠাইত নাছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশ বিশেষকৈ অবিভক্ত বঙ্গদেশ, বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ আৰু অন্ধ্ৰ প্ৰদেশৰ পৰা তেওঁলোক জীৱিকা নিৰ্বাহৰ চমু উপায় বিচাৰি অসমলৈ আহিছিল আনৰ ফুচুলনিত। তেওঁলোকে বৰ্তমান কাম কৰি থকা চাহ-বাগিচাৰ ইতিহাসৰ বিষয়েও দু-আষাৰ কোৱাৰ প্ৰয়োজনবোধ কৰা হ'ল এইখিনিতে।

অসম দেশত চাহগছ অতীজৰে পৰা আছিল। এই বিষয়ে সবিশেষ জানিবলৈ সেই সময়ৰ ভাৰতৰ গৱৰ্ণৰ লৰ্ড বেণ্টিঙ্কৰ দিনত ১৮৩৪ চনত এটি 'টি কমিটী' গঠন কৰি দিয়া হৈছিল। উক্ত কমিটীৰ সন্তোষজনক বাতৰি পাই ভাৰত চৰকাৰে চীন দেশৰ পৰা চাহ গুটি আনিবলৈ গৰ্ডন চাহাবক ( টি কমিটীৰ সদস্য ) পঠিয়ায়। তেওঁ অনা চাহ গুটি বোটানিকেল গাৰ্ডেন আৰু নাইনিতালত ৰোৱাৰ বাহিৰেও অসমতো ৰোৱায়। অসমৰ বৰ্তমান চাবুৱাত প্ৰথমতে চাহ গুটি ৰোৱে ১৮৩৫ চনত গৰ্ডন চাহাবে। তেতিয়াৰ চাহ ৰোৱা বা ৰোৱা, ঠাইখনেই এতিয়া চাবুৱা নামেৰে জনাজাত। তাৰ পিছত ১৮৩৯ চনত নাজিৰাত 'আসাম কোম্পানী' গঠন কৰা হয় আৰু এই কোম্পানীয়ে ঠায়ে ঠায়ে চাহবাগিচা খুলিবলৈ প্ৰয়াস কৰে। ১৮৫৮ চনত শিৱসাগৰত যোৰহাট টি কোম্পানীও গঠন কৰা হয়।*

ওপৰত উল্লেখ কৰা কোম্পানী দুটাই ঠায়ে ঠায়ে বাগিচা খোলাত প্ৰথম অৱস্থাত অসমীয়া মানুহে মজদুৰৰ কাম কৰিছিল। তেতিয়াৰ দূৰদৰ্শী চাহাববিলাকে প্ৰথমতে ভগা ভগা অসমীয়া শিকি অসমীয়া মজদুৰক কাম কৰোৱাইছিল। আনকি তেওঁলোকৰ মুখত অসমীয়া ফকৰাও শুনা গৈছিল। উদাহৰণ স্বৰূপে তেওঁলোকে কৈছিল—

"নেকাটিলে মাটি
চৰ্দাৰে পেলাব হাজিৰা কাটি।"

পিছলৈ চাহ বাগিচাৰ সংখ্যা বৃদ্ধি হবলৈ ধৰিলে আৰু তেতিয়া বাহিৰৰ পৰা মজদুৰ অনাৰ প্ৰয়োজনীতা অনুভৱ কৰিলে চাহ কোম্পানী বিলাকে। তেতিয়া অসমৰ সকলো বিলাক চাহ কোম্পানী মিলি এটি 'এছ'চিয়েছন' পাতে ১৮৫৯ চনত। এই মৰ্মে কলিকতাত এটি কাৰ্যালয় পাতি ইয়াৰ জৰিয়তে টেওঁৰ দালাল বা আড়কাঠিয়া মকৰল কৰে। আড়কাঠিয়া শব্দটোৰ অৰ্থ চাহ বাগিচাৰ

* ১৮২৬ চনত চি, এ, ব্ৰুচ নামেৰে এজন চাহাবে উজনি অসমৰ হাবিত প্ৰথমে চাহ আবিষ্কাৰ কৰিছিল বুলি জনা যায়। তেওঁক হেনো চিংফৌ এজনে বনৰীয়া চাহগছৰ পুলি ( ফানাপ্ ) আনি দেখুৱাইছিল। অসমীয়া চাহ খেতিয়কসকলৰ ভিতৰত বিখ্যাত মণিৰাম দেৱানেই 'প্ৰথম পুৰুষ'।— সম্পাদক।

প্ৰচলিত ভাষা মতে খহটা বা নিৰ্ভীক। কিন্তু সেই সময়ত ইয়াক বেলেগ অৰ্থত প্ৰয়োগ কৰা হৈছিল— তাৰ মানে দালাল। সেইবাবেই বোধ হয় তেওঁলোকে ফুচুলাই অনা মানুহবিলাকক 'আড়কাঠিয়া চালান' বুলি কোৱা হৈছিল। আনকি সেই সময়ৰ জমিদাৰ-বিলাকেই আড়কাঠিয়াৰ পৰা টকা লৈ এক প্ৰকাৰ জোৰ কৰিয়েই মানুহ অসমলৈ পঠিয়াইছিল। আনকি শুনা যায়—বঙ্গদেশ, উৰিষ্যা আৰু বিহাৰৰ জমিদাৰক পইচা দি কিনি আনি মজুৰ কলিকতাৰ কাৰ্যালয়লৈ পঠিয়াইছিলহি আড়কাঠিয়া বিলাকে। পিছলৈ এনেকৈ ফুচুলাই অনা মজদুৰবিলাকে চাহ বাগিচালৈ অহাটো দুৰ্কপালৰ কথা বুলি বিবেচনা কৰিছিল। সেয়েহে তেওঁলোকে এতিয়াও ফাঁকি দিয়ে 'আনিল আসাম' বুলি হুমুনিয়াহ কাঢ়ে ঝুমুৰ গীতৰ মাধ্যমত।

যি সময়ত আড়কাঠিয়াবিলাকে বিভিন্ন প্ৰদেশৰ পৰা মজদুৰ আনিছিল সেই সময়ত অসমত যাতায়তৰ একেবাৰে সুবিধা নাছিল। ১৮৬০ চনত প্ৰতিষ্ঠিত কলিকতাৰ ৰিক্ৰুটিং এজেন্সী হাউচ'ৰ (Recruiting Agency House) পৰা মজদুৰবিলাক ধুবুৰীৰ গোৱালগুলৈ পঠোৱা হৈছিল ৰেলেৰে। তাৰ পৰা তেওঁলোক জাহাজৰ তৃতীয় শ্ৰেণীৰ যাত্ৰীৰ ডেকত উঠি আহিব লগীয়া হৈছিল। সময় লাগিছিল পোন্ধৰ দিনৰ পৰা প্ৰায় এমাহ। সেই সময়ত নানা কষ্টৰ মাজেদি ৰেমাৰ আক্ৰান্ত মৰি-হাজি কিছু সংখ্যক মজদুৰহে অসমৰ বাগিচা পাই-ছিলহি। ডেকত আনকি শৌচ-প্ৰসাৱ আদি কৰাৰো হেনো ব্যৱস্থা নাছিল। ডেকৰ দাঁতিত শৌচ কৰিবলৈ গৈ কোনো কোনোৱে ব্ৰহ্মপুত্ৰৰ বুকুত সমাধিস্থ হৈছিল। ডেকত থকা কেইটামান চৌকাত ভাত ৰান্ধি খোৱাটো বৰ বিৰক্তিকৰ আছিল। পুৰাতে এজেন্সীৰ মানুহে চাউল-দাইল মজদুৰ বিলাকৰ মাজত বিলাই দিয়ে। চৌকা কম হোৱাত কিছুমানে আবেলিহে ভাতৰ মুখ দেখিবলৈ পায়। কিছুমানে অত্যন্ত পলম হোৱা বাবে উপায়হীন হৈ দাইল চাউল গলিয়াই গলিয়াই খাবলৈ ধৰে। ইয়াৰ ফলত হোৱা গ্ৰহণী ৰেমাৰত বহুত মৃত্যু হৈছিল। আকৌ ডেকখন লেতেৰা হোৱাত আনকি বহুতে বসন্ত ৰোগতো কষ্ট ভুগিব লগীয়া হৈছিল।

মজদুৰ আমদানি কৰা কাৰ্যত সৎ-অসৎ আদি সকলো প্ৰকাৰৰ উপায় অৱলম্বন কৰা হৈছিল। ওপৰত উল্লেখ কৰা হৈছে যে অসমৰ স্থানীয় মানুহে বাগিচাত মজদুৰ কাম কৰিবলৈ অনিচ্ছুক হোৱাত বাহিৰৰ পৰা মজদুৰ আনিব লগীয়া হৈছিল। সহজতে যাতে মজদুৰ আনিব পাৰি তাৰ বাবে কোম্পানীবিলাকে বহুতো সুবিধা পাইছিল। উল্লেখনীয় যে ১৮৪৬ চনত গুৱাহাটীৰ পৰা শিৱসাগৰলৈ ১৮ টকা ভাৰাৰ ঠাইত মাত্ৰ ৮ টকা এজন মজদুৰৰ ভাৰা আছিল। ইয়াৰ পৰাই বুজা যায় যে সেই সময়ৰ ইংৰাজ চৰকাৰে কোম্পানীবোৰৰ পক্ষপাতিত্ব কৰিছিল এইদৰে প্ৰত্যক্ষ সহায়ৰ জৰিয়তে। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ দমনৰ পৰবৰ্তী পৰিস্থিতি আৰু সেই সময়ত সঘনে হোৱা আকাল আৰু মহামাৰীৰ ফলত বহুতো তিৰোতা বিধবা আৰু লৰা-ছোৱালী অনাথ হৈছিল। ইয়াৰ আগতে বেছি সংখ্যক মতা মানুহহে অসমলৈ আহিছিল, তিৰোতাৰ সংখ্যা বৰ কম আছিল।

সেই কাৰণে সেই বিধবা তিৰোতা আৰু লৰা-ছোৱালীবিলাকক সহজতে ফুচুলাই অসমলৈ আনিব পৰা হৈছিল। তেনেকৈ অনা বিধবা তিৰোতাই অবিবাহিত বা ৰবলা পুৰুষৰ লগত আপোনাআপুনি লগ লাগি ঘৰ-সংসাৰ পাতি বাগিচাত উভয়ে কাম কৰিবলৈ লয়। তেতিয়া কোনে কোন জাতিৰ তিৰোতাৰ পাণি গ্ৰহণ কৰিলে তাৰ বাছ বিচাৰ নহৈছিল। বহু বছৰৰ পিছতহে উগ্ৰ জাত বিচাৰকাৰী কিছুমানে নিজ নিজ সম্প্ৰদায়ৰ কথা সুঁৱৰি বাগিচাই বাগিচাই বহুতো জাতি-উপজাতিৰ সৃষ্টি কৰি পেলালে। তথাপিও জাতৰ শুদ্ধি গোষ্ঠীৰ ক্ষেত্ৰত কোনেও ভাল বংশজাত বা সৱৰ্ণ বুলি দাবী কৰাৰ স্থল নাই।

দুৰ্ভিক্ষপীড়িত আৰু দুৰ্দশাগ্ৰস্ত মানুহক নানা প্ৰলোভন দেখুৱাই অসমলৈ আহিবলৈ উদগণি দিছিল সেই



সেই অঞ্চলৰ সুবিধাবাদী ঠিকাদাৰবিলাকে। কোম্পানী-বিলাকে হেনো ঠিকাদাৰৰ পৰা ১২০ টকাৰ পৰা ১৫০ টকালৈকে দি মজদুৰ কিনি লৈছিল। সেয়েহে পাশ্চাত্যৰ ক্ৰীতদাস প্ৰথাৰ লগত ইয়াৰ পাৰ্থক্য নাছিল বুলিলেও বঢ়াই কোৱা নহব। আনকি মজদুৰ সংগ্ৰহ কৰা কাৰ্যত প্ৰলোভন, প্ৰবঞ্চনা, চুৰি, ডকাইটি, হত্যাকাণ্ড আদি কোনো উপায়েই বাদ পৰা নাছিল বুলি ছাৰ হেনৰী কটনৰ 'ইণ্ডিয়া এণ্ড হম মেময়চ' নামৰ কিতাপত উল্লেখ আছে। কিন্তু এনে দুষ্কৰ্মৰ বিস্তৃত বিবৰণ পোৱা নাযায়। কাৰণ তেতিয়াৰ বিষয়া সকলেই এইবোৰ গোপন কৰি ৰাখিছিল। এই বিষয়ে এঠাইত লিখা আছে—In fact a fate of crime and outrage which will arouse a storm of public indignation in any civilised country...In Indi a the facts were left to be recorded without notice by a few officials and missioneries". আনকি 'যোৰহাট টি কোম্পানীয়ে ১৮৭৩, ১৮৯৬-১৯০৫ আৰু ১৯০৭-১৯০৮ চনৰ দুৰ্ভিক্ষ জনিত দুৰৱস্থাৰ সুযোগ লৈ হাজাৰ হাজাৰ মজদুৰ আনিব পৰাৰ কথাও লিপিবদ্ধ আছে কোম্পানীৰ ইতিহাসত। উল্লেখযোগ্য যে ১৯১৯ চনত এই কোম্পানীয়ে ৫,৫০০টা নতুন মজদুৰ সপৰিয়ালে আনি নিজৰ অভাৱ পূৰণ কৰিছিল এনে দুৰ্ভিক্ষৰ সুবিধা লৈয়েই।

সেই সময়ত বাগিচালৈ অহা সকলো মজদুৰেই চুক্তি-বদ্ধ হৈ (গিৰমিট লিখি) আহিব লাগিছিল। কাজেই তেওঁলোকৰ হাত ভৰি আইনেৰে বন্ধা আছিল। অৱশ্যে এনে গিৰমিটৰ ম্যাদ শেষ হলে ঘৰলৈ ঘূৰি যাব পৰা ব্যৱস্থা আছিল যদিও ঘূৰি নোযোৱাৰ ব্যৱস্থা কোম্পানীবিলাকে কৰিছিল। এতদৰ্থে ১৮৬১ চনত কুলী এগ্ৰিমেণ্ট ব'নাচ (Coolie Agreement Bonus) নাম দি এক অভিনৱ উপায় উলিয়াইছিল। তিনি বছৰৰ গিৰমিট শেষ হোৱাৰ পিচত উক্ত ব'নাচৰ চুক্তিনামাত চহী কৰিলে ৫ টকা ধাৰ পাইছিল। এনে দৰে বহুতে পাঁচ টকীয়া নজৰ বন্দীত নিজৰ সকলো ৰকমৰ স্বাধীনতা জলাঞ্জলি দি অত্যাচাৰৰ মাজত নিজে নিজে সোমাই পৰিছিল। সেই সময়ত প্ৰতিজন পুৰুষে পাঁচ টকা আৰু প্ৰতিজনী তিৰোতাই চাৰি টকাকৈ বানচ পাইছিল। ১৯০০ চনত ভাইচৰয় কাউন্সিলত ছাৰ হেনৰী কটনে যেতিয়া মজুৰীৰ নিৰিখ পাঁচ টকাৰ ঠাইত ছয় টকা কৰিব খুজিছিল তেতিয়া ইংৰাজ পুঁজিপতিসকলৰ প্ৰবল বিৰোধিতাৰ ফলত কটন চাহাবৰ প্ৰস্তাৱ নাকচ হৈ যায়। অৱশ্যে তেতিয়া বয় বস্তুৰ দাম একেবাৰে কম আছিল বাবে সেই কেইটি ৰূপেৰে পেটে-ভাতে খাই জীয়াই থাকিব পাৰিছিল আৰু উত্তৰোত্তৰ বৈষয়িক চিন্তা নকৰা মজদুৰে সিমানতে সন্তুষ্ট হব পাৰিছিল।

তেতিয়াৰ চৰকাৰী বনুৱা আইনখনো শাস্তিদায়ক আছিল। মজদুৰে তেতিয়া ইচ্ছামতে কামলৈ নগৈ ঘৰতে বহি থাকিব নোৱাৰিছিল। চকীদাৰে বলেৰে ধৰি নি কামত উপস্থিত কৰাইছিল। সামান্য অপৰাধত গুৰুতৰ শাস্তি দিয়াৰ ব্যৱস্থা আছিল। সামান্য জগৰ লগালেই মজদুৰজনক চকীদাৰৰ হতুৱাই ধৰি নিয়াইছিল আৰু অফিচত বান্ধি চাহাবে বেতেৰে কোবাই গাৰ ছাল ছিঙি দিছিল। সাধাৰণ বিচাৰ চাহাবেই কৰি দিছিল। চাহাবে দিয়া শাস্তিৰ প্ৰতিবাদ তেওঁলোকে কৰিব নোৱাৰিছিল সংঘবদ্ধতাৰ অভাৱত। অবিচাৰৰ নিৰাপত্তামূলক ব্যৱস্থা নথকাৰ বাবে চাহাবক তেওঁলোকে ভয়ৰ চকুৰে চাইছিল। তেওঁলোকক এনেভাৱে ভীতিগ্ৰস্ত কৰি ৰখা হৈছিল যে তেওঁলোকৰ সামাজিক জীৱনত ই পৰম্পৰাগত ভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল।

বাগিচা আৰম্ভ হোৱা দিন ধৰি বাহিৰৰ পৰা মজদুৰ অনা কাম বন্ধ হোৱা নাছিল। ১৮৯২ চনত চাহ কোম্পানীবিলাকে টি ডিষ্ট্ৰিকটছ লেবাৰ এছ'চিয়েচন (Tea Districts Labour Association) গঠন কৰে। উদ্দেশ্য যাতে সহজতে সস্তা দৰত মজদুৰ যোগাৰ কৰিব পৰা যায়। ইতিমধ্যে ইংৰাজ চাহ খেতিয়কসকলেও

(১৬ পৃষ্ঠাত চাওক)

# সমালোচক বেজবৰুৱা

অধ্যাপক **চিত্তৰঞ্জন চৌধুৰী**

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই অসমীয়া আধুনিক সাহিত্যৰ কেবাটাও দিশতে কাপ চলাই আধুনিক যুগৰ অসমীয়া সাহিত্যৰ দিক নিৰ্ণয় কৰি যোৱা বুলি কলেও বঢ়াই কোৱা নহয়। সমালোচনা সাহিত্যতো তেওঁৰ অৰিহণা উলাই কৰিবলগীয়া নহয়। তলত দিয়া বিষয় সমূহত ভাষা সাহিত্য সমালোচক বেজবৰুৱাক বিচাৰি উলিয়াব পাৰি।

(১) অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণ,
(২) সাহিত্য সম্পৰ্কীয় অন্যান্য আলোচনা,
(৩) ভাষা বিষয়ক প্ৰবন্ধ সমূহ,
(৪) মহাপুৰুষসকলৰ সাহিত্য-আলোচনা,
(৫) অন্যান্য কিতাপৰ সমালোচনা,
(৬) নিজ ৰচনাৰ আত্ম সমালোচনা,
(৭) বিবিধ।

বেজবৰুৱাই অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণ (১৯২৪ চন)ত অসমীয়া সাহিত্য আৰু সাহিত্যৰ সাধাৰণ লক্ষণৰ বিষয়ে বসাল আৰু প্ৰাঞ্জল ভাষাত আলোচনা কৰিছে। এই আলোচনাত সমালোচক বেজবৰুৱাক বিচাৰি পোৱা যায়। ইয়াত বেজবৰুৱাই অসমীয়া সাহিত্যৰ জয়গান গাইছে। তেওঁ য়ুৰোপীয় কাব্য প্ৰতিভাৰ তিনিটা খুঁটিৰ বিষয়ে বহলাই ব্যাখ্যা কৰিছে। লগতে ইয়াকো কৈছে যে "কিন্তু কাব্য-প্ৰতিভাৰ গ্ৰীকভঙ্গী আৰু ৰোমীয় ভঙ্গীৰ কথা যে কৈছোঁ, প্ৰাচীন ভাৰতীয় কাব্য প্ৰতিভাত যে স্বাধীনভাবে অৰ্থাৎ কাৰোপৰা ঋণ-কৰ্জা নকৰাকৈ সেই দুই ভঙ্গী নাছিল এনে ভাবিলে নচলিব।"—( প্ৰবন্ধাৱলী, পৃষ্ঠা ১৭ )। আকৌ কৈছে—"ৰোমৰ শক্তি, গ্ৰীছৰ প্ৰাঞ্জলতা, দূৰ বাহিৰত খেপিয়াই ফুৰিছোঁ, অথচ আমাৰ ঘৰৰ শঙ্কৰ-মাধৱ আৰু কন্দলি সকলৰ কবিতালৈ হাত মেলা নাই।" ( প্ৰবন্ধাৱলী, পৃষ্ঠা ১৭ )।

য়ুৰোপীয় কাব্য-প্ৰতিভাৰ তিনিটা খুঁতিৰ নিচিনা য়ুৰোপীয় প্ৰভাৱ মুক্ত এই তিনি খুঁতি যে আমাৰ পুৰণি অসমীয়া সাহিত্যত আছে, এই কথা উদাহৰণ দি দাঙি ধৰিছে। বেজবৰুৱাৰ এনে তুলনামূলক আলোচনাত তেখেতৰ ব্যক্তিত্ব আৰু পাণ্ডিত্য প্ৰকাশ পাইছে, আনফালে আমাৰ পুৰণি সাহিত্যৰ সৌৰভ বাঢ়িছে।

বেজবৰুৱাই পুৰণি কালৰ অসমীয়া সাহিত্যক লৈ গৌৰৱবোধ কৰে। কিন্তু আধুনিক কালৰ সাহিত্য দেখি সন্তুষ্টি লাভ কৰিব পৰা নাই। বিশেষকৈ পদ্যলিখি কবিতা বুলি প্ৰচাৰ কৰা লিখকসকলৰ প্ৰতি তেওঁ সমালোচনাৰ চোকা বাণ নিক্ষেপ কৰিছে আৰু লগতে মৃদু ভৎৰ্সনা কৰি উপদেশো দিছে। তেওঁ কৈছে—"আজিকালি লিখা পঢ়া শিকা বা শিকিবলৈ যোৱা ডেকা সকলৰ ভিতৰত কবিতা বুলি পদ্য লিখা বায়ু বৰকৈ উঠিছে যেন দেখা যায়।" কিন্তু এই সকল কবিক নিৰাশ নকৰি তেওঁ কৈছে—"তেওঁলোকৰ তপত উছাহৰ



ওপৰত চেঁচাপানী ঢালিবৰ মোৰ সমূলি মন নাই। কিন্তু এনে অনেক বিষয় আছে, যিবোৰ বিষয়ে তেওঁলোকে লিখিবলৈ চেষ্টা কৰিলে কিছুদূৰ কৃতকাৰ্য কিজানি হবও পাৰে। যেনে, (১) অসমৰ অতীত গৌৰৱ-কাহিনী (২) অসমৰ নৈ, পৰ্বত, বন-উপত্যকা, প্ৰকৃতিৰ সৌন্দৰ্য, গাঁওভূই, গাঁৱলীয়া উজু জীৱনৰ কাৰ্য্য-কলাপ, সূৰ্যৰ উদয়-অস্তৰ অনিৰ্বচনীয় সৌন্দৰ্য ইত্যাদি," (অভিভাষণ)।

লগতে ইয়াকো কৈছে যে মামুলী প্ৰেমৰ কবিতা লিখাৰ সকাম নাই। তেওঁ কঠোৰ ভাষাৰে কৈছে—"ডেকাকালত এই শ্ৰেণী 'কবিৰ' কবিতাৰ মই কাঠ সংস্কাৰ কৰিছিলোঁ।" (পৃঃ ৩৫)। তেওঁ যে এজন স্পষ্টবাদী আনফালে অভিভাৱক স্বৰূপ সমালোচক এইকথা এনেকুৱা মন্তব্যৰ দ্বাৰা প্ৰমাণিত হয়।

বেজবৰুৱাই এই ভাষণত অসমীয়া ভাষা-সাহিত্যৰ কেনে আলোচনা আৰু সমালোচনা কৰিছে দেখা যাওক।

(ক) বেজবৰুৱাই প্ৰাক্ বৈষ্ণৱ যুগৰ ভাষা-সাহিত্যৰ বিস্তাৰিত আলোচনা নকৰাকৈ যি ৰূপ দাঙি ধৰিছে সিয়ে সেই যুগৰ প্ৰকৃত চিত্ৰ দাঙি নধৰে। এই যুগৰ বিখ্যাত কবি মাধৱ কন্দলিৰ ৰামায়ণৰ কথা উল্লেখ নকৰাকৈয়ে 'এই যুগৰ সাহিত্য টনকিয়াল নহয়' বুলি মন্তব্য কৰিছে। তেওঁ প্ৰাক শঙ্কৰী যুগৰ ভাষা-সাহিত্যৰ যি পৰিচয় দিছে, সি স্পষ্ট বা সম্পূৰ্ণ নহয়। সেয়েহে তেওঁৰ মন্তব্যখিনিও বিতৰ্কমূলক।

(খ) তেওঁ আহোম যুগৰ সাহিত্যক বেলেগে ভাগ কৰা নাই আৰু এই যুগৰ সাহিত্যৰ বিস্তাৰিত বৰ্ণনাও দিয়া নাই। কেৱল কৈছে—"শঙ্কৰীযুগ আৰু এইযুগ (আধুনিক যুগ)ৰ মাজডোখৰত অসম ঘোৰ ৰাজনৈতিক বিপ্লৱ-বিপৰ্যয় আদিৰে জলা-কলা।" আকৌ কৈছে—"আহোম ৰজাসকলৰ দিনত, ঘাইকৈ সেই ডোখৰত, নানা ৰাজনৈতিক বিপ্লৱৰ বিশেষকৈ মোৱামৰীয়া বিদ্ৰোহৰ আৰু মানৰ উপদ্ৰৱৰ নিমিত্তে অশান্তিৰ চূড়ান্ত অৱস্থা; তাৰ উপৰি ভূতৰ ওপৰত দানহ, কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ অক্ষয় অকীৰ্তি বুৰঞ্জীৰূপী শেষদাহ। এনেবিলাক কাৰণত সেই সময়ত অসমত সাহিত্য-চৰ্চাৰ বৃদ্ধি আৰু পৰিপুষ্টিত ব্যাঘাত আৰু ধ্বংস স্বাভাৱিক।"

বেজবৰুৱাৰ এনেকুৱা মন্তব্যাই আহোম যুগৰ প্ৰকৃত চিত্ৰ দাঙি নধৰে। কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ অক্ষয়-অকীৰ্তি বুৰঞ্জীদাহৰ পিছতো আমাৰ হাতত যি বুৰঞ্জী সাহিত্য আছে তাৰ কাৰণে আমি গৌৰৱান্বিত। বেজবৰুৱাই এই কথা উল্লেখ নকৰিলে। কিন্তু 'ৰূপাবৰ বৰবৰুৱাৰ 'ভাবৰ বুৰবুৰণি'ৰ অন্তৰ্গত 'বুৰঞ্জীৰ দৌৰাত্ম্য' প্ৰবন্ধত অসম বুৰঞ্জীৰ বিষয়ে আলোচনা কৰিছে।

(গ) আধুনিক যুগৰ সাহিত্যৰ বিষয়ে কৈছে যে দেশ পৰাধীন থকা কাৰণে এই যুগৰ বহুতো চিনাকি লিখকৰ ভাবভঙ্গীও স্বাধীন নহয়। এনেধৰণৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁ সাহিত্যৰ ভাৱ প্ৰকাশত মধ্যম পন্থা অৱলম্বন কৰাৰ পক্ষপাতী। তেওঁৰ ভাষাত "সাহিত্যত উচ্ছৃঙ্খলতা যেনেকৈ দোষৰ কথা মোক দুছুৰি মোক দুছুৰি ৰাৰো তেনেকৈ দোষৰ কথা" (প্ৰবন্ধাৱলী, পৃঃ ৫১)

বেজবৰুৱাই অসম সাহিত্য সভাৰ এই ভাষণ দিছিল ১৯২৪ চনত। সেই সময়ত অসমীয়া আধুনিক সাহিত্য যে তেনেই নিশকটীয়া আছিল সেই কথা নকলেও হব। বেজবৰুৱাই অসমীয়া সাহিত্যৰ দিক নিৰ্ণয় কৰিব বিচাৰিছিল। সেইবুলি তেওঁৰ সকলো বিলাক মতামত যে আজিও গ্ৰহণ যোগ্য সেইটো নহয়। কিন্তু যুগৰ পৰিপ্ৰেক্ষিত দিয়া তেওঁৰ সাহিত্য আৰু ভাষা সম্বন্ধীয় মন্তব্যবোৰ যে মহানমূল্যবান সেই কথা উলাই কৰিব নোৱাৰি।*

*বেজবৰুৱাৰ অভিভাষণখনিতহে যে, কেৱল অসমীয়া সাহিত্যৰ ধাৰাবাহিক আলোচনা আছে এনে নহয়—"অসমীয়া ভাষা আৰু সাহিত্য" নামৰ গ্ৰন্থখনত এই সম্পৰ্কীয় কেইবাটাও আলচ সন্নিবিষ্ট হৈছে। সেইবোৰৰ ভিতৰত কলিকতা অ—ভা—উ—সা-ত পাঠ কৰা বক্তৃতা তথা "অসমীয়া ভাষা" নামৰ দীঘলীয়া প্ৰবন্ধতো বিশেষভাবে উল্লেখযোগ্য। এই প্ৰবন্ধত অসমীয়া ভাষা সাহিত্যৰ যুগ-বিভাগো দিয়া হৈছে।—সম্পাদক।

## ২। সাহিত্য সম্পৰ্কীয় অন্যান্য আলোচনা

"কৃপাবৰ বৰবৰুৱাৰ ভাবৰ বুৰবুৰণিৰ" অন্তৰ্গত 'সাহিত্যৰ উৎপত্তি' নামৰ প্ৰবন্ধত কৃপাবৰৰূপী বেজবৰুৱাই সাহিত্যৰ বিষয়ে আলোচনা কৰোঁতে অসমীয়া ভাষা-সাহিত্যৰ অপব্যৱহাৰ কৰা সাহিত্যিকসকলক সমালোচনা কৰি থকাসৰকা কৰিছে।

জধেমধে অনা-অসমীয়া শব্দ ব্যৱহাৰ কৰা সকলক তেওঁ বাক্য:বাণ মাৰি কৈছে—"হেমচন্দ্ৰ আৰু লম্বোদৰৰ দিনত ইংৰাজী Spelling শব্দটোৰ সলনি বৰ্ণবিন্যাস আৰু আথৰ জোঁটনি এই দুটাই গাই-গোটা পেটে-ভড়াল হৈ বন কৰি দি ঘৰ-সংসাৰ চলাইছিল। আজি সিহঁতৰ প্ৰতিদ্বন্দ্বীৰূপী 'বানান' নামৰ বঙালী মানুহ ওলালহি।" (বেজবৰুৱা গ্ৰন্থাৱলী গৃ: ১৪ ৯৫।)

কৃপাবৰ বৰবৰুৱাই সাহিত্য সম্বন্ধে কৰা মন্তব্য সমূহ প্ৰণিধান যোগ্য। —"যিহকে পায় তাক লিখি গলেই সি সাহিত্য নহয়। সাহিত্যৰ দেহলাওটো বিষয়বস্তুত নহয়, আকাৰ প্ৰকাৰতহে"। (গ্ৰ, পৃ: ১৪৯৬)

ৰস নথকা কিতাপ লিখি স্কুলকলেজত চলোৱা গ্ৰন্থকাৰসকলৰ প্ৰতি কৃপাবৰে সমালোচনাৰ তীব্ৰ বাক্যবাণ মাৰিছে—"তেনে গ্ৰন্থকাৰসকল 'বানচৰ বনুৱা মাথোন।' তেওঁ আকৌ কৈছে, "আজিকালি সাহিত্যৰ নামত বজাৰত ভুঁহ আৰু পতান চলিছে।" (গ্ৰ,পৃ: ১৪৯৬) কৃপাবৰৰূপী বেজবৰুৱাই বিভিন্ন প্ৰবন্ধৰ মাজেৰে সাহিত্যৰ নামত গদ্য-পদ্য লিখা লিখকসকলক বাৰুকৈয়ে সমালোচনা কৰিছে।

## ৩। অসমীয়া ভাষা

বেজবৰুৱাৰ অসমীয়া ভাষাবিষয়ক আলোচনাবোৰত বেজবৰুৱাৰ স্বদেশ-প্ৰীতিৰ জলন্ত নিদৰ্শন পোৱা যায়। তেওঁৰ ভাষাবিষয়ক আলোচনাবোৰত তলত দিয়া ধৰণৰ সমালোচনাৰ ৰূপ প্ৰকাশ হোৱা দেখা যায়।

(ক) অসমীয়া ভাষাক প্ৰকৃত মৰ্যদা দিবৰ কাৰণে আৰু অসমীয়া লোকৰ মাজত সচেতনতা জগাই তুলিবলৈ তেওঁ তীব্ৰ ভাষা ব্যৱহাৰ কৰি সবলমনৰ চানেকি দাঙি ধৰিছে। তেওঁ আনন্দৰে কৈছে—"মাতৃভূমি আৰু মাতৃভাষাতকৈ কিবা সোৱাদলগা বস্তু এই পৃথিৱীত আছে নে কব নোৱাৰো।" বেজবৰুৱাই মাতৃভাষাক প্ৰাণভৰি ভাল পাইছিল কাৰণেই হক কথাত অসমীয়া বিৰোধী তথাকথিত বঙালী পণ্ডিতসকলক তীব্ৰ বাক্যবাণ মাৰি থকাসৰকা কৰিছে। তেওঁ সমালোচনাৰ তীব্ৰ শৰ হাতত লৈ অসমীয়া ভাষাৰ বিৰুদ্ধাচাৰণ কৰা সকলক ক্ষত-বিক্ষত কৰিছে। মাজে মাজে ভাৱ প্ৰৱণ হলেও অকাট্য যুক্তিৰে বিপৰীত পক্ষক ঢোকে ঢোকে পানী খুৱাইছে। বাহুল্যৰ ভয়ত তেনেকুৱা ধৰণৰ বেজবৰুৱাৰ চোকা বাক্যবাণৰ উদ্ধৃতিৰ পৰা বিৰত থাকিলোঁ।

(খ) তেওঁ ভয়াতুৰ বা পাচহোহোঁকা অসমীয়া লিখকক জগাই তুলিবলৈ সমালোচনাৰ চোকাশৰ নিক্ষেপ কৰিছে। তেওঁ কৈছে—"আমাৰ ভিতৰতো আজিকালি কোনো কোনোৱা 'বেহিচাপী' অহমুমন্তীয়া ঢাল লোৱা দেখা যায়। তেওঁলোকক সাৱধান কৰি দিবৰ মনেৰে এই কেষাৰ কথা কলোঁ। বঙলা শব্দলৈ ভয় কৰি আজিকালি তেওঁলোকে আমাৰ অসমীয়া ভাষাৰ ভিতৰত থকা সংস্কৃত শব্দৰ পৰাও ডেও মাৰি দি পলাব খোজে যে তেওঁলোকক সেই ডেৱেই নি আকৌ ভুলৰ বৰথাৰৈত নেপেলালে ৰক্ষা।" (গ্ৰ: পৃ: ১৭৪৭)

(গ) তেওঁ তথকথিত অসমীয়া সমালোচক সকলকো সমালোচনা কৰিছে। সমালোচক হোৱা অতি টান কাম। উবাজুৱা সমালোচনাই ইষ্টতকৈ অনিষ্ট কৰে বেছি। যেয়ে সেয়ে দুই চাৰিপিঠি অপ্ৰয়াসে লেখিব পাৰে; কিন্তু লোকৰ লেখাৰ ওপৰত দুকলথ প্ৰকৃত সমালোচনা কৰিব নোৱাৰে। কিছুমান মানুহ আছে তেওঁলোকে সমালোচনা কৰা কামটি অতি উজু পায় নেকি কব নোৱাৰো। অশ্বৰ পিছত কাপ ধৰিয়েই সমালোচনা কৰিবলৈ বহে।" (গ্ৰ: পৃ: ১৭৪৮)

কিছুমান অসমীয়া সমালোচকে প্ৰকৃত জ্ঞান উপাৰ্জন নকৰাকৈয়ে সমালোচনাত হাত দিয়া কাৰণে ব্যঙ্গ



কৰি কৈছে—"এনে বিদ্যাৰেই অসমত সমালোচক হব পাৰি।"

## ৪। পুৰণি অসমীয়া সাহিত্যৰ সমালোচনা

পুৰণি অসমীয়া সাহিত্যৰ মণি-মুকুতা উদ্ধাৰ কাৰ্য্যত বেজবৰুৱাই আগভাগ লৈছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ জীৱনী আৰু সাহিত্য আলোচনা কৰি তেৰা সকলৰ অমূল্য সম্পদ ৰাজি যে অসমীয়া ভাষা সাহিত্যৰ আপুৰুগীয়া সম্পদ তাক সুৱলাকৈ প্ৰতিপন্ন কৰি গৈছে।

তেওঁ মহাপুৰুষৰ জীৱনী লিখোতে যুক্তিতৰ্কৰ ভিতৰলৈ বৰকৈ নোসোমাই চৰিত-পুথিৰ ওপৰত বেছিকৈ ভেজা লৈ চলিছে। এনে আলোচনাত এজন বৈজ্ঞানিক দৃষ্টি ভঙ্গীৰ আধুনিক সমালোচকৰ ৰূপ ফুটি উঠা নাই যেন লাগে। ইয়াত কেৱল বেজবৰুৱাক এজন স্বদেশ প্ৰেমিক ভক্ত হিচাপে পাওঁ।

'তত্বকথা' আৰু 'কৃষ্ণকথাত' বেজবৰুৱাৰ পাণ্ডিত্য প্ৰকাশ পাইছে। ইয়াত সাহিত্যৰ ৰস বা সৌন্দৰ্য উদ্ধাৰতকৈ ধৰ্মতত্ব উদ্ধাৰতহে বেছি মনোযোগ দিয়া দেখা গৈছে। ইয়াত সাহিত্য-সমালোচক বেজবৰুৱাক ধৰ্মতত্ব-সমালোচক ৰূপত দেখা পোৱা যায়।

তেওঁ অসমৰ বৈষ্ণৱধৰ্ম আৰু মহাপুৰুষ সকলৰ নিন্দা কোনো পধ্যেই সহ্য কৰিব নোৱাৰিছিল। অসমৰ মহাপুৰুষ সকলৰ বিপক্ষে কৈ তেওঁলোকক হেয় কৰিব খোজা সকলক তেওঁ কঠোৰ সমালোচনাৰে থকা-সৰকা কৰি মুখ বন্ধ কৰি দিছিল। এনেকুৱা সমালোচনাত তেওঁৰ ভাষা তীব্ৰ ব্যঙ্গাত্মক হয়। নানান শাস্ত্ৰ আৰু জ্ঞানীলোকৰ উদাহৰণ দি বিপক্ষৰ আক্ৰমণ সাহসেৰে প্ৰতিৰোধ কৰিছিল, আৰু তেওঁ অসমীয়া বৈষ্ণৱ ধৰ্ম আৰু মহাপুৰুষ সকলৰ জয়গান গাইছিল। তেওঁ স্পষ্ট ভাষাত কৈছে যে হাজাৰ যুক্তি-তৰ্কৰ অৱতাৰণা কৰিলেও অসমৰ মহাপুৰুষ সকলৰ প্ৰতিভাক তিলমানো হেয় কৰিব নোৱাৰি। আনকি এই বিষয়ত তেওঁৰ অন্তৰঙ্গ বন্ধু পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু ৰজনী বৰদলৈক চোকা সমালোচনা কৰিবলৈ এৰা নাছিল।

অসমৰ মহাপুৰুষ সকলক হেয় প্ৰতিপন্ন কৰিব খোজাসকলক বেজবৰুৱাই 'মৃদঃ মাৰ্কা' আৰু 'সাম্প্ৰদায়িক সঙ্কীৰ্ণতা' নামৰ প্ৰবন্ধত ব্যঙ্গ ভাষা প্ৰয়োগ কৰি সমালোচনাৰ বাণ নিক্ষেপ কৰিছে। 'বৈষ্ণৱ ও বিষ্ণুপূজক' নামৰ বঙলা কিতাপৰ এজন প্ৰকাশক ৰাধামোহন ব্ৰহ্মচাৰীৰ বিষয়ে লিখিছে—"পাঠক দেখিব এই ব্ৰহ্মচাৰীজনৰ গাত "অসৎ অহঙ্কাৰ" বুলি পদাৰ্থ এটি নাই। তেওঁ নিৰ্ভীক সত্যব্ৰত। আশাকৰোঁ। এই ব্ৰহ্মচাৰী 'পিলা' জনে তেওঁৰ ওচৰৰে সৈতে অচিৰতে কাপমৈলাম লৈ নিৰ্ভীক ভাৱে মছলেম ধৰ্মৰ সম্পৰ্কেও তেওঁলোকৰ মন্তব্য প্ৰকাশ কৰিব। তৃণতকৈয়ো নীচ, তৰুতকৈও সহিষ্ণু শ্ৰীমন্ত শঙ্কৰদেৱ আৰু পৰমহংস ৰামকৃষ্ণদেৱৰ ওপৰতে বিহলঙনিৰ কোব কেইটা মাৰি ওফাইদাং মাৰি ৰবাবজ্ঞ সাজিলে কি হ'ব?" (গ্ৰ. পৃ: ৫০৯)

'মৃদং মাৰ্কা' প্ৰবন্ধত বেজবৰুৱাই অসমৰ মহাপুৰুষ সকলক সমালোচনা কৰা জনক কটু কথা কৈ সমালোচনা খণ্ডন কৰিছে—"শ্ৰীশঙ্কৰদেৱ, শ্ৰীমাধৱদেৱ, শ্ৰীদামোদৰদেৱ আৰু শ্ৰীহৰিদেৱক বৈষ্ণৱ মহাপুৰুষ বুলি জগতে জানে। এওঁৰ মতে এওঁলোক মহাপুৰুষ হোৱাটোতো দূৰৰ কথা, বৈষ্ণৱেই নহয়। সেইদেখি এওঁক 'বোষ্টম' বোলা গ'ল।" (গ্ৰ: পৃ: ৫০৪)

এইদৰে দেখা যায় য'তেই অসমৰ মহাপুৰুষ সকলক হেয় কৰিব খোজা হয়, তাতেই বেজবৰুৱাই ভিতাৰ্কেহে মাত মাতি তথা-কথিত সমালোচকসকলৰ মুখ বন্ধ কৰিবলৈ চেষ্টা কৰিছিল।

## ৫। নপুথিৰ চিনাকিৰ চানেকী আৰু সমালোচনা

বেজবৰুৱাই বাঁহী আৰু অন্যান্য ঠাইত বহুতো কিতাপৰ চমু চিনাকি দাঙি ধৰিছিল আৰু কিছুমান কিতাপৰ বহল আলোচনাও কৰিছিল। এনেকুৱা কিতাপৰ চিনাকি আৰু আলোচনাত সমালোচক বেজবৰুৱাৰ পাণ্ডিত্য আৰু

( ১১ পৃষ্ঠাৰ পিছৰ পৰা )

তেওঁলোকৰ সামূহিক শক্তি সবল কৰিবৰ কাৰণে ইণ্ডিয়ান টি ডিষ্ট্ৰিক্‌ছ্‌ এছ'চিয়েচন ( Indian Tea Districts Association ) গঠন কৰিছিল। এই এছ'চিয়েছনেই হল বৰ্তমান ইণ্ডিয়ান টি এছ'চিয়েচন ( Indian Tea Association )। A.B.I.T.A. বুলি ইয়াৰ এটি শাখাও আছে অসমত।

কিন্তু দুখৰ বিষয় এয়ে যে চাহ মজদুৰৰ সামূহিক শক্তি সবল কৰিবলৈ সেই সময়ত কোনো সংগঠন নাছিল। আনকি আইন সঙ্গত স্বীকৃতিৰ বাবেও কোনো আইন প্ৰণয়ন হোৱা নাছিল। সৌভাগ্যক্ৰমে ১৯৩৭ চনত শ্ৰীঅমিয় কুমাৰ দাস অসম বিধান সভালৈ নিৰ্বাচিত হয় আৰু তেৱেঁই চাহ মজদুৰৰ স্বাধীনতা (Tea garden labourers freedom of movement) নামৰ এখন বিল উত্থাপন কৰে; কিন্তু পৰম দুৰ্ভাগ্যৰ বিষয় যে বিলখন আইনত পৰিণত নহ'ল। ইয়াৰ কাৰণ আছিল চাৰিও পিনৰ পৰা বাধা। সেই সময়ত বিধান সভাত চাহ খেতিয়ক প্ৰতিনিধিৰ সংখ্যা আছিল মুঠ পোন্ধৰ জন তেওঁলোক চাহুলা চৰকাৰৰ পূৰ্ণ সমৰ্থক আছিল আৰু কাজেই তেওঁলোকৰ প্ৰভাৱৰ হেতুকে উক্ত বিল গ্ৰহণ কৰিব পৰা নহল। নহলে তেতিয়াৰ দিনতেই হয়তো সংগঠনে গা কৰি উঠিলেহেঁতেন। অৱশ্যে কেই বছৰ মানৰ পিছত এই বিল পুনৰ উত্থাপন কৰিব লাগিব বুলি শ্ৰীদাসৰ সমৰ্থকসকলে ৰায় দিলে। বাট চাওঁতে চাওঁতে ইতিমধ্যে ১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হল আৰু সংগঠন কৰাৰ সুবিধা আপোনা-আপোনি আহি পৰিল।

সেই সময়ত মজদুৰৰ সামাজিক স্থান নিম্নস্তৰৰ আছিল। চাহাববিলাকে তেওঁলোকক কুলী' বুলিছিল। আনকি কৰ্মচাৰীবিলাকেও ইয়াকে কৈছিল। তেতিয়াৰ দিনত 'কুলী' বুলিলে সমাজৰ নিম্ন স্তৰৰ আৰু অস্পৃশ্য মানুহক বুজাইছিল। তেওঁলোকৰ স্থান ইয়াতকৈ কোনো গুণে উচ্চ নাছিল।

স্পষ্টবাদী ৰূপ প্ৰকাশ পাইছে। তলত বেজবৰুৱাই আলোচনা কৰা কেইখনমান কিতাপৰ বিষয়ে উল্লেখ কৰা হ'ল।

ডাকৰ বচন—কিছুমান বঙালী পণ্ডিতে ডাকপুৰুষক বঙালী বুলি লিখা কাৰণে বেজবৰুৱাই তেওঁলোকৰ যুক্তি খণ্ডন কৰি ডাক যে হাড়ে-হিমজুৱে অসমীয়া এই কথা 'ডাকৰ বচন' নামৰ আলোচনাত প্ৰতিপন্ন কৰি গৈছে। তেওঁ কৈছে—"এনে অসমীয়াৰো আও অসমীয়া পুথিকো বঙালী সাহিত্যিকসকলে টানি-আজুৰি লৈ গৈ নিজৰ টোলৰ ভিতৰত সুমুৱাইছে।" (বে, গ্ৰ, পৃ, ১৭৬১) কিন্তু বেজবৰুৱা এৰি দিয়া ভকত নহয়। বঙালী পণ্ডিত আৰু প্ৰকাশকসকলক তীব্ৰ ব্যঙ্গাত্মক ভাষাৰে সমালোচনাৰ চোকা শেল মাৰিছে। লগতে যুক্তিপূৰ্ণ পাণ্ডিত্যপূৰ্ণ মন্তব্যসহ প্ৰমাণ কৰি দিছে যে ডাকৰ বচনসমূহ অসমীয়াহে আৰু ডাকো আমাৰ" ডাক যে অতি প্ৰাচীন কলীয়া জ্ঞানী পুৰুষ আছিল আৰু তেওঁৰ বচন পুথিও যে অতি প্ৰাচীনকলীয়া তাত আমাৰ সন্দেহ নাই। ( গ্ৰ, পৃঃ ১৭৬৪ )

অঙ্কীয়া নাট—কলিকতা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা শ্ৰীশঙ্কৰদেৱ বিৰচিত 'ৰুক্মিণীহৰণ' নাটৰ পাতনিত অম্বিকানাথ বৰাদেৱে যি লিখিছে তাক বেজবৰুৱাদেৱে আগ্ৰহেৰে সমৰ্থন জনাইছিল। লগতে তেওঁ ইয়াকো কৈছে যে অসমীয়া ব্ৰজবুলি আৰু বঙালী ব্ৰজবুলি একে নহয়। বঙ্গীয় ব্ৰজবুলিৰ লগত অসমীয়া ব্ৰজবুলিৰ প্ৰভেদ আছে। অসমীয়া ব্ৰজবুলিৰ লগত মিথিলাৰ ব্ৰজবুলিৰ মিল হে বেছি।

দুই মহাপুৰুষৰ ছন্দ আৰু সুৰবোধ—এই প্ৰবন্ধৰ যোগেদি বেজবৰুৱাই শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ ছন্দ আৰু সুৰৰ বিষয়ে আলোচনা কৰিছে। তেওঁ কৈছে "আমি নিজে ছন্দ-বিজ্ঞানত অজ্ঞান, সুৰবোধত অবোধ।" তেওঁ সুৰেন্দ্ৰ মোহন দাসৰ বাঁহীত প্ৰকাশিত 'ছন্দ' নামৰ তিনিটা প্ৰবন্ধৰ বিষয়ে আলোচনা কৰি মহাপুৰুষৰ ছন্দ আৰু আলোচনাত মনোনিবেশ কৰে।



ইয়াতো তেওঁৰ শঙ্কৰ-মাধৱৰ প্ৰতি থকা প্ৰগাঢ় ভক্তিৰ কথা প্ৰকাশ পাইছে। তেওঁ ছন্দ আৰু সুৰৰ বিষয়ে আলোচনা কৰোঁতে ছন্দৰ ভিতৰুৱা খুঁটি-নাটি জটিলতাৰ মাজত নোসোমাই কেৱল মহাপুৰুষসকলৰ ৰচনাৰ সাবলীলতা আৰু মধুৰতা উপলব্ধি কৰি ভক্তিৰসত আপ্লুত হৈ পৰিছে।

ঘোষাৰত্ন—এই আলোচনাত বেজবৰুৱাক এজন বিখ্যাত সমালোচকৰ ৰূপত পাইছো। ঘোষাৰত্ন পুথিৰ পাতনিলেখক পণ্ডিত হেমচন্দ্ৰ গোস্বামী। আনকালে হেমচন্দ্ৰ গোস্বামী বেজবৰুৱাৰ নলেগলে লগা বন্ধু। কিন্তু বন্ধু হল বুলি পাতনি লেখাৰ সকলো যুক্তি তেওঁ মানি লোৱা নাই। য'ত বিৰূপ মন্তব্য পাইছে তাকেই যুক্তিসহ খণ্ডন কৰিছে। বেজবৰুৱাৰ এনে সাহসিকতাই তেওঁক এজন প্ৰকৃত সমালোচক হিচাপে স্বীকৃতি দিছে।

বেজবৰুৱাই বহুতো কিতাপৰ সমালোচনা কৰিলেও সমালোচনাযে টান কাম তেওঁ কেবাবাৰো কৈছে। বাঁহীত প্ৰকাশিত 'পাতনি' আলোচনাত কৈছে—"এই পৃথিৱীত যতবিলাক মস্কিলৰ কাম আছে তাৰ ভিতৰত সমালোচনা কৰাটোও এটা। কিন্তু আশ্চৰ্যৰ বিষয় এইহে যে সেইটো কাম সৰহভাগ মানুহে ইমান ঢিলা বুলি ভাবে যে যেৰনিয়ে বননিয়ে সমালোচক। সম্পাদক হৈ সমালোচক হোৱাটো আৰু টান।"

বেজবৰুৱাই বাঁহী, বাতৰি, আৱাহন আদি কাকতত বহুতো কিতাপৰ সমালোচনা দাঙি ধৰিছিল। তাৰে কেইখনমান গ্ৰন্থৰ নাম উল্লেখ কৰা হ'ল—শ্ৰীমন্নাম ঘোষা, পুৰণি অসমত ভূমুকি, কেতেকী, সন্ধিয়াৰ সুৰ, গুলপৰা ফুলৰ ছুটি, ফুলনি, বাউলী, কবিতা কুঞ্জ, প্ৰেমপট, কথা-কবিতা আদি কাব্যপুথি; কৃষ্ণলীলা, নন্দদুলাল, কুৰুক্ষেত্ৰ, পাৰ্থসাৰথি, সুৰ-বিজয়, অসম-প্ৰতিভা, কামৰূপ, কনৌজ কুঁৱৰী, শাহ আই আদি নাট; চন্দ্ৰকান্ত অভিধান, অসমীয়া ভাষাৰ মৌলিক বিচাৰ, Notes on the Sylhetee Dialect, বেউলা, সুখ-পৰিচয়, চিন্তাকলি, কঃপন্থা আদি আলোচনামূলক পুথি।

বেজবৰুৱাই যদিও কয় যে সমালোচনা টান কাম, তদুপৰি "সম্পাদক হৈ সমালোচনা কৰাটো আৰু টান"; কিন্তু তেওঁ যে এজন সহৃদয়শীল, স্পষ্টবাদী আৰু সাহসী সমালোচক আছিল ওপৰত উল্লেখ কৰা সমালোচনাত তলত দিয়া কথা কেইটাতে তাৰ প্ৰমাণ পোৱা যায়।

(ক) তেওঁ ভাল ৰচনাৰ প্ৰশংসা কৰিছে, ভুল বা আঁসোৱাহ থকা ৰচনাৰ ভুলবোৰ দেখুৱাই দিছিল। তেওঁৰ এনে ধৰণৰ সমালোচনাৰ দুটামান নিদৰ্শন দাঙি ধৰা হ'ল—

"শ্ৰীমন্নাম ঘোষা' কিতাপৰ সমালোচনা কৰোঁতে তেওঁ লিখিছে—"সম্পাদক যে কৃতকাৰ্য হৈছে অকল সেয়েই নহয়, তেওঁৰ কাৰ্যৰ ফলত অসমীয়াৰ এটা বৰ ডাঙৰ অভাৱ গুচিল।"

'পুৰণি অসমত ভূমুকি' কিতাপৰ সমালোচনাত লিখিছে, "কিন্তু এষাৰ কথা মাথোন কওঁ যে দাস মহাশয়ৰ প্ৰবন্ধবোৰ বাঁহীৰ কথাকে নকওঁ, এছিয়াটিক ছচাইটিৰ জৰ্ণেলৰ পাত শুৱাবৰো যোগ্য।"

ৰঘুনাথ চৌধাৰীৰ 'কেতেকী'ৰ সমালোচনাত লিখিছে—"বৰ সৌভাগ্যৰ কথা যে আজিকালিৰ দুখনী অসমৰ সাহিত্য জগতত এনে এজন অসমীয়া কবিৰ উদ্ভৱ হৈছে যাৰ "কেতেকী" কবিতা পৃথিৱীৰ ডাঙৰ ডাঙৰ কবিসকলৰ খণ্ড কবিতাৰে বিজালে, সি সেইবোৰেৰে সৈতে সমান আসন অধিকাৰ কৰিব পাৰে।"

বেজবৰুৱাৰ সমালোচনাত এনেকুৱা প্ৰশংসা-সূচক মন্তব্যৰ অভাৱ নাই। তেওঁ গুণীৰ গুণ বুজি উচ্চ প্ৰশংসা কৰি এজন গুণী সমালোচকৰ পৰিচয় দিছে। সেইবুলি তেওঁ যে সময়ে সময়ে দুই এখন পুথিৰ কঠোৰ সমালোচনা কৰা নাছিল এনে নহয়। উদাহৰণ স্বৰূপে নকুল ভূঞাৰ 'শাহ আই' আৰু দৈৱ তালুকদাৰৰ 'অসম-প্ৰতিভা'ৰ কথা উল্লেখ কৰিব পাৰি। এটা ৰুচি বিগৰ্হিত দৃশ্য থকা বাবে তেওঁ "শাহআই" খন পুৰি পেলাবলৈ পৰামৰ্শ দিছিল। তাৰ ফলতে হেনো অলপ

দিনৰ ভিতৰতে পুথিখনৰ প্ৰথম তাঙৰণৰ সকলো কিতাপ শেষ হৈ গৈছিল। ইও তেওঁৰ লিখনীৰ কালিকাই। মহাপুৰুষ শঙ্কৰদেৱক মকত উলিয়াবলৈ কৰা প্ৰচেষ্টা আৰু সন্ত পয়াপাণিক দোপাত ডঙুৰা কৰি চিত্ৰিত কৰাৰ বাবে তেওঁ "অসম প্ৰতিভা" নাটখনো চোকা সমালোচনা লেখিছিল। কিন্তু তাৰ পিছতে তালুকদাৰে দিয়া সেই সমালোচনাৰ প্ৰত্যুত্তৰ কোনো কাট-কুট নকৰাকৈ তেওঁৰাহীত প্ৰকাশ কৰিছিল। এই কাৰ্যই তেওঁৰ উদাৰতাও প্ৰকাশ কৰিছিল। উল্লেখযোগ্য কৃঞ্চা আৰু তালুকদাৰ কোনোজনৰে বেজবৰুৱাৰ প্ৰতি কম শ্ৰদ্ধা নাছিল।

(খ) কথিত শব্দ সাহিত্যত ব্যৱহাৰ কৰাটো বেজবৰুৱাই ভাল নাপাইছিল। তেওঁ কিতাপ সমালোচনা কৰোঁতে য'তেই বিজতৰীয়া শব্দ পাইছে তাতেই বিৰূপ মন্তব্য প্ৰকাশ কৰিছে।

"সন্ধিয়াৰ সুৰ"ৰ সমালোচনাত কৈছে—"শেহত কওঁ, তেওঁৰ কিতাপখনত 'দেউল' 'খেৰা (খেয়া) হব শেষ', 'ধামি গল' এনেকুৱা দুই-চাইটা কথাৰ সলনি নিভাঁজ অসমীয়া শব্দ থকাহেঁতেন আমি ভাল পালোহেঁতেন।" (গ্ৰঃ পৃঃ ১৭৮২)

আকৌ তাৰানাথ চক্ৰৱৰ্তীৰ 'বেউলা' কিতাপখনৰ সমালোচনাত কৈছে—"ওপৰক 'উপৰ' পৰাক 'পাৰা' সোমাই আছেক 'সুমাই আছে'...... ইত্যাদি বিকৃতাকাৰ শব্দক কিতাপৰ ভিতৰত ঠাই দিবলৈ যিমান চেষ্টা কৰক, এইটো নিশ্চয় যে তেওঁ কোনো ভাল অসমীয়া লেখক এই কাৰ্যত লগৰীয়া নাপায়।" (গ্ৰঃ পৃঃ ১৭৯৭)

(গ) বেজবৰুৱাৰ মতে সাহিত্য গুণ-বৰ্জিত স্পষ্ট কথা বা সত্য কথা হলেও ৰচনাত ঠাই পাব নালাগে। "শাহ আই" কিতাপৰ সমালোচনাত তেওঁ লিখিছে—"গাঁৱতে হওক নাইবা নগৰতে হওক, নিজৰ ঘৰতে হওক বা পৰৰ ঘৰতে হওক, মানুহৰ দৈনিক জীৱনত কত ঘটনা ঘটে, সেইবোৰৰ ভিতৰত ভাল বেয়া বিবেচনা নকৰি যিটোকে দেখা যায়, সেইটোকে কিতাপত তুলি দি সম্পন্ন কৰাইছোঁ বুলি ভবাটোৰ সমান ভুল কথা নাই।" আকৌ—"কিতাপখনৰ বিষয়-বাছনি যেনে অশোভন, ভাৰৰীয়া-ভাৰৰীয়ানীবোৰৰ মুখৰ মাত-কথাবোৰৰ অনেক খিনিও তেনে জঘন্য আৰু অশ্লীল।" (গ্ৰঃ পৃঃ ১৭৯২)

## ৬। বেজবৰুৱাৰ আত্ম-সমালোচনা

আত্ম-শুদ্ধিয়েহে আচল শুদ্ধি। নিজে নিজৰ দোষ বিচাৰ কৰিব পাৰিলে সেই দোষ শুধৰাব পাৰি। সেইদৰে বেজবৰুৱাই নিজে নিজৰ সাহিত্য সমালোচনা কৰি এজন নিৰহঙ্কাৰী সাহিত্যিকৰ চিনাকি দিছে। তেওঁৰ ৰচনাত বেজবৰুৱাৰে অন্তৰূপ কৃপাবৰ বৰবৰুৱাই সমালোচনা কৰিছে। 'কেহোকলি'ৰ কেবাটাও গল্পক বেজবৰুৱাৰ আত্মা-স্বৰূপ কৃপাবৰে সমালোচনা কৰিছে।

বেজবৰুৱাই 'পাতমুগী' গল্পটো লিখি তেওঁৰ কৃত্তিক বন্ধুক দেখুৱাইছে —"এই গল্পটো লিখি মই মোৰ এজন বিশিষ্ট বন্ধুক দেখুৱালো। বন্ধুজন নিৰ্ভীক আৰু বিচক্ষণ 'কৃত্তিক্' অৰ্থাৎ সমালোচক।" তেওঁৰ বন্ধু সমালোচকে 'পাতমুখী' গল্পটো পঢ়ি গল্পটোত কথা দোষবোৰ দেখুৱাইছিল। কিন্তু বেজবৰুৱাই গল্পটো বাঁহীত ছপাই দিলে। ইয়াৰ কাৰণ দৰ্শাইছে এনেদৰে—"অন্ততঃ বাঁহীৰ পাত গোটাচেৰেক ইয়াৰে ভৰিবতো। আৰু বাঁহীত গল্প নাই গল্প নাই বুলি আসোঁৱাহ ধৰি থকাসকলক গল্প এটা দিয়া গ'লতো। (গ্ৰঃ পৃঃ ৭৬১)

উল্লেখযোগ্য যে এই কথাবোৰ 'পাতমুগী' গল্পৰ অন্তৰ্গত। এইদৰে তেওঁ নিজে নিজৰ সাহিত্যৰ মন্তব্য দি সমালোচনা সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছে।

আকৌ 'কেঁহোকলি'ৰ অন্তৰ্গত 'খান' নামৰ গল্পটো লিখি তেওঁৰ কৃত্তিক বন্ধুক দেখুৱালে। কৃত্তিক বন্ধুৱে কলে—'বঢ়িয়া হৈছে। ইয়াকে বোলে গল্প। প্লট, আৰ্ট, বিউটি তিনিওটা ইয়াত আছে। সমাজ-নীতি আৰু ধৰ্ম-নীতিৰতো কথাই নাই। মুঠতে কওঁ গল্পটো কেপিটেল।" কৃত্তিক বন্ধুৱে গল্পটো ভাল হোৱা বুলি কলেও বেজবৰুৱাৰ মনত সন্দেহ। কিজানি গল্পটো ভাল হোৱা নাই। সেইকাৰণে তেওঁ ভাবিলে—"বন্ধুৰ





বৰবৰুৱাক এবাৰ দেখুৱাওঁচোন, তেওঁনো কি বোলে চাওঁ।"

গল্পটো পঢ়ি বৰবৰুৱাই মত প্ৰকাশ কৰিলে—"তোমাৰ গল্পত কুকুৰ পোৱালিয়ে কৰে কেউ কেউ॥ Sense of humour এ তোমাক ফুটা ছিডি এৰিলে দেখিছোঁ।" আকৌ কৈছে—"গল্পটো নছপাই মোলৈ পঠিয়াই দিব পাৰা। পঠিয়ালে মই তাক মোৰ কাকতৰ টোপোলাৰ তলিত পেলাই থম।"

আত্ম-সমালোচক বেজবৰুৱাই নিজে নিজৰ সাহিত্য সমালোচনা কৰি উদাৰ মনৰ চিনাকি দিছে।

## ৭। বিবিধ

সঁচাকৈ ক'ব লাগিলে বেজবৰুৱা অসমীয়া ভাষা সাহিত্যৰ বেজ আছিল। সাহিত্য-সংস্কৃতিৰ য'তেই ৰোগ দেখা পাইছিল তাকেই তেওঁ বেজ হৈ বিহওলিৰে জাৰিছিল। পৰিমৰা অসমীয়াক নৰিয়া পাতিৰ পৰা তুলি কৰ্মী আৰু শক্তিশালী কৰিবলৈ যত্ন কৰিছিল। বেজবৰুৱাই বেজহৈ জাৰিছিলেই, তেওঁৰে আচলৰূপ কৃপাবৰ বৰবৰুৱাই বাট চিনি নোপোৱা অসমীয়াক কটু সমালোচনা কৰি চকু মুকলি কৰি দিছিল। তেওঁ হাহি হাহি, হুহুৱাই কান্দিবলৈ বাধ্য কৰাইছিল। মিঠা আবৰণ থকা ব্যঙ্গ কুইনাইন খুৱাই সোমোপা আত্ম-বিস্মৃতি ঘটা অসমীয়াৰ এলাহৰূপী মেলেৰীয়াক নিৰ্মূল কৰিছিল।

ওপৰত উল্লেখ নকৰা বহু বিলাক ৰচনাৰ মাজতো আমি সমালোচক বেজবৰুৱাক বিচাৰি পাওঁ। এই ক্ষুদ্ৰ আলোচনাত সকলোবিলাক উল্লেখ কৰা সম্ভৱ নহয়।

## বেজবৰুৱাৰ সমালোচনাৰ স্বৰূপ

বেজবৰুৱাৰ ভাষা, সাহিত্য, সংস্কৃতি আৰু ধৰ্ম সমালোচনাত তলত দিয়া কথাকেইটা স্পষ্টহৈ পৰিছে।

(ক) বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা তেওঁৰ আলোচনা সমূহৰ মাজত ফুটি উঠা সমালোচনাই এইটো স্পষ্ট কৰি তুলিছে যে তেওঁ সত্য আৰু সুন্দৰৰ সাধক। য'ত সত্য আৰু সুন্দৰ আছে তাক তেওঁ প্ৰশংসা কৰিছে।

(খ) তেওঁ অসমীয়া ভাষা-সাহিত্যক অন্তৰৰ পৰা ভাল পাইছিল। ইয়াৰ প্ৰতিষ্ঠা সাধনৰ কাৰণে প্ৰয়োজন হলে চোকা মন্তব্য প্ৰকাশ কৰিবলৈ সংকোচ বোধ কৰা নাছিল।

(গ) অসমীয়া ভাষা, সাহিত্য আৰু ধৰ্মক ন্যায্য স্থান দিবৰ কাৰণে নানান সমস্যাৰ সম্মুখীন হলেও তাক যুক্তি তৰ্কেৰে খণ্ডন কৰিছিল। এনেকুৱা সমালোচনাত তেওঁৰ ভাষা বেছি তীব্ৰ হৈ পৰিছিল আৰু তেওঁৰ ভাষাৰ ব্যঙ্গাত্মক ৰূপটোও বেছি প্ৰকট হৈ পৰিছিল।

বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্য সমালোচনা কৰোঁতে এটা উদ্দেশ্য আগত ৰাখিহে সমালোচনা কৰিছিল। সেইটো হ'ল বেজবৰুৱাৰ সময়ত আধুনিক অসমীয়া সাহিত্যৰ অৱস্থা বৰ বেছি টনকিয়াল নাছিল। সেয়েহে তেওঁ উঠি অহা সাহিত্যিকসকলক উৎসাহ দিছিল। তেওঁলোকৰ প্ৰথম প্ৰচেষ্টাবোৰৰ ওপৰত চেঁচা পানী নাঢালি উৎসাহ উদ্দীপনা আগ বঢ়াইছিল। এনে সাহিত্যিকৰ সাহিত্যৰ তেওঁ হয়তো নিৰপেক্ষ সমালোচনা কৰা নাই; কিন্তু সমালোচনাৰ প্ৰকৃত উদ্দেশ্য যদি সাহিত্য সৃষ্টি হয় তেনেহলে এনে সমালোচনাৰো প্ৰয়োজন আছে। 'চন্দ্ৰকান্ত অভিধান' সমালোচনা কৰোঁতে বেজবৰুৱাই কৈছে,—"কিন্তু ইমান এটা অমূল্য বস্তুক দুৱাৰ-চাৰিদাৰ আওপকীয়া আৰু আওঢলীয়া কথাৰে বগৰাই থাবৈত পেলাবলৈ যোৱা দেখিলে তেনে সমালোচকৰ প্ৰতি শ্ৰদ্ধা নহৈ দুখহে লাগে।"

## অনূদিত গল্প

# সামান্য প্ৰাণী

মূল ৰচনা—ছিমাজাকি টচন
অনুবাদ—শ্ৰীকৰবী হাজৰিকা

[ ছিমাজাকি টচন ( ১৮৭১—১৯৪০ ) জাপানী সাহিত্যত এটি প্ৰসিদ্ধ নাম। কবিৰূপেহে তেওঁ সাহিত্য-জগতত পোনতে আত্মপ্ৰকাশ কৰিছিল। ৰুচ-জাপানৰ যুদ্ধৰ পিছত তেওঁ প্ৰকৃতিক বিষয় কৰি উপকথা লিখিবলৈ লয়। তেওঁৰ উপন্যাসবোৰত কম-বেছি পৰিমাণে ইউৰোপৰ গোন্ধ থাকিলেও চুটিগল্পবোৰ হাড়ে-হিমজুৱে জাপানী। প্ৰকৃতিৰে সৈতে আৰু জীৱনৰে সৈতে গভীৰ একাত্মতা এওঁৰ গল্পৰ বৈশিষ্ট্য।—অনুবাদিকা। ]

তাইক ওপজা ক্ষণতে দুৰ্ভাগ্যই লগ লৈছিল; চুটি মুগা চুলি, ওলমি পৰা কাণ আৰু শিয়ালৰ দৰে চকুৰে তাই এইখন পৃথিৱীত ভৰি দিছিল। ঘৰচীয়া জন্তু-বোৰৰ সাধাৰণতে এনে কিছুমান সজ গুণ থাকে যি বোৰৰ বাবে মানুহে সিহঁতক কুটুমৰ চকুৰে চায়। তাইৰ কিন্তু এইবোৰ গুণ নাছিল, মানুহৰ চেনেহ পাব লগা একোটোকে নাছিল তাইৰ। ঘৰচীয়া জন্তুৰ গাত থাকিব লগা নিচেই সাধাৰণ গুণবোৰৰো তাইত অভাৱ; কবলৈ গলে তাই আছিল তেনেই এলাগী।

যি কি নহওক, তাইও কুকুৰ, তাইও কেৱল নিজক লৈয়ে জীয়াই থাকিব নোৱাৰে। মানুহৰ ওপৰতে এমুঠি খোৱা, তাৰ পিছত বোপা-ককাহঁতৰ দিনৰে নিজা ঠাই-ডোখৰলৈ উভতি যোৱা যিটো স্বভাৱ তাই উত্তৰাধিকাৰী সূত্ৰে পাইছে সেইটোনো এৰে কেনেকৈ? সুবিধাজনক মানুহৰ ঘৰ এটা তাই বিচাৰিবলৈ ধৰিলে।

কিন্ ছান নামৰ খেতিয়কজনৰ মাটিত নতুন ঘৰ এটা সজা শেষ হৈছিল মাত্ৰ, এই ভেৰোণীয়া ঘৰটোৰ চাল-খন কাঠৰ। তাইৰ আহকলীয়া ঠাই বিচৰা কামটো ইয়াত ব্যাপক হৈ পৰিল। ওকুৰ'ৰ গাঁৱলীয়া আলিৰ কাষতে ঘৰটো এনে ধৰণে সজা হৈছিল যে মন গলে পিছ বাৰীয়েদি ঘাই আলিতো উঠিবগৈ পাৰি। মজিয়া-খন ওখ আৰু শুকান আছিল। তদুপৰি এইটো ঘৰ আৰু ওচৰৰ ঘৰটোৰ মাজৰ জেওৰাখনৰ গাতে লগাকৈ কোনেও দখল নকৰা আন্ধাৰ, ঠেক ঠাই অকণ আছিল, যত জৰুৰী অৱস্থাত তাই ঘপৰাই গা ঢাকিব পাৰিব। এই পাতালী আশ্ৰয়স্থান ডোখৰ দখল কৰাত তাই সময় নষ্ট নকৰিলে।

এতিয়া আটাইতকৈ প্ৰয়োজনীয় কথা হল চাউল এমুঠি যোগাৰ কৰা। সেইডোখৰ ঠাইতে আৰু দুটা তেনে ভোৰোণীয়া ঘৰ আছিল। অৰ্থাৎ কিন্ ছানৰ পৰিয়াল থকা দেখাত পামৰ ঘৰ যেন লগা ঘাই ঘৰ-টোৰে সৈতে মুঠ ঘৰ চাৰিটা। ঘৰ চাৰিটা ইটো



সিটোৰ মুখামুখীকৈ আছিল আৰু সিহঁতৰ মাজত আছিল বিতোপনকৈ ডাল মেলা গছবোৰ। তাইক তাইৰ জোঙা নাকটোৱে পোনে পোনে আথল ঘৰৰ বাটটো চিনাই দিলে। ভোকত তাই অস্থিৰ, বাছ-বিচাৰৰ কোনো সময় নাই। লেৰেলি যোৱা ফলৰ বাকলি, চেঁচা, অকটা গোন্ধোৱা জোল, চুৰা কাঁহীৰ এৰেহা—যি পালে গোটেই-বোৰ তাই খাবলৈ ধৰিলে। তাইক সন্তুষ্ট কৰিবলৈ সেই-খিনিও যেন যথেষ্ট নহয়, আন নালাগে বালিৰ দমটোও তাই শুঙি চাই যিমান পাৰে সিমান বিচাৰিবলৈ ধৰিলে। নাদৰ কাষতে চৰিয়া এটাত লেতেৰা মোজা কিছুমান পানীত ওপঙি আছিল। তাই তৃপ্তিৰে চৰিয়াৰ পানী পিলে।

বাগিছাত এজোপা ডাঙৰ গছ আছিল। তাৰ ছাঁতে তাই জিৰোৱা ঠাইকণ ঠিক কৰি ললে। দীঘলকৈ হমুনিয়াহ কাঢ়ি নাইবা গাৰ ফাপৰে ধৰা চিনবোৰ হাতোৰাৰে খুচৰি তাই চাৰিওখন ঠেং মাটিত টান টানকৈ মেলি দিলে; পাতৰ মাজেৰে অহা ৰদে ঠেং কেইটা তপতাই তুলিছিলেই। গধূলিৰ লগে লগে তাই মাটিৰ তলৰ বহা ডোখৰলৈ গৈ মজিয়াত থকা এঙাৰৰ খৈলাৰ ওপৰত ঠাই ললে। এটা ডাঙৰ চৰিয়াও তাই বলে পাৰে নেকি চাইছিল। মাজতে তাই আথল ঘৰলৈ যোৱা পিৰালিয়েদি ৰখুৱা বাই গল আৰু এঙাৰ বাকছৰ গৰম এঙাৰবোৰৰ ওপৰতে শুই থাকিল। এইদৰেই তাই জীৱন আৰম্ভ কৰিলে।

সেই সময়ত কিন ছানৰ পৰিয়ালে বগা আৰু মুগা বং মিহলি পখৰা কুকুৰ এটা পুহিছিল। তাৰ নাম পচি। এই ঘৰমলগা পচিহে একমাত্ৰ প্ৰাণী যি তাইক স্বাগতম জনালে। পচিৰ স্বভাৱটো বেছ সামাজিক; নম্ৰভাৱে মাটি খুচৰি সি তাইক আগবঢ়াই দিলে। তাই সেই অভিনন্দৰ প্ৰত্যুত্তৰত জৰাজীৰ্ণ নেজডাল জোকা-ৰিলে।

কিন্তু কিন ছান আৰু তাত থকা অন্তবোৰ মানুহে পচিৰ দৰে তাইক আদৰি নল'লে। "আপচু হলে ৰব আহকাল, নহয় নে? আন নালাগে জন্তুবোৰৰো," এজনে মন্তব্য দিলে। আন এজনে মাত দিলে, 'আৰু অকমান দেখনিয়াৰ হোৱাহলেই তাইক মই পুহিলোহেঁতেন।' তাইৰ বাবে এইবোৰ কথা তেনেই অৰ্থহীন। যিবোৰ তাইৰ বিষয়ে নাজানে সিহঁতে তাইৰ কথা কুকুৰ পোৱালিটো বুলিয়েই ক'বলৈ ধৰিলে। এই ঘৰবোৰৰ প্ৰত্যেকটোতে এগৰাকীকৈ 'মাহীদেউ' আছিল; মানে পৰিয়ালৰ শুশ্ৰূষা-কাৰিনী গৰাকীক এই নামেৰেই মতা হয়। কেৱল এই মাহীদেউসকলেই নহয়, তেওঁলোকৰ লৰাছোৱালীবোৰেও তাইক উপলুঙা কৰি হাঁহিছিল, ঘিণ কৰিছিল আৰু দুটা মাতেৰে মাতিছিল। 'পোৱালি' বুলিয়েই মতা হৈছিল তাইক। মহাদেউসকল যে আৰু ভয়ঙ্কৰ। অকণি অজুহাততে তাইক খেদি নগুৰ-নাগতি কৰে। শিল, বোকা, লোহাৰ জুইৰ শলা—কিমান বস্তুৰেই যে তাইলৈ দলিওৱা নহ'ল! এবাৰ তাইলৈ ফৰমুটিয়াই পঠোৱা ডাঙৰ টুকুৰা এটাই পিছ ঠেঙত তাইক বেছ জখম কৰিলে।

লাহে লাহে তাই মানুহৰ মন বুজি পোৱা হ'ল। মুখৰ বিশেষ পাক কেইটা, এই যেন কিবা এটা তুলি লব—এনেহেন মনোভাৱ, কালৈকো কেৰেপ নকৰা ধৰণ আৰু ওঠ কামোৰণি—আটাইবোৰে তাইৰ আগত দাঙি ধৰিলে তাই এই চিকাৰীবোৰৰ কেনে সান্ত-শতক। এদিন কিন ছানৰ আথল ঘৰত তাই চৰম অৱস্থা পাইছিলেই প্ৰায়। তাইনো কেনেকৈ সাৰি আহিব পাৰিলে সেইটোহে কোনেও নেজানিলে। মানুহ বিলাকে চিঞৰিছিল জৰীডাল আনা, জৰীডাল, জৰীডাল।" তাই হতাশ হ'ল আৰু জোপোহা গছ থকা বাগিছাখনৰ মাজেদি লৰ মাৰিলে; খৰি থোৱা ঘৰটোৰ কাষেৰে পলাই তাই পথাৰখন পালেগৈ। সেইখন পথাৰতে লগ-ভাতৰ দিনা বেচিবৰ বাবে ফুলবোৰ সজাই থোৱা আছিল।

"শেষত তাই গলগৈ!" মহাদেউসকলৰ এজনে কলে, "তাই বাৰু এটা আহকলীয়া বস্তু নহয়নে? উত্তৰত

কিন ছানে কলে, যি এজন সজ্জলোকৰ দৰে হাঁহি মাৰে।

মাত্ৰ এবাৰ বা দুবাৰেই যে তাইৰ এনে কঠিন অভিজ্ঞতা হৈছে এনে নহয়। এইখিনি কষ্টতে ভাঙি পৰিব লগা কুকুৰ তাই নহয়। "এইখিনি মোৰ নিজা ঠাই,"—এনেহেন মনোভাব এটাৰে বেছ ধীৰে-সুস্থিৰে তাই আহাৰ বিচাৰি ফুৰে। কেতিয়াবা বুকু ডাঠ কৰি ভেৰোণীয়া ঘৰৰ ৰান্ধনিশালত ভৰি দিয়েগৈ, কেতিয়াবা লেতেৰা ঠেঙেৰে গৈ বাৰান্দাতে উঠে। বাগিচা-কুৰা ছটিবোৰৰ আঁহ তাই কামুৰি পেলায়, মাহীদেউইতৰ দুই-পথালি থোৱা বস্তুবোৰ ধূলি বোকাত লেটিয়াই লৈ ধেমালি-ধুমলা কৰে। মানুহৰ লৰা-ছোৱালীবোৰকো তাই নামানে। এই পৰিয়ালটোত কো চান নামে এজনী ছোৱালী আছিল। মাটিত গাঁচ বহি যোৱাকৈ গদুৰ জোতা এযোৰ পিন্ধা কোত চানে চোতাল উমলি ভাল পাইছিল। বং চাদৰ বাবেই ছোৱালীজনীক তাই খেদে। কেতিয়াবা দেখাত সোৱাদ যেন লগা পিঠা এডোখৰ হাতত লৈ তাইক দেখুৱাই কো চানে কয়,— "পোৱালি! এইটো চা, এইটো!" লগে লগেই তাই কো চানৰ ওপৰত জঁপিয়াই পৰে।

"আই! পোৱালিটো ইমান দুষ্ট, আই!" এইটোৱেই হ'ল সহায়ৰ বাবে কো চানৰ বিং। তেতিয়া মাহীদেউ বেগাই আহি কো চানক কয়, "লৰি আহ কোচান, তৎক্ষণাত। ইমান বিৰাট জোতানো পিন্ধ কিয় বাৰু?" বেচেৰী কো চানৰ হাতত তেতিয়ালৈ আৰু একো নাথাকে, কান্দি থকা কো চানৰ হাতৰ পৰা ইয়াৰ ভিতৰতে তাই পিঠা টুকুৰা কাঢ়ি নি মানুহে খোৱা জলপানৰ সোৱাদ লয়। এনেবোৰ সময়ত স্বাভাৱিকতেই তাই বঙা জিভাখনেৰে নাকটো চেলেকি লয়।

তাইৰ কামে-কাজে কোনো ভাল বা বেয়া উদ্দেশ্য নাছিল। এই কেইটা শব্দ তাই মহা-মাহীসকলৰ মুখত শুনিছে যদিও তেওঁলোকৰ বিষয়ে হলে তাই একো নাজানে। মানুহৰ মাজত থকা ভদ্ৰতা আৰু সামাজিক বিধিৰ বিধানত একোকেই তাই নাজানে। তাই মাত্ৰ এজনী কুকুৰহে। তাইৰ কথা-কাণ্ড অথজা নেকি ভাবি মূৰ ঘমাবলৈও তাইৰ গৰজ নাই। স্বভাৱ অনুসৰি আচৰণ কৰা তাই এটি সামান্য প্ৰাণী মাথোন।

তাই যেনে তেনে চলি যাবলৈ কষ্ট কৰি থাকোঁতে টেঁচা আৰু কষ্টদায়ক জাৰকালিটো পাৰ হৈ গল। তাই যে ভোকত নমৰিলে সেইটোৱে আচৰিত। প্ৰতিদিনে পুৱাতে ওকুৰলৈ লাগিবলৈ অহা পুজাৰীদেউজনেও কৈছিল বোলে আন নালাগে তেৰেঁ। বেঁচি বস্তু নাপায়। কেঁচুৰা কোচত লৈ অহা সেই নিমাখিত তিৰোতাজনীকো প্ৰায়ে 'কাম নাই' বা 'দৰকাৰ নাই' বুলিয়ে ঘূৰাই পঠোৱা হৈছিল। মানুহৰে যেতিয়া এনে অৱস্থা, কোনে বাৰু মূৰ্খ, অদৰকাৰী এই জন্তুটোৰ লগত এই আহকলীয়া কুকুৰজনীৰ লগত বাটি ভৰাই দিব? দূৰ-দূৰণিৰ বৰফে ঢকা ঠাইবোৰৰ ওপৰতে ঘূৰা-পকা কৰি তাই সুমথিবাৰ বাকলি পৰ্যন্ত যি কোনো বস্তুকে খাই হজম কৰিলে।

বসন্ত আহিল। বৰফ গলিবলৈ ধৰাৰ লগে লগে তাঞো গোটেইজনী লহপহীয়া হৈ উঠিল। কিন ছানৰ 'পচি'ৰ পৰা স্নানাগাৰৰ 'কুৰ'লৈকে, কাঠৰ দালাল জনৰ 'আকা'ৰ পৰা চুবুৰীয়া খেতিয়কজনৰ ভয়ঙ্কৰ বিৰাটকায় কুকুৰটোলৈকে আটাইবোৰ কুকুৰে তাইক বেঢ়ি ধৰিলে। যিফালেই নাযাওক, দুটা বা তিনিটা কুকুৰে তাইক অনুসৰণ কৰিবই। গছৰ তলৰ সেই ছাঁ পৰা বঢ়িয়া ঠাইটুকুৰা সিহঁতৰ প্ৰশংসাসূচক কোমল মাতৰ গভীৰ শব্দৰে ভৰি উঠিল।

বাল্টি লৈ নাদৰ পাৰলৈ অহা মাহীদেউ এগৰাকীয়ে এই দৃশ্য দেখিলে।—"মোৰ পোৱালি দেখোন মাইকী কুকুৰ! মই মনেই কৰা নাছিলো পাই।"

নতুন ভেৰোণীয়া ঘৰটোৰ মাহীদেউগৰাকীও সেইখিনিতে আছিল, তেওঁ মাত দিলে,—"এৰা দেও, মনো মন কৰা নাছিলো।" দুয়োগৰাকীয়ে খব বহইচ পাই হাঁহিবলৈ ধৰিলে।



কিন ছানৰ মাটিত থকা সকলোৱেই মত প্ৰকাশ কৰিলে যে তাইক খেদি পঠাব লাগে। চাৰিওটা পৰিয়ালৰ মাজত উঠা এই মতত পিছে মহাদেউ আৰু মাহীদেউবিলাক দুটা দলত বিভক্ত হৈ পৰিল। মাহীদেউবিলাকৰ মতে কথা এতিয়া বেলেগ হ'ল; তাই আৰু আগৰ অৱস্থাত নাই। তাইৰো যদি পোৱালি হয় কম দুখৰ কথা হ'ব নে? অভিজ্ঞতাৰে বুজি তাইক নিচৰে হৈতে তুলনা কৰি মাহীদেউসকলৰ মন সহানুভূতিত কুমলি উঠিল। কিন্তু সেই বুলি তাই পোৱালি দিলে জানো কম ভয়ঙ্কৰ কথা হ'ব! —মহাদেউবিলাকে এইদৰেই ভাবে। মূঠতে তাইৰ ভৱিষ্যতলৈ কোনেও চিন্তা নকৰাকৈ নাথাকিল।

তাই কিন্তু এইবোৰ আলোচনাৰ ভু কে নাপালে।

আন এদিন, কিন ছানৰ দুৱাৰমুখত গাড়ী এখন ৰলহি। গাড়ীখনত ঢাকনি নোহোৱা বাকচৰ দৰে কিবা এটা লেতেৰা দলিছা-কাপোৰ এখনেৰে ঢাকি থোৱা আছিল। গাড়ীত কি আছে তাইৰ চোকা নাকটোৱে লগে লগে গোন্ধ ললে।

পুলিচৰ পোছাকত থকা মানুহ এজনৰ পিছে পিছে আহি সন্দেহযুক্ত মানুহ এজন ঘৰত সোমালহি। কিন্তু এনে এখন বিপদজনক ঠাইত তাই থাকিবই বা কিয়! পচি, কুৰ' আৰু বাকীবোৰ কুকুৰে একেলগে ভুকিবলৈ ধৰিলে। তাৰ পিছত মহাদেউসকল, মাহীদেউসকল আৰু গাঁৱৰ সকলো বাইজ ওলাই আহিল।

"কুকুৰ মৰা চিপাহী আহি"!

কো চানে মাকৰ পিছত নিজকে লুকুৱালে।

বাগিচাৰ চাৰিওফালে মানুহ গোট খালে। কিন ছানৰ যি জনী জীয়েকে সদায় ফুলত পানী দিয়ে তাই হাতত পানী থোৱা বাচন লৈয়ে লৰি বাট পালেগৈ। মজলীয়া পঢ়াশালিৰ ল'ৰা এটাই পানী-ৰঙেৰে ছবি আঁকিছিল, সিও ছবিখন তেজা দি থোৱা তিনঠেঙীয়া বৰ্ডখন দলিয়াই থৈ মানুহৰ পিছ ললে।

"লৰি পলাব পাৰিলেহে তাই ৰক্ষা পৰে!"

মানুহবিলাক অদ্ভুতধৰণে বিবুধি হ'ল।

"পোৱালিৰ আজি নিশ্চয় মৰণ!" কো চানৰো কঁপনি উঠিল। অৱশেষত তাই ৰক্ষা পৰিল। ডাঙৰ ওক গছৰ ঠাল এটা হাতত লৈ থকা মানুহজনে লগৰ জনৰ ফালে চাই মূৰ জোকাৰিলে। 'দৰকাৰ নাই, দৰকাৰ নাই", জপনামেলি ওলাই যাওঁতে হাঁহি হাঁহি পুলিচজনে কলে। হতাশ চাৰনিৰে দুয়ো খালী গাড়ীখন টানি লৈ গ'ল।

কিবা প্ৰকাৰে তাই প্ৰাণ লৈ সাৰি গল। আৰু ক্ৰমে ক্ৰমে তাইৰ বুকুখন বাঢ়ি আহিল, চকুযোৰত জিৰণিবিহীন ভাগৰে ছাঁ পেলালে। এতিয়া কেৱল নিজকে নহয়, পেটৰ ভিতৰত থকা পো-পোৱালি কেইটাকো তাই পহৰা দি থাকিব লগা হ'ল। এইদৰেই গছৰ তলৰ আৰামদায়ক ঠাইখিনিৰ নিৰাপত্তা লাহে লাহে কমি আহিল। আনহে নালাগে, বিষৰ পৰা উশাহ লৈ সেমেকা মাটিৰ ওপৰত আৰামেৰে পৰি থকা অৱস্থাতো মানুহৰ ছাঁ দেখিলেই তাই ঘপৰাই উঠে। এক মুহূৰ্তত তাই যন্ত্ৰ লব নোৱাৰা হ'ল। মানুহৰ দৰে দয়াহীন নিষ্ঠুৰ তাইৰ চকুত আৰু কোনো নাছিল।

ইমান ভয় কৰা সত্বেও মানুহৰ ঘৰ তাই এৰিব নোৱাৰিলে। অন্য জন্তুৰ দৰে দূৰ হাবিৰ সেউজীয়া গছ-বনৰ মাজত সন্তান জন্ম দিব লগা হলে কিমান নিচিন্ত আৰু সুখী হ'লহেতেন তাই! কিন্তু সেইটোনো কেনেকৈ হ'ব, তাইতো আৰু বংশগত স্বভাৱ এৰিব নোৱাৰে!

জুন মাহৰ প্ৰথম ভাগতে তাই মাতৃত্বৰ কৰ্তব্য সাং কৰিলে। কিন ছানৰ উমলগা খৰটোত চাৰিটা কণ-মাণি পোৱালিৰ জন্ম হ'ল। তাৰে দুটা পচিৰ দৰে বগা-মুগা মিহলি ধুনীয়া পখৰা, এটা ঘিটঘিটীয়া ক'লা আৰু আনটো বহুখিনি তাইৰ দৰেই লেতেৰা ধোঁৱা বৰণৰ।

(২৭ পৃষ্ঠাত চাওক)

# সংস্কৃত নাটকত অতিলৌকিকতা আৰু অদ্ভুত ৰস

ডঃ মুকুন্দমাধৱ শৰ্মা

( ষষ্ঠ সংখ্যাৰ পিছৰ পৰা )

### অতিলৌকিকতা, অদ্ভুত ৰস আৰু প্ৰতিপত্তাৱযোগ্যতা

অতিলৌকিক বিষয়সমূহ জগতৰ স্বাভাবিক ঘটনাৰ নিয়ম বিলাকেৰে ব্যাখ্যা কৰিব নোৱাৰি। আনহাতে অদ্ভুত ৰসো আকৌ অস্বাভাবিক আৰু অসাধাৰণ বিভাৱৰ পৰাহে ফুটি ওলায়। অন্যফালে আকৌ অলংকাৰ শাস্ত্ৰই উপদেশ দিছে যে একান্তভাৱে ( অৰ্থাৎ নিৰ্বিঘ্ন ভাৱে ) ৰসৰ অনুভূতি হ'বৰ কাৰণে কেৱল বিশ্বাসযোগ্য ধৰণৰ ঘটনাহে নাটকত দেখুৱাব লাগে। অভিনৱগুপ্তই নাট্যশাস্ত্ৰৰ টীকা অভিনৱ ভাৰতীত ৰসৰ অনুভূতিৰ ক্ষেত্ৰত হ'ব পৰা সাতোটা সম্ভৱপৰ বাধা বা বিঘ্নৰ কথা উল্লেখ কৰিছে। তাৰে সৰ্বপ্ৰথম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ বাধাটো হ'ল প্ৰতিপত্তাৱযোগ্যতা (প্ৰতিপত্তৌ + অযোগ্যতা) অৰ্থাৎ "কাব্য বা নাটকত বৰ্ণনা কৰা বা অভিনয় কৰি দেখুওৱা ঘটনা এটা সঁচা বা সম্ভৱপৰ বুলি ধাৰণা নোহোৱাৰ ফলত তাক সহজভাৱে ল'ব নোৱাৰাৰ ফলত নিবিষ্টচিত্তেৰে ৰস আস্বাদন কৰাৰ পথত হোৱা বাধা।" আনন্দবৰ্ধনেও কৈছে যে সপ্তসমুদ্ৰ লঙ্ঘন আদিৰ দৰে (সাত সমুদ্ৰ পাৰ হোৱাৰ দৰে ) অসাধাৰণ ক্ৰিয়া-কলাপৰ অভিনয়ৰ বেলিকা নায়কজনো তেনে কামৰ কাৰণে থাপখোৱা ( অৰ্থাৎ বিশ্বাসযোগ্য ভাৱে সক্ষম ) হোৱা উচিত। নহ'লে এটা বৰ ডাঙৰ অনৌচিত্য দোষ হয়। আনন্দবৰ্ধনে লগতে জানিবলৈ দিছে যে এই কাৰণেই নাট্যশাস্ত্ৰৰ মতে নাটকত কেৱল ইতিমধ্যে জনাজাত প্ৰখ্যাত ঘটনা আৰু প্ৰখ্যাত নায়কককহে ফুটাই তোলা উচিত। তুলনীয়—

অত এৱ ভৰতে প্ৰখ্যাতবস্তুবিষয়ত্বং প্ৰখ্যাতোদাত্তনায়কত্বং চ নাটকস্যাৱশ্যকৰ্তব্যতয়োপন্যস্তম্। ('ধ্বন্যালোক'—তৃতীয় উদ্দ্যোত )।

'ধ্বন্যালোক'ৰ এইখিনি কথা ব্যাখ্যা কৰি 'লোচন' টীকাত অভিনৱগুপ্তই কৈছে—

এতদুক্তং ভৱতি—যত্ৰ ৱিনেয়ানাং প্ৰতীতিখণ্ডনা ন জায়তে তাদৃগ্ বৰ্ণনীয়ম্। তত্ৰ কেৱল মানুষস্য একপদে সপ্তাৰ্ণৱলঙ্ঘনমসম্ভাব্যমানতয়ানৃতমিতি হৃদয়ে স্ফুৰদুপদেশ্যস্য চতুৰ্বৰ্গোপায়স্যাপ্যলীকতাং বুদ্ধৌ নিৱেশয়তি। ৰামাদেস্তু তথাৱিধমপি চৰিতং পূৰ্বপ্ৰসিদ্ধিপৰম্পৰোপচিতসম্প্ৰত্যয়োপাৰূঢ় মসত্যতয়া ন চকাস্তি। [ এই বুলি কোৱা হৈছে যে—কেৱল তেনেকুৱা কথাহে (কাব্য বা নাটকত) বৰ্ণনা কৰিব লাগে যিবিলাক দেখি বিনেয়বিলাকৰ বিশ্বাস ভাগি নাযায়। ( যি বিলাকক সজ আচৰণৰ বিষয়ে উপদেশ দিবৰ কাৰণেই কাব্য-নাটক আদি ৰচনা কৰা হয় তেওঁলোক বিনেয়জন।



কাব্যৰ পৰা লাভ কৰা উপদেশৰ মাজেদি চতুৰ্বৰ্গও লাভ হয়।) যদি অভিনয় বা কাব্যৰ বৰ্ণনাত সাধাৰণ মানুহ এজনক একে জাপেই সাত সমুদ্ৰ পাৰহৈ যোৱা দেখুওৱা হয় তেতিয়া সেইটো অসম্ভৱ বুলি ভাবি, সেইটো সঁচা নহয় বুলি দৃঢ় প্ৰত্যয় জন্মাৰ ফলত উপদেশৰ কাৰণে অৱতাৰণা কৰা চতুৰ্বৰ্গ প্ৰাপ্তিৰ উপায়স্বৰূপ কাব্য বা নাটকখনকো অলীক, অবাস্তৱ বুলি ভাবিবলৈ লব। ৰাম আদি অসাধাৰণ কোনো ব্যক্তিয়ে তেনে অসাধাৰণ কাম কৰিছে বুলি দেখুওৱাৰ বা বৰ্ণোৱাৰ বেলিকা কিন্তু পূৰ্বৰে পৰা তেওঁলোকৰ অসাধাৰণ ক্ষমতাৰ বিষয়ে টা প্ৰসিদ্ধি থকাৰ ফলত, তেওঁলোকৰ অসাধাৰণ ক্ষমতাৰ বিষয়ে এটা দৃঢ় বিশ্বাস মনতে থকাৰ ফলত তেনে কামৰ অভিনয় বা বৰ্ণনা অসত্য বুলি ধাৰণা নহয়। ]

বিভিন্ন ক্ৰিয়া-কলাপৰ বৰ্ণনা কৰাৰ সময়ত নায়কজনৰ প্ৰকৃতিৰ প্ৰতিও বিশেষভাৱে লক্ষ্য ৰখা উচিত। নায়কজন ( অৰ্থাৎ কাব্য বা নাটকৰ সংশ্লিষ্ট চৰিত্ৰটি ) উত্তম-মধ্যম-অধম-দিব্য মানুষ আদি ভেদে বিভিন্ন প্ৰকৃতিৰ হ'ব পাৰে। যি ক্ৰিয়াকলাপ দেখুওৱা হয় সি নায়কৰ প্ৰকৃতিৰ লগত খাপ খোৱা ধৰণৰ হ'ব লাগিব। সেয়ে নহ'লে দৰ্শকৰ বিশ্বাসভঙ্গ ( প্ৰতীতি খণ্ডনা ) হ'ব আৰু অনৌচিত্য নামৰ দোষ আহি পৰিব। আনন্দবৰ্ধনে কৈছে—

তথা চ কেৱলমানুষস্য ৰাজাদেৰ্বৰ্ণনে সপ্তাৰ্ণৱলঙ্ঘনাদিলক্ষণা ৱ্যাপাৰা উপনিবধ্যমানাঃ সৌষ্ঠৱভৃতোঽপি নীৰসা এৱ নিয়মেন ভৱন্তি, তত্ৰ ত্বনৌচিত্যমেৱ হেতুঃ। ('ধ্বন্যালোক' তৃতীয় উদ্দ্যোত )

[ কেৱল মানুষ প্ৰকৃতিৰ, ( অৰ্থাৎ সাধাৰণ মানুহতকৈ বেলেগ একো ক্ষমতা নথকা ) ৰজা আদিৰ বৰ্ণনাৰ বেলিকা সাতসমুদ্ৰ পাৰ হোৱাৰ নিচিনা বিষয়বিলাককো অন্তৰ্ভুক্ত কৰিলে দেখাত সেইবিলাক সুন্দৰ হ'লেও নীৰস হোৱাটো নিশ্চিত। আৰু অনৌচিত্যই হ'ল সেইদৰে নীৰস হোৱাৰ কাৰণ। ]

আনন্দবৰ্ধনে আৰু কৈছে যে কেৱল যে ( বীৰ ৰসৰ স্থায়ীভাৱ ) উৎসাহৰ ক্ষেত্ৰতেই নায়কৰ প্ৰকৃতিৰ লগত বৰ্ণনীয় বিষয় খাপ খোৱা হ'ব লাগে ( প্ৰকৃত্যৌচিত্য থাকিব লাগে ) এনে নহয়, ( শৃঙ্গাৰ ৰসৰ স্থায়ী ভাৱ ) ৰতিৰ ক্ষেত্ৰতো এই কথাটোলৈ চকু দিয়া উচিত। ঠিক সেইদৰে ( অদ্ভুত ৰসৰ স্থায়ী ভাৱ ) বিস্ময় আদিৰ ক্ষেত্ৰতো এই কথাটোলৈ চকু দিয়া উচিত। তুলনীয়—

"তস্মাদুৎসাহৱদ্ৰতাৱপি প্ৰকৃত্যৌচিত্যমনুসৰ্তৱ্যম্। তথৈৱ বিস্ময়াদি।" ( 'ধ্বন্যালোক' তৃতীয় উদ্দ্যোত )

এইখিনিতে এটা প্ৰশ্ন উঠিছে। ভৰত, আনন্দবৰ্ধন আৰু অভিনৱগুপ্তৰ মতে সুচাৰুৰূপে ৰসৰ অভিব্যঞ্জনা কৰিবৰ কাৰণে অভিনীত বা বৰ্ণিত বিষয় বা ঘটনা বিশ্বাসযোগ্য ধৰণৰ হ'ব লাগিব। সেইবাবেই সেই বিষয় বা ঘটনা নায়কৰ প্ৰকৃতিৰ লগত খাপ খাব লাগিব। আনকি বিস্ময় বা অদ্ভুত ৰসৰ ক্ষেত্ৰতো এই কথা খাটে। কিন্তু যদি সকলো বিষয় বা ঘটনা বিশ্বাসযোগ্যই হয় তেনেহ'লে বিস্ময় বা অদ্ভুতৰসৰ কাৰণে অৱকাশ থাকিল ক'ত ? অতিলৌকিক (চুপাৰ নেচাৰেল) বিষয়ৰ অৱতাৰণা কৰিবৰ কাৰণেই বা অৱকাশ ক'ত ?

এই প্ৰশ্নৰ সমাধান এনেদৰে কৰিব পাৰি। ৰসৰ অনুভূতিৰ সময়ত দৰ্শকে নাটকত থকা যি কোনো এটি চৰিত্ৰৰ লগত নিজকে অভিন্ন বুলি কল্পনা কৰি লয়। দৰ্শকে যদি ৰতি ( শৃঙ্গাৰৰ স্থায়ী ভাৱ ) বা উৎসাহৰ ( বীৰ ৰসৰ স্থায়ী ভাৱ ) দৰে কোনো ভাৱ মনতে অনুভৱ কৰে তেনেহলে সেই সময়ত নাটকৰ যি কোনো এটি চৰিত্ৰয়ো অনুৰূপ ভাৱ অনুভৱ কৰি আছে। নাটক চোৱাৰ সময়ত দৰ্শকে নিজৰ স্বতন্ত্ৰ পৰিচয় পাহৰি নাটকত দেখুওৱা পৰিৱেশৰ মাজত নিজকে হেৰুৱাই পেলায়। তেওঁ তন্ময় হৈ পৰে।

নায়কজন যদি সঁচাকৈয়ে অসাধাৰণ শক্তিসম্পন্ন লোক হয় আৰু তেওঁ যদি এজন সাধাৰণ মানুহ (কেৱল মানুষ) নহয়, তেনেহলে তেওঁ সপ্তসমুদ্ৰ লঙ্ঘনৰ নিচিনা অসাধাৰণ কাম কৰিলে অবিশ্বাস কৰিব লগীয়া নহয় আৰু দৰ্শকে ৰসাস্বাদন

কৰাৰ পথত প্ৰথম বাধাটো (প্ৰতিপত্তাৰযোগ্যতা) পাৰ লগীয়া নহয়। সম্পূৰ্ণ বিশ্বাসেৰে সৈতে দৰ্শকজন পৰিস্থিতিৰ মাজত সোমাই পৰে, নায়কজনৰ সৈতে সমানে 'উৎসাহ' অনুভৱ কৰিবলৈ ধৰে আৰু নিজৰ মনৰ কল্পনাৰেই নায়কজনৰ লগে লগে নিজেও সপ্তসমুদ্ৰ পাৰ হ'বলৈ ধৰে। তেওঁৰ এই 'উৎসাহ'ৰ অনুভূতিয়েই হ'ল বীৰৰস আস্বাদনৰ ভেটি। আন ৰসৰ ক্ষেত্ৰতো পৰিস্থিতিটো এনেভাবে সজাই তুলিব লাগিব যাতে প্ৰথম বাধাটোৱে দেখা দিব নোৱাৰে। বিস্ময়ৰ বেলিকাও যি অতিলৌকিক বা অস্বাভাবিক বা অসাধাৰণ ঘটনা দেখুওৱা হয় দৰ্শকে তাক বাস্তবিকতে ঘটিছে বুলি বিশ্বাস কৰিব পাৰিব লাগিব। কিন্তু সেই ঘটনাটোৱেই থিতাতে ঘটি উঠাৰ ফলত আৰু সাধাৰণ কাৰ্য-কাৰণ ভাব সম্বন্ধেৰে ব্যাখ্যা কৰিব নোৱাৰা ধৰণৰ হোৱাৰ ফলত অদ্ভুত ৰসৰ অনুভূতিও আনি দিব। অদ্ভুত ৰসৰ বেলিকাও দৰ্শকে বিস্ময় নামৰ স্থায়ী ভাবটো মঞ্চত থকা কোনো এটি চৰিত্ৰৰ (লগত নিজকে অভিন্ন বুলি ভাবি লৈ তাৰে) সৈতে সমানে অনুভৱ কৰিব লাগিব। যিটি চৰিত্ৰৰ লগত দৰ্শকে নিজকে অভিন্ন বুলি ভাবিলে বা নিজকে সমস্থানীয় বুলি ভাবিলে তেওঁ যে আন এটি অধিক শক্তিশালী চৰিত্ৰই কৰা কোনো অসাধাৰণ কাম দেখি বিস্ময় মানিছে সেই বিষয়ে দৰ্শকৰ সন্দেহ থাকিব নালাগিব।

### বীৰ ৰস আৰু অদ্ভুত ৰস

সাধাৰণতে দেখা যায় যে অতিলৌকিক ঘটনা বা ভোজবাজি (মেজিক) এটা দেখিও বুদ্ধিমান লোক সিমান সহজে আচৰিত নহয়, বিস্ময় নামানে অৰ্থাৎ অদ্ভুত ৰসৰ অনুভূতি লাভ নকৰে। কোনো এটা অসাধাৰণ কামৰ অভিনয় দেখাৰ সময়ত দৰ্শকজনে নিজকে শক্তিশালী, সাহসী, বীৰ নায়কজনৰ সৈতে একে বুলি ভাবিব পাৰে তেতিয়া, যেতিয়া তেওঁৰ বীৰৰসৰ অনুভূতি হব; আন হাতে যদি দৰ্শকে নিজকে সেই অসাধাৰণ কাম দেখি বিস্ময় মনা এটি সাধাৰণ চৰিত্ৰৰ লগতহে নিজক একে বুলি ভাবিব পাৰে তেতিয়া তেওঁৰ অদ্ভুত ৰসৰ অনুভূতি হ'ব। গতিকে বুজা যায় যে পূৰ্বৰ এটা উদ্ধৃতিত আনন্দবৰ্ধনে যে কৈছে 'তথৈৱ বিস্ময়াদিষু'। তাৰ তাৎপৰ্য হ'ল যে বিস্ময় আদি স্থায়ী ভাব ফুটাই তুলিবৰ সময়তো নাটকৰ চৰিত্ৰটিৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। বিস্ময়ৰ বেলিকা নাটকৰ চৰিত্ৰটি নিম্ন প্ৰকৃতিৰ হ'ব লাগে। **নাট্যশাস্ত্ৰত** (৭·৬৩) কোৱা হৈছে যে আনকি একেটা ভাবকে চৰিত্ৰবিলাকৰ প্ৰকৃতিলৈ চাই ভিন ভিন ধৰণে ফুটাই তুলিব পাৰি। তুঃ

এৱমষ্টৱিকল্পোহয়মাৱেগঃ সম্ভ্ৰমাত্মকঃ।
স্থৈৰ্যেণোত্তমমধ্যানাং নীচানাং চাপসৰ্পনৈঃ॥

[সম্ভ্ৰমযুক্ত এই আৱেগ নামৰ ভাৱটিৰ আঠটা প্ৰকাৰ ভেদ। ইয়াক ফুটাই তুলিবৰ সময়ত উত্তম আৰু মধ্যম প্ৰকৃতিৰ নায়কবিলাক থিৰেৰেই থকা দেখুৱাব। কিন্তু নীচ প্ৰকৃতিৰ সকল আঁতৰি যোৱাৰ অভিনয় কৰিব।] পূৰ্বতে উল্লেখ কৰা আনন্দবৰ্ধনৰ উদ্ধৃতিটোৰ টীকাত অভিনৱগুপ্তই ভৰতৰ এই শ্লোকটোৰ উল্লেখ কৰিছে।

দৰ্শকসকলৰ সকলোৱেই একে প্ৰকৃতিৰ নহয়। বয়স ভেদে, প্ৰকৃতি ভেদে আৰু ক্ষেত্ৰবিশেষে আনকি স্ত্ৰী-পুৰুষ ভেদে বিভিন্ন দৰ্শকক একেটা দৃশ্যয়ে বিভিন্ন ৰসৰ অনুভূতি দিব পাৰে। উদাহৰণ স্বৰূপে **শকুন্তলাৰ** প্ৰথম অঙ্কৰ অভিনয় চোৱাৰ সময়ত সৰু সৰু ল'ৰাছোৱালীবিলাকে কেৱল হৰিণা, ঘোঁৰা, ৰথ আদি দেখিয়েই আমোদ পায় আৰু প্ৰায় সকলো সময়তে অদ্ভুত ৰসতে অনুভূতি পাই থাকে।

ভৰত মুনিয়ে কৈছে যে শৃঙ্গাৰ ৰসৰ দৃশ্য এটাই হাস্যৰো অভিব্যঞ্জনা কৰিব পাৰে; ৰৌদ্ৰ ৰসৰ দৃশ্যই কৰুণ ৰসৰ, বীৰ ৰসৰ দৃশ্যই অদ্ভুত ৰসৰ, আৰু সেই দৰে বীভৎস ৰসৰ দৃশ্য এটাই ভয়ানক ৰসৰো অভিব্যঞ্জনা কৰিব পাৰে।

শৃঙ্গাৰাদ্ধি ভৱেদ্ধাস্যো ৰৌদ্ৰাচ্চ কৰুণো ৰসঃ।
বীৰাচ্চৈৱাদ্ভুতোৎপত্তিৰ্বীভৎসাচ্চ ভয়ানকঃ॥



এইদৰে চাৰিটা মুখ্য ৰসৰপৰা চাৰিটা গৌণ ৰসৰ উদ্ভৱ হোৱাৰ বিষয়ে ভৰত মুনিৰ যি মত সেইটো ভোজৰাজে সমৰ্থন নকৰে। (দ্ৰষ্টব্য: ভি, ৰাঘৱন, ভোজচ্ শৃঙ্গাৰ প্ৰকাশ,' (পৃঃ ৪৩৪-৪৩৬, আৰু ৫১২-৫১৫)। কিন্তু এটা ৰসৰপৰা আন এটা ৰসৰ উদ্ভৱ হোৱাৰ বিষয়ে ভৰত মুনিৰ যি মত তাক ভালদৰে বিচাৰ কৰিলে দেখা যায় যে এটা মুখ্যৰসৰ পৰা এটা গৌণ ৰস ধৰাবন্ধাভাবে উদ্ভৱ হবই লাগিব বুলি ভৰত মুনিয়ে কোৱা নাই। এটা ৰসৰপৰা আন এটা ৰসৰ উদ্ভৱ হোৱাৰ আচল তাৎপৰ্য হ'ল যি পৰিস্থিতিৰপৰা 'মুখ্য' ৰস এটাৰ উদ্ভৱ হ'ব পাৰে সেই একেটা পৰিস্থিতিৰ পৰাই দৰ্শকৰ প্ৰকৃতি ভেদে 'গৌণ' ৰস এটাৰো উদ্ভৱ হ'ব পাৰে। এইটো এটা মন কৰিব লগীয়া কথা যে এই প্ৰসঙ্গত 'অভিনৱ ভাৰতী' টীকাত অভিনৱগুপ্তই যিটো উদাহৰণ দিছে সেই একেটাকে বিশ্বনাথে 'সাহিত্যদৰ্পণ'ত অদ্ভুত ৰসৰ উদাহৰণস্বৰূপে দিছে। সেইটো হ'ল 'দোৰ্দণ্ডাঞ্চিত আদি শ্লোকটো। লক্ষ্মণে যিভাবে পৰম বিস্ময়েৰে টংকাৰ ধ্বনিৰ বৰ্ণনা কৰিছে তাকে দেখি-শুনি লক্ষ্মণৰে সৈতে নিজকে একে বুলি ভাবিব পৰা সাধাৰণ দৰ্শকজনৰ অদ্ভুত ৰসৰ অনুভূতি হ'ব; কিন্তু নিজকে ৰামৰে সৈতে একে বুলি ভাবিব পৰা উত্তম প্ৰকৃতিৰ দৰ্শকজনৰ মনত উৎসাহ (স্থায়ীভাব)ৰ অনুভূতিৰ মাজেৰে বীৰ ৰসতেই অনুভূতি হ'ব। ভৰতমুনিৰ 'বীৰাচ্চৈৱাদ্ভুতোৎপত্তি' আদিৰ তাৎপৰ্য এনে দৰেই ব্যাখ্যা কৰিব পাৰি! অভিনৱ গুপ্তই কৈছে—

যত্ৰ ৰসো ৰসান্তৰং ফলত্বেনাভিসন্ধায় প্ৰৱৰ্ত্ততে তত্ৰোদাহৰণং বীৰঃ। মহাপুৰুষোৎসাহো হি জগদ্বিস্ময়—ফলাভিসন্ধানেনৈৱ। যথা "দোৰ্দণ্ডাঞ্চিত চন্দ্ৰশেখৰধনুৰ্দণ্ডাৱভঙ্গোদ্যত" (**মহাবীৰ চৰিত** ২—৫৪) ইত্যাদি। (**অভিনৱ ভাৰতী**, কবিৰ সংস্কৰণ, পৃঃ ২৯৭)

[এটা ৰসৰ ফলত আন এটা ৰস হোৱাৰ কথা যে কোৱা হৈছে তাৰ উদাহৰণ বীৰ ৰস। মহাপুৰুষ এজনৰ যি উৎসাহ তাৰ ফলতে এনে এটা কাম হয় যিটোৱে জগতৰ বিস্ময় জন্মায়। যেনে দোৰ্দণ্ডাঞ্চিত……]

এইদৰেই কাব্য বা নাটকত বৰ্ণিত একেটাইত দৃশ্যই দৰ্শকসকলৰ মনত বিভিন্ন প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। কিন্তু অলংকাৰ-শাস্ত্ৰৰ নীতি-নিয়ম সমূহ মানি চলাৰ ফলত ঔচিত্যৰ গণ্ডী চেৰাই নোযোৱাৰ ফলত সংস্কৃত নাটক সমূহে বিভিন্ন ৰুচিৰ দৰ্শকক আহ্লাদ দি আহিব পাৰিছে।

---

(২৩ পৃষ্ঠাৰ পিছৰ পৰা)

মাতৃত্বৰ প্ৰথম পুৰাতে তাই মানুহৰ হাঁহিমুখ প্ৰথম দেখিলে দেহি! সেই একে পুৰাতে লোকে যতনাই দিয়া আহাৰ তাই প্ৰথম খালে, জন্মৰে পৰা সেয়ে প্ৰথম।

"আহ, পোৱালি, আহ", আখলঘৰৰ পৰ্দা দাঙি কিন ছানৰ মাহীদেৱে তাইক মাতিলে,—যেন তাহানিখনৰে পৰা তাইক সেইদৰে মাতিয়েই আছে।

# মানৱ সমাজত জ্যোতিষৰ প্ৰভাৱ

শ্ৰীকামেশ্বৰ ঠাকুৰীয়া

ম'নুহে পূৰ্বজন্মৰ কৰ্ম এই জন্মত ভোগ কৰা বুলি মানি আহিছে। সৃষ্টিৰ পাতনিৰে পৰা এই নীতি চলি আহিছে। ঈশ্বৰে সৃষ্টিৰ ৰহস্য বা গূঢ়াৰ্থ নিজৰ হাতত ৰাখি বিশ্ববাসীক শাসন কৰিবলৈ কিছুমান তলতীয়া শক্তিৰ সৃষ্টি কৰে আৰু এই সৃষ্টিৰে মৰ্ত্যলোকৰ মানুহক সংসাৰ-সাগৰত বুৰাই কৰ্মফল ভোগ কৰায়। এই শক্তিসমূহেই মানুহৰ ভাগ্য নিয়ন্ত', যাক মানুহে জ্যোতিষৰ ভাষাৰে গ্ৰহ-নক্ষত্ৰ বা বিধাতা বুলি মানি চলে। জ্যোতিষমতে এক ঈশ্বৰৰ ইঙ্গিতত গ্ৰহ-নক্ষত্ৰই আমাক সকলো প্ৰকাৰে শাসন কৰি আছে। আমি ভগবানক নানা ৰূপত কল্পনা কৰি তেওঁৰ শক্তি বা মাহাত্ম্যক উপাসনা কৰোঁ। এই শক্তিসমূহৰ প্ৰত্যক্ষ ৰূপ হ'ল নানা ধৰণৰ দেৱ-দেৱী, গ্ৰহ-উপগ্ৰহ, নক্ষত্ৰ, তৰা ইত্যাদি। এইবোৰ ঈশ্বৰৰেই ৰূপ বা মহিমাৰ প্ৰতীক। এই মহিমাৰে নানা-ৰূপে আমাক আৰু আমাৰ দৈনন্দিন কাৰ্যকলাপক ভগবানে পৰিচালনা কৰি আছে। সৃষ্টি কৰ্তাৰ ইঙ্গিতত গ্ৰহ-উপগ্ৰহই মানুহৰ জীৱনক কেনে ধৰণে আগবঢ়াই নিবলৈ ব্যৱস্থা কৰিছে তাক জানিবলৈ মানুহ সদায় ব্যস্ত। এই ব্যস্ততাৰ প্ৰসাৰণৰ লগে লগে মানুহৰ মনৰ মাজত এক নতুন জ্ঞানৰ উদয় হ'ল আৰু তাক জ্যোতিষ নামে অভিহিত কৰা হ'ল। কালক্ৰমত জ্যোতিষৰ জ্ঞান আহৰণ কৰিব পৰা বহু জ্ঞানীলোকৰ আবিৰ্ভাব হ'ল আৰু তেওঁলোকৰ আপ্ৰাণ চেষ্টাতেই জ্যোতিষৰ প্ৰভূত উন্নতি হ'ল।

প্ৰথমাৱস্থাত ভাৰতবৰ্ষই জ্যোতিষ চৰ্চাৰ একমাত্ৰ কেন্দ্ৰস্থল আছিল। আৰ্যাযুগত বশিষ্ঠ, ভৃগু, পৰাসৰ, বৰাহমিহিৰ, অগস্ত্য, বৃহস্পতি, কনদা, যাজ্ঞবল্ক্য, গৰ্গমুনি আদি বিদগ্ধ মনীষীসকলে জ্যোতিষ চৰ্চা আৰম্ভ কৰি আৰু সেই বিষয়ত অপ্ৰত্যাসিতভাৱে উন্নতি সাধি মানুহৰ অন্তৰ জয় কৰে আৰু এই বিদ্যাৰ জনপ্ৰিয়তাৰ ঘাই খুটা পোতে। পিছৰ যুগতো অশ্বঘোষ, কৌটিল্য, বসুমিত্ৰ, আৰ্যভট্ট, খনা, মৈত্ৰেয়ী, গাৰ্গী, ডাক আদি বহু কেইগৰাকী পুৰুষ-মহিলাৰ পাণ্ডিত্যই জ্যোতিষ-বিদ্যাৰ অপৰিমিত উন্নতি সাধন কৰে। কিন্তু প্ৰথম যুগৰ জ্যোতিষসাধক ভৃগু, মিহিৰ, পৰাশৰ আদিক এই শাস্ত্ৰৰ প্ৰতিষ্ঠাপক বুলি কব পাৰি। কিয়নো তেওঁলোকৰ মূল শাস্ত্ৰৰ ওপৰত ভিত্তি কৰিহে পিছৰ পণ্ডিতসকলে ইয়াৰ উৎকৰ্ষ সাধন কৰিবলৈ সমৰ্থ হৈছে। হিন্দুধৰ্ম আৰু জ্যোতিষ শাস্ত্ৰৰ এক চিৰন্তন সম্বন্ধ দেখা যায়। ধৰ্মৰ জাগতিক কৰ্ম-পন্থাৰ মাজেদি জ্যোতিষৰ প্ৰকৃত ব্যাখ্যা ওলাই পৰে। বেদমন্ত্ৰ বা বৈদিক সাহিত্যৰ যোগেদি সৃষ্টিৰ তত্ত্ব উদ্‌ঘাটন কৰিবলৈ যি প্ৰয়াস কৰা হয়, তাৰ আনুষঙ্গিক হিচাপে জ্যোতিষশাস্ত্ৰও ওতঃপ্ৰোতভাৱে জড়িত হৈ উঠে। তথাপি জ্যোতিষ এটা স্বকীয়া বিদ্যা। ইয়াৰ প্ৰসাৰণো স্বকীয়া।



কৰ্মময় জীৱনত মানুহৰ আশা-আকাঙ্ক্ষাৰ অনুভূতিবোৰ সদায় জাগ্ৰত হৈ থাকে। এই জাগ্ৰত অনুভূতিৰ প্ৰচণ্ড গতিত উটি-ভাহি মানুহ প্ৰায়ে দিশহাৰা হয়। জ্যোতিষে ভৱিষ্যতৰ নিশ্চয়তাৰে অস্থিৰ মানুহক সুস্থিৰ অৱস্থালৈ আনি পোন বাট লগাই দিব পাৰে। মানুহৰ ওপৰত জ্যোতিষৰ প্ৰভাৱ বিস্তাৰ হোৱাত বিশ্বব্ৰহ্মাণ্ডৰ জ্যোতিষ্কৰাজিক ভগৱান-স্বৰূপ এক অলৌকিক শক্তিৰ গৰাকী বুলি তেওঁলোকে বিশ্বাস কৰিবলৈ ধৰে। সৌৰজগতৰ জ্যোতিষ্ক মণ্ডলীৰ আকাৰ আৰু ব্যৱধানৰ ভিত্তিত শক্তিবো তাৰতম্য বিবেচিত হয়। এক সৌৰজগতৰ কেন্দ্ৰ-জ্যোতিষ্ক এক সূৰ্যৰ পৰাই সাতোটা বেলেগ বেলেগ শক্তিৰ পৰিচয় পোৱা যায়। সময়ত ৰামধেনুৰ মাজেৰে সূৰ্যৰ এই সাত শক্তিৰ পৰিচয় সাত ৰঙেৰে বিদ্যমান হৈ উঠে। সূৰ্যক কেন্দ্ৰ কৰিয়েই বাকী জ্যোতিষ্কমণ্ডলীয়ে সৌৰজগতত পৰিভ্ৰমণ কৰে। সূৰ্যৰ পোহৰত যি সাতোটা শক্তিৰ প্ৰসাৰণ ঘটে তাৰ তুলনাত বাকী জ্যোতিষ্কমণ্ডলী তেনেই নিষ্প্ৰভ হৈ উঠে। সেয়েহে সূৰ্যক জ্যোতিষ্ক ৰাজিৰ অধিনায়ক বোলা হয়। সূৰ্যই পৃথিবীৰ প্ৰাণস্বৰূপ। বহু গ্ৰহ-নক্ষত্ৰ বা জ্যোতিষ্কৰাজিৰ প্ৰভাৱ সূৰ্যৰ মাধ্যমেৰেহে পৃথিবীলৈ প্ৰতিফলিত হয়। আকাৰ, দূৰত্ব আৰু সূৰ্যৰ আনুষঙ্গিক প্ৰভাৱৰ ওপৰত নিৰ্ভৰ কৰি বাকী গ্ৰহবোৰৰ শক্তি বা আকৰ্ষণ পৃথিবীৰ বুকুলৈ প্ৰতিফলিত হয়। অলেখ গ্ৰহ-নক্ষত্ৰ বা জ্যোতিষ্কৰ ভিতৰত বিশেষ কেইটামানৰ পৃথিবীৰ লগত ঘনিষ্ঠ সম্বন্ধ আৰু আধিপত্যও বেছি। তেনে গ্ৰহ-উপগ্ৰহৰ ভিতৰত ৰবি, চন্দ্ৰ, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰাহু, কেতু, বৰুণ আৰু ইন্দ্ৰই প্ৰধান। এই গ্ৰহবোৰৰ প্ৰভাৱ ইমান বেছি যে তেওঁলোকে পৃথিবীৰ মানুহৰ দৈনন্দিন ক্ৰিয়া-কৰ্মও পৰিচালনা কৰি থাকে। উদাহৰণ স্বৰূপে সপ্ত গ্ৰহৰ নামানুসাৰেই সপ্ত বাৰৰ নামকৰণ হৈছে আৰু গ্ৰহৰ শুভাশুভ অনুসাৰেই বাৰৰ শুভাশুভও নিৰ্ণয় কৰা হৈছে। ৰাহু, কেতু, বৰুণ (নেপচুন) বা ইন্দ্ৰৰ (ইউৰেনাচ) বাৰৰ লগত কোনো নামকৰণ নাই; তথাপি তেওঁলোকৰ আধিপত্য নাই বুলিব নোৱাৰি। ৰবি, মঙ্গল, শনিৰ লগতে এওঁলোকক ক্ৰুৰ বা অশুভ গ্ৰহ বোলে। চন্দ্ৰ, বুধ, বৃহস্পতি আৰু শুক্ৰক শান্ত বা শুভগ্ৰহ বোলে। শুভকাৰ্যৰ কাৰণে শুভবাৰ সোম, (চন্দ্ৰ), বুধ, বৃহস্পতি বা শুক্ৰবাৰ বাছি লোৱা হয়। ক্ৰুৰ কৰ্ম বা মন্ত্ৰপূত আদি কাৰ্যৰ কাৰণে শনি আৰু মঙ্গলবাৰ প্ৰশস্ত বুলি ধৰা হয়। এনে অৱস্থাত আমি কোনো বাৰকেই অশুভ বুলি কোৱাৰ অৰ্থ নাই। পৃথিৱীৰ পৰিভ্ৰমণৰ লগত গ্ৰহ-নক্ষত্ৰৰ সম্বন্ধ থকাত দিন-ৰাতি, বাৰ-তিথি, নক্ষত্ৰ, যোগ আদিৰ সৃষ্টি হয় আৰু মানৱ সমাজে এইসকলোবোৰ অনুসৰণ কৰিহে জীৱন-যাত্ৰাত আগ বাঢ়িব পাৰে। এইদৰে দেখা যায়, সৌৰজগতৰ গ্ৰহ-উপগ্ৰহই আমাৰ দৈনন্দিন জীৱনৰ কাৰ্যাৱলীক বহু প্ৰকাৰে পৰিচালনা কৰে। গ্ৰহৰ পৰিচালনাই আমাৰ ভাগ্য। সৌৰজগতৰ লগত সম্বন্ধ ৰাখি জ্যোতিষ্ক বা গ্ৰহ-নক্ষত্ৰসমূহে চলোৱা কাৰ্যাৱলীক লিপিবদ্ধ কৰা পুথিক পঞ্জিকা বোলে। প্ৰগতিশীল সমাজ এখনৰ কাৰণে পঞ্জিকা এক মূল্যবান সম্পদ। পঞ্জিকাই পৃথিৱী আৰু সৌৰজগতৰ সম্বন্ধ বুজাই দিয়ে আৰু সমাজক গ্ৰহ-নক্ষত্ৰৰ কাৰ্যকলাপৰ বিষয় জ্ঞাত কৰে। ইয়াক জ্যোতিষ শাস্ত্ৰৰ আদি পাঠ বুলি কলেও ভুল কোৱা নহয়। কাৰণ জ্যোতিষে গ্ৰহ-নক্ষত্ৰৰ বিচাৰ কৰে আৰু সেই বিচাৰ পঞ্জিকাই আগতে লিপিবদ্ধ কৰি ৰাখে।

সাধাৰণতে জ্যোতিষ আলোচনা বা অধ্যয়ন কৰা মানে নৱগ্ৰহৰ গতিবিধি বা কাৰ্য-কলাপৰ বিষয়ে মনোনিবেশ কৰা বুজায়। এই নব গ্ৰহৰ ভিতৰত ৰবি, চন্দ্ৰ, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰাহু আৰু কেতুক বুজায়। বৰুণ আৰু ইন্দ্ৰক ইয়াৰ ভিতৰত ধৰা নহয়। বাকী নটা গ্ৰহই বাৰৰাশিৰ ভিতৰত স্বকীয়া স্থান অধিকাৰ কৰি মানৱ জাতিৰ ওপৰত প্ৰভুত্ব চলাই থাকে। মনীষীসকলৰ যুক্তিমতে সৃষ্টিৰ আদিতে চন্দ্ৰ আৰু সূৰ্যক সৃষ্টিকৰ্তাই ৰাশি চক্ৰৰ গৰাকী পাতিছিল। কাৰণ

পৃথিৱীক পোহৰ-এন্ধাৰৰ মাধ্যমেৰে নিয়ন্ত্ৰণ কৰিবলৈ ৰবি-চন্দ্ৰৰ অত্যাৱশ্যকতা অনুভৱ কৰিছিল। এই সুবিধাতে ৰবি-চন্দ্ৰই কৰ্কটৰ পৰা আৰম্ভ কৰি ৰাশি চক্ৰক দুভাগ কৰি ললে। পিছত এই কথাৰ সম্ভেদ পাই বুধ, মঙ্গল, শনি, শুক্ৰ, বৃহস্পতি এই পঞ্চগ্ৰহই দিবাকৰ আৰু নিশাকৰৰ পৰা একোটাকৈ ভাগ খুজি লোৱাত মেষ-বৃশ্চিক মঙ্গলৰ, বৃষ-তুলা শুক্ৰৰ, মিথুন-কন্যা বুধৰ, ধনু-মীন বৃহস্পতিৰ আৰু মকৰ-কুম্ভ শনিৰ অধিকাৰলৈ যায়। তেতিয়া চন্দ্ৰ আৰু সূৰ্য ক্ৰমে কৰ্কট আৰু সিংহৰ অধিকাৰী হৈহে ৰল। তথাপিও চন্দ্ৰ সূৰ্যৰ অত্যাৱশ্যকতা পৃথিৱীৰ কাৰণে কোনো দিন নকমিল। ৰাহু-কেতুৰ কাৰণে স্থায়ী ঘৰ নাই যদিও বহুতে কন্যাৰ আৰু মীনৰ একাংশ ক্ৰমে ৰাহু-কেতুৰ ঘৰ বুলি বিবেচনা কৰে। এই দুই গ্ৰহৰ সদায় এক সমান্তৰাল ৰেখাৰ দুই শীৰ্ষ বিন্দুত থাকি আন গ্ৰহৰ বিপৰীতে সৌৰজগতত পৰিভ্ৰমণ কৰে। আৰু কোনো-কালে এক বিন্দুত উপনীত হব নোৱাৰে। গ্ৰহবোৰৰ নিজ নিজ ঘৰৰ বাহিৰেও উচ্চ বা তুঙ্গ আৰু মূল ত্ৰিকোণ নামেৰে একোটা ঘৰ আছে; সেই ঘৰবোৰত গ্ৰহবোৰ বলবান আৰু শুদ্ধ। তুঙ্গ ঘৰৰ বিপৰীত ঘৰটো সকলো গ্ৰহৰেই নীচস্থান বা অশুদ্ধ ঘৰ। ৰবি মেষত তুঙ্গী আৰু নিজঘৰ সিংহত মূলত্ৰিকোণী। সেই দৰে বৃষ-কৰ্কট চন্দ্ৰৰ, কন্যা-মিথুন বুধৰ, তুলা-কুম্ভ শনিৰ, কৰ্কট-ধনু বৃহস্পতিৰ, মকৰ-মেষ মঙ্গলৰ, মীন-তুলা শুক্ৰৰ ক্ৰমে তুঙ্গী আৰু মূল ত্ৰিকোণী স্থান। কন্যাৰপৰা বৃষলৈ ৰাহুৰ আৰু মীনৰপৰা বৃশ্চিকলৈ কেতুৰ তুঙ্গী আৰু মূল ত্ৰিকোণী স্থান ধৰা হয়। গ্ৰহবোৰৰ পৰস্পৰৰ শত্ৰুতা মিত্ৰতা ভাৱো ৰব বেচি। ৰবিয়ে চন্দ্ৰক যিমান ভাল পায় তাতকৈ বহুগুণে শনিক বেয়া পায়। সেইদৰে শনিও ৰবিক অত্যন্ত শত্ৰুবুলি ভাবে আৰু শুক্ৰক মিত্ৰ জ্ঞান কৰে। বৃহস্পতি আৰু চন্দ্ৰৰ মিত্ৰতা ৰব বেচি আৰু কাৰ্যকৰী; কিন্তু বুধ, শুক্ৰ বা ৰাহুৰ লগত বৃহস্পতি সদায় শত্ৰু। এইদৰে শত্ৰু-মিত্ৰৰ গ্ৰহৰ অৱস্থান লৈয়ো মানুহৰ জীৱনত ভাগ্যৰ পৰিবৰ্তন ঘটে। শনি, ৰবি, মঙ্গল, ৰাহু, কেতু প্ৰায়ে অশুভ কৰ্মত তৎপৰ হৈ থাকে কাৰণে সেইবোৰক অশুভ গ্ৰহ বোলে। অশুভ গ্ৰহৰ গ্ৰাসৰ পৰা পৰিত্ৰাণ পোৱাটোৱেই ভাগ্য আৰু এই ভাগ্যক বিচাৰ কৰিবলৈ হলে জ্যোতিষৰ প্ৰয়োজন অনিবাৰ্য হৈ উঠে। জ্যোতিষৰ যুক্তিৰে কবলৈ গ'লে আমি অশুভ গ্ৰহবোৰৰ দৃষ্টি, আকৰ্ষণ নাইবা গ্ৰাসত নপৰাকৈ থাকিব পৰাটোৱেই ভাগ্যৰ কাৰণ হৈ পৰে। সঁচাকৈয়ে আমি দৈনন্দিন জীৱনতো সদায় কুগ্ৰহৰ কথাকেই চিন্তা কৰি আহিছো আৰু তেওঁলোকৰ গ্ৰাসৰপৰা পৰিত্ৰাণ পাবলৈ চেষ্টা চলাই থাকো। জন্ম সোঁৰৰণীত চাৰিটা কেন্দ্ৰ বা ত্ৰিকোণত অশুভ গ্ৰহৰ অৱস্থান হলে, নাইবা দুটা অশুভ গ্ৰহ এক কেন্দ্ৰত অৱ-স্থান কৰিলে তেওঁলোকৰ অশুভ দৃষ্টিৰপৰা মুক্ত হোৱা টান হৈ পৰে। এইবোৰেই জীৱনৰ কেলেঙ্কাৰী বা দুৰ্ভাগ্য। বিশেষকৈ শনি-ৰাহু, শনি-মঙ্গল, শনি-ৰবিৰ সহ অৱস্থান ৰব বিপদজনক আৰু দুৰ্ভাগ্যৰ পৰিচায়ক। তিৰোতা মানুহৰ সপ্তমত বৃহস্পতি-ৰাহু, শনি-ৰবি, শনি-ৰাহু আৰু অষ্টমৰ মঙ্গল অখণ্ডনীয় আৰু অভাৱ-নীয় দুৰ্ভাগ্যৰ কাৰণ হৈ পৰে। এইদৰে ৰাহু আৰু কেতুৰ বেৰত অৰ্থাৎ একেফালে ৰাকী সপ্ত গ্ৰহই অৱ-স্থান কৰিলে কালসৰ্প যোগ হয় আৰু গোটেই জীৱনটোক নিষ্প্ৰভ কৰি তোলে। কিন্তু গুৰু-চন্দ্ৰাদি গ্ৰহ কেন্দ্ৰী হলে এই ওপৰোক্ত অশুভ যোগো ভঙ্গ হয়। আন-ফালে গুৰু-চন্দ্ৰৰ অৱস্থান যোৰষ্টক হলে শকতা যোগ হয় আৰু এই যোগে সোণৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰিলেও পথৰ ভিখাৰী কৰিব পাৰে। কিন্তু চন্দ্ৰই নিজ ঘৰ বা গুৰু-শুক্ৰৰ ঘৰত থাকি শকতা যোগ ভঙ্গ কৰে আৰু খৰিকটীয়াৰ লৰাকো ৰাজ-সিংহাসনলৈ ঠেলি দিয়ে। আকৌ ৰবিৰ বাহিৰে চন্দ্ৰৰ দ্বিতীয় আৰু দ্বাদশ স্থানত যদি কোনো গ্ৰহ নথাকে তেতিয়া কেমদ্ৰুম যোগ হয়, অৰ্থাৎ অৱস্থাপন্ন ব্যক্তিয়ো দৰিদ্ৰৰ জীৱন যাপন কৰিব লগা হয়। ইত্যাদি



প্ৰকাৰে আমি নজনাকৈ গ্ৰহৰ অৱস্থানৰ তাৰতম্যৰ হেতুকে জীৱনত বহু প্ৰকাৰে দুৰ্দশা ভোগ কৰিব লগীয়া হয়। এইবোৰ কথাৰ উমান নোপোৱাৰ কাৰণেই আমি বেদনাদায়ক জীৱনত কণা বিধাতাই সকলো নিৰ্যাতনৰ মূল বুলি ভগবানত বিশ্বাস হেৰুৱাওঁ।

সাধাৰণতে দুৰ্ভাগ্যৰ তাড়না সহ্য কৰিব নোৱাৰি আমি ভগবানক চিন্তা কৰোঁ আৰু জ্যোতিষীৰ ওচৰলৈ যাওঁ। জ্যোতিষীৰ বাণীয়ে আমাৰ ভাঙি যোৱা মনটো কিছু সবল কৰি দিব বুলি ধাৰণা কৰোঁ। জ্যোতিষীৰ মুখৰপৰা উজ্জ্বল ভৱিষ্যতৰ ইঙ্গিত আশা কৰাটো মানুহৰ স্বভাৱ। যদি কৰ-কুণ্ডলী বিশেষ উন্নত নহয় তেতিয়া কোনো জ্যোতিষীয়ে ভৱিষ্যতৰ আকাশ কুসুম ফলৰ কথা কব নোৱাৰে। উদাহৰণ স্বৰূপে কব পাৰি, যদি কেন্দ্ৰত শুভ গ্ৰহ আৰু তৃতীয়, ষষ্ঠ, দশম, একাদশ আদিত স্থানত অশুভ গ্ৰহই অৱস্থান কৰে; যদি দুই বা ততোধিক গ্ৰহ তুঙ্গী বা স্বগৃহী হৈ উচ্চ স্থানত থাকে; যদি ধৰ্মকৰ্মাধিপতি লগ্ন, দ্বিতীয়া, পঞ্চম, নৱম বা দশমত মিলিত হয় আৰু অষ্টমত পাপ গ্ৰহ নাথাকে; এনে ধৰণে গ্ৰহৰ অৱস্থান হলে জাতকে বহু পৰিমাণে উন্নত জীৱন যাপন কৰে। আনফালে লগ্নাধিপতি যদি দ্বাদশ স্থানত দ্বাদশাধিপতি লগ্ন বা দ্বিতীয়াত, পঞ্চম অধিপতি ষষ্ঠত আৰু ষষ্ঠ অধিপতি পঞ্চম বা চতুৰ্থত থাকে তেতিয়া সি দৰিদ্ৰ আৰু মহা মূৰ্খ হয়। সেইদৰে যদি ধৰ্ম-কৰ্মাধিপতি দ্বাদশ, অষ্টম, ষষ্ঠ বা তৃতীয়াত মিলিত হয় আৰু কেন্দ্ৰত শুভ গ্ৰহৰ দৃষ্টি বা অৱস্থান নথাকে তেতিয়া সি চিৰদাস আৰু চিৰ দুখী হয়। এইদৰে গ্ৰহৰ অৱস্থানলৈ শুভাশুভ পাচশৰো অধিক যোগ সংঘটিত হয়। মানুহে কথাতে কয়, 'নিজে নিজৰ ভাগ্যক গঢ় দিব পাৰে।" কথাষাৰ সম্পূৰ্ণ সত্য। কাৰণ আমি আমাৰ ভাগ্য জন্মৰ লগতে লৈ আহিছো। সেই মতেই আমি নজনাকৈয়ে আমাৰ জীৱন পৰিচালিত হৈ আছে। গতিকে ভাগ্য বিচাৰি জ্যোতিষীৰ ওচৰত গৈ মূৰ ঘমোৱাৰ প্ৰয়োজন নাই। কিন্তু এনে কঠিন মনৰ মানুহ খুব কমেই পোৱা যায়। বেচিভাগ মানুহেই সংসাৰ-যন্ত্ৰণাত জৰ্জৰিত হৈ নিজৰ ভাগ্যৰ বিষয় জানিবলৈ ৰব ইচ্ছুক হৈ উঠে। তেতিয়া তেওঁলোকে জ্যোতিষীৰ আশ্বাস বাণীৰে মনটোক কিছু সবল কৰিবলৈ সমৰ্থ হয়। এইবোৰ কথাৰ উপৰিও এটা প্ৰশ্ন উঠে, প্ৰত্যেক ব্যক্তিৰেই ভাগ্য-চক্ৰত নটা গ্ৰহৰ অৱস্থান ঘটে। দ্বিতীয়তে একে মুহূৰ্ততে হেজাৰ হেজাৰ ব্যক্তিৰ জন্ম হয়; কিন্তু এজনৰ ভাগ্যৰ লগত আনজনৰ মিল নাই। ইয়াৰ কাৰণটোনো কি? এইটোৱেই প্ৰকৃত ৰহস্য। ভগবানৰ অলৌকিক ক্ষমতাৰ সূক্ষ্ম বিচাৰ; আৰু মনুষ্য জীৱনৰ পূৰ্বজন্মৰ কৰ্মফল ভোগ।

গ্ৰহৰ অৱস্থান লৈ তাৰ প্ৰভাৱ বা দৃষ্টি বেলেগ বেলেগ হৈ থাকে আৰু তাৰ ফলত ব্যক্তি বিশেষে ফলো বেলেগ বেলেগ ভাবে ভোগ কৰে। মুহূৰ্তমান একে হলেও গ্ৰহৰ প্ৰভাৱ প্ৰত্যেকৰ কাৰণে একে হব নোৱাৰে। কাৰণ দূৰত্ব অনুযায়ী স্থানৰ ওপৰত গ্ৰহৰ প্ৰতিফলনৰ তাৰতম্য ঘটে। তদুপৰি দুই ব্যক্তিৰ জন্ম মুহূৰ্তৰ আগৰ অৱস্থা একে হব নোৱাৰে। একে মুহূৰ্তত এজনৰ একেবাৰে নিকৃষ্ট অৱস্থাত আৰু এজনৰ অতি উৎকৃষ্ট অৱস্থাত জন্ম হব পাৰে। লগতে বহুত আনুষঙ্গিক অৱস্থাৰ তাৰাতম্য ঘটিব পাৰে। তদুপৰি পূৰ্বজন্মৰ কৰ্মফলে জন্মমুহূৰ্তৰ পৰাই জীৱনটোক পৰিচালনা কৰে। সূৰ্যটোৰ গতিশীলতাৰ ওপৰত নিৰ্ভৰ কৰি লগ্নমান ঠিক কৰা হয়। এনেদৰে জন্ম মুহূৰ্তক লৈ ভাগ্য বিচাৰ কৰাকেই কোষ্ঠী বা জন্ম-সোঁৱৰণি বিচাৰ কৰা বোলে। আজিৰ যুগত ভাগ্য নিৰ্ণয়ৰ প্ৰণালী বহুত ধৰণে কৰা হয়। সাধাৰণতে কৰ, কোষ্ঠী বা কপাল দৰ্শন কৰি ভাগ্য নিৰ্ণয় কৰা হয়। এইবোৰ বিচাৰ কৰো-তাজনক, হস্তবিচাৰক, জ্যোতিষী বা কাপালীক বোলে। এইসকলৰ ভিতৰত হস্তৰেখা বিচাৰকৰ সংখ্যাই সৰহ। এওঁলোকৰ কিছুমানে ৰাজপথত, কিছুমানে কাছাৰী বা আদালতত, বহুতে হাট-বজাৰত, বহুতে

মঠ-মন্দিৰত আৰু কিছুমানে ঘৰে ঘৰে গৈ হাত চাই পইচা উপাৰ্জন কৰে। হাতচোৱা জ্যোতিষীৰ ওচৰলৈ প্ৰায় মানুহেই যাবলৈ মন কৰে। কাৰণ বয়সৰ বিষয় গম নোপোৱাকৈয়ে হস্ত বিচাৰকে দুই চাৰিটা লাগতীয়াল কথা কব পাৰে। কিন্তু হাত চাই সম্পূৰ্ণ বয়স উলিয়াই দিব নোৱাৰাজন সুদক্ষ বিচাৰক নহয়। সাধনা আৰু একাগ্ৰতা থাকিলেহে সুদক্ষ ভাগ্য বিচাৰক হব পাৰি। আজি কালি বিদেশী লোকৰ ভিতৰত হস্তবিচাৰ বিদ্যাই বৰ সমাদৰ লাভ কৰিছে। আধুনিক যুগত পশ্চিমীয়া দেশবোৰত কি'ৰোক শ্ৰেষ্ঠ হস্তবিচাৰক আৰু সাংখ্যাতত্ত্ববিদ বুলি মানি আহিছে। এই বিষয়ত তেওঁ অপ্ৰতিদ্বন্দ্বী আৰু অশেষ খ্যাতি সম্পন্ন ব্যক্তি। তেওঁৰ খ্যাতিৰ প্ৰভাৱ ভাৰততো প্ৰতিফলিত হৈছে আৰু তেওঁৰ অনু-কৰণত বহুতে হস্তবিচাৰক হৈ উঠিছে। এইবোৰৰ উপৰিও প্ৰশ্ন গণনা, মঙ্গলচণ্ডী সাধনা, কালী সাধনা, অঙ্গবিচাৰ, কাক্ চৰিত, জেঠীৰ টিকটিক্, সপ্নতত্ত্ব, শগুণী-পতন, কেঁচাৰ-নিৰ্দেশন, হাঁপাৰ গুঞ্জৰণি, দেওধনীৰ বাক্য, ভৌতিক বিদ্যা, গাৱঁলীয়া সৰ্বজ্ঞান আৰু সাধু-সন্ন্যাসীৰ ঠিকনা আদিৰে ভাগ্য বিচাৰ কৰা দেখা যায়। কেতিয়াবা কেতিয়াবা সাধাৰণ মানুহেও কোনো কাৰণত অলৌকিক শক্তি লাভ কৰি মানুহৰ ভাগ্যৰ কথা কোৱা শুনা যায়। এইবোৰৰ বেছিভাগেই সাময়িক আৰু কাক-তালীয় বুলি কব পাৰি। কিন্তু কোষ্ঠি বিচাৰ বা সামুদ্ৰিক পদ্ধতিত হস্তৰেখা বিচাৰ স্থায়ী আৰু কাৰ্যকৰী। সাধা-ৰণ মানুহৰ মানত কোষ্ঠীবিচাৰ বৰ জটিল আৰু অনাকৰ্ষণীয়। কাৰণ বয়সৰ ওপৰত ভিত্তি কৰি ভূত, ভৱিষ্যত আৰু বৰ্তমান নিৰ্ণয় কৰা সম্ভৱ হয়। স্বভাৱতে মানুহে নিজৰ বয়সটো জানক জ্ঞাত কৰিবলৈ ইচ্ছা নকৰে। কিন্তু কোষ্ঠী বিচাৰ পদ্ধতি অতি প্ৰাচীন আৰু শুদ্ধ।

কোনো ব্যক্তিয়ে আজি কব নোৱাৰে কাইলৈ তাৰ কি হব। গ্ৰহৰ পৰিচালনাত ভাগ্য-চক্ৰ ঘূৰে যেতিয়া আমি গ্ৰহক মানি চলিবই লাগিব। গ্ৰহৰ কাৰ্য-কলাপৰ বিষয় জ্যোতিষে নিৰ্ভুলভাবে কব পাৰে। এজন বিজ্ঞ জ্যোতিষীয়ে কাইলৈ কি ঘটিব আজিয়েই তাক কৈ দিব পাৰে। কিন্তু বহুত অজ্ঞ আৰু ভণ্ড জ্যোতিষীয়ে ভুল সিদ্ধান্ত দি বহুত ধন আদায় কৰে। তেতিয়া জ্যোতিষৰ প্ৰতি মানুহৰ আস্থা হেৰাই যায়। আজি কালি এই ধৰণৰ জ্যোতিষীয়ে সমাজত প্ৰৱেশ কৰি মানুহক ঠগিছে আৰু জ্যোতিষীৰ অৱমাননা কৰিছে। তেনে জ্যোতিষীৰ ওচৰত মূৰ দোৱাবলৈ যোৱাটো নিজৰেই মূৰ্খামি মাথোন। কিন্তু প্ৰকৃত জ্যোতিষীৰ ভৱিষ্যত বাণী সদায় শুদ্ধ আৰু গ্ৰহণীয়। তেনে জ্যোতিষীয়ে আগ ধৰি বিপদৰ সঙ্কেত দি মানুহক গ্ৰহৰ কোপৰপৰা কিছু পৰিমাণে ৰক্ষা কৰিব পাৰে। অশান্ত আৰু বিমৰ্ষ জীৱনত জ্যোতিষৰ বাণীয়ে শান্তি পানী ঢালি শান্ত কৰিব পাৰে। সমাজ থাকে মানে প্ৰকৃত জ্যোতিষীৰ সন্মান থাকিব।

# বড়ো সম্প্ৰদায়ৰ সমাজ-সংস্কৃতি

শ্ৰীলেবেন্দ্ৰ নাথ ব্ৰহ্ম

একোটা সম্প্ৰদায়ৰ সমাজ-সংস্কৃতিয়ে সেই জাতিৰ মানুহক পতনমুখী অৱক্ষয়ী মুহূৰ্তৰ পৰা প্ৰাচীৰ যেন হৈ ৰক্ষা কৰে। মানৱৰ সভ্যতা বিকাশৰ ক্ষেত্ৰতো সমাজ-সংস্কৃতিয়ে প্ৰভাৱ বিস্তাৰ কৰি অধোগতিৰ পৰা উচ্চ শিখৰলৈ লৈ যোৱাত সহায় কৰে। এই একোটা জাতিৰ সমাজে জাতিৰ মানুহক আকোৱালি লবলৈ শিকায়। সৎচিন্তা, সৎচৰ্চাৰ মাধ্যমেৰে অশিক্ষিত মানুহো সংযত হয়। দুদিনীয়া পৃথিবীত মানুহৰূপে জন্ম লাভ কৰি মানুহৰ মাজত মিলাপ্ৰীতিৰ মাজেৰে জীয়াই থাকিবলৈ মানুহক সমাজেই সহায় কৰে। তাৰ লগে লগে সংস্কৃতিৰ বিকাশেই সভ্যতাৰ বাটলৈ লৈ যোৱাত সহায় কৰে। কাঁইটৰ ওপৰেদি খোজ কাঢ়িবলৈ ভৰিত জোতা যোৰ ব্যৱহাৰ কৰাৰ দৰে সমাজত জাতিৰূপে জীয়াই থাকিবলৈ মানুহৰ মাজত সংস্কৃতিয়ে যথেষ্ট অৰিহণা যোগায়। পিয়াহত পানী পিবলৈ, ভোকত আহাৰ খাবলৈ মগজে তাগিদ দিয়াৰ দৰে জাতিৰ সভ্যতা প্ৰকাশৰ ক্ষেত্ৰত সমাজ আৰু সংস্কৃতিৰ প্ৰয়োজনীয়তা বৰ অপৰিহাৰ্য হৈ পৰে।

বড়ো সম্প্ৰদায়ে বৰ্তমানলৈ গাওঁবিলাকত তেনে সমাজ সংস্কৃতিৰ মূল্যাঙ্কন দি কাল যাপন কৰি আহিছে। গাওঁৰ ৰীতি-নীতি চৰকাৰৰ আইন স্বৰূপ। তাত শাস্তিৰ বিধান আছে। লগতে খালাচৰ ৰেহায়ো আছে।

বড়ো সমাজক সমাজ ৰক্ষা কৰিবলৈ পোনপ্ৰথমে গাওঁৰ ভিতৰতে এজনক গাওঁবুঢ়া পাতি লোৱা হয়। এই গাওঁবুঢ়াৰ ক্ষমতা তুলনামূলক ভাবে এজন মুখ্য-মন্ত্ৰীৰ দৰে যদিও তেওঁৰ নীতিগত কাৰ্য সমাধা কৰাৰহে ক্ষমতা থাকে। গাওঁবুঢ়াৰ লগতে গাওঁখনত "হালমাঝি" নামে এজন কৰ্মচাৰী থাকে। তেওঁ নিজ বা আন গাঁওত সভা-সমিতিৰ চিঠি বিলি কৰে আৰু আন গাৱৰ আৱশ্যকীয় খবৰ সংগ্ৰহ কৰি গাওঁবুঢ়াক জনাবহি লাগে। ইয়াৰ বাবে গাওঁবুঢ়াই একো বেতন নাপায়। কিন্তু হালমাঝি জনে বছৰেকত প্ৰত্যেক গৃহস্থৰ পৰাই হালে প্ৰতি (নাঙল) দুধাৰাকৈ মানে দহ কেজিকৈ জৰা-ধান নিজে আদায় কৰি নিব পাৰে। এইটোৱেই তেওঁৰ বছৰেকীয়া বেতন।

দেওৰানী বুলিলে গাওঁবিলাকত খেতিয়কৰ ভিতৰত কিছু জনা-বুজা বুধিয়ক লোককে বুজায়। গাৱঁৰ সমাজ-সংস্কৃতিৰ সংস্পৰ্শলৈ আহি "ক" নজনা এজনেও ভাষাতত্ত্বত পাৰ্গত হৈ উঠে।

বড়ো সম্প্ৰদায়ৰ সমাজ-সংস্কৃতিৰ একতৰফীয়া মুখ্য কাম খেতি-বাতি উৎপাদন। বান্ধ-ডোঙৰ ব্যৱস্থা নথকা গাৱঁৰ খেতিপথাৰত ক'ৰবাৰ ওচৰীয়া নদী-বিলৰ পৰা বান্ধ বান্ধি ডোং কাটি পানী অনাৰ ব্যৱস্থা কৰা যায় নে কি সভাৰ যোগে তাৰে ব্যৱস্থা হাতত লোৱা আৰু সমিতি গঠন কৰি চৰকাৰৰ ওচৰলৈ অনুমোদনৰ সঁজাতি-দল পঠোৱা—ইয়ে প্ৰথম পৰ্যায়ৰ মুখ্য কাম হৈ পৰে।

দ্বিতীয়তে বড়োসকলে গাঁৱৰ জনকল্যাণমূলক কাম কাজত বিশেষ মনোনিবেশ কৰা দেখা যায়। ৰাস্তাঘাট বন্ধা, পূজা-পাৰ্বণ বছৰেকত একোবাৰলৈ পালন কৰা, গাঁৱৰ দায়-দোষ গুচাই গাওঁখন শুচি কৰি লোৱা—ইত্যাদি কাম-কাজ সভা যোগে ৰাইজৰ সহযোগত বৰ নিয়াৰিকৈ সম্পন্ন কৰি অহা দেখা যায়।

বৰ্তমান বড়ো সম্প্ৰদায়ৰ মাজত বড়ো, ব্ৰহ্ম, নাৰ্জাৰী, বসুমতাৰী আদি যিয়ে যি নিলিখক কিয় মূলতে সকলোবোৰেই একে গোষ্ঠীৰ লোক। নীতি-নিয়মত কোনো দ্বিমত নাই। আচাৰ-ব্যৱহাৰত কোনো প্ৰভেদ নাই। বিয়া-বাৰুৰ বেলিকাও সেই একে নিয়মেৰে সমাধা হয়। বড়োৰ ব্ৰহ্মৰ লগত বিয়া হয়। নাৰ্জাৰীয়ে বসুমতাৰীৰ ছোৱালী বিয়া কৰায়। ধৰ্মচৰ্চা বা পূজা-পাৰ্বণৰ নামত কেৱল ঠাই বিশেষৰ গাওঁ বিশেষত অগ্নিপূজা বা হোম-যজ্ঞ বা যজ্ঞাহুতি নিদি ঘৰচীয়া জীৱ-প্ৰাণী বলি দি বছৰেকত একোবাৰকৈ পূজা দিয়াৰ প্ৰথা প্ৰচলিত আছে। তাক বড়ো সম্প্ৰদায়ে "ঘাৰ্‌জা মাঁদাই হাঁনাই" বোলে।

"ঘাৰ্‌জা মাঁদাই হাঁনায়" প্ৰথাৰ প্ৰচলন সকলো গাওঁত নাই। অতিকৈ ভিতৰুৱা গাওঁবিলাকত, নতুবা য'ত গাৱঁৰ চাৰিওফাল নদ-নদীৰে ঘেৰা, য'ত দেৱ-দেৱী আৰু দেও-ভূতৰ প্ৰকোপ আজিও বৰ্তমান তেনে গাওঁ বিশেষতহে বছৰত একোবাৰকৈ ঘৰচীয়া জীৱ বলি দি পূজা কৰা হয়। বিশেষকৈ পাহাৰ-জঙ্ঘলৰ ওচৰীয়া গাওঁবিলাকত আৰু য'ত আদিমকালৰ পৰাই "থানশালী" ৰাখি অহা হৈছে, তেনে গাৱঁতহে এই পূজাৰ গুৰুত্ব অধিক দি অহা দেখা যায়।

এই পূজা বছৰৰ প্ৰথম মাহ বহাগত পতা হয়। গাওঁখনৰ নিলগত গছগছনিৰে পৰিপূৰ্ণ নৈ বা বিলৰ পাৰত এডোখৰ ঠাই শুকীয়াকৈ বাচি লোৱা হয়। তাত তেতিয়া নতুন খেৰেৰে (দুমলীয়া চন খেৰ) নানান ধৰণৰ "ভেৰাঘৰ" সঁজায়। বিভিন্ন দেৱতাৰ নামে সজোৱা এই ভেৰাঘৰবোৰৰ কোনোটো চাৰিটা বাহৰ নাইবা নলবনৰ খুঁটিৰে সজা হয়। আকৌ কোনটো দুটা খুটিৰ দ্বাৰাই সাজি পেলোৱা হয়। দুটা খুটিৰ তেনে ভেৰাঘৰবিলাক পূৱৰ পিনে হেলনীয়াকৈ মাটিত লগাই সজোৱা হয়। পূজাৰ কাম পুৱমুৱাকৈ কৰা হয়।

এই ধৰণৰ ভেৰাঘৰৰ উপৰিও "ঘাঁমীনৰাজ্জা" এই বিশেষ দেৱতাৰ নামত চাংঘৰ এটা সঁজোৱা হয়। আৰু আন এঠাইত "গণেশ'ৰ" মূৰ্তি খেৰেৰে বনোৱা হয়। তেত্ৰিশ কোটী দেৱতাৰ নাম কাঢ়ি এই পূজা কৰোঁতে ভালেখিনি খৰচ কৰিব লগীয়া হয়। এই পূজাত তিনিটা পঠা ছাগলি, হাঁহ এটা, কুকুৰাচৰাই এযোৰ, পাৰ পোৱালী আৰু সৰু সৰু কুকুৰাচৰাই পোৱালী বহুতো (মই সঠিক হিচাপ দিব নোৱাৰিলোঁ।) লাগে। লগতে কণী, পাণ-তামোল, কেঁচাকল, পকাকল, সিন্দুৰ, ধূপ্‌বাটি আৰু মদও লাগে।

এই পূজা পালোঁতে এজন ভাল "ওজা" মানে তেত্ৰিশ কোটি দেৱগণৰ নামধাম, থকা ঠাই আৰু কোনে কি ভোগ গ্ৰহণ কৰে নকৰে তাক উত্তমকৈ জনা ওজা গাওঁত নেথাকিলে দূৰণিৰ পৰা মাননি দি মাতি অনা হয়। আৰু দেৱতাৰ ভিতৰতো আমিষ ভোজী, নিৰামিষ ভোজী দুটা শ্ৰেণীৰ দেৱতা আছে দেখি শুকীয়াকৈ দুজন "দেউৰী" মানে পূজাৰ ভোগ পাতি ভাগ কৰোঁতা "বামুণ" গাঁৱৰ পৰাই বাচি লোৱা হয়। সিদিনা পুৱাৰ পৰাই গোটেই দিনটো লৰাই-ছোৱালীয়ে, ডেকাই-বুঢ়াই উপস্থিত থাকি (তিৰোতাৰ বাহিৰে) পূজাৰ কামত লাগি যায়। ওজাই দেৱগণৰ নাম মাতি মাতি, মন্ত্ৰ গাই গাই এটাৰ পিছত আনটো ভেৰাত পূজাৰ কাম শেষ কৰে। লগে লগে বলি হৈ যায়। দেউৰী দুজনে সিদিনা উপবাস থাকিব লাগে।

পূজাৰ শেষত বলি হোৱা প্ৰাণীৰ মঙহৰে সিদিনাৰ ভাত-পানী সেই ঠাইতে খোৱা হয়। পূজাৰ কাম পলমকৈহে শেষ হয় বাবে সেই ঠাইতে সময় কটোৱাৰ



চলত মদ লৈ খোৱাৰ নিয়ম আছে। এই মদ ঘৰে ঘৰে গৈ তুলি অনা হয়। হালেপ্ৰতি (ছিথাছে জো) মানে দহ বা বাৰ ইঞ্চিৰ বাল্টিৰে এবাল্টিকৈ মদ দিব লগা হয়। প্ৰয়োজনমতে মদ সংগ্ৰহ কৰি খোৱাৰ পিছত সিদিনাৰ পূজাৰ কাম তেনেকৈয়ে শেষ কৰে। পিছত গোটেই ৰাইজ মিলি গাওঁবুঢ়াৰ ঘৰত বহি আকৌ ওজাৰে সৈতে মিলিজুলি গল্প-গুজৱ কৰি মদ খোৱাৰ পিছতহে সকলো ঘৰাঘৰি হয়গৈ।

পিছদিনা গাওঁৰ দক্ষিণে নদী-নলাৰ পাৰত (ভাছাই হৰনায় মাঁদাই হৈয়া) "ভটিয়াই দিয়া পূঁজা" দিয়েগৈ। তাত আগদিনাৰ দৰে সৰু সৰু ল'ৰা ছোৱালীয়ে থাবলৈ নাপায়। সিদিনাৰ পূজাৰ উদ্দেশ্য হ'ল সকলো ৰোগ ব্যাধি গাওঁখনৰ পৰা আঁতৰ কৰা। নিয়ম মতে প্ৰত্যেক গৃহস্থৰ গৃহিণীয়ে মাজ বাটলৈ গৈ নিজা নিজা ঘৰৰ পৰা (মাইদি হাঁয়ৈ থুন্দাং এছে, গনছীয়াও তুলা এছে আৰো থালিৎ বিলাই আও মাইবং এছে লানা নৈ) মানে "মাড় নিদিয়া দুঁতা অলপ, বাঢ়নীলৈ ব্যৱহাৰ কৰা এটুকুৰা গনছীত (খেৰ বিশেষ) তুলা অলপ আৰু কলপাতত অলপমান চাউল লৈ গৈ দিবগৈ লাগে। সোনত লৈ গৈ মাজ বাটলৈ দি আহে; কিয়নো তেতিয়া প্ৰত্যেক ঘৰৰ দায়-দোষ গুচি যায় বুলি ধৰা হয়। পূজা-পাতলৰ শেষত কলগছৰ ভূৰ তৈয়াৰ কৰি বলি হোৱা পঠা ছাগলৰি মূৰ এটা; জীৱিত এযোৰ পাৰ পোৱালী আৰু এটা কুকুৰা চৰাই-পোৱালীৰে সৈতে ভটিয়াই দিয়াৰ নিয়ম আছে। তাক (ভেহেলা ফাজাও হৰনায় বুংয়া) বিশেষ অৰ্থত ৰোগ-ব্যাধি সম্পূৰ্ণকৈ গাওঁখনৰ পৰা উঠাই দিয়া বুজায়। সিন্দুৰেৰে ৰং বেৰং কৰি অঙ্কিত তেনে ভেহেলী ভটিয়াই দিয়া ভূৰ দেখা পালে নৈৰ ঘাটত ল'ৰা-ছোৱালী লৈ গা ধুই থকা যিকোনো গাওঁৰ তিৰোতাই গা ধুবলৈ এৰি ঘৰলৈ বুলি ল'ৰ মাৰে। বিশ্বাস, কোনোবা হাৰি কাষৰীয়া গাওঁখনৰ ৰোগব্যাধি কঢ়িয়াই আনিছে এই ভেহেলীটোৱে। এতিয়া ল'ৰা-ছোৱালীৰ গা পৰশি লগতে গৈ গাওঁখনত খিতাপি হৈ থাকিব আৰু গাওঁখনত অপায়-অমঙ্গলৰ লগে লগে ৰোগ-ব্যাধিৰ উদ্ভৱ হব পাৰে। কিয়নো ভটিয়াই যোৱা ভেহেলীৰ দৃশ্যই ভয়াবহ ৰূপ হৈ দেখায়। তাত থকা কুকুৰা চৰাই পোৱালীৰ কান্দোন ৰিণিকি ৰিণিকি বাজি আহে আৰু পাৰ চৰাইৰ কন্দাসুৰেও আতঙ্কৰ সৃষ্টি কৰে। তাৰ কাৰণে পূজা পালোঁতা যিকোনো গাৱঁৰ ৰাইজেও সিদিনা পূজা-পাতিৰ শেষত ঘৰলৈ ওভতোতে বান্ধিবলৈ লৈ অহা কেৰাহী সহ কোনোবিধ সৰঞ্জামকে ঘৰলৈ লৈ নাযায়। কাষৰীয়া জঙ্ঘলত নিশাটোৰ কাৰণে লুকাই থৈ মাত্ৰ তাৰ পিছদিনাহে আহি যাৰ যি বস্তু মনে মনে লৈ যোৱা নিয়ম আছে।

"ক্ষেৰাই-হাগাৰনায়" বুলি আৰু এক প্ৰকাৰ পূজা বড়ো সম্প্ৰদায়ৰ মাজত প্ৰচলিত আছে। ক্ষেৰাই পাতিলে অৱশ্যে তিনিবছৰ একে লেখাৰিয়ে পাতিব লাগে। এই তিনিবছৰে "ঘাৰজা মাঁদাই" নিয়মমতে নেপাতিলেও হয়। এই পূজাৰ মাহাত্ম্যও সেই একে, ৰোগব্যাধি দূৰীকৰণৰ নিমিত্তে পতা হয়। "ধৌধিনী" "ওজা" আৰু ক্ষাম্, ছিফুং আদিৰে বাজনাৰ তালে তালে দেও-দেৱগণক উদ্দেশি পালন কৰা বড়ো সম্প্ৰদায়ৰ এই "ক্ষেৰাই" কৃষ্টিৰ কথা সিমানকৈ ব্যাখ্যা নকৰিলেও হব যেন পাওঁ।

আন কিছুমান গাওঁত বছৰেকত একোবাৰকৈ গাওঁৰ বেমাৰ-আজাৰ দূৰ কৰি সুখ-সমৃদ্ধি বঢ়াবলৈ গাৱঁৰ গোটেই ৰাইজ, নাৰী-পুৰুষ, লৰা-ছোৱালী মিলি যজ্ঞাহুতি দি অগ্নিদেৱতাৰ শৰণাগত হয়। তাৰ কাৰণে অসম চৰকাৰৰ অনুদানত বৰ্তমান বড়ো সম্প্ৰদায়ৰ গাওঁ বিশেষত "ব্ৰহ্ম মন্দিৰ" জাকত জিলিকাকৈ জিলিকি উঠিছে। এতিয়াও যিবোৰ গাওঁত তেনে যজ্ঞাহুতি পালন কৰা হয়, চৰকাৰী অনুদান নোপোৱা গাওঁৰ ৰাইজে লৰা-ছোৱালী লৈ বদে-বৰষুণে কষ্টভোগি পূজা পালন কৰি অহা দেখা যায়।

বড়ো সম্প্ৰদায়ৰ গাওঁ বিশেষত তেনে "যজ্ঞাহুতি"

নতুবা "ঘাৰজা মৌদাই" যিহকে নাপালক কিয় মুঠতে বছৰেকত কোনো এটি পালি পূজা কৰা হয়। অৱশ্যে যজ্ঞাহুতি পালোঁতা গাৱঁলীয়াই বহাগ বিহুৰ সংক্ৰান্তিৰ পিছদিনা হোম যজ্ঞ দিয়ে আৰু "ঘাৰজা মৌদাই হাগ্ৰা" গাওঁলীয়াই যিকোনো বহাগৰ দিনতে দিনবাৰ ঠিক কৰি এই পূজা পাতে। উল্লেখনীয় যে আষাৰ মাহৰ প্ৰথম সপ্তাহৰ "আমথীচুৱা" মানে অম্বুবাচীতো একোবাৰ যজ্ঞাহুতি দিয়া হয়। আৰু "ঘাৰজা মৌদাই হাগ্ৰা" গাৱঁলীয়াই দেও-দেৱগণক স্মৰি অম্বুবাচীত একোবাৰকৈ "ভেহেলা ফাজাও হৰো" ভেহেলী ভটিয়াই দি, ৰোগ ব্যাধিৰপৰা হাত সাৰিবলৈ এই দিনটো শুভদিন বুলি ধৰি লয়।

গাওঁ বিশেষত পালন কৰি অহা এই দুই প্ৰকাৰ পূজাৰ মাহাত্ম্য একেই। বাৰটা মাহৰ তেৰটা জগৰ গুচি যাওক, খেতি-বাতি ভাল হওক, ৰোগব্যাধি গাওঁখনৰ পৰা নিৰ্মূল হওক, দুৰণিৰ বেমাৰ-আজাৰ গাওঁলৈ আহি নোসোমাওক, সকলো নৰ-নাৰী সুখ-শান্তি লভি সভ্য-বুধিয়ক হওক—নানান বিধৰ প্ৰশমিত আশু উপায় স্বৰূপে তেনে পূজাৰ যোগেদি বড়ো সম্প্ৰদায়ে আদিম নীতি-নিয়মত নতুনৰ সংযোগ দি আগবাঢ়ি গৈ আছে।

বড়ো সম্প্ৰদায়ৰ গাওঁসমূহৰ সমাজ সংস্কাৰ "বড়ো পাণ্ডুলিপি" আইনৰ মাধ্যমত প্ৰকাশ পায়। প্ৰয়োজন বোধে কোনোবা এখন গাওঁৰ পৰা কোনোবা এজন গৃহস্থই উঠি আহি কোনো এখন গাৱঁত থিতাপি লৈ থাকিবলৈ ললে সেই গাওঁখনৰ নিয়ম-নীতি গ্ৰহণ কৰি মিলি থাকিব লগা হয়। তেতিয়া সেই গাওঁখনৰ সামাজিক নীতিমতে ৫০.০০ টকাৰ পৰা ১০০.০০ টকা পৰ্যন্ত বিশেষ অৰ্থত "গাওঁৰ সভ্য ভৰ্তি" স্বৰূপে আগধন দি থাকিব লাগে আৰু এক হাড়ি মদ ৰাইজক খুৱাই সন্মানাদি লৈ "এই গাওঁৰে মানুহ হলোঁ।" বুলি মিলি থাকিব লাগে। তেতিয়া অৱশ্যে সেই গাওঁখনৰ সমাজ পুঁজিত যিমান টকা-পইচা জমা হৈ আছে নতুনকৈ উঠি অহা মানুহজনেও তাৰ অংশ ভোগ কৰিবলৈ পায়।

গাওঁখনত কিবা এটা অঘটন ঘটনা ঘটি গলেই গাওঁবুঢ়াৰ কৰ্ণগোচৰ কৰিবগৈ লাগে। তেতিয়া প্ৰয়োজন বোধে "হালমাঝিৰ" হতুৱাই সভা মাতি সমাজ বহুওৱা হয়। দায়-দোষ খৰচিমাৰি চাই আৱশ্যক হলে দন্দ আদি বিহি গাওঁৰ জঞ্জাল গাওঁতে মৰা হয়। গোচৰীয়াই এজনৰ বিৰুদ্ধে গোচৰ দিবলৈ গাওঁবুঢ়াৰ ওচৰ চাপিলে পোন প্ৰথম দুই টকা দি নালিচ দিব লাগে। সভাত সাক্ষী লৈ গোচৰীয়াই দোষীজনক দোষৰ অভিযুক্ত কৰিব নোৱাৰিলে নালিচী দুই টকা আৰু সি ঘূৰাই নেপায়। ই গাওঁবুঢ়াৰ প্ৰাপ্য ধন। কিন্তু দোষী অভিযুক্ত কৰিব পাৰিলেই নালিচী দুই টকা আৰু দায়কাৰীৰ দন্দাদিৰ পৰা ৰাইজে সমাজ বৈঠক বাবদ ১২.৫০ পইচা লয়, বাদবাকী খিনি গোচৰীয়াই পায়।

যুৱক-যুৱতীৰ কোনোবাই প্ৰেমত পৰি অবৈধ কামত লিপ্ত হলে দুয়ো ৭.৫০ পইচাকৈ জৰিমনা আৰু সমাজ বৈঠক ১২.৫০ পইচা গাওঁৰ পুজিত দিব লাগে। ইয়াক বড়ো সমাজ মতে "ফংগ্লোথ্‌বাদ" "সাধাৰণ দোষী" হিচাবে গণ্য কৰা হয়। ভয়ানক যৌন অপৰাধী হলে মানে বিশেষকৈ ভাই-ভনী বা আত্মীয় জনৰ ভিতৰত অবৈধ কাম কৰিলে তাক "ডাউথীবাদ" বুলি অপৰাধী বিবেচনা কৰা হয়। তেতিয়া দুয়োই ১২.৫০ পইচাকৈ জৰিমনা আৰু সমাজ বৈঠক ১২.৫০ পইচা ভৰিব লগা হয়। অমাত জীৱ জন্তুৰ লগত অবৈধ কামত লিপ্ত হলে তাক "অখোৰবাদ" গুৰুতৰ অপৰাধী" বিবেচনা কৰা হয়। তেতিয়া ২৫.৫০ পইচা আৰু সমাজ বৈঠক সেই একে নিৰিখত জৰিমনা দিব লগীয়া হয়। এইবোৰ জৰিমনা লগে লগে আদায় দিব লগীয়া হয় আৰু লগে লগে গাওঁ বিশেষৰ নিয়ম মতে "যজ্ঞাহুতি" দি আৰু নতুবা "ছালামী মৌদাই হানাটৈ" দেও-দেৱগণক স্মৰণ কৰি অপৰাধ মাৰ্জনা বিচাৰি নিজে শুচি হোৱাৰ লগতে গাওঁখনকো শুচি কৰি লব লাগে। তেনে



নহলে সেই ঘৰ পৰিয়ালক সমাজৰ বাহিৰ কৰিও থোৱা দেখা যায়।

ধৰচীয়া জীৱ-জন্তু চুৰি কৰি গোপনে থোৱা লোকক ধৰিব পাৰিলে গাওঁ বিশেষৰ নিৰিখ মতে ৫০.০০ টকাৰ পৰা ১০০.০০ টকা পৰ্যন্ত জৰিমনা লগোৱা হয়। তেতিয়া গোচৰীয়া লোকৰ জীৱ বা জন্তুৰ প্ৰকৃত মূল্য নিৰ্ধাৰিত কৰি উচিত দাম দিয়াৰ বাদ বাকী টকা গাৱঁৰ সামাজিক পুঁজিত জমা হৈ থাকে।

গাৱঁৰ সমাজ-নীতি অমান্য কৰা লোকক যথেষ্ট কঠোৰ শাসন কৰা দেখা যায়। জমি-জমা থাকিও বহি থাকি বা নিষ্কৰ্মা হৈ খাব ধৰা লোককে সমাজে চকু ৰাখি তাৰ ব্যৱস্থা হাতত লয়। গাৱঁৰ উন্নতীয়া কাম-কাজত যোগদান নিদিয়া মানুহকো সভাৰ যোগে শাস্তি দিয়াৰ ব্যৱস্থা আছে। গাৱঁৰ ভিতৰুৱা বা দাতিকাষৰীয়া জমি জমা বিক্ৰীৰ সুযোগ বুলি গাৱঁলীয়া লোকৰ বিনা অনুমতিত অইন বেলেগ গাওঁৰ মানুহক বা বেলেগ সম্প্ৰদায়ৰ মানুহক বিক্ৰি কৰিবলৈ যত্ন কৰাৰ প্ৰতিও সমাজৰ ঘোৰতৰ আপত্তি প্ৰকাশ পায়। ইখন গাৱঁৰ পৰা সিখন গাওঁলৈ যাতায়তৰ ক্ষেত্ৰত অমঙ্গলীয়া দিনবোৰত বিশেষ সতৰ্কতা অৱলম্বন কৰা হয়। ওচৰীয়া গাওঁসমূহত সংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱ দেখা দিলে সভাৰ যোগে তালৈকে গাৱঁলীয়া ৰাইজৰ যাতায়াত কঠোৰভাৱে সৈতে বন্ধ কৰি দিয়া হয়। অগত্যা অমান্য কৰি কোনোবাই গৈ ঘূৰি আহিলে তাৰ সঠিক প্ৰমাণাদি লৈ সেই মানুহক উচিত বিচাৰ কৰি জৰিমনা বিহাৰো নিয়ম আছে। কলেৰা, বসন্ত বেমাৰ আদি সংক্ৰামক ৰোগৰ বীজাণুৱে তেনে যাতায়াতৰ মাধ্যমত সিঁচৰিত হৈ পৰে দেখি বড়ো সম্প্ৰদায়ৰ মতে তেনে দিনত চলা-ফিৰাৰ বাট একেবাৰে বন্ধ কৰি দিয়াকে শ্ৰেয় ভাবি গাওঁসমূহত এই আইন তেতিয়াই তেতিয়াই বলবৎ কৰা হয়।

বৰ্তমান অসম চৰকাৰৰ অনুদান কমে যিকোনো গাওঁত সমাজ সংস্কাৰৰ অৰ্থে যুৱক-যুৱতীৰ মিলাপ্ৰীতিত লাইব্ৰেৰী, ক্লাবঘৰ আদিয়ে বিৰাজি উঠিছে। গাৱঁৰ তেনে ডেকা-গাভৰুৰ সৌহাৰ্দ্যত গঠিত হোৱা মঙ্গলজনক অনুষ্ঠানৰ ভিতৰত গ্ৰাম্যভাণ্ডাৰ বিশেষ লেখত লব লগীয়া। তাৰ লগে লগে বয়ন শিল্পৰ মান উন্নয়নত গুৰুত্ব দি অহাটোও বড়ো সম্প্ৰদায়ৰ এটি উল্লেখযোগ্য কথা। বছৰেকীয়া হিচাব-পত্ৰ উত্থাপনৰ দিনত দূৰ-দূৰণিৰ ভাল বড়ো যাত্ৰাগান লৈ আহি নেদেখা দলৰ অভিনয় চাবলৈ বছৰত একোবাৰকৈ সুযোগ দিয়া হয়, কিয়নো তেতিয়া বড়ো যাত্ৰাপাটিৰ দলৰ প্ৰতিও মৰ্যাদা আগ বঢ়োৱা হয়। আগ্ৰহ থাকিলে যিকোনো গাৱঁৰ ৰাইজে লগ লাগি ভাল গানৰ মাষ্টাৰ ধৰি বড়ো যাত্ৰা অভিনয়ৰ দল গঠন কৰিও লব পাৰে, তাত সমাজৰ কোনো বাধা নাই।

চাকৰ-চাকৰনী বুলি অৱহেলাৰ চকুৰে চোৱা বড়ো সম্প্ৰদায়ৰ স্বভাৱত প্ৰায়েই নাই। সিহঁত নিজৰ ঘৰখনৰ পৰিয়ালৰ দৰেই থাকে। অসুখ-বিসুখতো আলপৈচান লব লগা দায়িত্ব সেই ঘৰ মালিকৰ ওপৰত পৰে। অগত্যা টান নৰিয়াত পৰি গলেহে বিশ্ৰামাদিৰ কাৰণে ঘৰলৈ যাবলৈ দিয়া হয়।

চাকৰ-চাকৰনীয়ে গাওঁৰ বিয়া-বাৰুত যোগদান দিব পাৰে। হাটে-বজাৰে বা পূজাই-উৎসৱে লগৰীয়াৰে সৈতে গৈ আহিব পাৰে। মুঠতে মাছ মাৰিবলৈ যোৱা আৰু শাক-পাচলি তুলিবলৈ যোৱা ইত্যাদি কাম-কাজত মালিকনীৰ হুকুম লৈ যেতিয়াই তেতিয়াই গৈ আহিব পাৰে। এই নিয়ম প্ৰত্যেক গাওঁৰ সমাজত সকলো পৰিয়ালৰে একক নিয়ম।

যিকোনো পৰিয়ালৰ পৃথকীকৰণত ভাগ-বাটোৱাৰাৰ ন্যায্য দাবীত গাৱঁলীয়া ৰাইজে চকু দি চলে। এখন ঘৰ-সংসাৰত বাপেকে পুতেক বা ভায়ে-দদায়ে বেলেগ সংসাৰ যাপনৰ আশা কৰি পৃথক ঘৰদুৱাৰ সাজি সম্পত্তিৰ কথাতে কিছু গোলমাল লাগিলেই সকলো ৰাইজ উপস্থিত হৈ ভাগ বাটোৱাৰাৰ ভাৰ সাম্যত মনোযোগ দিয়ে। মৰা-মৰি হাই-কাজিয়া যাতে আগলৈ নহয়গৈ

# অসমত ভাষাতত্ত্বৰ চৰ্চা

শ্ৰীনবনাৰায়ণ শৰ্মা

অসমত ভাষাতত্ত্বৰ আলোচনাৰ পাতনি মেল খায় দেৱানন্দ ভঁৰালীৰ 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চিনাকি'ৰ মাজেদি। পুথিখনি প্ৰথমে প্ৰকাশ হৈ ওলায় ১৯১২ চনত। কিতাপখনৰ আৰম্ভণিতে আদি-প্ৰাকৃত অৱশেষ, ইন্দো-আৰ্যান স্তৰ, ইৰাণী-পিশাচী স্তৰ, বহিৰ্বৃত্ত স্তৰ, অন্তৰ্বৃত্ত স্তৰ, সংস্কৃতৰ মাজেদি অসমীয়া ভাষাৰ বিকাশ আৰু গঠনৰ সম্যক আলোচনা পোৱা যায়। অসমীয়া প্ৰাকৃত, কামৰূপীয়া প্ৰাকৃত, সৌমাৰ প্ৰাকৃত আৰু চৰ্যাপদৰ আলোচনা এই পুথিখনত পোৱা যায়।

কামৰূপী আৰু সৌমাৰ প্ৰাকৃতৰ কথা উল্লেখ কৰি লিখকে কৈছে—"৭ম-৮ম শতিকাত কামৰূপত এটা বেলেগ প্ৰাকৃত চলিছিল যাক আমি 'কামৰূপীয়া প্ৰাকৃত' বুলিব পাৰোঁ। কিন্তু সৌমাৰ খণ্ডত আৰু কিছুমান বিশেষত্ব আছে যিবিলাকৰ গুণে কামৰূপীয়া প্ৰাকৃততকৈয়ো এটা পুৰণি স্তৰৰ ভাষা ধৰা পৰে। ইয়াক পুৰণি বোলাৰ কাৰণ এয়ে যে ইয়াৰ কিছুমান বিশেষত্ব উত্তৰ-পছিম, পছিম আৰু দক্ষিণ ভাৰতীয় ভাষাতো পোৱা যায়। ১২-১৩শ শতিকাত বংগদেশত আৰু ১২শৰ পৰা ১৬শ শতিকালৈকে আসামত লিখা পুথিবিলাকৰ ভাষাকে কামৰূপীয়া প্ৰাকৃতৰ প্ৰতিনিধি বুলিব পাৰি। কিন্তু ১৬শ শতিকাৰ পাছত আধুনিক অসমীয়া ভাষাৰ যিবিলাক বিশেষত্ব সেইবিলাকেই সৌমাৰ প্ৰাকৃতৰ বিশেষত্ব।"

এই পুথিত প্ৰথমে অনাৰ্য গোষ্ঠীৰ ভাষাসমূহৰ সমাৰ আলোচনা পোৱা যায়। অসমীয়া ভাষাত অনাৰ্য ভাষাৰ প্ৰভাৱ, অষ্ট্ৰোএচিয়াটিক, দ্ৰাবিড়ী, তিব্বতী, কছাৰী-আহোম আদি গোষ্ঠীৰ লগত অসমীয়া ভাষাৰ কি সম্পৰ্ক কিতাপখনত আলোচনা কৰা হৈছে। লিখকে তামৰ ফলি আৰু শিলালিপিৰ ভাষাৰ লগত অসমীয়া ভাষাৰ কি কি বিষয়ত মিল-অমিল আছে তাকো আলোচনা কৰিছে। 'মান্য অসমীয়া ভাষা' সম্পৰ্কে ভঁৰালীয়ে মত পোষণ কৰিছে এইদৰে—"পুবে শদিয়াৰ পৰা পশ্চিমে গুৱাহাটীলৈকে এই তিনিশ মাইল জুৰি যিটো ভাষা আছে তাৰ ভিতৰত স্থানীয় বৈচিত্ৰ্য নাই বুলিলেই হয়। শিক্ষিত-অশিক্ষিত, উচ্চ-নীচ সকলোৱে মাজত একে মাত-কথা চলে। এনে একাকাৰ বংগদেশতো পাবলৈ নাই। এতেকে ভাষাজ্ঞ পণ্ডিত প্ৰবৰ গ্ৰীয়াৰ্চনে এই ভাষাটোক মান্য ভাষা বুলিছে।"

ভঁৰালীৰ অসমীয়া ভাষা সাহিত্যলৈ আনখন পুথি হ'ল—A Study of Phonology and Vocabulary of the Assamese Language। এই পুথিখনি প্ৰকাশ হয় ১৯৫৯ চনত। লিখকে অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব আৰু শব্দতত্ত্বৰ বিষয়ে আলচ কৰিছে। পুথিখনৰ আৰম্ভণিতে অসম, আসম, আহোম শব্দৰ উৎপত্তি, প্ৰাগ্‌জ্যোতিষপুৰ-কামৰূপৰ বিৱৰণ, অসমীয়া ভাষাৰ মূল, হিন্দী আৰু অসমীয়াৰ সম্বন্ধ, পাৰ্চী আৰু অসমীয়া,



বঙলা আৰু অসমীয়া, অষ্ট্ৰো-এচিয়াটিক, তিব্বত-বৰ্মী আৰু অসমীয়া, অসমীয়া ভাষাৰ বিভিন্ন স্তৰ আদিৰ বিষয়ে আলোচনা কৰিছে। সেই সময়ত অসমীয়া ভাষা-সাহিত্যত পুথিখনিয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল; কিয়নো তেতিয়াও অসমীয়া ভাষাতত্ত্বৰ আলোচনা চালুকীয়া হৈ আছিল।

ইয়াৰ পিছত কালিৰাম মেধিৰ "অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব" নামৰ পুথিখনে অসমীয়া ভাষাতত্ত্বৰ আলোচনাত যথেষ্ট বৰঙণি যোগায়। পুথিখন প্ৰকাশ হৈ ওলায় ১৯৩৬ চনত। অসমীয়া ভাষা আৰু ৰূপৰ এটি সামগ্ৰিক বিৱৰণ ইয়াত পোৱা যায়। মেধি বিজ্ঞানৰ ছাত্ৰ হ'লেও অসমৰ অনাৰ্য গোষ্ঠীৰ ভাষা-বোৰৰ লগত যথেষ্টভাৱে জড়িত আছিল আৰু অনাৰ্য ভাষা ভালদৰে আয়ত্ত কৰিছিল। অসমীয়া ভাষাত অনাৰ্য ভাষাৰ প্ৰভাৱ ভিন্ ভিন্ দিশত তেওঁৱেই প্ৰথমতে আলোচনা কৰিছিল।

তামৰ ফলি আৰু শিলালিপিবোৰৰ ভাষাৰ লগত অসমীয়া ভাষাৰ যথেষ্ট সামঞ্জস্য থকাটো তেওঁৱেই প্ৰথমতে আলোচনা কৰে। তেওঁ কামৰূপী প্ৰাকৃতৰ কথাৰ উপৰিও কামৰূপী ভাষাটোৰ হুবহু শব্দৰ মিল তামৰ ফলি, শিলালিপিবোৰত থকাটো প্ৰমাণ কৰিছে। বিদেশী ভাষাৰ যথেষ্ট শব্দসম্ভাৰ এই পুথিখনত সংযোগ হৈছে। বৈদিক ভাষাৰ লগত অসমীয়া ভাষাৰ সামঞ্জস্য থকাটো পোনতে মেধি ডাঙৰীয়াই এই পুথিৰ মাজেদি দাঙি ধৰে। অসমীয়া সাহিত্যত ব্যাকৰণৰ নিয়মবোৰৰ ব্যৱহাৰ আৰু বিতং আলোচনা পোৱা যায় এই পুথিখনৰ মাজেদি।

উল্লেখিত পুথিবিলাকত অসমীয়া ভাষা সম্পৰ্কে আলোচনা কৰিলেও আধুনিক বিজ্ঞানসম্মতভাৱে অসমীয়া ভাষাৰ আলোচনা হৈ উঠে ডঃ বাণীকান্ত কাকতিৰ গৱেষণামূলক গ্ৰন্থ "অসমীয়া ; ইয়াৰ গঠন আৰু বিকাশ"ত। এই পুথিত অসমীয়া ভাষাৰ উৎপত্তি, 'অসম' নামৰ উৎপত্তি, অসমীয়া আৰু বঙলাৰ সামঞ্জস্য, অসমীয়া ভাষাৰ যুগ-বিভাগ, অসমীয়া শব্দকোষ, অসমীয়া ভাষাৰ ওপৰত অনাৰ্য প্ৰভাৱ—অষ্ট্ৰো-এচিয়াটিক, খাচী, কোল, মালয়, তিব্বত-বৰ্মীয় প্ৰভাৱ, অসমীয়া ভাষাত বড়ো, টাই, ঠাইবাচক শব্দত অনাৰ্য সমল আৰু অষ্ট্ৰিক, বড়ো, আহোম স্থানবাচক নাম আদিৰ বিষয়ে বিজ্ঞানসম্মতভাৱে আলোচনা কৰা হৈছে। লিখকে গ্ৰন্থখনত সংস্কৃতৰ মূলৰ লগত অসমীয়া ভাষাৰ সামঞ্জস্য দেখুৱাইছে। ইয়াৰ উপৰিও লিখকে অসমীয়া ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ বৈজ্ঞানিক ভিত্তিত সুচিন্তিতভাৱে আলোচনা দাঙি ধৰিছে।

লিখকে গ্ৰন্থখনিত মান্য ভাষা, পাতিদৰঙৰ ভাষা (পুব কামৰূপ), ধৰ্মপুৰৰ ভাষা (উত্তৰ কামৰূপ), বজালী অঞ্চলৰ ভাষা (উঃ পঃ কামৰূপ), পলাশবাৰীৰ ভাষা (দক্ষিণ কামৰূপ), বৰপেটাৰ ভাষা (পশ্চিম কামৰূপ) আৰু শালকোছাৰ ভাষাৰ (ৰাজবংশী উপভাষা) নিদৰ্শন সংযোগ কৰিছে। এই বিষয়ত পৰৱৰ্তী ভাষাবিদসকলৰ এটি আদৰ্শগত বাট মুকলি হৈ থাকিব এই পুথিৰ যোগেদি। অসমীয়া ভাষাৰ বৈজ্ঞানিক আলোচনা-গৱেষণাৰ পথ প্ৰদৰ্শক হিচাপে ডঃ কাকতিৰ স্থান এই গ্ৰন্থখনিয়ে সদায় বহন কৰি ৰাখিব।

ইয়াৰ পিছতে ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাৰ "অসমীয়া ভাষা আৰু সংস্কৃতি" আৰু "অসমীয়া ভাষা" (প্ৰথম সংস্কৰণ) পুথিৰ অসমীয়া ভাষাতত্ত্বলৈ থকা অৰিহণা নুই কৰিব নোৱাৰি। এই পুথিত অসমীয়া ভাষাৰ জন্ম-গতিপথ, অসমীয়া ভাষাত বিদেশী শব্দসম্ভাৰ, অষ্ট্ৰো-এচিয়াটিক, তিব্বত-বৰ্মী, ভোট-বৰ্মী আদিৰ বিষয়ে বিতংভাৱে আলোচনা কৰিছে। 'অসমীয়া ভাষা' শীৰ্ষক কিতাপখনত অসমীয়া ভাষাৰ উৎপত্তি, বিকাশৰ এক বিস্তৃত আলোচনা দাঙি ধৰিছে। অসমত অতীজৰে পৰা নানা ভাষা গোষ্ঠীয়ে বসবাস কৰি আহিছে আৰু সিবিলাকৰ লগত অসমীয়া ভাষাৰ সম্পৰ্কৰ কথা খৰচি মাৰি আলোচনা কৰিছে।

ভাষাতত্ত্বৰ চিন্তা-চৰ্চালৈ ডঃ মহেশ্বৰ নেওগদেৱৰ "অসমীয়া সাহিত্যৰ ৰূপৰেখা" নামৰ পুথিখনৰ অৱদান

উল্লেখনীয়। এই পুথিখনৰ পাতনিতে লিখকে পৃথিৱীৰ ভাষা-গোষ্ঠীৰ বিশদ আলোচনাৰ উপৰিও অসমীয়া ভাষাৰ ক্ৰমবিকাশ, উৎপত্তি, তাম্ৰশাসনৰ যুগ, চৰ্যাগীতৰ যুগ, শ্ৰীকৃষ্ণকীৰ্তন, প্ৰাক্ নৱবৈষ্ণৱ যুগ, নৱবৈষ্ণৱ যুগ, ব্ৰজবুলি, কথাৰচনা, অসমীয়া ভাষাত আৰবী-ফাৰ্চীৰ আলহী শব্দ, টাই-অষ্ট্ৰীক আৰু ভোট-বৰ্মীৰ প্ৰভাৱ আদিৰ বিষয়ে খৰচি মাৰি আলোচনা কৰিছে।

অসমীয়া ভাষাত বৈজ্ঞানিক ভিত্তিত ৰচিত ভাষা-বিজ্ঞান বিষয়ক প্ৰথম পুথি হ'ল ড° উপেন্দ্ৰ নাথ গোস্বামীৰ 'ভাষা-বিজ্ঞান'। ভাষাবিষয়ক সকলো আলোচনা, ৰাজ্যভাষা, ৰাষ্ট্ৰভাষা, আন্তঃৰাষ্ট্ৰীয় ভাষা, ভাষা-বিজ্ঞানৰ শাখা, ভাষাৰ উৎপত্তি, ধ্বনিৰ উৎপত্তি ধ্বনি-বিজ্ঞান সম্পৰ্কীয় আলোচনা, ভাষাৰ পৰিৱৰ্তন—ভাষাত ধাৰ কৰা ৰীতি, বিশিষ্ট ধ্বনিৰ পৰিৱৰ্তন—অৰ্থৰ পৰিৱৰ্তন আদি বিষয়ৰ ওপৰত যথেষ্ট আলোচনা কৰা হৈছে।

পৰিশিষ্টত দিয়া অসমীয়া ভাষাৰ ধ্বনি, উপভাষা, শব্দমালা, ধ্বন্যাত্মক আৰু প্ৰতিধ্বন্যাত্মক শব্দ, অসমীয়া ভাষাৰ বৈশিষ্ট্য, অসমীয়া ভাষাৰ জন্মকথা আৰু গতি-পথ, ভাষা বৈজ্ঞানিক আলোচনা আৰু ইয়াৰ প্ৰয়োজনীয়তা আদি অধ্যায় কেইটি যথোপযুক্ত হৈছে আৰু অসমীয়া ভাষাতত্ত্বপ্ৰেমী বাহিজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে জ্ঞান আহৰণৰ ক্ষেত্ৰত উপযোগী হৈছে।

'ভাষা-বিজ্ঞান' সম্পৰ্কে ভাৰতৰ জাতীয় আচাৰ্য ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ অভিমত প্ৰণিধানযোগ্যঃ "পুথিখন অতি সুন্দৰকৈ লেখা হৈছে আৰু ই যথেষ্ট ব্যাপক হৈছে। সঁচাকৈয়ে ভাৰতৰ আন বেছি ভাগ ভাষাৰ নিচিনা অসমীয়াতো এনে এখন পুথিৰ অভাৱ আছিল। পুথিখন চকুফুৰাই চোৱাৰ পাছত মই নিশ্চয়কৈ ক'ব পাৰোঁ যে এইখন অতি প্ৰয়োজনীয় গ্ৰন্থ হ'ব আৰু ইয়ে অসমীয়া বৈজ্ঞানিক সাহিত্যৰ এখন প্ৰকৃত খালী ঠাই পূৰণ কৰিব। পুথিখনত ভাষা-বৈজ্ঞানিক ইংৰাজ-অসমীয়া পৰিভাষাৰ এখন সম্পূৰ্ণ তালিকা সংযোগ কৰাটো অতি উত্তম কথা হৈছে। নিয়ে ভাৰতীয় আন ভাষাবোৰৰ কাৰণেও সহায়কাৰী হ'ব। পুথিখনৰ বহুল প্ৰচাৰ কামনা কৰিলোঁ।"

ড° গোস্বামীৰ 'ভাষা-বিজ্ঞান'তে আমি পোন প্ৰথমে ধ্বনিৰ উৎপত্তি, ধ্বনি-যন্ত্ৰ, স্বৰ-ধ্বনি, ধ্বনিৰ মাত্ৰা, ব্যঞ্জন ধ্বনি, ধ্বনি শাস্ত্ৰ, ধ্বনি-বিজ্ঞান, আৰু অসমীয়া ভাষাৰ ধ্বনি সম্পৰ্কে বিজ্ঞানসন্মত আলোচনা পাওঁ।

অসমীয়া ভাষাতত্ত্বৰ আলোচনালৈ আন এটি অৱদান হ'ল ডা° গোলোক চন্দ্ৰ গোস্বামীৰ 'ধ্বনি বিজ্ঞানৰ ভূমিকা'। এই পুথিত ধ্বনি বিজ্ঞানৰ সকলোবোৰ কথা বিজ্ঞানসন্মত ভাবে আলোচনা কৰিছে। কিতাপখনত উপক্ৰমনিকা, বাক্ধ্বনি, বাগিন্দ্ৰিয়, ধ্বনিৰ উচ্চাৰণ আৰু প্ৰকাৰ, প্ৰবাহধ্বনি, অনুনাসিক ধ্বনি, অনিয়ত ধ্বনি, বাক্ধ্বনিৰ শ্ৰেণী বিভাগ, ধ্বনিৰ লয় আদি বিষয়ৰ আলোচনা কৰিছে।

পৰিশিষ্টত দিয়া অধ্যায়কেইটি বৰ্ণ বিজ্ঞানৰ পৰিচয়, ভূমিকা, ধ্বনিৰ প্ৰকৃতি আৰু গুণ, বৰ্ণবিজ্ঞানৰ মূল কথা, বৰ্ণ, আকৃতি, উপাকৃতি, বৰ্ণ বিশ্লেষণ, বৰ্ণ বিশ্লেষণৰ প্ৰক্ৰিয়াক্ৰম আদিৰ বিষয়ে যথেষ্ট আলোচনা কৰিছে। পুথিখনিৰ শেষত দিয়া ধ্বনি-বিজ্ঞানৰ পৰিভাষা—অসমীয়া-ইংৰাজী, ইংৰাজী-অসমীয়া দুখন সূচী সংযোগ কৰা বাবে ভাষাপ্ৰেমী ছাত্ৰৰ বাবে পাৰিভাষিক শব্দ জনাটো সহজ-সৰল হ'ব।

ড° গোস্বামীৰ আন এখন পুথি হ'ল 'অসমীয়া বৰ্ণ প্ৰকাশ'। ইয়াত লিখকে বিশেষকৈ স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ, স্বৰসন্ধি, ব্যঞ্জন সন্ধি, বৰ্ণবিলাকৰ আকৃতি-প্ৰকৃতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰিছে। অসমীয়া ভাষাতত্ত্বৰ আলোচনাত এই পুথিখনৰ গুৰুত্ব থকাটো প্ৰমাণিত হৈছে। তেখেতৰ আন এখন পুথি হ'ল An Introduction to Assamese Phonology. এইখন পুথিত ধ্বনি, বৰ্ণ, বৰ্ণৰ ক্ৰমৰ আলোচনা, স্বৰবৰ্ণ-ব্যঞ্জনবৰ্ণৰ ঐতিহাসিক আলোচনা পোৱা যায়। অসমীয়া বৰ্ণবিলাকৰ স্বৰূপ, পৰিসৰ, স্বৰ-ব্যঞ্জনবৰ্ণৰ পোটৰ আলোচনা পোৱা যায় এই পুথিত।



ড° কাকতিৰ পিছতেই অধ্যাপক শ্ৰীউপেন্দ্ৰ নাথ গোস্বামীয়ে ভাষাতত্ত্বৰ গৱেষণা কৰি ডক্টৰেট উপাধি পায়। তেখেতৰ গৱেষণামূলক গ্ৰন্থখন হ'ল—A study on KAMRUPI : A Dialect of Assamese। এই গৱেষণামূলক গ্ৰন্থখন চাৰিটা অধ্যায়ত শেষ হৈছে। অধ্যায়কেইটি হ'ল—আৰম্ভণি, ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু সামৰণি; ইয়াৰ বাহিৰেও গ্ৰন্থখনৰ শেষৰ পিনে 'পৰিশিষ্ট' আৰু 'ভাষাৰ চানেকী' নামৰ দুটি খণ্ড লিখকে সংযোগ কৰিছে।

প্ৰথম অধ্যায়তে লিখকে কামৰূপী যে এটি স্বতন্ত্ৰ ভাষা তাৰ বিশদ ব্যাখ্যা দিবলৈ যত্ন কৰিছে। খৃষ্টীয় ৭ম শতিকাৰ বৰ্ম্মা-মহাৰজাৰ দিনৰ তামৰ ফলিবোৰত কিবোৰ প্ৰাচীন শব্দৰ উল্লেখ পোৱা যায় (সেইবোৰ যদিও সংস্কৃতত লিখা) সেইবোৰতে কামৰূপী (অসমীয়া) ভাষাৰ যথেষ্ট চানেকী আছে। গ্ৰন্থকাৰৰ উল্লেখ মতে তামৰ ফলিৰ ভাষাই কামৰূপী প্ৰাকৃতৰ নমুনা আৰু ইয়েই অসমীয়া ভাষাৰ বুৰঞ্জীৰ বিচাৰত প্ৰকৃত সম্বল হিচাপে কাম কৰে। এই সম্পৰ্কে বেণীমাধৱ বৰুৱাৰ 'কামৰূপী প্ৰাকৃত'ৰ ওপৰত কৰা মন্তব্যটি উল্লেখযোগ্য। তেওঁ কৈছে, "কামৰূপৰ প্ৰাক্ আহোম যুগৰ শিলালিপিবোৰে প্ৰাকৃতৰ উদাহৰণ দাঙি ধৰে; ইয়েই খৃঃ ষষ্ঠ শতিকাৰ পৰা দ্বাদশ শতিকাৰ সময়খিনিত চলিত উপভাষাৰ প্ৰকৃতি আৰু গঠনলৈ আঙুলিয়ায়।" দেবানন্দ ভৰালী, কালিৰাম মেধি আৰু ডিম্বেশ্বৰ নেওগে তেওঁলোকৰ পুথিত অসমীয়া ভাষাত কামৰূপী প্ৰাকৃতৰ ব্যৱহাৰৰ বিষয়ে উল্লেখ কৰিছে; কিন্তু ডা° কাকতিয়ে তেওঁৰ গৱেষণা গ্ৰন্থখনত ইয়াৰ স্পষ্ট উল্লেখ কৰা নাই। এই বিষয়ত ড. উপেন্দ্ৰ নাথ গোস্বামীৰ গৱেষণামূলক গ্ৰন্থখনত এটা স্পষ্ট চিত্ৰ পোৱা যায়।

প্ৰাচীন অসমীয়া সাহিত্য বাহৈকৈ কামৰূপী ভাষাত লিখিত। হেমসৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ,' ৰুদ্ৰ কন্দলিৰ 'দ্ৰোণপৰ্ব,' মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণত কামৰূপী ভাষাৰ বহুত চানেকী পোৱা যায়। আহোম যুগৰ কিছুমান গদ্যত কামৰূপী ভাষাৰ প্ৰভাৱ মন কৰিব লগীয়া। সেই বিলাকৰ ভিতৰত 'ধোঁৱা-নিদান' আৰু 'কামৰত্ন-তন্ত্ৰ' এই পুথি দুখনৰ উল্লেখ কৰিব পাৰি। 'অসম বুৰঞ্জী'তো কামৰূপী (অসমীয়া) ভাষাৰ চানেকী মন কৰিব লগীয়া। ইয়াৰ বাহিৰেও কামৰূপী ভাষাৰ ব্যৱহাৰ আধুনিক যুগৰ অসমীয়া সাহিত্যৰ ভোলা নাথ দাসৰ 'সীতাহৰণ কাব্য' আৰু গুণাভিৰাম বৰুৱাৰ 'ৰামনৱমী নাটক'ত যথেষ্ট পৰিমাণে পোৱা যায়। কামৰূপী ভাষাৰ বহুল চানেকী পোৱা গ্ৰন্থ হিচাপে ড° গোস্বামীৰ গৱেষণামূলক গ্ৰন্থখনকে প্ৰথমে আঙুলিয়াব লাগিব। পৰৱৰ্তী কালত কামৰূপী ভাষাটোৱে উপভাষাৰ ৰূপ লোৱাৰ কাৰণবোৰৰ (যেনে—ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক) বহুল আলোচনা এই গ্ৰন্থতে কৰা হৈছে। কামৰূপী উপভাষাই প্ৰতিনিধিত্ব কৰা ভাষাটোৱে অসমীয়া ভাষাৰ মূল প্ৰবাহ। ইয়াৰ স্পষ্ট উল্লেখ এই গ্ৰন্থখনৰ এটি বিশেষত্ব।

গ্ৰন্থখনত ড° গোস্বামীয়ে অসমীয়া মান্যভাষাৰে সৈতে কামৰূপী ভাষাৰ ধ্বনিগত, ৰূপগত, শব্দগত প্ৰভেদবোৰৰ বিতং আলোচনা কৰিছে।

গ্ৰন্থখনি বিশিষ্ট ধ্বনিৰ আলমত লিখা হৈছে। 'ধ্বনিতত্ত্ব' অধ্যায়ত শেষ স্বৰ, আদি স্বৰ, স্বৰ মধ্যস্থিত শব্দ, উপভাষাৰ বিশ্লেষণ, অভিশ্ৰুতি আদি বিষয় বিলাকৰ খৰচি মাৰি আলোচনা হৈছে। অৱশ্যে 'ৰূপতত্ত্ব' অধ্যায়ত তেখেতে ড° কাকতিৰ গৱেষণামূলক গ্ৰন্থতকৈ অনেক নতুন কথা কৈছে। ৰূপতত্ত্বৰ আলোচনাত অইন বিষয়ৰ উপৰিও Cardinals, Ordinals, Adjectives, Adverbs এই কেইটা বিষয়ৰ ওপৰত নতুন আলোচনা কৰিছে।

ইয়াৰ বাহিৰেও জোৰ বুজোৱা শব্দ, শব্দগঠন, যুৰীয়া শব্দ, শব্দক্ৰম এই কেইটা নতুন অধ্যায় সংযোগ কৰাত ভাষাতত্ত্বৰ ছাত্ৰই নতুন তথ্যৰ সন্ধান পাব। গ্ৰন্থখনৰ 'জোৰ বুজোৱা শব্দ' অধ্যায়ত কামৰূপী ভাষাৰ বাক্যাংশ আৰু জতুৱা ঠাঁচৰ প্ৰচুৰ

( ৪৮ পৃষ্ঠাত চাওক )

# অতুল হাজৰিকা ঃ মানুহজন

৺নিত্যানন্দ বৰদলৈ

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ দেউতাক স্বৰ্গীয় ৰমাকান্ত হাজৰিকাদেৱৰ ঘাইঘৰ আছিল নগাওঁ জিলাৰ-পৰা প্ৰায় পাঁচ মাইলমান দূৰত্ত উৰিয়া গাঁৱত। মাক স্বৰ্গীয়া নিৰুপমা হাজৰিকানীৰ ঘৰ নলবাৰী অঞ্চলৰ 'অভিমন্যু বধ' কাব্য প্ৰণেতা স্বৰ্গীয় ৰমাকান্ত চৌধাৰী ডাঙৰীয়াৰ মুমলীয়া জীয়াৰী। শ্ৰীহাজৰিকাৰ জন্মস্থান গুৱাহাটীতে। ১৯০৩ চনৰ ভাদ মাহৰ কোনোবা এটা দিনৰ শুভক্ষণত হাজৰিকাৰ জন্ম হয়। মই তেওঁক লগ পাওঁ ১৯২৬ চনৰ এপ্ৰিল মাহৰপৰা। তেতিয়া মই আছিলোঁ শ্ৰীহেৰম্বপ্ৰসাদ বৰপূজাৰীয়ে য'ত এতিয়া অট্টালিকা সাজি বাস কৰিছে সেই মাটিতে এটা ভেৰোণীয়া ঘৰৰ ঘৰত শ্ৰীঅমিয়কুমাৰ দাস, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা আৰু সমাজসেৱী হেম হাজৰিকাৰ লগত। একে ওচৰাউচৰিকৈ থকাৰ কাৰণে পুৱা-গধূলি মই হাজৰিকাক লগ পাইছিলোঁ। তেওঁ তেতিয়া স্কুলীয়া ছাত্ৰ। পঢ়া অৱস্থাৰেপৰা তেওঁ সভা-সমিতিত যোগ দিয়া, সাহিত্য-চৰ্চা কৰা অভ্যাস আছিল। সেই সময়ত গুৱাহাটীৰ উজান বজাৰত ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত একতা সভা নামেৰে এখন সভা আছিল। এই সভা প্ৰায়ে দেওবাৰে দেওবাৰে বহিছিল। এই সভাত সাহিত্যৰ আলোচনা চলিছিল। সৰু-ডাঙৰ সকলোৱে এই সভাত যোগ দিছিল। ছাত্ৰাৱস্থাতে একতা সভাই ছাত্ৰ-ছাত্ৰীসকলক জাতীয় ভাবৰ অঙ্কুৰ গজাই দিছিল। এই একতা সভাত হাজৰিকাই আগ ভাগ লৈছিল, আলোচনা কৰিছিল, কবিতা লিখি পাঠ কৰিছিল। কবিতা লিখাৰ অভ্যাস তেওঁৰ ল'ৰাকালৰে পৰাই আছিল। এই বিষয়ত তেওঁ উদ্গনি পাইছিল আমাৰ সকলোৰে আতা স্বৰ্গীয় বিহগী কবি ৰঘুনাথ চৌধাৰী, কবি উমেশচন্দ্ৰ চৌধাৰী, লগৰীয়া সহোদৰ স্বৰূপ দৈৱচন্দ্ৰ তালুকদাৰ, ডিম্বেশ্বৰ নেওগ, শিক্ষাগুৰু ড' সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়া আদিৰপৰা। স্কুলীয়া ছাত্ৰ অৱস্থাতে তেওঁ 'কনৌজ কুঁৱৰী' নাট লিখিছিল আৰু এই নাট একতা সভাৰ জৰিয়তে সফলতাৰে অভিনীত হৈছিল। দৰ্শকে থিয়েটাৰ চাই আনন্দ উপভোগ কৰিছিল।

হাজৰিকা মানুহজন নিৰহঙ্কাৰী, মিতব্যয়ী ; পিন্ধন-উৰণত আড়ম্বৰহীন, ডাঙৰ-সৰু সকলোৰে লগত সমভাবাপন্ন। কুৰ্চ্‌ত-কপট, হিংসা-হিংসী, পৰচৰ্চা, পৰনিন্দা ভাব অন্তৰত নাই। নিজৰ স্বভাৱ যেনে নিৰ্মল, আনকো ভাবে সেইদৰেই। তেওঁৰ শত্ৰু কোনো নাই। তেওঁৰ ওচৰত সকলো সমান। পৰাপক্ষত মানুহক উপকাৰহে কৰে, কিন্তু কাৰো অহিত নিচিন্তে। খং বোলা বস্তুতো মই এদিনলৈকে দেখা পোৱা নাই। কিন্তু সভা-সমিতিত কেতিয়াবা কথা কওঁতে তেওঁ যেন খং খঙেৰেহে কৈছে এনে লাগে, বোধকৰোঁ তেওঁৰ মাতটো ডাঙৰ কাৰণেই এনে হব পাৰে। সৰু সৰু লৰা-ছোৱালীবিলাকক তেওঁ বৰ ভাল পায়, মৰম কৰে, তেওঁলোকৰ



ভৱিষ্যত ভাবে। কেনেকৈ তেওঁলোকক সজ শিক্ষা দিব পাৰি, জ্ঞান দিব পাৰি, সু-সাহিত্যিক কৰিব পাৰি, সু-নাগৰিক কৰি তুলিব পাৰি এইবোৰ চিন্তা কৰে। এই উদ্দেশ্যেই কাকতে-পত্ৰই সহজ সৰল ভাষাত কবিতা লিখে, গল্প লিখে, সাধু লিখে। তাহানি নিউপ্ৰেছত 'সাদিনীয়া,' 'তিনিদিনীয়া,' 'দৈনিক বাতৰি' কাকতখাকোঁতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ লগত লগ হৈ কাকতত নানাৰকম সাধু, গল্প, কবিতা লিখিছিল। সেইবোৰ এতিয়া কিতাপ আকাৰত শিশু-সাহিত্য হিচাপে প্ৰকাশ হৈ ওলাইছে আৰু ৰাইজে তাক দেখা পাইছে। এখন কবিতা পুথিৰ কথাকে এইখিনিতে উল্লেখ কৰোঁ —'কণুক জুনুক'। পুথিৰ ভিতৰত নোসোমালেও বাহিৰত অৰ্পণ কৰা কবিতাটোতে লৰা ছোৱালীলৈ কিমান মৰম আমি তু পাওঁ।

### অৰ্পণ

অসম দেশৰ পাৰিজাত
অকণি মইনাৰ দল
তোমালোক আমাৰ দেশৰ
আশা-ভৰসাৰ থল।
মোৰ এই কবিতাৰ
মউ-মিঠা থুনপাক
তোমালোকক নিদি বাৰু
কোৱাচোন দিম কাক ?
পঢ়ি চাবা কবিতাবোৰ
ভাল পালে আওৰাবা,
সেইমতে জীৱন যুঁজত
নিতে নিতে আগুৱাবা।
তোমালোক ভাল হবা
গুচাবা মাতৃৰ ব্যথা,
সেয়ে মোৰ কবিতাৰ
জানি লবা মৰ্ম কথা।

আকৌ তেওঁ ল'ৰা-ছোৱালীক বীৰ-বীৰাঙ্গনা হবলৈ উপদেশ দিছে এইদৰে—

মই হ'ম জয়মতী জেৰেঙাৰ সতী,
ঘাটি খাব পশু বল ৰজা ল'ৰামতি।
আহক যিমানে আহে বিপদৰ বান—
আনক বদনে মান লম হেংদান।
অসমৰ বীৰসেনা ৰণত নিপুণ,
লাগিলে মূৰৰ চুলি দিম ধনু-গুণ।
নোৱাৰে টলাব মোক মৰণৰ ভয়,
মৰিও জিনিম ৰণ হব মোৰ জয়।
অসমৰ নাৰী মই স্বাধীন চিতীয়া
জিলিকিব জয়দৌল যাউতিযুগীয়া।

আকৌ ল'ৰাইতক উদ্গনি দিছে এনেদৰে—

মই হম গদাপাণি সিংহ পৰাক্ৰম,
বিনাশিম দেশবৈৰী ভীৰু নৰাধম।
ভিখাৰিণী জননীৰ চকুলো বাগৰে,
দলিম কোঁৱৰ দল ধুমুহাৰ দৰে।
মেলা কেশ, দীনা বেশ নেথাকিম চাই,
হবই লাগিব মোৰ ৰাজৰাণী আই।
গৰজি উঠিম মই কৰি সিংহনাদ—
ওপৰৰ দেৱতাই দিব আশীৰ্বাদ।
বীৰবাহু গদাপাণি শকতি আধাৰ,
দেশৰ লখিমী মই কৰিম উদ্ধাৰ।

এয়ে হাজৰিকাৰ আমাৰ উঠি অহা বংশধৰসকলৰ প্ৰতি তেওঁৰ অন্তৰৰ অনুভূতি। এই উদ্দেশ্যে তেওঁ কেইবাখনিও শিশু-সাহিত্যৰ পুথি ৰচনা কৰি প্ৰকাশ কৰি উলিয়ায়।

যি কামতে লাগে তেওঁৰ ফাকিফুকা নাই, নিৰহ-নিপানিকৈ লাগে। স্কুলত শিক্ষকতা কৰাৰ আগতে তেওঁ স্কুল পৰিদৰ্শকৰ কাম কৰিছিল। গাঁৱৰ স্কুলবোৰলৈ বোকা-পানী থচকি হলেও পৰিদৰ্শন কৰিবলৈ গৈছিল। কোনোখন স্কুলকে বাদ নিদিছিল। গাঁৱে-ভূঞে ঘূৰি স্কুল পৰিদৰ্শন কৰি ফুৰা কালছোৱাত তেওঁ গাঁওবোৰৰ

কলা-সংস্কৃতিৰ বিষয়ে ভূ-ভা লবলৈ সুবিধা পাইছিল আৰু কলা-সংস্কৃতিৰ বিষয়-বস্তুবোৰ পিছত তেওঁ কামত খটাইছিল। তেওঁৰ 'মৰুলেখা'ৰ এইবোৰেই উপাদান। স্কুলত শিক্ষকতা কৰোঁতেও তেওঁ ল'ৰাক আমোদ লগাই পঢ়াইছিল, সৎ উপদেশ দিছিল। তেওঁৰ ঘণ্টাটোত ল'ৰাই মনোযোগ দি পঢ়িছিল। ছাত্ৰসকলক নিজৰ ল'ৰাৰ দৰে ভাবিছিল আৰু তেওঁলোকেও হাজৰিকাক গুৰুৰ নিচিনা জ্ঞান কৰিছিল। এতিয়াও তেওঁ পঢ়োৱা ছাত্ৰই আহি তেওঁৰ ওচৰত বুদ্ধি-পৰামৰ্শ লয়হি। কলেজত শিক্ষা দিয়া সময়তো কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলে তেওঁক ভক্তি কৰিছিল। তেওঁৰ ঘণ্টাত কোনো হাইউকমি নকৰাকৈ তেওঁৰ বক্তৃতা শুনিছিল। কোনো কথা বুজি নাপালে প্ৰশ্ন কৰি সুধি লৈছিল। এইবাবে হাজৰিকাই বেয়া নেপাইছিল আৰু সেইবাবেই সকলোৰে প্ৰিয় শিক্ষক হব পাৰিছিল।

যিকোনো ক্ষেত্ৰতেই হাজৰিকাক বেয়া পোৱা মানুহ নাই বুলিয়েই কব পাৰি। ৰাজহুৱা কাম-কাজতো তেওঁ আগভাগ লয়। তাহানি ১৯৩১ চনত গুৱাহাটীত স্বৰ্গীয় পদ্মধৰ চলিহাদেৱৰ লগত যোগ হৈ সক্ৰিয়া সম্মিলনী অনুষ্ঠান গঢ়ি তুলিছিল। এই কামত অৱশ্যে গুৱাহাটীৰ কেইবাজনো বিশিষ্ট কৰ্মীয়ে হাত উজান দিছিল—এওঁলোকৰ ভিতৰত শ্ৰীশশীকান্ত গোস্বামী, শ্ৰীনাৰায়ণ চন্দ্ৰ বৰুৱা, শ্ৰীযোগেন্দ্ৰনাথ বৰকাকতী অন্যতম। সেই সময়ত এই সাংস্কৃতিক অনুষ্ঠানখনেই গুৱাহাটী উজান বজাৰৰ ৰাইজৰ এখন লেখত লবলগীয়া অনুষ্ঠান আছিল। এই অনুষ্ঠানৰ কাৰণে হাজৰিকাই বহুতো বৰঙণি আগ বঢ়াইছিল। নিজে নাট লিখিছিল, গীত ৰচনা কৰি অধিবেশনত গোৱাইছিল। নিজে আমাৰ দৰে নিয়মীয়া ভাৱৰীয়া নহয় যদিও নতুন নতুন নাট লিখি শিল্পীসকলৰ দ্বাৰাই মঞ্চস্থ কৰাইছিল আৰু দৰ্শক ৰাইজকো আমোদ দিছিল। ইয়াৰ পিছত সক্ৰিয় সম্মিলনীৰ গোটেই দলটোৱেই কুমাৰ ভাস্কৰ নাট্য সমিতিৰ লগত জড়িত হয়। এই দলটোৱে কলা-সংস্কৃতিৰ উন্নতিৰ উপৰিও নাট্য মন্দিৰৰ উন্নতিৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছিল। কলা-সংস্কৃতিৰ উন্নতিৰ হকেই হাজৰিকাৰ কুৰুক্ষেত্ৰ, নন্দ দুলাল, শ্ৰীৰামচন্দ্ৰ, বেউলা, নৰকাসুৰ, মৰ্জিয়ানা আদি অনেক নাটৰ সৃষ্টি।

সম্পাদক হিচাপেও হাজৰিকাৰ সুনাম আছে। কলেজীয়া ছাত্ৰ অৱস্থাত তেওঁ এবছৰ ছাত্ৰ সম্মিলনৰ মুখপত্ৰ 'মিলন'ৰ সম্পাদনা কৰি খ্যাতি আৰ্জিছিল। তাৰ গুণতে আজিও ভালেমান আপুৰুগীয়া কিতাপৰ সম্পাদনা কৰি পোহৰলৈ আনিছে। সভা-সমিতিত যোগ দিয়াটো তেওঁৰ এটা ডাঙৰ নিচা। কলেজত পঢ়ি থকা অৱস্থাত প্ৰায়বোৰ ছাত্ৰ সম্মিলনত যোগ দিছিল। এতিয়াও তেওঁ সভাসমিতিত যোগ দিয়ে আৰু সেইবোৰৰ কামো কৰে। গৌৰীকান্ত তালুকদাৰদেৱৰ চুকুৱাৰ পিছত তেওঁ প্ৰতিষ্ঠা কৰা মাহেকীয়া আলোচনী 'দীপক'খন হাজৰিকাই একেৰাহে তিনিবছৰ অবৈতনিক সম্পাদক হিচাপে সম্পাদনা কৰি উলিয়ায়। এই গুৰু দায়িত্ব হেলাৰঙে পালন কৰিবলৈ তেওঁ সক্ষম হৈছিল। ভৰ বয়সত অসম সাহিত্য সভাৰ সম্পাদকৰ পদত অধিষ্ঠিত হৈ তেওঁ নুমাব লগীয়া সাহিত্য সভাখন জয়জয় ময়ময় অৱস্থালৈ আনিছিল। তেওঁ সম্পাদক হোৱা সময়ত সাহিত্য সভাৰ মৰোঁ মৰোঁ অৱস্থা, পাই-পইচাৰ ফালেও তথৈবচ। নগৰকিখনৰ বাহিৰে গাঁৱে-ভূঞে সাহিত্য সভানো কি তাৰ নাম-গোন্ধেই নাই। তেওঁ একেৰাহে তিনিবছৰ সম্পাদকৰ পদত থাকি গাঁৱে-ভূঞে ফুৰি, লিখা-লিখি কৰি সাহিত্য সভাৰ শাখা সভা পাতি সাহিত্য সভাখন জাকতজিলিকা কৰি তুলিবলৈ সক্ষম হয়। সাহিত্য সভাৰ ধনৰ পুঁজিও টনকিয়াল কৰিবলৈ সক্ষম হয়। ইয়াৰ বাবে তেওঁ চেষ্টা কৰিব লগীয়া হৈছিল অপৰিসীম। মানুহজন সকলোৰে প্ৰিয় বাবেই সকলোৱে তেওঁৰ দিহাপৰামৰ্শ মানি চলিবলৈ ভাল পায়। আৰু তেওঁৰ সহ-কৰ্মীসকলো কামত উৎসাহী আছিল। ৰাইজে উজান দিলে ৰামেৰেও নাও চলে। ৰাজহুৱা অনুষ্ঠানৰ হিচাপ-পত্ৰ ৰখাতো তেওঁ পৰিপাটি, হিচাপ পৰীক্ষকে ভুল ধৰিবলৈ সুবিধা নেপায়। তেওঁৰ কাম-কাজত মুগ্ধ হৈ অসমীয়া সাহিত্যসেৱীসকলে নগাওঁ অধিবেশনত তেওঁক সভাপতি পদত বৰণ কৰি সন্মানিত কৰে। তেওঁ সম্পাদক হৈ থকা কালছোৱাত দুখন আপুৰুগীয়া গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়। এখন হৈছে 'অসম সাহিত্য সভাৰ ভাষণাৱলী,' আনখন 'ভাষণমালা।' অসম সাহিত্যসভাৰ ভাষণাৱলীখন হৈছে অসম সাহিত্য সভাৰ সুবিজ্ঞ সভাপতিসকলৰ জ্ঞানগৰ্ভ সাৰুৱা অভিভাষণবোৰ একে ঠাইতে সংগ্ৰহ কৰি প্ৰথম অধিবেশনৰপৰা দ্বাদশ অধিবেশনলৈকে প্ৰথম ভাগ ছপা কৰি উলিয়ায় ১৯৫৫ চনৰ ডিচেম্বৰ মাহত। এই কামত তেওঁক সহায় কৰিছিল কাৰ্যনিৰ্বাহক সভাৰ সদস্যসকল আৰু তেওঁৰ লগৰীয়া সাহিত্যিক বন্ধুসকলে। তেওঁৰ দিনৰপৰাই অসম সাহিত্য সভাই গোটেই বছৰটোত কি কাম কৰিলে তাৰে এটা চমু বিৱৰণ, অধিবেশনৰ আদৰণি সভাপতিৰ ভাষণ, মূল সভাপতিৰ অভিভাষণ, বুৰঞ্জী শাখা, বিজ্ঞান শাখা আদিৰ সকলো কথা গোটাই অসম সাহিত্য সভা বাৰ্ষিকী নাম দি এখন পুথি প্ৰকাশ কৰি ৰাইজৰ আগলৈ উলিয়ায়। ইয়াৰ ফলত সাহিত্য সভাৰ মূল্যবান জ্ঞানগৰ্ভ কথাবোৰ ৰাইজৰ বুজিবলৈ সুবিধা হৈছে। আনখন পুথি হৈছে 'ভাষণমালা।' ই একৰকম অসম ছাত্ৰ সন্মিলনৰ বুৰঞ্জী। ছাত্ৰ সন্মিলনৰ জন্ম হয় ১৯১৪ চনত গুৱাহাটীত লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত। এইখন গ্ৰন্থও হাজৰিকাই বহু যত্ন কৰি অসম ছাত্ৰ সন্মিলনৰ মূল সভাৰ সভাপতি আৰু আদৰণি সভাৰ সভাপতিসকলৰ ভাষণবোৰ একেলগ কৰি প্ৰকাশ কৰি ১৯৬১ চনৰ ২৬ জানুৱাৰী তাৰিখে পোহৰলৈ উলিয়ায়। আলোচনীৰ পাত লুটিয়াই, বাতৰি কাকতৰ পাত মেলি চাই, বহু যত্ন কৰি ভাষণবোৰ সংগ্ৰহ কৰিব লগাত পৰে। এইবোৰ তেওঁৰ কৃতিত্বৰ চিন। এই গ্ৰন্থবোৰৰপৰা আমাৰ উঠি অহা ভবিষ্যত বংশধৰ ছাত্ৰ-ছাত্ৰীসকলে সোণৰ অসম গঢ়াত যথেষ্ট সম্বল পাব।

সম্পাদনা কৰা কামতো তেওঁ অগ্ৰগণী। জ্যোতিপ্ৰসাদৰ প্ৰায়বোৰ কিতাপেই হাজৰিকাৰ সম্পাদনাত পোহৰলৈ ওলাইছে বুলি কলে ভুল কোৱা নহব। সক সক কিতাপ বাদ দিলেও বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে যুগুত কৰা বেজবৰুৱাৰ গ্ৰন্থাৱলীৰ দুই খণ্ড সজাই পৰাই পোহৰলৈ উলিওৱাটো কম বৃহৎ কাম নহয়। বেজবৰুৱাৰ নানা তৰহৰ প্ৰকাশিত-অপ্ৰকাশিত ৰচনাৰাজি ভাগে ভাগে সজাই-পৰাই ৰাইজক মনমোহাকৈ গ্ৰন্থাৱলীৰ আকাৰত উলিয়াই দিব পৰাটো গৌৰৱৰ কথা। তেওঁৰ ৰচনাৰাজি দুই খণ্ডত প্ৰকাশ কৰিও শেষ কৰিব নোৱাৰিলে; আৰু একখণ্ড নিশ্চয় হব। এইবোৰ তন্নতন্নকৈ চাই-চিতি দিওঁতে হাজৰিকাই যথেষ্ট পৰিশ্ৰম কৰিব লগা হৈছে। অৱশ্যে এই কামত তেওঁক অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, অধ্যাপক শ্ৰীযোগেশ দাস, শ্ৰীশশী শৰ্মাই পাৰ্যমানে সহায় কৰিছে। দাস ডাঙৰীয়াই আহি কাকত চাই হাজৰিকাক সহায় কৰিছে। বেজবৰুৱা গ্ৰন্থাৱলী দুই খণ্ড পোহৰলৈ ওলোৱাত হাজৰিকাৰ পৰিশ্ৰম সাৰ্থক হৈছে আৰু তেওঁৰ নিস্বাৰ্থ কামৰ পৰিচয় আমি দেখিবলৈ পাইছোঁ।

এশ এবুৰি কামৰ মাজত থাকিও তেওঁৰ 'মৰুলেখা'খন প্ৰকাশ কৰি পোহৰলৈ উলিওৱাত আমি সকলোৱেই মুগ্ধ হৈছোঁ। এইখন তেওঁৰ সাহিত্য চৰ্চাৰ উজ্জ্বল প্ৰতীক। ই এখন অসমীয়া নাট্যজগতৰ পাচশ বছৰীয়া আহল-বহল বুৰঞ্জী। অসমৰ প্ৰায়বোৰ নাটশালৰে সুকীয়া বিতং ইতিবৃত্ত, অলেখ নাট্যকাৰ আৰু নাট্যশিল্পীৰ আপুৰুগীয়া চবিৰে ৰমকজমক। এই গ্ৰন্থৰ কাৰণে হাজৰিকাৰ পৰিশ্ৰম হৈছে যথেষ্ট আৰু ধনো খৰচ হৈছে বহুত। এই গ্ৰন্থৰ ভেটি আৰম্ভ হয় ১৯৫৭ চনৰ আগষ্ট মাহত আৰু ই প্ৰকাশ হৈ পোহৰলৈ ওলায় ১৯৬৭ চনৰ ছেপ্তেম্বৰ মাহত। ইয়াৰ বাবে তেওঁ দুশখনমান চিঠিকেই লিখিব লগীয়া হৈছিল নাটশালবোৰৰ ইতিবৃত্ত বিচাৰি। কোনো কোনোজনলৈ দুই তিনিবাৰো চিঠি লিখিব লগাত পৰিছিল। মানুহৰ আগত বা-বতৰা

দিছিল, নিজে গৈছিল ; তথাপি তেওঁ হতাশ নহৈ ধৈৰ্য সহকাৰে কাম কৰি গৈছিল । পুৰণি আলোচনী, বাতৰি কাকত আদিৰ পৰাও নাটশালৰ ইতিবৃত্ত সংগ্ৰহ কৰিছিল । এয়ে তেওঁৰ সাহিত্য সাধনাৰ চৰম নিদৰ্শন। এইখন কিতাপত তেওঁ সাহিত্য একাডেমীৰ পাঁচ হেজাৰ টকীয়া পুৰস্কাৰ লাভ কৰিছে । তেওঁৰ পৰিশ্ৰম সাৰ্থক হৈছে আৰু ৰাইজে জাহ যাবলগীয়া নাট্যজগতৰ বহু কথাই জানিব পাৰিছে ।

তেওঁৰ ‘স্মৃতিলেখা’ নামে আন এখন মনোমোহা গ্ৰন্থ হাতেলিখা অৱস্থাত যুগুত হৈ আছে । এইখনো পোহৰলৈ ওলালে ৰাইজে পাহৰণিত জাহ যোৱা বহু কথাই জানিব পাৰিব । এই গ্ৰন্থও সোনকালে ওলাব বুলি আমি আশা পালি আছোঁ । হাজৰিকাৰ প্ৰতিভাৰ কথা লিখি অন্ত কৰিব নোৱাৰি । তেওঁ এজন নীৰৱ কৰ্মী, সাহিত্য-সাধক । তেওঁ অলপ সময়ো অবাবত নকটায় বা এলেহুৱা হৈ বহি নাথাকে । কিবা নহয় কিবা এটা কৰিবই । মানুহৰ লগতো কথা পাতিব, বন্ধু-বান্ধৱৰ লগত সাহিত্যৰো আলোচনা কৰিব, নিজৰো লিখা-পঢ়া কাম ঠিক ৰাখিব ।

তেওঁৰ বিষয়ে এই দুআষাৰকে লিখি ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনাইছো—তেওঁক দীৰ্ঘজীৱী কৰক, হৃদয়ত বল দিয়ক, বাহুত শক্তি দিয়ক, স্বাস্থ্য অটুট ৰাখক । *

* প্ৰবন্ধ লিখক ৺নিত্যানন্দ বৰদলৈ হাজৰিকাদেৱৰ অন্তৰঙ্গ বন্ধু আছিল । যোৱা ১৫ চেপ্তেম্বৰত আৰম্ভ হোৱা হাজৰিকাৰ সত্তৰ বছৰীয়া জন্ম জয়ন্তী সভাত পাঠ কৰিবলৈ তেওঁ আগতীয়াকে এই প্ৰবন্ধটো লিখি থৈছিল । দুখৰ বিষয় তাৰ আগতে ৩১ মাৰ্চ, ১৯৭৩ তাৰিখে বৰদলৈৰ অকাল মৃত্যু হোৱাত তেওঁৰ মনৰ অভিলাষ পুৰণ নহল । আমি সেই প্ৰবন্ধটোকে হাজৰিকাদেৱৰ সত্তৰ বছৰীয়া জন্ম বাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰি পত্ৰিকাৰ পাঠকক উপহাৰ দিলোঁ । —সম্পাদক ।

( ৪৩ পৃষ্ঠাৰ পিছৰ পৰা )

ব্যৱহাৰৰ উল্লেখ পোৱা যায়। ‘শব্দ গঠন’ অধ্যায়ত গ্ৰন্থকাৰে Foreign suffixes, Prefixes, Foreign Prefixes আদি বহুতো নতুন তত্ত্বৰ উদ্ভাৱন কৰিছে।

গ্ৰন্থখনৰ ‘সামৰণি’ অধ্যায়ত কামৰূপী ভাষাৰ লগত উত্তৰবংগ, পূৰ্ববংগৰ উপভাষাসমূহ (নোৱাখলি, মৈমনসিংহ, চিটাগংগ), বঙলা, উৰিয়া, হিন্দী, পূৰ্বী হিন্দী, মৈথেলী, ভোজপুৰী, আৱধী, মাৰাঠী, কনকানি, নেপালী, পাঞ্জাবী আদি প্ৰাচ্যৰ আৰ্যভাষাসমূহৰ লগত সামঞ্জস্য দেখুৱাইছে। গতিকে কামৰূপী ভাষাটো প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ পৰা স্তৰে স্তৰে বিৱৰ্তন হৈ অষ্ট্ৰীক, তিব্বতীয়, দ্ৰাবিড়ীয় ভাষাৰ বৈশিষ্ট্য আৰু অনাৰ্য শব্দৰে পৰিপুষ্ট হৈ বিকশিত হৈছে ।

গ্ৰন্থকাৰে চৰ্যা আৰু অসমীয়া ভাষা, ‘শ্ৰীকৃষ্ণ কীৰ্তন’ৰ ভাষা আৰু অসমীয়া, অসমৰ ব্ৰজবুলি ভাষা আদি বিষয়ত নতুন আলোকপাত কৰিছে আৰু বৈজ্ঞানিক ভিত্তিৰে আলোচনা সুসংবদ্ধ কৰি তুলিছে । ভাষাৰ চানেকি খণ্ডত সন্নিৱিষ্ট কৰা কামৰূপী ভাষাত ব্যৱহাৰ হোৱা কিছুমান প্ৰবাদ বচন, যোজনা, খণ্ডবাক্য, লোকগীত, সাঁথৰ পাঠকৰ বাবে মনোগ্ৰাহী হৈছে। সেই বিষয়ত আলোচনা কৰা আন লোকসকলে ইয়াৰ পৰা যথেষ্ট সমল পাব ।

এনেদৰে চালে দেখিবলৈ পোৱা যাব যে অসমত ভাষাৰ চিন্তা-চৰ্চাই স্তৰে স্তৰে এক বিশালতাৰ পিনে ধাবমান হৈছে ।



# চিন্তাৰ চাকনৈয়া

শ্ৰীঅনন্তকুমাৰ শৰ্মা

“No hungry generation shall thread thee down”—বাক্যটোৰ শব্দ কেইটাৰ ওপৰত দুবাৰ তিনিবাৰকৈ কলম ঘঁহাই ঠিক তলতেই অসমীয়াত সি লিখি থৈছিল—“আইৰ অসুখ, ট’কা নাই—চিকিৎসা নাই।” ইংৰাজী বা অসমীয়া কোনো এটা শব্দৰেই অৰ্থ সি ভাবি চোৱা নাছিল। কেৱল ডায়েৰীখন জপাই শিতানত থকা সৰু বেকুখনৰ ওপৰ খলপাত ৰাখি সি শেতেলিত দীঘল দি পৰিছিল। লেম্‌টো নুমুৱাই সি এবাৰ পুনৰ জুকীয়াই চাব খুজিছিল তাৰ সদ্যমৃত আবেলিটো ।

সহকৰ্মী বিশ্বনাথ চক্ৰৱৰ্তীয়ে তাৰ বিষয়ে কৰা মন্তব্য কাণত বাজি থকা যেন লাগিছিল—“অমৰ ! সাঙ্ঘাতিক ভাই, ল’ৰা কম নহয়”। তেনেদৰে কোৱাৰ কাৰণ আছিল। অমৰে কিবা এটা আলোচনা প্ৰসঙ্গত ৬০ চনৰ আন্দোলনটো যে অসমীয়া জাতিটোৰ ওপৰত জাঁপি দিব খোজা অভিসন্ধিমূলক কলঙ্ক আছিল সেই বিষয়ে দাঙি ধৰা যুক্তিবোৰ। চক্ৰৱৰ্তী কিয়, অসমীয়া সহকৰ্মী কেইজনমানেও তাক ভাল পোৱা নাছিল—‘ড্ৰেগনৰদাঁত’ বোলা অন্নদাশঙ্কৰ ৰায়ৰ প্ৰবন্ধটোৰ উদ্ধৃতিৰে মেখলাপৰা মেয়ে অথবা তেনেধৰণৰ ভিত্তিহীন কথাৰে লিখক বা সাংবাদিক বোলাব খোজা শ্ৰেণীটোক গালি পৰাত। অমৰে কিন্তু অসমীয়াক জাৰজ বুলি ভাবিয়েই তাত সান্ত্বনা লভিছিল। প্ৰতিবাদ কৰা নাছিল। কাৰোবাৰ কিবা কটু মন্তব্য কাণত পৰিলেও মুগুনা ভাও জুৰিছিল। নিজৰ বক্তব্য হলে কেতিয়াও এৰিদিয়া নাছিল। মনতে কৈছিল “যিটো উচিত বুলি বুজিছো কবলৈ ভয় কৰিম কেলৈ ? ভয়েই যদি কৰো বীৰেন দত্ত ছাৰেনো লিবৰ্টি, ইকুৱেলিটি বুলি কি সোপা শিকালে ?” নিজে নিজে ৰগৰো কৰিছিল অমৰে ।

বন্ধুমহলে ভাল নোপোৱা কথা তাৰ মুখেৰে ওলাই বুলি নিজেও জানিছিল সি । তাৰবাবে তাৰ কেতিয়াবা অনুতাপ নোহোৱাও নহয়। কিন্তু দাপোণত মুখখন চাই যে নিজকে প্ৰবোধ দিছিল—“হেৰ বেজীমুৱা, তোৰদৰে নেউল এটাক অইনে কেতিয়াও ভাল চকুৰে নাচায়, যাৰ একুৰি চাৰি বছৰতো দেহসৌষ্ঠৱ ভৰি আহিব জনা নাই”। লগে লগে দাপোনখন উবুৰি কৰি ৰাখি সি এটা কাঠ হাঁহি মাৰিছিল,—নিজৰ চেহেৰাক নিজেই বিদ্ৰূপ কৰি ।

অফিচত সেইদিন পিছবেলা নেহেৰুৰ অৱিহণা সম্পৰ্কে আলোচনা হৈছিল। গদাদত্তইতে নেহেৰুক তেজপীয়া, ক্ষমতালোভী দলৰ এজন আছিল বুলি গালি দিছিল। অমৰ নেহেৰু-প্ৰেমী নাছিল ; কিন্তু ব্যক্তি হিচাপে নেহেৰু তাৰ মনত অসামান্য অদ্বিতীয় পুৰুষ আছিল । কিন্তু অচ্যুত ডেকা, সুবোধ চৰকাৰ প্ৰভৃতি দত্তৰ ফালত বহুবিলাক থকাত অমৰৰ সকলোবোৰ যুক্তি অযুক্তিৰ হাতত পৰাজিত হৈছিল । সেয়েহে বিষণ্ণমনে অমৰে অফিচৰ পৰা ওলাই ছাৰ চাহুল্লা ৰ’ডেৰে

পোনচাতেইচিটিবাছ বুলি শিখমন্দিৰ মুখে খোজ লৈছিল। পচুলিৰ দাঁতিত থকা ৰূপায়ণ চিনেমা ভৱনটো ধুনীয়া কৰি সজাইছিল; কিন্তু অমৰ ওচৰ পোৱা মাত্ৰেই পানীৰ এচাবকণি তাৰ গাত পৰিছিল। সি দেখিছিল, তিনি-মহলাৰ পৰা সৰু নলা এডাল আলিৰ ফাললৈ আহিছে আৰু তাৰেই মুখেৰে আলিত পানী পৰি আছে। ওপৰৰপৰা পৰা বাবে সহস্ৰ কণিকা হৈ পানীবোৰ বাটকৰাৰ গাত পৰিছে—'স্বাধীন দেশৰ বৰ্বৰ ভদ্ৰতা' বুলি মুখৰ ভিতৰতে সি ভোৰভৰাইছিল। আলিটোৰ কথা ভাবিছিল—"ছাৰ চাদুল্লা ৰ'ড, আঃ তেনেই 'ফৰে-ইনৰ' নাম অথচ স্বদেশ স্বদেশ বুলি নেতাবোৰ বলিয়া। কিয় উলুবাৰী, উলুবাৰীকেই তাত আৰু ডাঃ বি বৰুৱা ৰ'ড ফন্দ লগাব লাগে কিয়? ৰাইজো যে আৰু প্ৰিয় নেতাৰ নাম বাটে্ ঘাটে সাঙুৰিলেহে মনত থাকে", ভাবি ভাবি আগ বাঢ়িছিল অমৰ।

"হেল্লো মিঃ ছৰ্মা! কাম্ লেট্ আছ এনজয় দিছ পিক্‌চাৰ। চুইট ছোফিয়া! ছোফিয়া ইজ……।" অচিত দাসে আৰু কি কৈছিল ৰূপায়ণৰ সমুখত অমৰে বুজি নাপালে। অলপ ৰৈ সি দাসৰ ফালে চাইছিল আৰু লগে লগে তাৰ তলৰ ওঠটো ওলাব লগীয়াতকৈ বেছি বাহিৰলৈ ওলাই আহি অন্তৰৰ বিৰক্তি সোপাকে প্ৰকাশ কৰিব বিচাৰিছিল। সি কৈছিল, "চোফিয়া হলে কিহৰ ভাই, লগ পোৱা হলে জনাবৰ মন আছিল যে ১৯৬৪ চনত যেতিয়া প্ৰাইচ ইণ্ডেক্স ১৫৬ পাইছে গৈ আগত দিনবোৰত ছোফিয়া লৰেণৰ মোহনীয় ছবি বুকুত বান্ধি শান্তি পোৱা আৰু নাযাব। মই আৰু অভাৰীমনেৰে কাল্‌ছাৰ ফালছাবৰ কথা ভাবিবলৈ এৰি দিছোঁ।" দাসক এৰাই আহি অমৰে ভাবিছিল, ইংৰাজীত এবাৰ ডুবাৰ নহয় চাৰিবাৰকৈ ফেইল মাৰিলে বি,এ,ত, অথচ মোহ কেৱল ইংৰাজী ছবিতহে। 'নিমিলা অঙ্ক' বোলা অসমীয়া ছবিখন চাবলৈ অমৰে লগ ধৰোঁতে কৈছিল 'থোৱাহে তোমাৰ অসমীয়াখন, তাতোকৈ আহাঁ "সাগৰিকা" খন চাওঁ'। বঙালী ছবি হলে হব কি? অমৰে একো মন্তব্য কৰা নাছিল সেইদিনা। সি ভাবিছিল—অসমীয়া মানুহৰ চৰিত্ৰই এনেকুৱা। ভালটো, বৰটো সদায় আনৰ। সেয়ে জকাই-চুকৰ জেতুকী পেহীৰ বাৰীৰ ডাঙৰ বগৰীটো পৰ্যন্ত 'বঙালীবগৰী' নামেৰেহে নামাঙ্কিত কৰে। তাৰ বোধেৰে এয়া সৰলতা নহয়, ঈৰ্ষা পৰায়ণতাৰ বিকৃতৰূপহে। সেইকাৰণে দাসৰ বিষয় সি আৰু বেছি কথা নাভাবিলে।

শিখমন্দিৰৰ ওচৰত সি চান্দমাৰীলৈ যোৱা বাছৰ বাবে অপেক্ষা কৰিছিল। "ইস্ ভাই! দোকানীটোৰ লগত তোৰ আগৰ চিনাকি আছিল নেকি?" সুধি চাইছিল অমৰে। ভুজনী পেট উলিয়াই ব্লাউজ পিন্ধা গাভৰু ছোৱালী, ব্লাউজৰ গলবোৰ ইমান বহল আৰু দকৈ কটা আছিল যে দেখিবলৈ কিবা নগ্ন নগ্ন যেন লাগিছিল। অমৰে শুনিছিল এজনীয়ে আনজনীক কোৱা—ডুপৰীয়া পৰত অহা ভাল মানে মালিক নাথাকে, সস্তাই দিব পাৰে। মই এদিন "সেই" এটা এনেয়ে নিছোঁ। 'সেই'—কি বস্তু অমৰে বুজা নাছিল। বুজিছিল "সেই" নিয়া জনীয়ে ইজনীকো দাগী কৰিব বিচাৰিছে। মুখ ডুখন মনত ৰাখিবলৈকে তাৰ মন যোৱাত গল বেকা কৰি চাইছিল। কাৰণ 'ভাই ভাই' বুলি লিখা-পঢ়া কৰা ছোৱালীৰ মাজত চলে বুলিহে সি জানিছিল। তেনেছোৱালীনো ছেলছ্‌মেনৰ লগত,—সি নাভাবিলে আৰু।

ইতিমধ্যে চিটিবাছ খন আহি পাইছিল। দুই কিবাকৈ সোমাইছিল বাছৰ ভিতৰলৈ। অমৰে নোৱাৰিলে। মনতে কৈছিল—আহিব ৩ ঘণ্টা পলমকৈ—নিব পাণ জাপি লোৱাৰ দৰে। চৰকাৰৰ ক'তযে ব্যৱস্থা যাতায়তৰ বাবে, কিন্তু 'ওভাৰলডিং' ক'তো মৰা নাই—যান বাহনৰ অভাৱ সৰ্বত্ৰ বিৰাজমান। পিছৰখন বাছলৈ অপেক্ষা নকৰি অমৰে পাণবজাৰলৈ বুলি খোজ কাঢ়িয়েই আগ বাঢ়ি গৈছিল।

মেডিকেল কলেজৰ সমুখত চিনাকি মাত শুনি অমৰে ঘূৰি চাইছিল। ঠেং লেকেচীয়াই ফুৰা মগনীয়া চৌৰে কোনোবা এজন বাটকৰাক সুধিছে—"হেৰি আঠ অনা হব নে? চাৰি অনা? দু অনা?" ফটা চিৰা কাপোৰ? এইদৰে উত্তৰলৈ বাট নেচাই প্ৰশ্নকৰা তাৰ স্বভাৱেই। বহুদিন অমৰে শুনিছে। আচৰিত কথা অমৰে লক্ষ্য কৰিছিল, সি আগবঢ়াই দিয়া হাতত কোনো-বাই পইছা দিয়ক নিদিয়ক সি এনে এটা হাঁহিমাৰে যে গা শিয়ৰি উঠে। অমৰে মুখ ঘূৰাই লৈছিল। মানুহজনৰ বস্তা কাপোৰৰ ফটা জোতা যোৰলৈ চকুপৰাত তাৰ খুব বেয়া লাগিছিল। মুখৰ ভিতৰতে অমৰে ভোৰ-ভোৰাইছিল—সেয়া মেডিকেল কলেজ হস্পিতেল, এয়া কুষ্ঠৰোগী, এইটো ৰাজহুৱা আলি, সৌখন পুলিচ থানা, কিবাযেন ভদ্ৰ নগৰত অভদ্ৰ সংমিশ্ৰণৰ সুন্দৰ দৃষ্টান্ত।

এই মিষ্টাৰ শৰ্মা?

অমৰে থিয় হৈছিল। মনৰ মাজত কৈছিল আৰু এক চাহাব। সুধিছিল "ভালনে হাজৰিকা? ক'ৰ পৰা?"

"মিছ দাছক আগবঢ়াই থলোঁ হোষ্টেলত। ডুয়ো টু উওমেন চালো। বাৰু হোৱাট্ এবাউত ইয়ৰ এক্-জাম। দিদ ইউ নত এপিয়াৰ?"

"দিছকলেজিয়েট্ কৰিলে। এড্‌মিছন ললোঁ। যদিও ক্লাচ কৰাৰ সুবিধা নহল মনেও নকলে। চাকৰি এৰিব মই নোৱাৰোঁ।"

"ক্লাছ কৰা ভাল আছিল। বাৰু যাওক।"

অমৰ আগবাঢ়িছিল। এম, এ পঢ়িম বুলি ইউনি-ভাৰ্ছিতিত নাম লগাওঁতে চিনাকি হোৱা বন্ধু। অফিচৰ ভইহতে লুকাই-চুৰকৈ ক্লাছ কৰিব পাৰিছিল যদিও টকা পোৱাৰ বাট নথকা বাবে অমৰে এদমিছন লৈও চাক-ৰিত ফাকি দিব খোজা নাছিল। হাজৰিকাক এৰাই আহি অমৰে মনতে কৈছিল, "হে ননীৰ পুতলা হাজ-ৰিকা তুমি কিদৰে জানিবা একে সময়তে ক্লাচকৰা আৰু অফিচ কৰাৰ দৰে অশান্তিৰ কথা আৰু একো নাই। অফিচত বহি ক্লাছৰ লেকচাৰ শুনা, ক্লাছত বহি অফিচাৰৰ গালি শুনা যেন পোৱা তেনেই অশান্তিৰ। অমৰে জানিছিল যে তাৰ ডুয়োফালে ফাকি দিয়াহে হৈছে,—তথাপিও উপায় নাছিল; এম, এ, পঢ়াৰ হেঁপাহো এৰিব পৰা নাছিল আৰু টকাৰ অভাৱত চাকৰি এৰিব পৰাও নাছিল। ফাঁকি নিদিলে তাৰ বি, এ, পাছ কৰাও নহলহেঁতেন। পৰীক্ষাৰ সময়ত চুটি লওঁতে ক'ত-বাৰ যে নোহোৱা ভনীয়েকৰ বিয়া নাপাতিলে, ক'তবাৰ যে ঘৰ সি মেৰামতি নকৰিলে—অথচ ভাল বা মেৰা-মতি কৰিবলৈকে ঘৰ বুলিবলৈ গাওঁত তাৰ আছে খেৰৰ জুপুৰি এটা। তেনে ফাকি দিবলৈকে তাৰ মন নেযায় কিন্তু তথাপিও দিয়ে। কথাবোৰ মনলৈ অহাৰ লগে লগে বিৰক্তিত অন্তৰ ভৰি উঠিছিল। হাতত লুৰিয়াই অহা 'অসম ট্ৰিবিউন'খন জোৰেৰে চেপামাৰি ধৰি সি দাঁত ডুপাৰি চেপি ধৰিছিল। পিছ মুহূৰ্ত্ততে সি প্ৰকৃতিস্থ হৈ খীণমিন সৰু দেহাটোৰ ভিতৰত নিজকে বিচাৰি লৈছিল।

ইতিমধ্যে অমৰ যোগমায়া কেবিনৰ ওচৰ পাইছিল। চাৰি আলিত মানুহৰ জুম এটা দেখি সি থমকি ৰৈছিল। মূৰ দাঙি চাই দেখিছিল ছিলং ৰোডেৰে জীপ এখনৰ ওপৰত এডাল জোৰ জলাই আনি কটন কলেজৰ সমুখেৰে দীঘলী পুখুৰীৰ ফাললৈ গ'ল। মানুহৰ কথাৰ পৰা বুজিব পাৰিছিল সেয়া "জৱাহৰ জ্যোতি" বুলি। খংটোৰে অমৰৰ চুলিৰ আগ পাই-ছিল। অফিচত নেহেৰুৰ ব্যক্তিত্ব সম্পৰ্কে বক্তৃতা দি অহা অমৰৰ জৱাহৰ জ্যোতি দেখি কিন্তু ভাল লগা নাছিল। নেহেৰু পণ্ডিত আছিল; কিন্তু নেহেৰুক অজোৱা ছাঁইখিনি আকাশী যানেৰে ভাৰতৰ আকা-শৰ পৰা ছটিয়াই দিয়াটো পণ্ডিতালি বুলি অমৰৰ মনেধৰা নাছিল। সেইদৰে জৱাহৰ জ্যোতি বুলি খাবলৈ নোপোৱা সমাজত লক্ষ টকা ব্যয় কৰাটো তাৰ বোধেৰে আছিল চৰম বহুৱালি,—মুৰ্খ পণ্ডিতৰহে সাধু। তাৰ মুখেৰে ওলাইছিল—"এইবোৰ মিছা নেহেৰুপ্ৰেম। গান্ধীৰ নাম বেচি খোৱা এদলৰ দৰে নেহেৰুৰ নাম বেচা এদলহে ওলাব। নেহেৰুৰ জীৱন কালত হোৱা

সৰ্বদোষৰ মূলতেই আছিল তোষামোদকাৰীৰ দল, যাৰবাবে সময়ত নেহেক হৈ পৰিছিল কলচ্‌চছ ।"

"বাঃ এগুৰ কথা চোৱা ।"—কোনোবা এজন "জ্যোতি" চোৱামানুহে মাত দিছিল, নিজৰ তিৰোতাৰ আগত লেক্‌ছাৰ নামাৰেগৈ কিয় ?

অমৰৰ ৰগৰ কৰাৰ হঠাতে এটা ইচ্ছা হৈছিল, সেয়ে কৈছিল "তিৰী ক'ত পাম লেক্‌ছাৰ শুনাবলৈ, এইবোৰ জ্যোতি-কোতি ঘূৰাই ফুৰিবলৈকে কৰ-কাটল দি দি পেট প্ৰৱৰ্ত্তাৰ নোৱাৰাত পৰিছোঁ । তিৰী পুহিম কিহেৰে ?"

"কোন অ' ধীৰেণ এইজন" আন এজনে আগৰ জনক সুধিছিল ।

"কোন হব আৰু কোনোবা সুবিধা নাপাই হোৱা "উগ্ৰপন্থী" ।

"ভুল নকৰিব' অমৰে কৈছিল," "মই উগ্ৰপন্থী, নৰমপন্থী একো নহওঁ মানে চোৱাং কাৰবাৰো মোৰ নাই, ডাঙৰ অফিচাৰ হোৱাৰ শকো নাই । মোৰ দৰে মানুহে চোন জীয়াই থকাৰ বাবে সংগ্ৰাম কৰিব লগীয়া হয়, পাৰ্টি ফাৰ্টি কৰে কেতিয়া । পাৰ্টিয়ে আমাৰ দৰে মানুহক চলাব নোৱাৰে, আমাৰ বাবে যদি কিবা পাৰ্টি আছে কব নোৱাৰো আমি কিন্তু পাৰ্টিৰ বাবে নহয় ।" কৈয়ে অমৰ আঁতৰি আহিছিল ।

কলেজ হোষ্টেল ন'ডেৰে অমৰ আগবাঢ়িছিল । ইতিমধ্যে পাতল এন্ধাৰত চহৰখন বুৰি গৈছিল । 'ধোঁৱাপাক'ৰ দৰে লাইট পোষ্টবোৰ থিয় হৈ থকা অমৰৰ চকুত পৰিছিল । সি বিজুলী কৰ্মীসন্থাই ধৰ্মঘট কৰিছে নে কৰবাত লাইন ভাল কৰিছে ঠাৱৰ কাৰবলৈ চেষ্টা কৰিছিল । "কিন্তু ৰাতিহেনো লাইন ভাল কৰেনে ? কৰিবও পাৰে । লাইট দিব লাগে দিছে, উদ্দেশ্য সাধন হোৱা নোহোৱালৈ চোৱাৰ আৱশ্যকবোধ আমাৰ গণতন্ত্ৰই মানুহৰ মনৰ পৰা অন্তৰ্হিত কৰিছে—সি ভাবিছিল । তাৰ মনত পৰিছিল পৌৰসভাই বিজুলী কমকৈ খৰচ কৰাৰ আঁচনি হাতত লোৱাৰ কথা আৰু সেই সময়তেই মনলৈ আহিছিল চেনিকুঠিৰ বাটত গোটেই দিন আলিৰ লাইট জ্বলি থকা অমৰে কেবাদিনো দেখিবলৈ পাইছিল আৰু দেখিবলৈ পাইছিল সেই বাটেৰে নিতৌ কমেও চাৰিবাৰ পৌৰসভাৰ পিতা অহাযোৱা কৰে । তেওঁৰ হয়তো তেনে ক্ষুদ্ৰ কথালৈ নজৰ নাছিল, আছিল হয়তো আঁচনিৰ ডাঙৰ ডাঙৰ শব্দত—অমৰে সান্ত্বনা লৈছিল নিজেই ।

অমৰ আগ বাঢ়িছিল । ৰবীন্দ্ৰ ভৱনৰ নাম শুনি মুখ বিকটাই দিছিল সি । খাব নোপোৱা দেশ এখনত কোটি কোটি টকা ব্যয় কৰি ৰবীন্দ্ৰ ভৱন সাজি যেন কলা কৃষ্টিৰ শ্মশান ঘৰহে সজা হৈছিল এনে ভাব হৈছিল অমৰৰ । এখন ব্ৰহ্মপুত্ৰৰ সাকো সাজিবলৈ ক'ত যে চিন্তা হৈছিল, অথচ সাকোখন গোটেই অসমৰে উন্নতিৰ বাটস্বৰূপ হৈ পৰিছে । যি সময়ত প্ৰদাকৃতিত কেপিতেলৰ প্ৰয়োজন তাত কলাকৃষ্টি নামত ঘৰসাজি ব্যয় কৰাটো ৰবিঠাকুৰে নিজেও হয়তো নিৰিচাৰিলেহেঁতেন । তেওঁৰ কাব্য-চৰ্চাৰ বাবে নিৰ্দিষ্ট ভৱন নহলেও সাহিত্যপ্ৰেমীৰ অসুবিধা নহলহেঁতেন । এয়া শক্তিৰ ৰূপান্তৰৰ দৰে কাব্যক ইটা বালি চিমেণ্টলৈ ৰূপান্তৰ কৰাহে হৈছে । ফলত ৰসহীন হৈ পৰিছে ।—এনেবোৰ আগগুৰি নোহোৱা কথা ভাবি ভাবি অমৰ দীঘলী পুখুৰীৰ পাৰ পাওঁতে পিল্লাইক লগ পাইছিল । দি, ভি, পিল্লাই মহাৰাষ্ট্ৰৰ মানুহ । কৰ্মচাৰীৰ বীমা নিগমত কাম কৰোঁতে লগ পোৱা অমৰৰ বন্ধু । দুয়ো একেদিনাই চাকৰিত সোমাইছিল । একেদিনাই ডাইৰেক্টৰ গাৰ্গৰ লগত কাজিয়া লাগিছিল দুয়োৰে আৰু একেদিনতেই দুয়ো চাকৰি ইস্তাফা দি অমৰ বৰ্তমানৰ চাকৰিলৈ আহিছিল আৰু পিল্লাই গৈছিল নৱ প্ৰতিষ্ঠিত তেল শোধানাগাৰৰ চাকৰিত । দুয়ো সমবয়স্ক বুলিয়েই নেকি বন্ধুত্ব গঢ়লৈ উঠিছিল অলপ কেইদিন মানৰ ভিতৰতেই । সীমান্ত প্ৰহৰী যুৱকৰ সাগৰপৰীয়া ডেকাৰ লগত চিন্তাধাৰাৰো মিল হৈ গৈছিল । অমৰে তাৰ চকুত সাগৰৰ উচ্ছল তৰঙ্গ দেখিছিল, দেখিছিল সমাজৰ কুহক ধুই নিকা কৰা



জাগ্ৰত জোৱাৰ । সেয়ে বছৰ চেৰেকৰ ব্যৱধানৰ মূৰত লগ পোৱাত অমৰে তাক আনন্দত সাৱট মাৰি ধৰিছিল ।

"বলক মোৰ ঘৰত নতুন বস্তু এটা আনিছো । প্ৰায় চাৰিমাহ হ'ল । মই আপোনাক দেখুৱাম বুলি ভাবি আছো ।" পিল্লাই বৈ বৈ কৈছিল ।

"হাৰে ! আপুনি ইতিমধ্যে অসমীয়া শিকি পেলাইছে?

"কব নোৱাৰো শুদ্ধ হৈছে নে নাই, চেষ্টা কৰিছো । এই বিদ্যাৰেই দেইজীকো শিকাইছো ।"

"দেইজী ?"

"সেইটোৱেইটো বস্তু ।"

পিল্লাইৰ ঘৰত পলমেই হৈছিল অমৰৰ । দেইজীক অসমীয়া শিকাব লাগে । তাইক নি অসমীয়া পৰিয়ালৰ লগত চিনাকি কৰি দিব লাগে । দুয়োটাই আমাৰ গাওঁত বহুদিন কটাব খোজে, ইত্যাদি বিষয়ত কথা বতৰা হৈছিল । পিল্লাইৰ ঘৰৰ পৰা ওলাই সি হুচেইনহঁতৰ ঘৰলৈ যাবনে নেযায় চিন্তা কৰিছিল । গুৱাহাটীত তাৰ প্ৰথম আৰু নলে-গলে লগা বন্ধু হুচেইন । হুচেইনৰ মাকৰ পৰা পোৱা মৰমখিনিৰ বাবে সি নিতৌ এটা পাকমাৰিব লাগে সিহঁতৰ ঘৰলৈ সন্ধিয়াপৰত । সেয়েহে হুচেইনহঁতৰ সোমোৱাৰ পদূলি মুখত থিয়হৈ চিন্তা কৰিছিল সোমাবনে নাই । সি মাত দিছিল হুচেইন আছনে ?"

পৰ্দাখন দাঙি জেৰিনা ওলাই আহি তাক ভিতৰলৈ আদৰি নিছিল । হুচেইনৰ একমাত্ৰ ভনী আৰু বিধবা মাতৃৰ দ্বিতীয় সন্তান । সদ্যহৈ কলেজৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী । অমৰে তাইক ফ্ৰাচ চেভেনৰ পৰা দেখি আহিছে । এজনী বাংচালী ছোৱালী । ইমান দিনে দেখি অহা অকমানি ৰূপটো তাইৰ অমৰৰ চকুৰ পৰা হঠাতে হেৰাই গ'ল । গোলাপী ৰঙৰ জৰ্জেটৰ শাৰী পৰিহিতা, হাতত 'গোল্ডেন ট্ৰেজাৰী' খন জপাইলৈ, বহা কোঠাৰ মজিয়াত হাঁহিমাৰি তাৰ ফালে চাই থকা জেৰিনাক তাৰ সাধু কথাৰ অপেশ্বৰী যেনেই লাগিল । সি তাইৰ আপাদমস্তক নিৰীক্ষণ কৰিছিল । জেৰিনাই তাৰ পাৰবৰ্তন ধৰিব পাৰিয়েই নেকি হঠাতে সচকিত হৈ পৰিছিল । নতুন অনুভূতি এটাই তাইক লাজ লগাইছিল, শৰীৰৰ তেজবোৰ গালে মুখে থুপ খোৱা যেন পাইছিল আৰু চঞ্চলা জেৰিনাই তলমূৰ কৰি কৈছিল—"বহক, থিয় হৈ থাকিলযে । যেন এই মাত্ৰ চিনাকি হোৱা মানুহ এজনকহে তাই বহিবলৈ কৈছিল ।

অমৰ বহিছিল "আম্মা নাই ?" হুচেইন অফিচৰ পৰা আহিলনে নাই—?" দীঘল উশাহ টানি অমৰে সুধিছিল ।

"দুয়ো মাছখোৱালৈ গৈছে । আহি পাবহি লাগেচোন । আমছেদো বজাৰলৈ গ'ল—চোফা এখনৰ পিছ ফালে থিয় হৈ জেৰিনাই কৈছিল ।

সহজ হবলৈ চেষ্টা কৰি অমৰে কৈছিল, "আঁতৰত থিয় হলাযে, বহাহি ইয়াতেই ।" নিজৰ কাষতেই বহিবলৈ দেখুৱাই দিছিল । হুচেইন বা মাকৰ সমুখত গাত আউজি বহিবলৈ তাই সঙ্কোচ নকৰে, অমৰেও এদিনলৈ তাইক তেনেদৰে বহা অনুভৱ কৰা নাছিল । আজি আহ্বান কৰিও সি চকিত হৈ উঠিছিল আৰু তাই যেতিয়া তাৰ কাষত বহি তলমূৰ কৰিছিল সি কথা পাতিব পাহৰিছিল । কিছুসময় নীৰৱতাৰ পিছত তাইৰ হাতৰ পৰা কিতাপখন নিজৰ হাতলৈ আনি অমৰে সুধিছিল, "কি হ'ল আজি মুখৰ কথা হেৰাল নেকি ? নিমাতী মইনা হ'লা দেখোন ?" আঁঠুৰ ওপৰত কিলাকুটি ৰাখি হাতৰ তলুৱাত মুখখন লুকুৱাই ৰখা জেৰিনাই লাহেকৈ মূৰ তুলি তালৈ চাইছিল । শাৰীখন কান্ধৰ পৰা সামান্য পিছলি পৰিছিল । অমৰে সদায়ে দেখি অহা তাইৰ বাউসী দেখি, নেদেখিব লগা ঠাই দেখাৰ দৰে চকু ঘূৰাই আনি তাৰ উৰুৰ ওপৰত কিতাপখন খুলি লৈছিল আৰু চকুত পৰিছিল "অল ফৰ লাভ" বোলা বাইৰণৰ কবিতাটি । কিতাপখন উৰুত মেলি লওঁতে তাৰ বাঁওখন হাত তাইৰ দেহৰ কাষে কাষে স্পৰ্শ কৰিছিল আৰু কিতাপখন ধৰি থকা আঙুলি কেইটা তাইৰ উৰুৰ ওপৰৰ মিহি শাৰীখন ছুইছিল । পঢ়িবলৈ বুলি হাউলি পৰাত তাৰ মুখখন তাৰফালে বেকাকৈ চাই থকা জেৰিনাৰ

মুখৰ তেনেই ওচৰ চাপিছিল।

অমৰে পঢ়িব পৰা নাছিল। তাৰ মনলৈ আহিছিল দাছৰ প্ৰণয়ৰ কথা, চক্ৰৱৰ্ত্তীৰ লগত অনিতাৰ সম্পৰ্কৰ কথা, ৰীৰেণ সিঙৰ লগত অমলা ভৌমিকৰ প্ৰেমৰ কথা, পৰাশৰে চক্ষিদাক চিডিল মেৰেজ কৰোৱাৰ কথা আৰু বহুতো কিবাকিবি কথা। আৰু তৰাৰ লগে লগে কিতাপখন জেৰিনাৰ হাতত তুলি দি চোফাখনত সি আউজি বহিছিল আৰু দীঘল কৈ উশাহলৈ তাইৰ পিঠিৰ ফালটোৰ ৰূপ চাইছিল। সি কথা পাতিব বিচাৰিছিল; —"দেৱী!" সি সম্বোধন কৰিছিল।

'দেৱী' জেৰিনাৰ অমৰে দিয়া নাম। এবাৰ জিলিকা দোকানীৰ কাষৰ সৰস্বতীৰ প্ৰতিমা এখন চাই আহি জেৰিনাই অমৰক কৈছিল—"দাদা, আপোনালোকৰ দেৱীবোৰ ইমান ধুনীয়া!" তাইৰ আক্ষেপ দেখি অমৰে তাইক দেৱী নাম দিছিল আৰু সচাকৈয়ে গাভৰু হোৱাৰ আগ মুহূৰ্তত জেৰিনা পান বজাৰৰ পূজা ঘৰৰ দুৰ্গা প্ৰতিমাৰ দৰেই আছিল। তেতিয়াৰ পৰা জেৰিনা দেৱী নামেৰে জনাজাত—ঘৰত আনকি স্কুলতো। অমৰৰ মাতত বহু ঠাইতে ঘূৰি তাৰ মুখৰ ফালে চাইছিল তাই।

সি দুহাতেৰে তাইৰ মুখখন আলফুলকৈ ধৰি কৈছিল, "তুমি বহু ধুনীয়া হ'লা। মোৰ বহুতো কথা কবলৈ ইচ্ছা তোমাক। বুজিছা?"

"ওঁ?" তাই উত্তৰ দিছিল। তাৰ কব লগীয়া কথাবোৰ বুজি পাই নে কিবা কব থকাটোৰ বাবে 'ওঁ' বুলি উঠিছিল, অমৰে বুজা নাছিল। অমৰৰ লাজ কাটি গৈছিল। সি জেৰিনাৰ লাজতে সম্বোধন হেৰোৱা কথাটো বুজিব পাৰিছিল। সিও কাকো সম্বোধন নকৰাকৈ কৈছিল, "কাৰোবাৰ ইচ্ছা হলে দিব পাৰে চাহপানী। চাহপানী কিয় এতিয়া এটোপা বিষ দিলেও মই তৃপ্তিৰে উপভোগ কৰিব পাৰিম।"

"ছিঃ।" তাই তাক চোফাখনত লাহেকৈ পেলা এটা মাৰি থৈ উঠি গৈছিল।

হুছেইনহঁতলৈ বাট নেচাই অমৰ উঠি আহিছিল। জেৰিনাক কৈ আহিছিল তাই তাৰ হব লাগিব চিৰদিনৰ বাবে। তাই হিন্দুনাৰীৰ দৰেই তাৰ ভৰি চুই সেৱা কৰিছিল।

বাটত ভৰি দিয়েই অমৰে উপলব্ধি কৰিছিল যে সি এটা ভুল কাম কৰিলে। আম্মা আৰু হুছেইনৰ পবিত্ৰ ভাল পোৱাৰ বিশ্বাস ঘাটকতা কৰি জেৰিনাৰ প্ৰাণত সি ঠাই বিচাৰিলে। আম্মাই কোৱা কথা এবাৰ তাৰ মনত পৰিছিল, "বুজিছা অমৰ! এইক তোমালোকে নিয়া। সপোনতেও কেতিয়াবা তোমাক মাতে তাই।" তেতিয়া তাই আছিল 'এইটত'। আৰু কথাই কথাই আম্মাই কৈছিল তাই লাইব্ৰেৰীৰ পৰা আনি ৰামায়ণখন পঢ়িছেহে পঢ়িছে।" ইত্যাদি। তাৰমানে দেৱীৰ হিন্দু হবলৈ খুব ইচ্ছা নেকি? অমৰে ভাবিছিল। কিন্তু মুছলমান দেৱীক জানো হিন্দুৰ ঘৰত প্ৰতিষ্ঠা কৰিবলৈ সি সক্ষম হব, নিজকে প্ৰশ্ন কৰিছিল অমৰে। আইনে দিলেও, সমাজে দিবনে?" অমৰে আৰু ভাবিব নোৱাৰিলে।

# নিৰ্গুণ ব্ৰহ্ম ঃ সগুণ ঈশ্বৰ ঃ সনাতন জীৱ

অধ্যাপক শ্ৰীগদাধৰ শৰ্মা

(আগৰ সংখ্যাৰ পিছৰ পৰা)

## ॥ সগুণ ঈশ্বৰ ঃ সনাতন জীৱ ॥

শ্ৰীসম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা ৰামানুজাচাৰ্য (১০২৭—১১২৭ খ্ৰীঃ) ৰ ভক্তিবাদী মতবাদক বিশিষ্টাদ্বৈতবাদ (Qualified Monism) বোলা হয়। আচাৰ্য ৰামানুজে ব্ৰহ্মক ঈশ্বৰ আৰু ঈশ্বৰকে ব্ৰহ্ম বুলি মত দাঙি ধৰিছে। ঈশ্বৰ মায়াবিশিষ্ট নহয়। ঈশ্বৰ জগতৰ সৃষ্টি স্থিতি সংহাৰ কৰ্তা, তেওঁ ত্ৰিসত্য ৰামানুজৰ মতে 'ব্ৰহ্ম সত্যং জগৎ মিথ্যা' নহয়। ব্ৰহ্মও সত্য জগতো সত্য—কিন্তু জগৎ পৰিবৰ্তনশীল। জীৱ অনু আৰু ঈশ্বৰ বিভু। ঈশ্বৰেই বিশ্বপ্ৰপঞ্চৰ উপাদান আৰু নিমিত্ত কাৰণ। জীৱ আৰু জগৎ ব্ৰহ্মাত্মক—অন্তৰ্যামীৰূপে ব্ৰহ্ম সৰ্বব্যাপক, তেওঁ বিশ্বৰূপ (Pantheistic)। চিৎ জীৱ আৰু অচিৎ জগৎ ব্ৰহ্মৰ শৰীৰ। জীৱ আৰু জগৎ ব্ৰহ্মৰ ওপৰত নিৰ্ভৰশীল।

জ্ঞানবাদত ৰামানুজৰ ভক্তিৰ অভিনিবেশে সাধন মাৰ্গক সহজ আৰু সৰল কৰি তুলিছে। উকা জ্ঞানেৰে ব্ৰহ্মক পোৱা যে সম্ভৱ নহয় উপনিষদৰ ঋষিয়েও দৃঢ় কণ্ঠেৰে ঘোষণা কৰিছে :

'নায়মাত্মা প্ৰবচনেন লভ্যো ন মেধয়া ন বহুনা শ্ৰুতেন।
যমেবৈষ বৃণুতে তেন লভ্যস্তস্যৈষ আত্মা বিবৃণুতে তনূংস্বাম্।

[বেদাধ্যয়নৰ দ্বাৰা, মেধাৰ দ্বাৰা নাইবা বহু শাস্ত্ৰ শ্ৰৱণৰ দ্বাৰাও এই আত্মাক লাভ কৰিব নোৱাৰি। এই আত্মাই যাকে বৰণ কৰি লয় তেৱেঁই এই আত্মাক পাব পাৰে।]

বিশিষ্টাদ্বৈতবাদত ভক্তিৰ বিশেষ স্থান। ভক্তৰ হৃদয়তহে আত্মাই নিজে আসন পাতি বহে। গতিকে দেখা যায় যে ব্ৰহ্মক পাবলৈ জ্ঞান-বিদ্যা আৰু মেধাতকৈ ভক্তিৰ আৱশ্যক অধিক। ভক্তি নাথাকিলে, প্ৰাৰ্থনা নচলে, সাধনা নহলে পৰমাত্মাক পাব নোৱাৰি। ভগবানক পাবলৈ তেৱেঁই যোগ্যজন যিজনে ভক্তিৰে সৈতে ভগবানক প্ৰাৰ্থনা কৰে, আৰাধনা কৰে। ৰামানুজাচাৰ্যৰ মতে ভক্তিৰ দ্বাৰা, প্ৰাৰ্থনাৰ দ্বাৰা ব্ৰহ্মৰ উপলব্ধি হলেও সনাতন জীৱৰ স্বকীয়া সত্তা লোপ নাপায় অৰ্থাৎ ভক্তৰ লীন মুক্তি নহয়। শঙ্কৰাচাৰ্যৰ মতে মুক্তি হ'ল ব্ৰহ্মত লয়প্ৰাপ্তি আৰু ৰামানুজাচাৰ্যৰ মতে মুক্তি হ'ল ব্ৰহ্মানন্দৰ উপলব্ধি।

ইয়াৰ পিছত মধ্বাচাৰ্যই (১১৯৭-১২৭৩ খ্ৰীঃ) দ্বৈতবাদ প্ৰতিষ্ঠিত কৰে। মধ্বাচাৰ্যৰ মতে ব্ৰহ্মা, ঈশ্বৰ আৰু বিষ্ণু অভিন্ন। তেওঁৰ মতে জীৱ আৰু জগৎ ঈশ্বৰৰ সৃষ্টি হলেও তেওঁ জীৱ আৰু জগতত্তকৈ ভিন্ন। ঈশ্বৰ জীৱ আৰু জগতত্তকৈ ভিন্ন হলেও জীৱ আৰু জগতত

ঈশ্বৰে অনুপ্ৰৱেশ কৰে। ঈশ্বৰ সৰ্বশক্তিমান, সৰ্বগুণবান। ভক্তিৰ দ্বাৰা ঈশ্বৰক পাব পাৰি বুলি মধ্বাচাৰ্যই মত প্ৰকাশ কৰে।

ত্ৰয়োদশ শতিকামানত নিম্বাৰ্কাচাৰ্যই ভেদাভেদবাদ প্ৰবৰ্তন কৰে। তেওঁৰ মতে জীৱ আৰু জগৎ মিথ্যা নহয়। মুক্তি পালেও জীৱ ব্ৰহ্মত লীন নহয়, জীৱ আৰু ব্ৰহ্মৰ ভেদ তেতিয়াও থাকে। কিন্তু জীৱ যিহেতু ব্ৰহ্মৰ ওপৰত নিৰ্ভৰশীল সেই হেতু ব্ৰহ্মৰ সৈতে জীৱৰ সম্পৰ্ক অভিন্ন। নিম্বাৰ্কৰ মতে জীৱ জগৎ আৰু জড়-জগতৰ পাৰ্থক্য হ'ল যে জীৱৰ যি চৈতন্য আছে জড়ৰ সেই চৈতন্য নাই। জীৱ আৰু জড় উভয়ৰে নিয়ামক হ'ল ব্ৰহ্ম বা ঈশ্বৰ। তেওঁ সগুণ, সবিশেষ, সৰ্ব্বজ্ঞ। জীৱৰ মুক্তিৰ বাবে ব্ৰহ্মই একমাত্ৰ শৰণাগতি।

বল্লভাচাৰ্য (১৪৭৯-১৫৩১ খ্ৰী) বিশুদ্ধাদ্বৈতবাদৰ প্ৰতিষ্ঠাতা। আচাৰ্য বল্লভৰ মতবাদ ত্ৰয়োদশ শতিকাৰ বিশুদ্ধাদ্বৈতবাদী বিষ্ণুস্বামীৰ মতানুসাৰী। তেওঁলোকৰ মতে সনাতন জীৱ আৰু জগতৰ ব্ৰহ্মৰ সৈতে অংশাংশী সম্পৰ্ক। ব্ৰহ্ম সৃষ্টিৰ উপাদান কাৰণ আৰু নিমিত্ত কাৰণো। তেওঁৰ মতে ব্ৰহ্ম সৰ্বব্যাপক। জড় জগৎ আৰু জীৱ জগৎ ব্ৰহ্মৰ অংশ। জড় জগৎ ব্ৰহ্মৰ অংশ হলেও জড় জগতত সচ্চিদানন্দ ব্ৰহ্মৰ চিৎ শক্তি আৰু আনন্দ আচ্ছাদিত হৈ থাকে। বল্লভাচাৰ্য ৰ সাধন মাৰ্গক 'পুষ্টিমাৰ্গ' বুলি কোৱা হয় য'ত ভগৱৎ কৰুণা বা ভগৱানৰ কৃপা ললেই ভগৱৎ প্ৰাপ্তিৰ বাবে মুখ্য বস্তুৰূপে আদৃত হৈছে।

এনেদৰে দেখা যায় যে বিশিষ্টাদ্বৈতবাদী ৰামানুজ আৰু শুদ্ধাদ্বৈতবাদী বল্লভাচাৰ্যৰ মতবাদ অধিকভাৱে শঙ্কৰাচাৰ্যৰ মতবাদৰ অনুকূল আৰু ভক্তিবাদে তেওঁলোকৰ মতবাদক বিশেষত্ব দান কৰিছে। আনহাতে দ্বৈতবাদী মধ্বাচাৰ্য আৰু ভেদাভেদবাদী নিম্বাৰ্কৰ মতবাদ যথাক্ৰমে দ্বৈতবাদৰ ফালে আৰু অদ্বৈতবাদৰ ফালে অধিক ভাৱে চালযোৱা যেন লাগে। থোৰতে কবলৈ হলে মায়াবাদী শঙ্কৰাচাৰ্যৰ জ্ঞানবাদী ব্যাখ্যা অদ্বৈতবাদমূলক, ৰামানুজৰ ভক্তিবাদী ব্যাখ্যা বিশিষ্টাদ্বৈতবাদমূলক, মধ্বাচাৰ্যৰ ভক্তিবাদী ব্যাখ্যা দ্বৈতবাদমূলক, বল্লভাচাৰ্যৰ জ্ঞান-ভক্তিবাদী ব্যাখ্যা শুদ্ধাদ্বৈতবাদমূলক আৰু নিম্বাৰ্কৰ কৰ্ম-জ্ঞান-ভক্তি-প্ৰপত্তি বা শৰণাগতি আৰু আত্মসমৰ্পনবাদী ব্যাখ্যা ভেদাভেদবাদমূলক।

এইদৰে ওপৰৰ আলোচিত মতবাদবোৰৰ যোগেদি ব্ৰহ্মৰ নিৰ্গুণত্ব, ঈশ্বৰৰ সগুণত্ব আৰু জীৱৰ সনাতন স্বৰূপ প্ৰতিপন্ন হোৱা দেখা যায়।

## ॥ ভক্তিবাদ আৰু সনাতন জীৱ ॥

দক্ষিণ ভাৰতত আলৱাৰসকলে আদৰ্শ ভকত হিচাপে পোন প্ৰথমে ভক্তিধৰ্ম প্ৰচাৰ কৰিছিল। তেওঁলোক নিষ্কাম ভকত আছিল যদিও তেওঁলোকৰ ধৰ্মত ভাবোচ্ছ্বাসৰ প্ৰাচুৰ্য থকা বাবে ভক্তিতো বেছি ভাব-প্ৰৱণতা আৰু আবেগ (emotion and sentiment) আহি পৰিছিল। হলেও আলৱাৰসকলৰ ভক্তিৰ প্ৰভাৱ বৈষ্ণৱ ধৰ্মৰ ওপৰত পৰিছিল বুলি ভাবিবৰ থল আছে। ভাগৱত পুৰাণৰ ৰচনা এনে আদৰ্শতে হৈছিল বুলিও কোনো কোনোৱে মত দাঙি ধৰিছে। তাৰ পিছত বৈষ্ণৱ ধৰ্মই (Vaishnabism) বিশিষ্টাদ্বৈতবাদক ভেটি কৰি দাৰ্শনিক গঢ় লৈছিল। কাৰণ মায়াবাদী শঙ্কৰাচাৰ্যৰ জ্ঞানবাদক বৈষ্ণৱ ভকতসকলে আমোল দিলেও ৰামানুজৰ ভক্তিকহে তেওঁলোকে হৃদয়ৰ গুপ্তধনৰূপে আদৰি লৈছিল। শঙ্কৰাচাৰ্যৰ অদ্বৈতবাদত জ্ঞানেই সাধন; তাত মুক্তিৰ বাবে ভক্তিৰো আৱশ্যক আছে বুলি স্বীকৃত হোৱা নাই।

ৰামানুজৰ বিশিষ্টাদ্বৈতবাদত জীৱক ব্ৰহ্মৰ অংশ বুলি কোৱা হৈছে; কিন্তু জীৱ আৰু ব্ৰহ্মক অভেদ বুলি কোৱা নাই। জীৱ আৰু জগৎ ব্ৰহ্মাত্মক। চিৎ জীৱ আৰু অচিৎ জগৎ, ব্ৰহ্মৰ শৰীৰ। জীৱ আৰু জগৎ ব্ৰহ্মসত্তাৰ ওপৰত নিৰ্ভৰশীল। অংশৰূপে সনাতন জীৱ অংশীৰূপে সনাতন পূৰ্ণব্ৰহ্মৰ পৰা জুইৰ ফিৰিঙতিৰ দৰে উদ্ভৱ হৈছে। এনে অংশাংশী ভাৱৰ অনুভূতি ভক্তিবাদত



সমাদৃত হৈছে:

১। তুমি নিত্য নিৰঞ্জন নাৰায়ণ
আমিও অংশ তোমাৰ।—নামঘোষা।

২। ব্ৰহ্মৰেসে অংশ জীৱ জগতসকল।
ঘটে ঘটে আছে যেন জাহ্নবীৰ জল॥
—শ্ৰীচন্দ্ৰ ভাৰতী।

বিশিষ্টাদ্বৈতবাদত ভগৱানৰ দৰে তেওঁৰ গুণাৱলী আৰু তেওঁৰ সৃষ্টিৰো সত্যতা আছে বুলি কৈছে; জীৱ আৰু ব্ৰহ্মৰ ভেদো এই মতবাদত স্বীকৃত হৈছে। মায়া বা অবিদ্যাই ঈশ্বৰ আৰু জীৱৰ মাজত সীমাৰেখাৰূপে থাকি ঈশ্বৰ আৰু জীৱৰ পাৰ্থক্য সৃষ্টি কৰিছে—মায়া নাইবা প্ৰকৃতি ঈশ্বৰৰ অধীন আৰু জীৱ মায়া বা প্ৰকৃতিৰ অধীন। এই মায়া বা অবিদ্যাৰ পৰা মুক্তি পাবলৈ বিশিষ্টাদ্বৈতবাদে সনাতন জীৱৰ বাবে সুগম ভক্তিৰ পথ মুকলি কৰি দিছে।

জ্ঞানাত্মক ভক্তিয়েই ব্ৰহ্মানন্দ লাভৰ উপায়। ৰামানুজ, মধ্বাচাৰ্য, জ্ঞানদেৱ, নামদেৱ, নিম্বাৰ্ক, বল্লভাচাৰ্য, সুৰদাস, মীৰাবাঈ, ৰামানন্দ, দাদুদয়াল, ৰৈদাস, তুলসীদাস, শঙ্কৰদেৱ, মাধৱদেৱ, চৈতন্যদেৱ প্ৰমুখে অগণন বৈষ্ণৱ ভক্ত শিষ্য পৰম্পৰাক্ৰমে সগুণ ব্ৰহ্মৰ উপাসক। আনকি কবীৰেও প্ৰথমতে সগুণ ৰামৰ উপাসনাৰে আৰম্ভ কৰি পিছলৈ নিৰ্গুণাতীত ব্ৰহ্মৰ উপাসনাত মনোনিবেশ কৰিছিল। এওঁলোকৰ কোনোৱে কৃষ্ণৰ নাইবা বালক কৃষ্ণৰ, কোনোৱে ৰামৰ, কোনোৱে ৰাধা-কৃষ্ণৰ নাইবা লক্ষ্মীনাৰায়ণৰ আৰু কোনোৱে ৰাম-কৃষ্ণ উভয়ৰে অলপ ইফালসিফালকৈ জ্ঞান-ভক্তি আৰু প্ৰেমমূলক উপাসনা কৰিছিল। অসমৰ নৱ-বৈষ্ণৱ ধৰ্ম ( Neo Vaishnavism )ৰ ধৰ্মগুৰু সকলে শাস্ত্ৰৰ উত্তম গীতা আৰু "সৰ্ববেদান্ত সাৰ' ভাগৱতৰ প্ৰণালীৰে উপাস্য দেৱতা শ্ৰীকৃষ্ণক ঐকান্তিক ভক্তি নিবেদন কৰিছিল আৰু পৰম ব্ৰহ্মৰূপে ৰাম আৰু কৃষ্ণৰ অভেদত্ব মানি বৈষ্ণৱধৰ্মও শ্ৰীৰামৰ উপাসনাৰ সুযোগো দান কৰিছিল।

ঈশ্বৰৰ সত্যতাৰ ওপৰতে ঈশ্বৰাংশৰ সত্যতা নিৰ্ভৰ কৰে আৰু সেই ভাবেই জীৱৰ ঈশ্বৰাভেদ নিৰূপিত হয় যদিও জীৱ মায়াধীন হোৱা বাবে, বিষয়-সুখত মগ্ন হোৱা বাবে আৰু বিকাৰী হোৱা বাবে ঈশ্বৰৰ সৈতে জীৱৰ ভেদো ৰক্ষিত হয়। গতিকে ইয়াক ভেদাভেদবাদ বুলিবও পাৰি। মুঠতে অসমৰ বৈষ্ণৱ ধৰ্মৰ ভেটি সগুণ ব্ৰহ্মবাদী গীতা, ভাগৱত আৰু গীতা-ভাগৱতৰ টীকাকাৰ শ্ৰীধৰস্বামী[১]ৰ ভক্তিমূলক ব্যাখ্যা। ভক্তিপন্থত জীৱৰ ব্ৰহ্ম হোৱাৰ আকাঙ্ক্ষা নাই, কিন্তু অন্তৰঙ্গা ভক্তিৰে নাইবা ভক্তিৰ নিষ্ঠাৰে ব্ৰহ্মানন্দ লাভৰ বা ব্ৰহ্মসুখ প্ৰাপ্তিৰ আকুতি আছে। অসমৰ বৈষ্ণৱ ধৰ্মত বা নামধৰ্মত ব্ৰহ্মানন্দ লাভৰ প্ৰচেষ্টাৰ বাট নৱবিধা[২] ভক্তিৰ বাট: শ্ৰৱণ, কীৰ্তনক ভক্তি মাৰ্গৰ অপৰিহাৰ্য অঙ্গৰূপে গ্ৰহণ কৰি শঙ্কৰদেৱে দাস্য-ভক্তিকে সাধন মাৰ্গৰূপে

১। শ্ৰীধৰস্বামী পুৰীৰ অদ্বৈতপন্থী গোবৰ্ধনমঠৰ পৰমহংস সন্ন্যাসী শিষ্য। স্বামীয়ে পৰমানন্দ পুৰীৰ পৰা নৃসিংহ মন্ত্ৰ গ্ৰহণ কৰিছিল। স্বয়ং মহাদেৱেও শ্ৰীধৰ স্বামীক ভাগৱতৰ প্ৰকৃত তত্বজ্ঞ বুলি উল্লেখ কৰিছে:

'অহং বেদ্মি শুকো বেত্তি ব্যাসো বেত্তিন বেত্তি বা।
শ্ৰীধৰঃ সকলং বেত্তি শ্ৰীনৃসিংহ—প্ৰসাদতঃ ॥'

শ্ৰীধৰস্বামীৰ ভাগৱতপুৰাণৰ 'ভাবাৰ্থদীপিকা' টীকা আৰু গীতাৰ 'সুবোধিনী' টীকা প্ৰামণ্য টীকা। এই টীকাৰ সুখ্যাতি য'তে ত'তে। এখেতৰ ভক্তিবাদী ব্যাখ্যাকেই বৈষ্ণৱ ধৰ্মৰ ভেটি বুলি স্বীকৃতি দিয়া হৈছে।

২। শ্ৰৱণং কীৰ্তনং বিষ্ণোঃ স্মৰণং পাদসেৱনম্।
অৰ্চনং বন্দনং দাস্যং সখ্যমাত্মনিবেদনম্ ॥'
ভাগৱত।

ৰৰণ কৰি লৈছে আৰু মাধৱদেৱে প্ৰথমতে বাৎসল্য আৰু পিছলৈ জীৱনৰ শেষ চোৱাত দাস্য-ভক্তিকে সাধনোপায় ৰূপে গ্ৰহণ কৰি সৰ্বতোভাবে আত্মশৰণ লৈছে:

১। কৃষ্ণ নিজ ইষ্টদেৱ আত্মা প্ৰিয়তম গুৰু
সুহৃদ সোদৰ বন্ধু জন।
কৃষ্ণ মোৰ গতি মতি কৃষ্ণৰ ভকতি ৰতি
কৃষ্ণ পাৱে নিমজোক মন ॥

—নামঘোষা

দাস্য ভক্তিও এওঁলোকৰ প্ৰেম ভক্তিৰে সাধনৰূপে স্বীকৃত হৈছে:

ভৃত্য বুলি ধৰা দোষ পৰিহৰা অধম মই অভাগী।
তোমাৰ চৰণে পশিলো শৰণে প্ৰেম ভকতিক লাগি ॥

—ভাগৱত

## ॥ ভক্তিমাৰ্গ : ভগৱৎভজনা ॥

বিশ্বপ্ৰপঞ্চৰ সৃষ্টিৰ আদিতে ঈশ্বৰ থাকে আৰু ঈশ্বৰত সূক্ষ্মৰূপে জীৱ আৰু জগতো থাকে:

'সৃষ্টিৰ পূৰ্বত ব্ৰহ্ম থাকে একেশ্বৰ।
তাস্তে সূক্ষ্মৰূপে থাকে জীৱ চৰাচৰ ॥'

—ভাগৱত

পৰমেশ্বৰে বহু বিসাৰিত বিশ্বপ্ৰপঞ্চত জীৱ আৰু চৰাচৰক নিজৰ অংশৰূপে প্ৰকাশ কৰিলে নিজৰ কৰুণা কণা বিতৰণ হেতু আৰু তাৰে সুযোগ বিচাৰি, সুযোগ্য পাত্ৰ বিচাৰি যেন নিজেও সাক্ষীৰূপে তাতে ৰৈ থাকিল:

নিশ্চল নিৰ্মল নাহিকয় সঙ্গ
একো চেষ্টা নাহিকয়।
বস্তু পৰিগ্ৰহ নাহিকয় তান
একো চেষ্টা নকৰয় ॥
প্ৰজিয়া জগত সদা থাকে তাত
অতি উদাসীন ভাৱে।
মুহিকে আকুল সংসাৰৰ দোষে
তাহাঙ্ক একো নাপাৱে ॥

—ভক্তি-ৰত্নাকৰ

সংসাৰৰ দোষে ভগৱানক চুব নোৱাৰে; কিন্তু সংসাৰৰ আবিলতাই আচ্ছন্নকৰা সংসাৰী জীৱনক উদ্ধাৰ কৰিবৰ ইচ্ছাৰে অন্তৰ্যামীৰূপে ৰৈ থাকে। জীৱ আৰু ঈশ্বৰৰ সম্পৰ্ক তাতেই প্ৰতিপন্ন হয়।

'বেদ', 'ভগবদ্‌গীতা', 'নাৰদীয় পঞ্চৰাত্ৰ' আৰু বাদৰায়ণৰ 'ব্ৰহ্মসূত্ৰ'ক ভেটি কৰিয়েই ভাগৱত গ্ৰন্থ প্ৰণীত হৈছিল। ভাগৱতে বাসুদেৱৰ এক নায়কত্ব স্বীকাৰ কৰিলেও জীৱ আৰু জগতৰ অস্তিত্বক স্বীকাৰ কৰা নাই। কিন্তু জগৎ আৰু জীৱ সৎ হলেও জগৎ জড় আৰু জীৱ বিকাৰী, দেহাত্মবাদী নাইবা ইন্দ্ৰিয়াত্মবাদী, তম, মোহ, মহামোহ, তামিস্ৰ আৰু অন্ধ তামিস্ৰ এই পঞ্চপৰ্বা অবিদ্যাৰ কুলবছা চন্দোৱা নাইবা মায়াৰ চন্দোৱা তৰা ক্ষন্তেকীয়া সুখৰ চোঁদোলাত উঠি জীৱে জগতৰ বেকা পথত বিচৰণ কৰে। জীৱনৰ সন্তেকীয়া এন্ধাৰ আৰু পোহৰৰ ছায়াবাজি দেখি ভোল যায়, জন্ম-মৃত্যুৰ দাৰুণ দুখক পাহৰণিৰ প্ৰস্তৰেৰে আবৃত কৰে। সেই দেখিয়ে

১। বৈষ্ণৱ ধৰ্মৰ শিষ্য পৰম্পৰা শৰণীয়া প্ৰথাৰে সৈতে বৌদ্ধ ভিক্ষুসকলৰ 'বুদ্ধং শৰণং গচ্ছামি' প্ৰথাৰ মিল আছে যদিও বৌদ্ধ ধৰ্ম নিৰীশ্বৰবাদী আৰু পৰকাল স্বীকাৰ নকৰা বাবে বৈষ্ণৱ ধৰ্মৰ লগত তাৰ কোনো মূলগত সম্পৰ্ক বা সামঞ্জস্য নাই। যি ক্ষেত্ৰত বৈষ্ণৱসকলে জীৱ আৰু জগতৰ স্ৰষ্টা 'সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ'ক বা পৰম ব্ৰহ্মক স্বীকাৰ কৰিছে, বৌদ্ধসকলৰ সেই ঠাই পূৰণ কৰিছে সৰ্বশূন্যতা পদে। 'সৰ্বশূন্যত্বৈৰ পৰম তত্ত্বম্' ( All voidness is the ultimate truth )। জৈন ধৰ্মযো এনে মতৰেই পৰিপোষণ কৰে। সেই হেতুকেই প্ৰথম বৈষ্ণৱ ধৰ্ম প্ৰচাৰক দক্ষিণ ভাৰতৰ আলৱাৰ সকলৰ পৰা আজিলৈকে সকলো বৈষ্ণৱ সম্প্ৰদায়ে বৌদ্ধধৰ্মী আৰু জৈনধৰ্মীসকলক বেদ বিৰুদ্ধাচাৰী বুলি বিবেচনা কৰি আহিছে।



জীৱক অজ্ঞ আৰু বিষয়-বদ্ধ বুলি কোৱা হয় আৰু তাৰ পথকো প্ৰবৃত্তিৰ পথ বুলি বৈষ্ণৱসকলে উপেক্ষা কৰে। অব্যভিচাৰী উত্তমা ভাগৱতী ভক্তিহে নিবৃত্তি মাৰ্গৰ বৈষ্ণৱ ভক্তৰ গ্ৰহণীয় বস্তু আৰু বিষ্ণু হ'ল তেওঁলোকৰ একেজন ভজনীয় দেৱতা:

ছয়া গুঞ্জন আতি সকল ইন্দ্ৰিয়বৃত্তি
বিষ্ণুত সমস্তে প্ৰৱৰ্তয়।
নবাঞ্ছয় একো কাম জানিবা তাহাৰ নাম
ভাগৱতী ভকতি উত্তম ॥

এই পন্থত ভক্তপৰম্পৰা ৰীতিক সৰ্বতিকালে অনুসৰণ কৰা হৈছে। বিশেষকৈ অসমৰ বৈষ্ণৱ ধৰ্মৰ নাম, দেৱ, ভকত আৰু গুৰুক ভকতীয়া পন্থৰ চাৰিটা মূল বস্তুৰূপে স্বীকাৰ কৰি লৈ ইয়াৰ উপাসক ভক্তকো প্ৰাকৃত, মধ্যম আৰু উত্তম ভকতৰূপে তিনি শ্ৰেণীত বিভক্ত কৰা হৈছে। প্ৰাকৃত ভক্তই প্ৰতিমা আদিত পূজা কৰে। মধ্যম ভকতে উচ্চ-নীচ ভেদ ৰক্ষা কৰি সকলোতে ভগৱানৰ অস্তিত্ব অনুভব কৰে। তেওঁলোকে সমানত মিত্ৰতা, উত্তমত মান আৰু দৰিদ্ৰত দান আৰু বিপক্ষক ক্ষমা কৰে। উত্তম ভক্তই প্ৰতিমা পূজা কৰাৰ আৱশ্যক নাথাকে, কাৰণ তেওঁলোকে হৰিক সমস্ত প্ৰাণীতে সমভাৱে দেখিবলৈ পায়। তেওঁ দেখে 'কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম'। নিবৃত্তি পথৰ এই শ্ৰেণীৰ ভকতে হৰিনাম ৰস পান কৰিয়ে মোক্ষৰ সুখ অনুভৱ কৰে। সালোক্য, সাৰ্ষ্টি, সামীপ্য, সাৰূপ্য আৰু সাযুজ্য মুক্তিকো তেনে ভকতে বাঞ্ছা নকৰে। সেয়েহে মুক্তিত নিস্পৃহ হৈয়ে উত্তম ভকতে গাইছে—

'নমাগোহো সুখ ভোগ নালাগে মুকুতি
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি ॥'

—কীৰ্ত্তন

এই একশৰণ ধৰ্মতে ভকত বৎসল ভগৱন্তৰ সততে চিন্তন-অনুচিন্তনৰ দ্বাৰা, নাম কীৰ্তনৰ দ্বাৰা ভক্তৰ হিয়াত ভক্তি পীয়ুষৰ প্ৰস্ৰৱন সৃষ্টি হয় আৰু তাকে মূলধনৰূপে লৈ জীৱ ব্ৰহ্মই অক্ষৰ অব্যয় আৰু অনন্ত ব্ৰহ্মক উদ্দেশি জীৱনৰ পানচৈ মেলে। এনে আকুলতাই ভগৱানক ভক্তৰ ওচৰ চপাই আনে—তেতিয়াই সেই পথ হৈ পৰে সুখ সৰণি, ভক্তিও হৈ পৰে সুখ-সাধ্য। ভগৱান পৰতত্ত্ব হলেও অবিচলিত ভক্তিৰ যোগেদি, প্ৰেম ৰসৰ ভিতৰেদি সেই পৰতত্ত্বক আপোন কৰি লবলৈ ভক্তসকল সক্ষম হয়। সেয়েহে ভগৱন্তক মানুহে যুগে যুগে অত্যন্ত অন্তৰঙ্গ, প্ৰেমাস্পদ, প্ৰভু, পৰম গুৰু, পুত্ৰ, সখা, সুহৃদ, সাৰথি আদি নানাৰূপে পাবলৈ বিচৰা দেখা যায়। এনে এটা ধৰ্মগত মহান আৰু ব্যাপক সত্য নিহিত থকা বাবে সেই পৰতত্ত্বই খ্ৰীষ্টানৰ 'ফাদাৰ গড্' (Father God), মুছলমানৰ খোদা, আল্লা, শাক্তৰ স্নেহময়ী মা দুৰ্গা, বৈদান্তিকৰ ব্ৰহ্ম, ভক্তসকলৰ ভগৱান, যোগীৰ পৰমাত্মা আৰু উপনিষদৰ ঋষিৰ অনুভূতিত ৰসমূৰ্ত্তি 'ৰসো বৈ সঃ' ৰূপে ধৰা দিছে। সেই একে তত্ত্বকে ইহুদীসকলে বোলে জিহোবা, গ্ৰীকসকলে বোলে জিয়ুস, ৰোমানসকলে বোলে জুপিটাৰ আৰু পাৰসিকসকলে সেই তত্ত্বক আহুৰমজদা বুলি অভিহিত কৰে। পৰম কাৰুণিক, পৰম নিধান আশ্ৰয়ৰো আশ্ৰয় সৰ্বাশ্ৰয় বা পৰমাশ্ৰয় ভকতবৎসল ভগৱন্তৰ কৰুণা-কণা বা কৃপালেশ লাভ কৰিব পৰা বাবেই সকলো শ্ৰেণীৰ ভক্ত ধৰ্মদূত (apostle) বা পয়গম্বৰ, সকলো শ্ৰেণীৰ ভকত দাৰুণ দুখ-যন্ত্ৰণা সহিবলৈ শক্তিমান। লোকসাধাৰণকো সেই পথ প্ৰদৰ্শন কৰিবলৈ সমৰ্থ। তেওঁলোক ঈশ্বৰ আদিষ্ট লোক আৰু তেওঁলোকৰ সেই শক্তিও ভগৱৎ প্ৰদত্ত। সকলো প্ৰকৃষ্ট ভকতৰ জীৱনত তেনে এটা দিব্যোন্মাদনা আহে যেতিয়া বা যি অৱস্থাত তেনে ভকতে বিশ্বাত্মাৰূপে ভগৱানক উপলব্ধি কৰে। তেনে পুৰুষৰ হৃদয়ত ভগবান সহস্ৰ ঐশ্বৰ্যশালীৰূপে প্ৰতিভাত হয় দেখি ভক্তই ভৌতিক দেহৰ সীমাক পাহৰি অসীমৰ ভাবাবেশত বিভোৰ হৈ পৰে। সেই বিভোৰতাই তন্ময়তা। এনে উপলব্ধিত আনন্দৰ অৱধি নাই। এনে উপলব্ধিতে বিভিন্ন কৰি কণ্ঠত আনন্দোচ্ছ্বাস ধ্বনিত হোৱা শুনা যায়। গীতাঞ্জলিৰ কবিয়ে গাইছে:

জগতে আনন্দ যজ্ঞে আমাৰ নিমন্ত্ৰণ।
ধন্য হলো ধন্য হলো মানব জীবন ॥

সাধনাৰ সিদ্ধিত আনন্দৰ মহামহোৎসৱত উল্লসিত হৈ 'তুমি' কাব্যৰ কবিয়ে গাইছে :

আজি মোৰ সাধনা ফুলনি
কাৰ কিনো পাই উদগনি,
পোহৰাই মহা বিশ্বখনি
উলাহেৰে হাঁহিছে।

একে উপলব্ধিতে অসীম সুন্দৰৰ পুজাৰিণী 'পৰশমণি' কাব্যৰ কবিয়েও গাইছে :

'জীৱন প্ৰদীপ শিখা
জ্বালি তোলা কৰি উৰ্দ্ধমুখী,
প্ৰাণ কৰা হোমানল—
ইন্দ্ৰধনুৰ সাত ৰঙে—
ৰূপে ৰসে প্ৰেমৰ ৰহণে
চুচকুত পিন্ধোৱা কাজল
পাবা দেখা—
সুন্দৰ ভুবন জুৰি
ৰূপ ৰেণু পোহৰ ৰশ্মিত
আলোকিছে হৃদয়ৰ এন্ধাৰ খোটালি।
কোন ৰূপ কোৱঁৰৰ
প্ৰেমৰ পৰশ লাগি
সুৰভিত হিয়াপুৰ জোন জোনোৱালী।'

মিষ্টিক কবিয়ে বিশ্বব্যাপী আনন্দ-প্লাৱন দেখিবলৈ পায় বাবে তেওঁলোকৰ দ্বাৰা বিচিত্ৰ বিশ্ব-বৰ্ণনো সম্ভৱ হৈ পৰে আৰু কবি-সাধক-তাপসে সেই মহাপ্লাৱনৰ মহাউৎস বিচাৰি ভিন ভিন বাটেৰে ডিঙা মেলে।

## ॥ ভজনীয় দেৱতা ॥

সত্যৰ গভীৰ উপলব্ধিত নাইবা ঈশ্বৰাণুৰক্তিত জ্ঞান, বিজ্ঞান আৰু আনন্দ এক হৈ পৰে :

'বিজ্ঞানমানন্দং ব্ৰহ্ম।'

তেৱেঁই সচ্চিদানন্দ ব্ৰহ্ম। তেওঁকেই ভক্ত-সাধকে যুগে যুগে প্ৰণতি জনাই আহিছে এইদৰে :

কৃষ্ণায় যাদবেন্দ্ৰায় জ্ঞান মুদ্ৰায় যোগিনে।
নাক্ষয় ৰুক্মিণীশায় নমো বেদান্ত বেদিনে ॥
—নাৰদ পঞ্চৰাত্ৰ।

পৰমেশ্বৰৰ মুখ-নিঃসৃত বেদে নাইবা অপৌৰুষেয় বেদে প্ৰতিপাদন কৰা হিন্দু ধৰ্মই হিন্দুৰ ধৰ্মীয় জীৱনৰ সৰহ। সত্যদ্ৰষ্টা ঋষিৰ মন-দাপোণত এই সনাতন ধৰ্মৰ সনাতন বাণীসমূহ প্ৰতিভাত হৈছিল (revealed)। ভাগৱত পুৰাণ সেই বেদকল্পতৰুৰ অমৃত ফল—ই বৈষ্ণৱ ধৰ্মৰো থাই ভেটি :

১। ইসে পুৰাণৰ সূৰ্য ভকতিৰ প্ৰকাশক
সমস্ত বেদৰো সাৰোদ্ধাৰ।—৪২৫-দশম।
২। শুনা আৰু তত্ত্ব ভেদ কল্পতৰু ভৈল বেদ
তাৰ ফল মহা ভাগৱত।—৪২৬-দশম।

অসমৰ বৈষ্ণৱ ধৰ্মৰ মূল গীতা আৰু ভাগৱত। অসমৰ বৈষ্ণৱ দৰ্শনেও হিন্দুৰ আস্তিক দৰ্শনবোৰৰ মূল ভাবকে কম বেছি পৰিমাণে সুসমঞ্জস কৰি লৈ এটা নিজা গঢ় লৈছে। বৈষ্ণৱ দৰ্শন সৰ্বেশ্বৰবাদী (Pantheistic) 'সৰ্বং খল্বিদং ব্ৰহ্ম', 'সৰ্বং বিষ্ণুময়ং জগৎ' আদি উক্তিৰে বৈষ্ণৱ দৰ্শনত সৰ্বেশ্বৰবাদকেই প্ৰকাশ কৰা হৈছে। এনেবোৰ উক্তৰে ঈশ্বৰ যে সৰ্বব্যাপক, সৰ্বানুগ, বিশ্বৰূপ সেই তত্ত্ব প্ৰতিপন্ন হৈছে। উপনিষদৰ প্ৰবক্তা ঋষিয়ে ঈশ্বৰক সৰ্বানুগ (immanent) আৰু সৰ্বাতীত (transcedent) বুলি কৈ গাইছে :

ওঁ সহস্ৰশীৰ্ষা পুৰুষঃ সহস্ৰাক্ষঃ সহস্ৰপাৎ।
স ভূমিং বিশ্বতো বৃত্বাহত্যতিষ্ঠত দশাঙ্গুলম্ ॥
শ্বেতাশ্বতৰোপনিষদ—৩।১৪

অৰ্থাৎ সেই পুৰুষ বিশ্ব ব্ৰহ্মাণ্ডৰ পৰিধিৰ ভিতৰ-বাহিৰ সকলোতে বিদ্যমান। তেওঁ বিশ্বৰূপ হৈয়ো বিশ্ব-প্ৰপঞ্চাতীত। তেওঁ সগুণ হৈয়ো নিৰ্গুণ। একে ব্ৰহ্মৰে সগুণ আৰু নিৰ্গুণ বিভাবৰ সমন্বয় সাধন কৰি অসমীয়া বৈষ্ণৱ কবিয়ে গাইছে :



১। তুমি প্ৰভু নিৰ্গুণ গুণৰ সীমা নাই।
নিৰ্গুণ হোৱই জীৱ সেহি গুণ গাই ॥
—বৰগীত।
২। একান্ত ভকতসবে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠক পৰিহৰি যোগীৰ হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত ॥
—নাম ঘোষা।

পৰমেশ্বৰ পূৰ্ণ—সগুণ, নিৰ্গুণ দুই বিভাৱতে পূৰ্ণ। ভগবান দেশ-কাল নিৰপেক্ষ আৰু তেওঁৰ দিব্যজ্ঞান (divine consciousness) মহাকাল অৰ্থাৎ অতীত, বৰ্ত্তমান আৰু ভবিষ্যতৰ ওপৰত পৰিব্যাপ্ত। মানুহ স্বভাৱতে দেশ-কাল সাপেক্ষ হোৱা বাবে মানুহৰ জ্ঞানত, স্বভাৱ চৰিত্ৰত সেইবোৰৰ প্ৰভাৱ পৰে। তেনে প্ৰভাৱ পৰিলেও মানুহৰ বিবেক-বুদ্ধি সদায় ভগবানৰ লগত বিজড়িত। সেয়েহে মানুহৰ লগত পৰমেশ্বৰৰ এটা শাশ্বত অবিচ্ছেদ্য সম্পৰ্ক আছে। কিন্তু অবিদ্যাৰে আচ্ছন্ন হৈ থকা বাবে মানুহে এই মঙ্গল-মধুৰ অবিনশ্বৰ সম্পৰ্ক সহজতে উপলব্ধি কৰিব নোৱাৰে। কিন্তু অনুক্ষণ শ্ৰৱণ-কীৰ্তনৰ ফলত মানুহৰ জ্ঞান চকু মেল খায়, বিষয়ত বিৰক্তি ঘটে, পৰমেশ্বৰত পৰিনিষ্ঠা মতি নাইবা একাগ্ৰ অনুৰক্তি ওপজে তেনে অৱস্থাত সেই সম্পৰ্কবো উপলব্ধি হয় আৰু তেতিয়াহে সেই একেশ্বৰৰ অনুকম্পা লাভ কৰি মোহ-মুক্তি লাভ কৰিবলৈ জীৱ সক্ষম হয়। এয়ে জীৱৰ মায়া তৰণ :

'ভগবন্ত মাধবৰ অভয় চৰণে।
কৰিলে আশ্ৰয় যিটো কায়-বাক্য-মনে ॥
ঈশ্বৰ মাধবে তেৱেঁ কৰে তাৰ দয়া।
তৰয় দুৰ্ঘোৰ সিটো ঈশ্বৰত মায়া ॥

নামধৰ্মত ভগবানৰ অশেষ গুণৰ সাৰশেষ শ্ৰৱন-কীৰ্তন-বন্দন সম্ভৱ নহয়। ভগবানৰ অনন্ত লীলাৰ ওৰ বিচাৰি পোৱাটোও সম্ভৱ নহয় :

সহস্ৰ বয়নে গুণ গাৱত ডিনে ডিনে
বয়নে কৰত বখানা।
হৰিনাম গুণ যশ মহিমাক তবহু
অন্ত নাহি জানা ॥
সনক সনাতন আদি যোগীগণ
যাকেৰি মহিমা নজানা।
হামু মূৰুখ কেমনে জানব হৰি
গতি তুহু মাধব পানা ॥

সেয়েহে ভক্ত কবি মাধবদেৱে বিভুৰ ব্যাপকতালৈ আৰু অতৰ্ক্য অপৰিসীম মহিমালৈ বিস্মিত হৈ চাই গাইছে :

কহিতে বিস্ময় বিপৰীত শুনিবাৰ।
কোথা শুনিয়াছ ভাই ব্ৰহ্মেৰ বিহাৰ ॥
অনুমানে কহে যাক সকল নিগমে।
সোহি হৰি ক্ৰীড়া কৰে গোপ শিশুসঙ্গে ॥

আৰু সেয়েহে তেওঁ অকিঞ্চন ভক্তৰ সীমিত সামৰ্থ্যলৈ লক্ষ্য কৰি আনত শিৰে কৈছে :

'ৰাম বুলি শুদ্ধ কৰা মন।'



## কালান্বয়ৰ প্ৰতি আওকাণ

সম্পাদক ডাঙৰীয়া,

আমাৰ সাধাৰণ কথা-বতৰাত বৈয়াকৰণিক নীতি-নিয়মলৈ ভ্ৰূক্ষেপ নকৰাকৈ মুখত যি আহে তাকে কৈ ভাবপ্ৰকাশ কৰাৰ দৰে, আমাৰ লিখকসকলে কালান্বয় ( sequence of tense ) নামৰ বৈয়াকৰণিক বিধান অৱজ্ঞা কৰি যিহকে তিহকে লিখি পেলোৱাটো এটা সাধাৰণ অভ্যাসত পৰিণত হৈছেহি। বোধহয় আমাৰ অতি ওখ ঠাইত বহি থকা ভাষা-সাহিত্যৰ ৰৰ ৰৰ ওস্তাসকলৰপৰা আৰম্ভ কৰি মোৰ নিচিনা অভাজনলৈকে কোনোৱেই ইয়াৰ হাত সাৰিব পৰা নাই। আপুনি আপোনাৰ নিজৰ সম্পাদিত কাকতখনিকে আদি কৰি যেই সেই এখনি বাতৰি-কাকত, আলোচনী-কাকত আৰু কিতাপত মন দি চকু ফুৰাই চালেই ব্যাকৰণৰ শ'ল-মাৰি-ভঙা এই দোষটো প্ৰায় প্ৰতিজন লিখকৰ লেখাতে ধৰা পেলাব পাৰিব। একোটা কাহিনী, গল্প বা জীৱনী লিখিবলৈ গৈ তাৰ শেহতীয়া ঘটনাৰ কথা পোনতেই অতীত কালৰ ক্ৰিয়াপদত লিখি বাক্যটো সম্পূৰ্ণ কৰি, সেই ঘটনাতকৈ আগতীয়া ঘটনা বৰ্তমান কালৰ ক্ৰিয়াৰে লিখা দস্তুৰ বৰ বেছি পৰিমাণে প্ৰকাশ পাবলৈ ধৰিছে। এজন মানুহৰ মৃত্যু-সংবাদ লিখোঁতে তেওঁৰ অমুক তাৰিখে "মৃত্যু হ'ল" বুলি আৰম্ভণিতে লিখি অতাই তাৰ ঠিক পাছতেই মৃতকৰ জীৱন-পৰিচয় দিবলৈ যোৱা হয় এনে ধৰণে,—তেওঁৰ জন্ম হয় অমুক তাৰিখে, অমুক চনত তেওঁ স্কুলত ভৰ্ত্তি হয়, তেওঁ শ্ৰেণীত বৰ ভাব ল'ৰা আছিল, ইত্যাদি। এতিয়া প্ৰশ্ন কৰিব লগীয়া হয়, মৃতকজনৰ মৃত্যু বা ভাল ছাত্ৰ হোৱাটো আগ নে তেওঁৰ জন্ম আৰু স্কুলত ভৰ্তি হোৱাটো আগ? সিয়ান ন-শিকাৰুৱে এনেকৈ একে দফা কথাতে ক্ৰিয়া-কালৰ বিসঙ্গতি হোৱা দেখি অসমীয়া লিখকসকলৰ সাধাৰণ কালান্বয়ৰ জ্ঞানফেৰিৰো অভাৱ বুলি মন্তব্য নকৰাকৈ নেথাকে। আজিকালি অসমীয়া ভাষা ৰাজ্য ভাষা হোৱাৰ গুণে ভাৰতৰ অন্যান্য ঠাইৰপৰা অহা ভাল ভাল উচ্চশিক্ষিত কৰ্মচাৰী আদিয়েও ইয়াক শিকিব লগীয়া হৈছে। আমাৰ ভাষাটোনো কিমানদূৰ উন্নত সেইটো তেওঁলোকে বিচাৰ কৰে। অনুন্নত উপভাষা বিলাকৰ দৰেই বৈয়াকৰণিক নীতি-নিয়মৰ একো ধাৰ ধৰিব নজনা বিধৰ ভাষা বুলি তেওঁলোকে আমাৰ ভাষাটোকো ধৰি লৈ তেওঁলোকৰ নিজ নিজ ৰাজ্যৰ কাকত-পত্ৰাদিত এই বিষয়ে লিখিবলৈ গ'লে অসমীয়া ভাষা-সাহিত্যৰ মৰ্যাদাত নিশ্চয় আঘাত পৰিব।

আমাৰ অনেক খ্যাতনামা লিখকো এই বৈয়াকৰণিক দোষৰপৰা মুক্ত নোহোৱা দেখি সম্প্ৰতি এনে বিধৰ কোনো লেখা অবিকল উদ্ধৃত কৰি সমালোচনা কৰিবলৈ আমি ভাল পোৱা নাই।

আপোনাৰ কাকতৰ জৰিয়তে আমি সকলো লিখক-লিখিকালৈকে অনুৰোধ জনাওঁ তেওঁলোকসকলে যেন এই সৰ্বব্যাপক দোষটিৰ প্ৰতি সতৰ্ক হয়।

শ্ৰীমোহন চন্দ্ৰ মহন্ত,
অধিবক্তা, যোৰহাট।



## অৰুণাচল প্ৰসঙ্গ আৰু অৰুণাচলৰ বেদনা

শ্ৰদ্ধেয় সম্পাদক ডাঙৰীয়া,

অসম সাহিত্য সভা পত্ৰিকাৰ ১৮৯৫ শক শাওন (চতুৰ্থ) সংখ্যাৰ অসম-অৰুণাচল প্ৰসঙ্গ আৰু ভাদ (পঞ্চম) সংখ্যাৰ 'এৰাবোটলা যৎকিঞ্চিৎ' শিতানত অৰুণা-চলৰ বেদনা শীৰ্ষক টোকা দুটিৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষিত হৈছে। এই বিষয়ত অসম-অৰুণাচলৰ মাজত সম্পৰ্ক ৰক্ষা কৰাত উত্তৰ লক্ষীমপুৰত বহুত বছৰৰ পৰাই চেষ্টা চলি থকা কথা হয়তো অসমৰ বহুতেই নাজানে। অৰুণাচলৰ দুখন জনবহুল জিলা সোৱনশিৰি আৰু চিয়াং লক্ষীমপুৰ জিলাৰ সীমাতে আছে। লক্ষীম-পুৰৰ বিশিষ্ট সমাজ-সেৱক মাননীয় শ্ৰীমহানন্দ বৰাদেৱে অকলশৰে এই চেষ্টা কৰিছিল ১৯৫৩ চনতে। বৰ্তমানৰ চাৰতি জনকল্যাণ কেন্দ্ৰতে ৰাজ্যপাল ভূমিকম্প সাহায্য নিধিৰ পৰা তেখেতে সোৱণশিৰি জিলাৰ ২০ জন নিচি আৰু আপাতানি ছাত্ৰ তেখেতৰ লগত ৰাখি অসমীয়া পঢ়ুৱাই—নাম-কীৰ্তন, খোল-তাল শিকাইছিল। কোনো ফালৰ পৰা সহায় নাপাই ১৯৫৫ চনত এই ল'ৰাবোৰক নেফা (অৰুণাচল) প্ৰশাসনক চমজাই দিব লগাত পৰে: আৰু এই ছাত্ৰকেইজনেই জিৰোত নতুন হাইস্কুলত অসমীয়া মাধ্যমৰ কাৰণে আন্দোলন কৰিছিল যি আন্দোলন সমগ্ৰ নেফাত (অৰুণাচলত) বিয়পি পৰি-ছিল। ইয়াৰ পিছত ভাৰতৰ প্ৰধান মন্ত্ৰী ৺লালবাহাদুৰ শাস্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰী ৺বিমলা প্ৰসাদ চলিহাদেৱৰ উদগনিত নেফাৰ লগত সম্পৰ্ক ৰক্ষাৰ কাম আকৌ ১৯৬২ চনত আৰম্ভ হয়। তাৰ ফলস্বৰূপে আজিও শতাধিক ছাত্ৰ-ছাত্ৰীৰে খাৰমৰা আদৰ্শ সত্ৰ চিয়াঙলীত আৰু এশ ছাত্ৰ আৰু চল্লিশ গৰাকী অৰুণাচলৰ ছাত্ৰীৰে সোৱণশিৰি সেৱাশ্ৰম উত্তৰ লক্ষীমপুৰ কলেজৰ ওচৰতে চলি আছে আজি সাত বছৰ আগৰে পৰা। এই সোৱণশিৰি সেৱাশ্ৰমৰ সভাপতি হ'ল—নিকামুল সত্ৰাধিকাৰ শ্ৰদ্ধেয় শ্ৰীগহন চন্দ্ৰ গোস্বামীদেৱ আৰু সম্পাদক—মাননীয় শ্ৰীমহানন্দ বৰাদেৱ। অৰুণাচলৰ ভিতৰতো শ্ৰদ্ধেয় বৰাদেৱে কেইবাটিও শাখা-কেন্দ্ৰ কৰিছিল; তাৰ দুটি (গোমটু আৰু পিতেপুল) এতিয়াও চলি আছে।

শ্ৰীবৰাদেৱৰ এই কামে এই অঞ্চলত অসম অৰুণা-চলৰ সম্বন্ধ ভাল কৰিয়েই ৰাখিছে। তেখেতৰ আশ্ৰমৰ ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া বৰগীত, নাম-কীৰ্তন, অংকীয়া ভাওনা নিয়াৰিকৈ কৰিব পাৰে। তেখেতৰ আশ্ৰমত এই দুখন জিলাৰ ৮টি উপজাতিৰ ছাত্ৰ-ছাত্ৰীয়ে ভৈয়ামৰ ছাত্ৰ-ছত্ৰীৰ লগত একেলগে পঢ়ে। আমি জনাত এই আশ্ৰম পৰিচালনাত অৰুণাচল-প্ৰশাসনে আংশিকভাৱে হলেও বুজন পৰিমাণৰ সাহায্য দি আছে; কিন্তু অসম চৰকাৰে বিশেষ উল্লেখযোগ্য সাহায্য এতিয়াও আগ-বঢ়োৱা নাই যদিও আগলৈ আগ বঢ়াব বুলি আমি আশা কৰোঁ।। লগতে সাহিত্য সভাৰ কাৰ্যকৰী সমিতিৰ বৈঠক এবাৰ ইয়াত বহুৱাই সকলো সদস্যই এই আশ্ৰম পৰিদৰ্শন কৰিবলৈ আৰু ইয়াৰ জৰিয়তে অসম-অৰুণাচল সম্পৰ্ক দৃঢ় কৰিবলৈ চেষ্টা কৰিব। ইতি—

শ্ৰীগোবিন্দ মোহন ডেকা
অধ্যাপক, উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়,
উত্তৰ লক্ষীমপুৰ।

**বিজ্ঞান জগত**

# অসমীয়া বিজ্ঞান সাহিত্য

অধ্যাপক শ্ৰীসোণেশ্বৰ শৰ্মা

( ৬ষ্ঠ সংখ্যাৰ পিছৰ পৰা )

শিশুক দেশৰ ধৰণী বুলি কোৱা হয়। কোনো এখন দেশৰ সংস্কৃতিৰ ভেঁটি সুদৃঢ় কৈ গঢ়ি তুলিবলৈ হলে আৰু কোনো এটা জাতিয়ে সভ্যতাৰ সোপানত দোপত দোপে আগবাঢ়ি যাবলৈ হ'লে শিশুসকলক উপযুক্ত কৰি গঢ়ি তুলিব লাগিব, নহলে তেনে কল্পনা বালিৰ বান্ধৰ দৰে অবাস্তৱ হব। উপযুক্ত পুথি অধ্যয়নৰ যোগেদি শিশুৱে মানসিক উৎকৰ্ষ লাভ কৰে। ইংৰাজী আৰু আন ভাৰতীয় ভাষাত শিশুৰ উপযোগী যিমান পুথি আছে অসমীয়া ভাষাত নাই। বিশেষকৈ অসমীয়া ভাষাত শিশুৰ উপযোগী বৈজ্ঞানিক ৰচনাৰ পৰিমাণ আৰু তাকৰ। কিন্তু শিশুৱে যাতে বৈজ্ঞানিক চিন্তাত উদ্বুদ্ধ হৈ নতুন সুস্থ সমাজ এখন গঢ়াৰ প্ৰেৰণা লাভ কৰিব পাৰে তাৰ বাবে শিশুসকলক বিজ্ঞানৰ ৰহস্যময় অথচ চিৰন্তন সত্য ন ন বিষয়সমূহৰ লগত পৰিচয় কৰি দিয়া প্ৰয়োজন, আৰু তাৰ বাবে প্ৰয়োজন সহজ-সৰল ভাষাত মনোগ্ৰাহীকৈ লিখা কিতাপৰ। এচাম উদ্যোগী লিখকৰ সৎ আৰু আশাশুধীয়া যত্ন নেথাকিলে এনে এটা লক্ষ্যত উপনীত হোৱা সম্ভৱপৰ নহয়। কিয়নো বিজ্ঞানৰ কঠিন বিষয়সমূহ শিশুৰ মনত তিক্ততা বা বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি নোহোৱাকৈ উপস্থাপন কৰা সিমান সহজ কাম নহয়। জন্মৰ পৰাই শিশু সিহঁতৰ প্ৰাকৃতিক পৰিবেশৰ লগত পৰিচিত। সেয়েহে সিহঁতে ওচৰ-পাজৰত দেখা সকলো ঘটনাৰে উপযুক্ত ব্যাখ্যা বিচৰা অতি স্বাভাৱিক; এনে স্বতঃস্ফূৰ্ত অজস্ৰ 'কিয়'ৰ উত্তৰ দিব পাৰিলেহে শিশুৰ মনৰ দুৱাৰ খুলি জ্ঞানৰ বিশাল জগতখনৰ লগত পৰিচয় কৰি দিব পৰা যায়। বিজ্ঞান বিষয়ক পুথিৰ দ্বাৰা এই 'কিয়'ৰ যুক্তিসম্মত বৈজ্ঞানিক তথ্য আগবঢ়াব পৰা যায়।

শিশুৰ মানসিক বিকাশৰ এনে এটা দিশলৈ লক্ষ্য ৰাখি ভিন ভিন লিখক আৰু প্ৰকাশন-অনুষ্ঠান আদিয়ে শিশুৰ উপযোগী কিতাপ প্ৰকাশত আগ্ৰহী হোৱা দেখা গৈছে যদিও ই আৱশ্যক অনুযায়ী হোৱা নাই। এই বিষয়ত আগ ভাগ লৈছে অসম বিজ্ঞান সমিতি আৰু অসম প্ৰকাশন পৰিষদে। তাৰ উপৰি জাতীয় সংহতিত বৰঙণি যোগোৱাৰ উদ্দেশ্য আগত ৰাখি 'নেচনেল বুক ট্ৰাষ্টে' ইংৰাজী আৰু ভাৰতীয় আন ভাষাৰ লগতে অসমীয়া ভাষাতো কেইখনমান শিশু উপযোগী বিজ্ঞানৰ পুথি প্ৰণয়ন কৰি প্ৰকাশ কৰিছে। কিন্তু কিতাপৰ নাম যেনেকৈ আঙুলিৰ মূৰত লিখিব পৰা যায়, সেইদৰে লিখকৰ সংখ্যাও তাকৰ। লিখকসকলৰ ভিতৰত যোন প্ৰথমতে নাম লব লাগিব স্বৰ্গীয় হৰেন্দ্ৰনাথ কলিতাৰ। তেখেতে বহুদিন ধৰি অশেষ কষ্ট স্বীকাৰ কৰি কেইখনমানো সুন্দৰ কিতাপ লিখি থৈ গৈছে। তেখেতে লিখা কিতাপবোৰ হ'ল 'আকাশৰ কথা' (১৯৬৪ চন), 'পৃথিৱীৰ সাধু' (১৯৬৯ চন) আৰু 'চন্দ্ৰ অভিযান' (১৯৭২ চন)। এসময়ৰ গল্প লিখক আৰু অনুবাদক কলিতাই সহজ ভাষাৰে বিভিন্ন বিষয়সমূহ বৰ্ণনা কৰিছে। শিশু সাহিত্য ৰচনাৰ কাৰণে দুবাৰো ভাৰত চৰকাৰৰ দ্বাৰা পুৰস্কৃত কলিতাৰ প্ৰথমখন বিজ্ঞান বিষয়ক পুথি হ'ল 'আকাশৰ কথা'। 'আকাশৰ কথা'ত লিখকে সৌৰজগত আৰু বহিৰ্বিশ্বৰ কথা বৰ্ণনা কৰিছে। গ্ৰহ-নক্ষত্ৰ, হাতীপটি, নীহাৰিকা আদি বিভিন্ন বিষয়ৰ বৰ্ণনা পঢ়ি লৰা-ছোৱালীয়ে কিছু পৰিমাণে হ'লেও নিশা দেখা আকাশখনৰ বিশালতা বুজি পাব আৰু অনিসন্ধিৎসু মনত যোগোৱা অনেক প্ৰশ্নৰ উত্তৰ পাব। তেখেতৰ পৃথিৱীৰ সাধুত আমাৰ চিৰ পৰিচিত পৃথিৱীৰ জন্ম-কথা আৰু পৃথিৱীৰ আৱৰ্তন, পৰিভ্ৰমণ আদি বিভিন্ন প্ৰবন্ধৰ বিষয়ে আলোচনা কৰাৰ লগতে উদ্ভিদ, জীৱ-জন্তু, মেঘ আৰু বৰষুণ, আৰু পৃথিৱীত পোৱা খনিজ দ্ৰব্য আদিৰ বিষয়ে কিছু আভাস দিছে। নিজৰ পৃথিৱীখনৰ ভৌতিক দিশটো সম্পৰ্কে জানিবলৈ আগ্ৰহান্বিত সকলোৱে ইয়াৰ পৰা উপকৃত হব। তেখেতৰ তৃতীয়খন কিতাপ হ'ল 'চন্দ্ৰ অভিযান'। চন্দ্ৰ অভিযানত লিখকে মহাকাশ আৰু চন্দ্ৰলোকৰ বৰ্ণনাৰে আৰম্ভ কৰি এপ'ল' ১৬ অভিযানলৈ ৰাছিয়া আৰু আমেৰিকাৰ মহাকাশ অভিযানসমূহ সুন্দৰ ভাৱে বৰ্ণনা কৰিছে। কিতাপখনৰ শেহত দিয়া ঐতিহাসিক অভিযানসমূহৰ তাৰিখ আৰু অভিযাত্ৰীসকলৰ তালিকাই সোণত সুৱগা চৰাইছে। বিজ্ঞানৰ বিভিন্ন দিশত লিখা এই কিতাপবোৰ বিজ্ঞান বিষয়ক কিতাপৰ প্ৰতি যে ল'ৰা-ছোৱালীৰ ধাউতি বঢ়াব তাত সন্দেহ নাই।

কম বয়সীয়া লৰাছোৱালীৰ কাৰণে উপযোগী আন কেইখনমান কিতাপ হ'ল 'পৰিপুষ্টি বিজ্ঞান' (ড. ৰোহিণী কুমাৰ বৰুৱা, ১৯৫৮), 'পতঙ্গৰ কথা' ( যোগেন্দ্ৰ নাথ শইকীয়া, ১৯৬০ ), 'চকুৰ আঁৰৰ নেদেখা কাহিনী' (ডঃ কনক চন্দ্ৰ মহন্ত, ১৯৬৪), 'বিজ্ঞানৰ বিচিত্ৰ সাধু (শ্ৰীকুমুদ চন্দ্ৰ বৰুৱা, ১৯৬৫), 'সাগৰ সন্ধান' (শ্ৰীজীৱনানন্দ দত্ত, ১৯৬৫), কৰা আৰু শিকা (শ্ৰীপ্ৰভাত চন্দ্ৰ কোঁৱৰ আৰু শ্ৰীননীমাধৱ বৰুৱা, ১৯৬৬), চৰাই বিনন্দীয়া (শ্ৰীপ্ৰফুল্ল দত্ত গোস্বামী, ১৯৬৯ ), 'জীৱজন্তুৰ কথা' (শ্ৰীযোগেন শইকীয়া), 'সাগৰ দেখাৰ সাগৰ' ( শ্ৰীবিজয়কৃষ্ণ দেৱ শৰ্মা), গছৰ বেমাৰ আৰু তাৰ প্ৰতিকাৰ (শ্ৰীধীৰেন বৰঠাকুৰ), 'শিশুবিজ্ঞানীৰ ধকুৱা কাৰখানা (শ্ৰীঅমৰ দত্ত), খাদ্যপ্ৰাণৰ কথা' (ড° প্ৰফুল গোস্বামী), গণিতৰ কথা (ভূপতি ডেকা), অসমৰ বনজ সম্পদ, ৰমণৰ আৱিষ্কাৰ (অনুঃ ইন্দুমোহন দাস), ৰসায়নৰ বাৰ্ত্তাৰ (অনুঃ ইন্দুমোহন দাস), প্লাষ্টিক ৰবৰ আৰু ৰেচম সূতাৰ বিস্ময়কৰ কাহিনী (ড° প্ৰসন্ন গোস্বামী), মানুহ (ভুৱনমোহন দাস, ১৯৬৮), জোনৰ দেশত মানুহ (হৰেন্দ্ৰ বৰ্মণ, ১৯৭১), সৰীসৃপ (শান্তনু তামুলী, ১৯৭২) আকাশী যানৰ কথা (ক্ষীৰধৰ বৰুৱা, ১৯৭২), বাবৰ মাহীয়েক মেকুৰী (অনুঃ মৃগেন্দ্ৰনাথ ৰায়-চৌধুৰী), পখীৰ জগত (অনুঃ সাবিত্ৰী বৰুৱা) বিজ্ঞানকোষ (অসম বিজ্ঞান সমিতি), আৰু 'বিজ্ঞানৰ বিস্ময় বাতৰি' (দ্বীপেন্দ্ৰ নাথ শৰ্মা)।

চকুৰ আঁৰৰ নেদেখা কাহিনীত বেক্টেৰীয়া, কাঠফুলা, শেলাই আদিৰ সাধাৰণ বৰ্ণনাৰ উপৰিও সেইবোৰ মানুহৰ কি কামত লাগে তাৰো বৰ্ণনা আছে। এই জীৱাণুৰ জগতখনৰ ৰহস্যময় কথাবোৰে চেমনীয়াহঁতৰ মনত নিশ্চয় অনুসন্ধিৎসাৰ উদ্ৰেক কৰিব। সাগৰ সন্ধানত লিখকে ৫৭ বিধ সাগৰীয় মাছৰ লগত লৰা-ছোৱালীহঁতক পৰিচয় কৰি দিছে। কিন্তু ওপৰত উল্লেখ কৰা কিতাপসমূহৰ ভিতৰত ডঃ প্ৰফুল্ল দত্ত গোস্বামীৰ 'চৰাই বিনন্দীয়া' নামৰ কিতাপখনৰ এটা সুকীয়া মূল্য আছে। এই কিতাপখন

লিখাৰ আগলৈকে অসমত দেখা পোৱা ৰং-বিৰঙৰ সৰু বৰ অজস্ৰ চৰাইৰ বিষয়ে জানিবৰ কোনো উপায় নাছিল। কিন্তু সদায়ে দেখি থকা বস্তু এটাৰ কথা জানিবৰ কাৰণে সকলোৰে মন উৰাউল হৈ থকা স্বাভাৱিক। যেতিয়া বিলৰ পৰা বা পিতনিৰ পৰা পিত-পিত, টৈ-টৈ, গুড়্-গুড়্ আদি মাত ভাহি আহে, যেতিয়া জাৰণিৰ পৰা মাজনিশা 'নিউ-নিউ'কৈ কৰ্কশ মাত উটি আহে, যেতিয়া ৰাতি পোহৰি পোহৰি হোৱাৰ লগে লগেই আকাশেৰে বিচিত্ৰ ধ্বনি কৰি এজাক চৰাই উৰি যায়, যেতিয়া আকাশত 'মই কেতেকী' 'মই কেতেকী'কৈ এটা চৰায়ে বিনায়, তেতিয়া জানিবৰ মন যায় এই চৰাইবোৰৰ পৰিচয়। সেয়েহে এনে এখন কিতাপৰ প্ৰয়োজন আছিল বৰ বেছি। গোস্বামীয়ে ইয়াত ৬৮ বিধ অসমত দেখা পোৱা চৰাইৰ কথা আলোচনা কৰিছে। সৰহ ভাগ চৰাইৰে ৰেখাচিত্ৰ দিয়া কাৰণে চৰাইবোৰ চিনি পাবলৈ উজু হৈছে। কিন্তু কিতাপখন সম্পূৰ্ণ বুলি কব নোৱাৰি, কিয়নো তাত তেখেতে নিজেই লিখাৰ দৰে সকলোবোৰ চৰাইৰ বিষয়ে লিখিব পৰা নাই। চৰাই সম্বন্ধে আৰু অলপ বেছিকৈ সাধাৰণ বৰ্ণনা কৰি সকলো চৰাইৰে ইংৰাজী নামবোৰ আৰু লগতে লেটিন নামবোৰ দি কিতাপখন উলিয়াব পৰা হলে সোণত সুৱগা চৰিলহেঁতেন। কিন্তু তেখেতে আশা কৰাৰ দৰে কিতাপখনে "ছাত্ৰ-ছাত্ৰীক—চৰাইৰ প্ৰতি আগ্ৰহান্বিত" কৰিবলৈ সমৰ্থ হব।

ওপৰত উল্লেখ কৰা সকলোবোৰ কিতাপ অতি কম বয়সীয়া লৰা-ছোৱালীৰ কাৰণে উপযোগী নহয়; কিয়নো এইবোৰ কিতাপৰ ভাষা কণ কণ মইনাহঁতে বুজিব পৰাকৈ সহজ নহয়। তেওঁলোকৰ বাবে সাধুকথা বা পদ্যৰ পুথি থকাৰ বাহিৰে আন কিতাপ তেনেদৰে নাই। ডঃ প্ৰসন্ন গোস্বামীয়ে লিখা 'জন্তুৰ সাধু', (১৯৬১ চন), ড০ কনক মহন্তই লিখা 'প্ৰাণীজগতৰ বিচিত্ৰ কাহিনী' (১৯৬৫ চন) আৰু ফাইজনুৰ আলিয়ে লিখা 'জীৱ-জগতৰ সাধু' (১৯৭১ চন) আৰু জীৱন দাসৰ 'অকণিৰ অৰণ্যক' (১৯৭১) এই শাৰীত থব পাৰি। জন্তুৰ সাধুত লিখকে সাধুকথাৰ চলেৰে মইনাহঁতক জীৱজন্তুৰ লগত পৰিচয় কৰি দিব বিচাৰিছে। সেই উদ্দেশ্যে তেখেতে এজন ৰজা আৰু ৰজাৰ জীয়েক ধুনীয়া, আৰু এটা চাৰ্কাচ দ'লৰ অৱতাৰণা কৰিছে। গল্প হিচাপে ভাল হলেও গল্পৰ অতি প্ৰাধান্যৰ কাৰণে প্ৰকৃত কথা, অৰ্থাৎ জীৱজন্তুৰ পৰিচয় হেৰাই গৈছে। প্ৰাণীজগতৰ বিচিত্ৰ কাহিনীতো লিখকে অতি সৰল ভাষাৰে বাঘ, হাতী, জেব্ৰা, জিৰাফ, গড়, কেঙ্গাৰু, বাদুলী, শহাপহু, কেৰ্কেটুৱা আৰু হৰিণা আদিৰ লগত পোনপটীয়াভাৱে গল্পৰ আশ্ৰয় নোলোৱাকৈ পৰিচয় কৰি দিছে। জীৱজগতৰ সাধুত লিখকে—কণ কণ ল'ৰা-ছোৱালীক জীৱ-বিজ্ঞানৰ থূলমূল আভাস দিবৰ বাবে যত্নপৰ হৈছে।

ওপৰৰ আলোচনাৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে অসমীয়া ভাষাত বিজ্ঞানৰ বহু শাখাৰ জনপ্ৰিয় লেখনীৰ অভাৱ থাকিলেও লাহে লাহে কিতাপৰ সংখ্যা বাঢ়িবলৈ আৰম্ভ কৰিছে। কিন্তু সেইবুলিয়েই আমি গৌৰৱবোধ কৰিব পৰাকৈ অসমীয়া ভাষাত বৈজ্ঞানিক সাহিত্য ৰচিত হোৱা বুলি কব নোৱাৰো; কিয়নো সংখ্যাই কেতিয়াও গুণৰ মাপকাঠি হব নোৱাৰে।

বিজ্ঞান বিষয়ক ৰচনা নিৰ্ভুল হোৱা বাঞ্ছনীয়; নহলে ই পঢ়ুৱৈৰ মনত বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে। সেয়েহে লিখকসকলে সকলোবোৰ তথ্য চালিজাৰি চাই নিৰ্ভুলভাৱে উপস্থাপন কৰাৰ উপৰিও বিভ্ৰান্তিৰ সৃষ্টি কৰিব পৰা প্ৰকাশভঙ্গীৰ পৰা বিৰত থাকিব লাগে। কিন্তু এতিয়ালৈ প্ৰকাশ পোৱা সৰহখিনি বিজ্ঞানবিষয়ক কিতাপ আৰু প্ৰবন্ধপাতি এনেবোৰ দোষৰ পৰা মুক্ত নহয়। সৰু ল'ৰাছোৱালীয়ে ছপা আখৰত থকা সকলো কথা নিৰ্ভুল আৰু সন্দেহমুক্ত বুলি বিবেচনা কৰে। সেই বাবে অকণিহঁতৰ বাবে কিতাপ লিখোতে এই কথালৈ বিশেষকৈ চকু দিয়া প্ৰয়োজন। সকলোবোৰ কিতাপৰ দোষ আঙুলিয়াই দিয়া এই প্ৰবন্ধৰ উদ্দেশ্য নহয়; তথাপি



এইখিনিতে দুই এটা কথা কোৱা নিশ্চয় অবান্তৰ নহব। একেবাৰে কণ কণ শিশুৰ কাৰণে লিখা 'জীৱজগতৰ সাধু' নামৰ কিতাপখনত ভুল আৰু বিভ্ৰান্তিকৰ প্ৰকাশৰ পৰিমাণ ইমান বেছি যে এই কিতাপখনে উপকাৰতকৈ পঢ়ুৱৈৰ অপকাৰ কৰিব বেছি। এমিবাক যদি জন্তু বোলা হয়, প্ৰবাল পোক সাগৰৰ পানীত থকা চূণৰ অংশৰ পৰা গঠিত হয়, আৰু ভেঁকুৰ জাতীয় "গছবোৰ" বগা বুলি কোৱা হয়; শেলাইয়ে যদি সৰু শিপাৰে আহাৰ টানি আনিব পাৰে বুলি কোৱা হয়; 'ভলভক্স' যদি 'কলপটীয়া ফিটাৰ চামনিৰ দৰে দেখি' বুলি কোৱা হয়; এবিধ 'ফিটা গছৰ' (?) (চি' উইডচ্) দৈৰ্ঘ্য যদি এমাইলমান হয় বুলি বুজোৱা হয়; একেটা পেৰাগ্ৰাফতে ঢেকীয়া গছ বৰ গছৰ সমান ডাঙৰ হয় বুলি কৈ যদি আজি কালি দহ ফুটতকৈ ওখ নহয় বুলি কোৱা হয়; ধপাত, বিলাহী, আলু আদি ছাঁ পৰা ঠাইতহে হয় বুলি শিকোৱা হয়; তিমিক যদি 'হবেল জন্তু' বুলি কোৱা হয়; "আমি জনা জন্তুবিলাকৰ ভিতৰত হৱেলেই একমাত্ৰ জন্তু, যি বৰ্তমান সময়লৈকে পৃথিৱীত জীয়াই আছে" বুলি কোৱা হয়; যদি জেঠীৰ আকৃতিৰ কিছুমান সৰীসৃপে উৰিব পাৰে বুলি শিকোৱা হয়; ৬ কোটি বছৰ আগতে পৃথিৱীৰ পৰা লুপ্ত হোৱা ডাইনোছোৰবোৰে যদি ৭০ হেজাৰ বছৰ আগতে পৃথিৱীত বাস কৰিছিল বুলি কোৱা হয়, তেনেহলে এই কিতাপৰপৰা ল'ৰা-ছোৱালীয়ে যি 'জ্ঞান' আহৰণ কৰিব সেই জ্ঞানে সিহঁতৰ মানসিক বিকাশত কিমান সহায় কৰিব সেই কথা সহজেই অনুমান কৰিব পাৰি। তিমিক মাছৰ শাৰীত বৰ্ণনা কৰা (সাগৰ সন্ধান), "হাতীপটীৰ ওচৰত থাকিবলৈ মুকলি নক্ষত্ৰপুঞ্জবোৰে ভাল পায় যেন দেখা যায়" (বিশ্ব ৰহস্য) বুলি কোৱা, "ৰাতি বিয়লি মানুহক পৰুৱাই পোৱা, অৰ্থাৎ প্ৰাণী পৰুৱাই (ant) পোৱা বুলি বুজাব খোজা (পতঙ্গৰ কথা) ইত্যাদি দোষ কেবাখনো কিতাপত আছে।

এই কিতাপবোৰৰ কেইখনমানৰ এটা লক্ষণ হ'ল গল্পৰ ছলেৰে বিজ্ঞানৰ কাহিনী কোৱা। গল্পৰ ছলেৰে বিজ্ঞানী বিজ্ঞানৰ কথা বুজোৱা বৰ ভাল কথা, কিন্তু বৈজ্ঞানিক তথ্যই সেই গল্পৰ প্ৰয়োজনীয়তা প্ৰমাণ কৰিব পাৰিব লাগিব—অৰ্থাৎ কাহিনী স্বতঃস্ফূৰ্ত হব লাগিব, নহলে তেনে বৈজ্ঞানিক ৰচনাৰ অৱস্থা ময়ূৰৰ পাখি পিন্ধা কাউৰীৰ দৰে হোৱাৰ সম্ভাৱনা থাকে। কোনো কোনোখন কিতাপত বাহিৰা গল্পৰ মাজত আচল বক্তব্য হেৰাই গৈছে (জোনৰ দেশত মানুহ), বা গল্পটো যে জোৰকৈ জাপি দিব বিচৰা হৈছে সেই কথা জল্‌জল্ পট্‌পট্‌কৈ ওলাই পৰিছে (জীৱ জগতৰ সাধু)। জৰ্জ গেমোৱে যেতিয়া বিজ্ঞানৰ কাহিনী এটা কৈ যায় তাত ৰস সৃষ্টিৰ কাৰণে উপলক্ষ্য হিচাবে লোৱা গল্পভাগ আৰু প্ৰকৃত বিজ্ঞান এনেদৰে একীভূত হৈ যায় যে এটাৰ পৰা আনটো পৃথক কৰিব নোৱাৰি; অথচ বৈজ্ঞানিক তথ্যৰ মূল্যও ঠিকেই থাকে। উদাহৰণ স্বৰূপে ১৯৫৩ চনত প্ৰকাশ কৰা—"Mr. Tompking learns the facts of life' নামৰ কিতাপখনৰ কথাই কব পাৰি। অৱশ্যে এয়া নিৰ্ভৰ কৰে লিখকৰ অন্তৰ্দৃষ্টিৰ ওপৰত।

অতি সহজ সৰল ভাষাত লৰা-ছোৱালীৰ উপযোগীকৈ লিখা বিজ্ঞানৰ প্ৰবন্ধ-পাতি নিয়মীয়াকৈ প্ৰকাশ কৰি এসময়ৰ 'পাৰিজাত' আৰু 'পখিলা' নামৰ আলোচনী দুখনে অসমীয়া বিজ্ঞান সাহিত্যলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। তাত প্ৰধানকৈ জীৱবিজ্ঞান, পদাৰ্থ-বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান আদিৰ প্ৰবন্ধ প্ৰকাশ হৈছিল। হৰেন্দ্ৰ নাথ কলিতা, আনন্দেশ্বৰ শৰ্মা, ৰঘুনাথ দেৱ চৌধুৰী, ভবেশ চন্দ্ৰ বৰুৱা, দধি মহন্ত, প্ৰতাপ চন্দ্ৰ মেধি, ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰী আদিয়ে এই আলোচনী দুখনত প্ৰবন্ধ লিখিছিল।

আজি অলপদিন আগলৈকে প্ৰকাশ পাই থকা 'দীপক' নামৰ মাহেকীয়া আলোচনীখনেও শিশু উপযোগী বিজ্ঞান বিষয়ক প্ৰবন্ধ প্ৰকাশ কৰিছিল। আমাৰ

(৭১ পৃষ্ঠাত চাওক)

# এৰাবোটলা যৎকিঞ্চিৎ

অধ্যাপক শ্রীঅতুলচন্দ্ৰ হাজৰিকা

## সাহিত্য একাডেমী

যোৱা ৩০ চেপ্তেম্বৰ (১৯৭৩) তাৰিখে সাহিত্য একাডেমীয়ে বয়োবৃদ্ধ, জ্ঞানবৃদ্ধ শ্রীনীলমণি ফুকন ডাঙৰীয়াক 'ফেল'ছিপ' সন্মান প্রদান কৰি এটা ভাল কামকে কৰিলে নিশ্চয়, লগতে অৱশ্যে নিজেও সন্মানিত হ'ল। ককা নীলমণি সদৌ অসমৰে মৰমৰ চিন্তামণি, তেওঁৰ নামৰ আগত 'বাগ্মীবৰ' চাৰিটা আখৰৰ বাখৰ। একাডেমীয়ে তেওঁক ভালেদিন আগেয়ে চিনি পাব লাগিছিল। পলমকৈ হলেও তেওঁলৈ আগ বঢ়োৱা এই স্বীকৃতিত প্রতিজন অসমীয়া গৌৰৱান্বিত। অসমৰে সৌভাগ্যৰ ফলত লাভ কৰা এটা ধানপুৰীয়া কঠাল এতিয়াও পাতৰ আঁৰতে আছে। পণ্ডিত আনন্দৰাম বৰুৱাৰ পিছত আমাৰ মাজত এনে এজন বিদগ্ধ পণ্ডিতৰ সৃষ্টি হোৱা নাই, আনকি এনে পণ্ডিত ভাৰতবৰ্ষতেই নিচেই তাকৰ। সন্দিকৈদেৱ নিজে মান-সন্মানৰ বাহিৰত, জ্ঞানৰ অতল পৰিধিত নিমগ্ন হৈ থাকি ভাল পায়। ধ্যান-মগ্ন তপস্বীৰ দৰে তেওঁ ওৰে জীৱন জ্ঞানৰ সাধনাত অতিবাহিত কৰিছে। সেয়ে হলেও আমাৰ বিশেষকৈ সাহিত্য একাডেমীৰ নিচিনা জাতীয় অনুষ্ঠানৰ তেওঁৰ প্রতি একো কৰ্তব্য নাইনে? এই বিশ্ববৰেণ্য পণ্ডিত গৰাকীক সন্মানিত কৰিবলৈ একাডেমীয়ে কিয় কিৰ্পিণালি কৰিছে আমি বুজিব পৰা নাই।

ফুকন ডাঙৰীয়াক সন্মান প্রদৰ্শন সম্পৰ্কত কেইবাটাও বিসদৃশ কাৰ্য দেখি আমি ভাল পোৱা নাই। জন্মজয়ন্তে কৰলৈ গ'লে আন আন দুষ্প্রাপ্য খাদ্য সামগ্ৰীৰ দৰে উছবৰ নিমন্ত্ৰণী পত্রবোৰো বোধকৰো কণ্ট্ৰোল কৰি প্রচাৰ কৰা হৈছিল। কেইগৰাকীমান লব্ধপ্রতিষ্ঠ সাহিত্যিকেও নিমন্ত্ৰণ নোপোৱা বুলি জানিব পাৰি আমি আচৰিত হৈছোঁ। এই লিখক আৰু গুৱাহাটীৰ জনচেৰেক সাহিত্যিকে নিমন্ত্ৰণ পত্র পাইছিল অনুষ্ঠান শেষ হৈ যোৱাৰ পাছত। আনহাতে এনেদৰে ডাকটিকটৰ শ্ৰাদ্ধ কৰাটো অনুচিত।

বাতৰি কাকতত পঢ়িবলৈ পোৱামতে অনুষ্ঠানৰ কাৰ্যসূচী আদি আছিল চমু আৰু পাল মৰা ধৰণৰ। এই অনুষ্ঠান অসম সাহিত্য সভাৰ কাৰ্যালয় থকা চন্দ্ৰকান্ত ভৱন চৌহদত নেপাতি চৰকাৰী জিলা-পুথিভৰালত পতাৰ কাৰণো আমাৰ বোধগম্য নহ'ল। অসম সাহিত্য সভা আৰু সাহিত্য একাডেমীৰ সম্পৰ্ক নিশ্চয় তেল পানীৰ সম্পৰ্ক নহয় বুলি আমি ভাবোঁ। সেই কাৰণে এই পবিত্র অনুষ্ঠান পাল মৰা ভাবে চৰকাৰী পুথিভঁৰালত নেপাতি অসম সাহিত্য সভাৰ ভৱন বা প্রাঙ্গণত হলে আৰু এজন আঞ্চলিক বিষয়াৰ পৰিবৰ্তে একাডেমীৰ সভাপতি বা উপসভাপতিৰ পৌৰোহিত্যত অধিক



আকৰ্ষণীয় ভাবে অনুষ্ঠিত হোৱা হলে অসমৰ সুধী সাহিত্যিক সমাজে বেছি আনন্দ লভিলেহেঁতেন।

এইটো অপ্রিয় হলেও সঁচা যে সাহিত্য একাডেমীয়ে আজি ইমান বছৰৰ পিছতো অসমীয়া ৰাইজৰ মনত কাৰবাৰ কোনোবা হৈ আছে। উপদেষ্টা সমিতি আৰু দুই এক লাগি ফুৰা অসমীয়া বিষয়াৰ বাহিৰে আনে ইয়াৰ কাৰ্য্য-কলাপৰ বৰকৈ ভুতটং নেপায়। কোনো বছৰ একাডেমী বঁটা দিয়া হয়, কোনো বছৰ বাদপৰে, সিমানেই ইয়াৰ লগত আমাৰ সম্পৰ্ক। আন আন আঞ্চলিক ভাষাৰ তুলনাত একাডেমীয়ে অসমীয়া ভাষাত প্রকাশ কৰা কিতাপৰ সংখ্যা আপেক্ষাকৃত ভাবে তাকৰ। যি কেইখন কিতাপ এতিয়ালৈকে প্রকাশ হৈছে তাৰো দুইছাই দাম। সিও সকলো কিতাপৰ দোকানতে সহজ লভ্য নহয়। সেইবোৰৰ গুণাগুণৰ বিষয়ে—আলোচনা বিলোচনা হোৱাও চকুত নপৰে। উদাহৰণ স্বৰূপে অলপতে—একাডেমীয়ে প্রকাশ কৰা শ্ৰীকীৰ্তিনাথ হাজৰিকাৰ 'এহেজাৰ এনিশা' নামৰ গ্ৰন্থখনৰ কথাকে উল্লেখ কৰিছোঁ। কিতাপখন যুগুত হোৱাৰ পিছতো ছপাৰ পোহৰ দেখা পাবলৈ আৱশ্যক হ'ল সুদীৰ্ঘ বাৰ বছৰ। এই গহবিৰ কাৰণ কি? আমাৰ ছাত্র অৱস্থাতে একে বিষয়ৰ আন এখন শকত কিতাপ পঢ়িবলৈ পাইছিলোঁ; নাম 'আৰবৰ উপন্যাস'। ৰচনা কৰিছিল যুটীয়াভাবে ৺ৰত্নধৰ শৰ্মা আৰু শ্ৰীগুণাভিৰাম শৰ্মাই। প্রকাশ কৰিছিল ডিবুৰুৰ এজেন্সি কোম্পানীয়ে। কম দাম হোৱাৰ বাবে সেই কিতাপ সহজে পাঠকৰ হাতত পৰিছিল। বৰ্তমানে সেই কিতাপ দুষ্প্রাপ্য। একাডেমীৰ 'এহেজাৰ এনিশাৰ সাধু'ৰ দাম ধাৰ্য কৰা হৈছে ওঠৰ টকা। ইচ্ছা থাকিলেও চৰা দামৰ বাবে যেয়ে সেয়ে ইয়াৰ কাষ চাপিব নোৱাৰে। ভাৰত চৰকাৰৰ অনুদান-প্রাপ্ত একাডেমীৰ প্রায়বোৰ পুথিৰ এনে জুই-ছাই দাম হোৱাটো কেতিয়াও বাঞ্ছনীয় নহয়। কিয়নো সাহিত্য একাডেমী লাভলৈ মুখ মেলা বেপাৰী অনুষ্ঠান হব নালাগে। ঠোৰতে আমি এই কথা কব পাৰোঁ যে সাহিত্য একাডেমীয়ে এই পৰ্য্যন্ত অসমীয়া ভাষা-সাহিত্যৰ প্রসাৰ আৰু প্রচাৰত যিখিনি কৰিছে, সেই কাৰ্য মনসা দেৱীক চান্দো সাওদে বাঁও হাতেৰে বেলপাত দিয়া বা কণা হাঁহক পতান দিয়াৰ নিচিনাহে হৈছে।

## অসম সাহিত্য সভাৰ সভাপতি প্ৰসঙ্গ

অসম সাহিত্য সভাৰ অহা ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হবলগীয়া আগন্তুক মঙলদৈ অধিবেশনৰ বাবে চিৰচেনেহী মোৰ ভাষা জননীৰ মুখ উজ্জ্বল কৰোঁতা ডঃ শ্ৰীমহেশ্বৰ নেওগদেৱ বিপুল ভোটাধিক্যত সভাপতি নিৰ্বাচিত হোৱাত আশাৰ ৰেঙণি দেখা পোৱা গৈছে। অসমীয়া সাহিত্যিকসকলে যে অতিযোগ্য জনলৈকে এই সন্মানৰ আসন আগবঢ়াইছে সেই বিষয়ে কাৰো মনত খুকুৰি নাই। এই বাচনিত আমাৰ বোধেৰে আটাইতকৈ সন্তুষ্ট হোৱা উচিত বৰ্ত্তমান সভাপতি শ্ৰীগিৰিধৰ শৰ্মাদেৱ; কিয়নো তেওঁ ইতিমধ্যে যিবোৰ আঁচনি হাতত লৈছে তেওঁৰ উত্তৰাধিকাৰীৰ পদটো অপাত্রস্থ পৰা হলে সেই সকলোবোৰ খানবান হৈ যোৱাৰ সম্ভাৱনা আছিল। শৰ্মাদেৱ আৰু নেওগদেৱ দুয়োজনেই ভীমকৰ্মা পুৰুষ। অসম সাহিত্য সভাৰ বুৰঞ্জীত প্রধান সম্পাদক হিচাপেও নেওগদেৱে ইতিপূৰ্বে বিশিষ্ট অৰিহণা আগ বঢ়াই থৈছে। গুৱাহাটীৰ ভগৱতী প্রসাদ বৰুৱা ভৱন আৰু 'পবিত্র অসম' কনকলাল বৰুৱাৰ, ইংৰাজী ৰচনাৱলী গ্ৰন্থ আদি কেবাবনো মূল্যবান গ্ৰন্থই অসম সাহিত্য সভাত নেওগৰ জয় নিচান উৰুৱাই আছে, আগলৈকে নিশ্চয় এই নিচান তললৈ নানামে।

ডঃ নেওগৰ পাণ্ডিত্য আৰু অসমৰ বাহিৰত তেওঁ যেনেকৈ অসমীয়া ভাষা-সাহিত্যৰ প্রচাৰৰ ক্ষেত্রত অৰিহণা আগবঢ়াই আহিছে সেই কথা দোহাৰিবৰ আৱশ্যক নাই। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ প্রতিভা ইংৰাজী মাধ্য-

যেৰে প্ৰকাশ কৰি ডঃ নেওগেই সৰ্বভাৰতত প্ৰতিষ্ঠা কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়, সাহিত্য একাডেমী, সঙ্গীত নাটক একাডেমী, অসম প্ৰকাশন পৰিষদ, অসম সঙ্গীত সত্ৰ আদি ভালে কেইখন অনুষ্ঠানৰ লগত নেওগ জড়িত হৈ আছে। ইয়াৰ কোনোখনতে তেওঁৰ ভূমিকা পাল যৰা বিধৰ নহয়। তেওঁৰ মূৰত অসম সাহিত্য সভাৰ সভাপতি মেটমৰা ভাৰখনো পৰিল। ইমানবোৰ দায়িত্ব একেলগে তেওঁ সুচাৰুৰূপে বহন কৰিব কেনেকৈ? আমাৰ নিচিনা সাধাৰণ শক্তিৰ মানুহৰ পক্ষে নিশ্চয় ই দুৰ্বহ বোজা। কিন্তু নেওগৰ পক্ষে ই একো চিন্তনীয় বিষয় নহয়।

শিক্ষা-সংস্কৃতি সংক্ৰান্ত নানা বিষয়ত অসমৰ মন্ত্ৰী সকলৰ দৰে সুদৃঢ় দিল্লী নেওগ ভাত-ঘৰৰ নিচিনা হৈছে।

দুটা বিশেষ গুণে ডঃ নেওগক ক্ৰমাৎ ওপৰলৈ তুলিছে বুলি মই বিশ্বাস কৰোঁ—এটা হৈছে তেওঁৰ অদম্য কৰ্ম শক্তি আৰু আনটো হৈছে অসাধাৰণ সহন শক্তি। কোনো কামতে তেওঁ আমাৰ দৰে ভাগৰি নপৰে আৰু যিটো কামতে হাত দিয়ে কাৰ্যসিদ্ধি নোহোৱালৈকে সেই কামত তেওঁ কঠালৰ এঠাৰ দৰে লাগি থাকে।

সিদিনা সবিতা সভাৰ এখন ৰাজহুৱা সভাত প্ৰায় প্ৰতিজন বক্তাই কৈছিল বোলে নেওগৰ আমোল হব অসমীয়া জাতিৰ পক্ষে এটা সঙ্কটপূৰ্ণ বছৰ। আমি কিন্তু এই কথাত একমত নহওঁ। অসমীয়া ভাষা-সাহিত্যৰ বাবেনো কোনটো বছৰ সঙ্কটপূৰ্ণ নহয়? শ্ৰীগিৰিধৰ শৰ্মাৰ বছৰটো জানো সঙ্কটপূৰ্ণ নাছিল? যিমান দিন ৰাজনীতি কলিৰ ভোগদখল চলি থাকিব, যিমান দিন দলা দলি আৰু ক্ষমতাৰ খক চলি থাকিব, যিমান দিনে বহিৰাগতৰ বৰনোটৰ হুতাশনী-ভোক চলি থাকিব, সিমান দিনলৈকে এই শঙ্কট অব্যাহত ভাবে চলি থাকিব নিশ্চয়। সেয়ে হলেও শ্ৰীনেওগ যে এজন নিপুণ কৰ্ণধাৰ—সেই কথা স্বীকাৰ্য।

শৰ্মা ডাঙৰীয়াৰ খেতিথন চপাবৰ সময় হৈ আহিছে। এইখেতি 'ৰবি-শস্য'ৰ খেতি নহয়, সাহিত্য শস্যৰ খেতি। ভাল ফল পোৱা যাব বুলি সকলোৱে আশা কৰি আছে। কাৰ্য নিৰ্বাহকে সভাপতি নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ লগে লগে শ্ৰীগিৰিধৰ শৰ্মা ডাঙৰীয়া হ'ল অসম সাহিত্য সভাৰ বুঢ়াঅধিকাৰ আৰু ডঃ নেওগ হ'ল ডেকা অধিকাৰ। ডেকা অধিকাৰ পাটত বহিবৰ সময় চমু চাপি আহিছে।

## এজন খ্যাতিমন্ত হেড্‌মাষ্টৰ

অসমীয়াতকৈ বঙালীসকলে এশ বছৰমো আগতে পাশ্চাত্য ইংৰাজী ভাষা-সাহিত্যৰ পোহৰৰ মুখ দেখা পাইছিল। সেইকাৰণে আমাৰ অসম ৰাজ্যত বৃটিছ আমোলৰ আগছোৱাত চাকৰি-বাকৰি সকলো ক্ষেত্ৰতে বিশেষকৈ শিক্ষা জগতত বঙালীসকলৰে প্ৰভুত্ব আছিল এজনীয়া আৰু দৰাচলতে বঙালী হেড্‌মাষ্টৰসকলেই অসমৰ মাধ্যমিক আৰু উচ্চ শিক্ষাৰ বুনিয়াদ গঢ়ি তুলিছিল। সেইবাবেই সেই সকলৰ ওচৰত আমি নিশ্চয় কৃতজ্ঞ। সেইছোৱা কালৰে আদি আৰু পিছৰ কালে যি কেইজন অসমীয়াই ধ্বাকত জিলিকা হৈ উঠি অসমৰ শিক্ষাজগতত মচিব নোৱাৰা সঁচ এৰি থৈ গৈছে সেই সকল হৈছে চন্দ্ৰমোহন গোস্বামী, লক্ষ্মীনাথ শৰ্মা, ৰামেশ্বৰ বৰুৱা, কালিৰাম দত্ত, ভাৰত চন্দ্ৰ চলিহা ৰমণীকান্ত বৰুৱা, জেহিৰুদ্দিন আহমেদ, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, চৈফুদ্দিন আহমেদ, শ্ৰীঅম্বৰাম বৰুৱা, মণিৰাম দাস, ৰাজকুমাৰ শ্ৰীসুৰেশ্বৰ গোহাঁই প্ৰভৃতি। এই সকলৰে অন্যতম জেহিৰুদ্দিন আহমেদক আজি আমি স্মৰণ কৰিবলৈ কাপ তুলি লৈছোঁ। ওপৰত নাম লোৱা শিক্ষাবিদসকলৰ মাজত



আহমেদ চাহাব আছিল Last of the Roman অৰ্থাৎ ৰোমান সকলৰ শেষৰ জন।

যোৱা ২৭ ছেপ্তেম্বৰ তাৰিখে ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজত অসমৰ বিশিষ্ট শিক্ষাবিদ যোৰহাটৰ প্ৰবীণ নাগৰিক আৰু যোৰহাট চৰকাৰী উচ্চ বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক খান বাহাদুৰ জেহিৰুদ্দিন আহমেদে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় চাৰি কুৰি ছবছৰ। আহমেদ চাহাব আছিল চিৰকুমাৰ। তেওঁ শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰতে একাগ্ৰপতীয়াকৈ আত্মনিয়োগ কৰিছিল।

আহমেদৰ জন্ম হৈছিল শিৱসাগৰত ১৮৮৭ চনত। তেওঁ ১৯০৯ চনত যোৰহাট চৰকাৰী বিদ্যালয়ৰ পৰা প্ৰবেশিকা মহলাত উঠি কলিকতাৰ বঙ্গবাসী কলেজত অধ্যয়ন কৰেগৈ। ১৯১৪ চনত তেওঁ কলিকতাৰ পৰা বি.এ. ডিগ্ৰী আৰু ১৯২২ চনত ঢাকাৰ পৰা বি. টি. ডিগ্ৰী লাভ কৰে। যোৰহাট হাইস্কুলতে তেওঁৰ শিক্ষকতা জীৱনৰ আৰম্ভণি ১৯১১ চনত আৰু তাতেই সামৰণিও পৰে ১৯৪২ চনত। সেইখন স্কুলতে তেওঁ ১৯০০ চনৰ পৰা ১৯৪২ চনলৈকে একেৰাহে হেডমাষ্টৰৰ পদত থাকি অৱসৰ গ্ৰহণ কৰিছিল সুখ্যাতিৰ মাজত। কৃতী শিক্ষাৰ কৰ্ণধাৰ শৰৎচন্দ্ৰ গোস্বামী দেৱৰ বিশ্বাসভাজন শিক্ষকসকলৰ মাজত নিঃসন্দেহে আহমেদৰো স্থান আছিল। স্কুলত নিয়মানুবৰ্তী চোকা প্ৰশাসক হিচাপে তেওঁৰ ভয়ত বাঘে-ছাগে একে ঘাটত পানী খাইছিল। তথাপি তেওঁ ছাত্ৰসকলৰ অতিশয় প্ৰিয়পাত্ৰ আৰু আপোনজন হব পাৰিছিল। শিক্ষা, খেল-ধেমালি স্কাউটিং আদিত বিশেষ কৃতিত্ব দেখুৱাই তেওঁ যোৰহটীয়া ৰাইজৰো স্নেহ আৰু শ্ৰদ্ধাৰ পাত্ৰ হৈছিল। সেই সময়ৰ ৰাজ্যিক চৰকাৰেও তেওঁৰ গুণৰ স্বীকৃতি হিচাপে প্ৰথমতে খান চাহেব আৰু পিছত খান বাহাদুৰ সম্মান দিছিল।

অসম সাহিত্য-সভাক কেঁচুৱা কালতে তুলিতালি লওঁতাসকলৰ মাজতো জেহিৰুদ্দিন আহমেদৰ নাম লব পাৰি। সেইটো আছিল অসম সাহিত্য সভাৰ শৰৎ গোঁসাইৰ যুগ। গোস্বামী প্ৰভুৰ নিপুণ সংগঠনত অসম সাহিত্য সভাই চেৰাশালিৰ পৰা ওলাই দোপত দোপে উন্নতিৰ বাটত আগ বাঢ়িছিল। তেওঁক যিসকলে সেই কামত সহায়তা আগবঢ়াইছিল সেইসকলৰ মাজতো আছিল জেহিৰুদ্দিন আহমেদ। সেই সময়ত অসম সাহিত্য সভাৰ প্ৰথম কাৰ্যনিৰ্বাহক সভা আৰু তাৰ পিছতো তেওঁ একেৰাহে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সভাৰ সক্ৰিয় সদস্য আছিল। এবাৰ তেওঁ সভাৰ ধনভঁৰালীৰ পদত থাকিব লগীয়া হৈছিল। স্বৰ্গীয় দেৱেশ্বৰ শৰ্মা আৰু নকুল চন্দ্ৰ ভূঞাৰ দৰে তেওঁ নিতৌ এবেলি ফুৰিচাকি আহি চন্দ্ৰকান্ত সন্দিকৈ ভৱনত ভুমুকি এটা মাৰিছিল। মুঠতে অসম সাহিত্য সভাৰ লগত তেওঁৰ ওতপ্ৰোত মৰমৰ বান্ধ আছিল। নিজে সাহিত্যিক হৈ হাতত কাপ তুলি নললেও যে সাহিত্য সেৱা কৰিব পাৰি আহমেদৰ জীৱনতে তাৰ চানেকী পোৱা যায়। সেয়েহে তেওঁৰ মৃতদেহ কাৰ্যালয় চন্দ্ৰকান্ত ভৱন প্ৰাঙ্গণলৈ নিয়া হৈছিল আৰু তাত অসম সাহিত্য সভাৰ হৈ দুগৰাকী সভাৰ প্ৰাক্তন সভাপতি ৰাগ্মীবৰ শ্ৰীনীলমণি ফুকন আৰু বকুল বনৰ কবি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাই মাল্যদান কৰিছিল। এইজনা বহুগুণী পুৰুষৰ পুণ্য স্মৃতিত আমিও মূৰ দোৱাইছো।

## সাহিত্য একাডেমী বঁটা

সাহিত্য একাডেমীয়ে বছৰি ভাৰতীয় আঞ্চলিক ভাষাবোৰক একোটাকৈ পাচহেজাৰ টকীয়া বঁটা বিতৰণ কৰে। অসমীয়া সাহিত্যৰ সম্পৰ্কতে এই বঁটাৰ বায় প্ৰদান বহস্যজনক আৰু তাৎপৰ্যপূৰ্ণ। অসমীয়া সাহিত্যিকলৈ এই বঁটা আগ বঢ়োৱা হয় এৰাধৰাকৈ নিচুকনি বঁটাৰ দৰে—এবছৰ যদি কপাল ফুলে, পিছৰটো বছৰত কপাল ফুটে। পৰিতাপৰ কথা, এই বছৰো অসমৰ কাৰো প্ৰতি একাডেমী ভাগ্যদেৱী সুপ্ৰসন্ন নহল।

ৰাচলতে অসমীয়া সাহিত্যৰ এনে পানীত হাঁহ নচৰা বিৰ হৈছে বুলি আমি নেভাবো। প্ৰকাশন পৰিষদে সিদিনা মাধোন শইকীয়াৰ 'সেন্দুৰ'ক বছৰটোৰ সৰ্বশ্ৰেষ্ঠ পুথি বুলি ঘোষণা কৰিলে। এইখন কিতাপো একাডেমীয়ে জাবৰৰ পাচিত পেলালে কেনেকৈ? 'সেন্দুৰ'ৰ বাহিৰেও আৰু ৫।৬ খনমান বাছনিত উঠিবৰ লায়েকৰ কিতাপ আছে বুলি আমি ডাঠি কব পাৰোঁ; যেনে ভবেন শইকীয়াৰ 'গহ্বৰ', যোগীৰাজ বসুৰ 'বেদৰ পৰিচয়', মেদিনী চৌধুৰীৰ 'অনন্য প্ৰান্তৰ' আদি। দুখৰ কথা অসমীয়া ৰাইজৰ দুৰ্বল জনমতৰ সুযোগ লৈ একাডেমীয়ে অসমীয়া সাহিত্যক এলাগী কৰি অসমীয়া সাহিত্যিকৰ প্ৰতি এই নিচিনা আপচু আচৰণ কৰি থাকিবলৈ সাহস কৰিছে। যদি পৰীক্ষকসকলৰ নিষ্ক্ৰিয়তাৰ বাবে এনেদৰে বাছনিৰ কেনা লাগিছে তেন্তে শেষ বাছনি কৰি দিবলৈ অসমীয়া সাহিত্যিকৰে গঠিত এটা উচ্চ ক্ষমতা সম্পন্ন সমিতি পাতি দি হলেও এই সমস্যাৰ আশু সমাধান কৰিব লাগে।

---

( ৬৭ পৃষ্ঠাৰ পিছৰ পৰা )

ভাষাত প্ৰকাশিত কিতাপসমূহৰ ভিতৰত মৌলিক চিন্তা সম্বলিত কিতাপ এখনো নাই। বিজ্ঞানৰ ন ন আবিষ্কাৰে সমাজৰ ওপৰত কি ধৰণে প্ৰভাৱ বিস্তাৰ কৰিছে, মানুহৰ ক্ৰমবিকাশত কি ধৰণৰ বৰঙণি যোগাইছে, জীৱ বিজ্ঞানৰ কিছুমান আৱিষ্কাৰে ( যেনে টেষ্ট টিউব কেঁচুৱা ) কি ধৰণৰ নীতিগত সমস্যাৰ উদ্ভৱ কৰিছে এইবোৰ বিষয়ৰ ৰচনা নেপাওঁ। আনহাতে ডেচমণ্ড মৰিছে The Naked Apeত কৰাৰ দৰে আমাৰ সভ্যতাক নতুন দৃষ্টিভঙ্গীৰে বিচাৰ কৰাৰ প্ৰয়াসো দেখা নেপাওঁ। আমাৰ ভাষাত এনেকুৱা মৌলিক চিন্তাৰ শূন্যতাৰ কাৰণ নোহোৱা নহয়। কোনো এজনে বৈজ্ঞানিক তথ্যসমূহ ভালদৰে উদ্ঘাটন কৰিব পাৰিলেহে সেই বিষয়ৰ সকলো কথাৰ দাৰ্শনিক ফালটো বিচাৰ কৰিব পৰা ক্ষমতা অৰ্জন কৰিব পাৰে। আইজাক এছিমভ, জৰ্জ গেমো, ডেচমণ্ড মৰিছ, লেকোমটে ডা নই আদিৰ কিতাপ পঢ়িলেই এই কথাৰ সত্যতা উপলব্ধি কৰিব পাৰি।

অসমত বিজ্ঞানৰ প্ৰতি মানুহৰ ধাউতি বাঢ়িছে আৰু বিজ্ঞান বিষয়ক প্ৰবন্ধ-পাতি আৰু লিখকৰো সংখ্যা বাঢ়ি আহিছে। সেয়েহে আশা কৰিব পাৰি যে এদিন নহয় এদিন অসমীয়া ভাষাতো বৈজ্ঞানিক সাহিত্যই ফুলে ফলে জাতিষ্কাৰ হৈ উঠিব আৰু সেই দিন সোনকালেই আহিব।

# অৰুণাচলে আমাক পাহৰা নাই

শ্ৰীগিৰিধৰ শৰ্মা

অৰুণাচলৰ মানুহৰ কথা—অৰুণাচলৰ মানুহে কোৱা ভাষাৰ কথা নানাজনৰ মুখৰ পৰা শুনো। নিজে গৈ বাস্তৱ অভিজ্ঞতা লাভ কৰাৰ সুবিধা পোৱা নাছিলোঁ। অৰুণাচললৈ যোৱা মোৰ অন্তৰৰ বহুদিনীয়া হেপাহ। এইবাৰ সাহিত্য সভাৰ দায়িত্ব লোৱাৰ পাছৰে পৰা এই কথা ভাবি আছিলোঁ; কিন্তু সময় সুবিধা কৰিবপৰা নাছিলোঁ। কেমাহ মানৰ আগতে হঠাৎ এদিন অৰুণাচলৰ মুখ্য আয়ুক্ত শ্ৰী কে. এ. এ. ৰাজাৰ লগত ভালে খিনি সময় তেওঁৰ শ্বিলঙৰ বাসভৱনত অৰুণাচলৰ নানা বিষয়ক কথা আলোচনা কৰি আৰু উৎসাহিত হৈছিলোঁ— বিশেষকৈ শ্ৰীৰাজাইও আমাক যাবলৈ পৰামৰ্শ দি সকলো প্ৰকাৰৰ সহায় কৰিব বুলি কৈছিল। যোৱা নবেম্বৰ মাহৰ ২৪, ২৫ আৰু ২৬ তাৰিখে অৰুণাচলৰ লোহিত জিলা আৰু ২৭, ২৮ তাৰিখে টিৰাপ জিলা ঘূৰি আহিলোঁ। সেইকেইদিন দুয়োখন জিলাতে সকলো প্ৰকাৰৰ সা-সুবিধা দি ইমান আদৰ অভ্যৰ্থনা কৰিলে যে তাক মই ওৰে জীৱনত কৃতজ্ঞতাৰে সুঁৱৰিব লাগিব। এই প্ৰসংগতে এই সদাশয় লোকসকললৈ আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

লোহিত জিলাত ডিগাৰু মিচিমি, মিজো মিচিমি, ইডো মিচিমি, আদি, খামতি, চিংফৌ প্ৰভৃতি উপজাতিয়ে বাস কৰে। এই সকলৰ প্ৰত্যেকৰে নিজা কথ্যভাষা ( দোৱান ) আছে আনকি বিভিন্ন বস্তিত বাসকৰা একে উপজাতিৰ লোকৰ ভাষাৰো পাৰ্থক্য আছে। কাৰো ভাষা কোনোৱে নুবুজে। এওঁলোকে পৰস্পৰৰ ভিতৰত অসমীয়াৰে কথা পাতে, ব্যৱসায় বাণিজ্য কৰে, ব্যৱহাৰিক জীৱনৰ সকলো কাম কাজ কৰে। লোহিত জিলাৰ উপায়ুক্ত শ্ৰীটাকাপ বিষ্ণু ডাঙৰীয়াৰ আগত মই গাওঁলৈ যাবলৈ প্ৰস্তাৱ কৰাত তেওঁৰ ভাল পালে আৰু মোৰ লগত দুজন বিষয়া আৰু জীপ গাড়ী দিলে। তাত থকা কেইদিন মোৰ কাৰণে সুকীয়া জীপগাড়ী এখন আৰু ২।৩ জন বিষয়া মোৰ লগত দি সহায় কৰিছিল যাতে মোৰ কোনো প্ৰকাৰৰ অসুবিধা নহয়। তেওঁ নিজেও সদায় খা-খবৰ কৰি আছিল। আনকি তেওঁৰ কাৰ্যালয়ৰ বিষয়া এজনৰ লগত ডুমডুমালৈ জীপগাড়ী পঠিয়াই মোক তেজুলৈ নিয়াইছিল। যাওঁতে নামচাই চৌখাম হৈ গৈছিলোঁ। এনে সুন্দৰ প্ৰাকৃতিক দৃশ্য—দেখিলে তন্ময় হব লাগে। দূৰৈত মেঘ নাইবা বৰফেৰে ঢাক খাই থকা পৰ্বতমালা আৰু তাৰ পৰা ওলাই অহা শিলৰ নৈ। নৈৰ বুকেৰে জীপ গাড়ী চলি যায়—এক দেৰফুট পানী, তলত শিল। বিস্তীৰ্ণ পথাৰ আৰু জঙ্গল। মাজে মাজে নিপোটল শৰীৰেৰে খামতি আৰু মিচিমি লৰা-ছোৱালী, যুৱক যুৱতী দেখি ভাল লাগিল। বহুদূৰৈত চীনা সীমান্তত থকা আনিনি পৰ্বতৰ শৃঙ্গ আৰু তাৰ দিবাং ভেলিৰ দৃশ্য অতি মনোৰম, সেই দৃশ্যৰ মধুৰ স্মৃতি আজিও

অন্তৰত সজীৱ হৈ আছে। খামতি গাওঁ চৌখামলৈ গলো। প্ৰাক্তন এম. পি. চৌখামুন গোহাঁইৰ ঘৰলৈ গলো। ইমান আদৰ সাদৰ কৰিলে, খুৱালে বুৱালে অতি আন্তৰিকতাৰে। ঘৈনীয়েকে নিজে অতি আনন্দেৰে নানা ব্যঞ্জন তৈয়াৰ কৰি বান্ধি বাঢ়ি খুৱালে। তাৰ পৰা গলো লোইলিয়াং গাওঁলৈ। লোইলিয়াং ভাৰতীয় আদিম জাতি সেৱাশ্ৰমৰ সমুখত বিৰাট সভা পাতিলে লৰা-ছোৱালী, যুৱক-যুৱতী, বুঢ়াবুঢ়ীৰ সমাবেশ। শাৰী পাতি থিয় হৈ মালা দি ঢোল কাঁহ বজাই সম্বৰ্দ্ধনা জনালে, জয়ধ্বনি কৰিলে। মিচিমি লৰা-ছোৱালীবোৰে সমস্বৰে সুললিত কণ্ঠেৰে ঢোল ৰৰকাঁহ বজাই গালে—

অৰুণাচলৰে পাহাৰে পাহাৰে
জঙ্গলে জঙ্গলে ঘূৰি ফুৰোঁ
এই পাহাৰ মোৰ অতি আপোন
এই জঙ্গল মোৰ মনৰ সপোন
ইয়াতকৈ আৰু কোনো নাই।

বিহুনাচ আৰু মিচিমি নাচো দেখুৱালে। অঞ্চল কমিটিৰ সদস্য বেচো টেইলোৱে অসমীয়াতে বক্তৃতা দিলে। আৰু কেবাজন মুখীয়াল লোকৰ লগত কথা পাতিলোঁ। প্ৰত্যেকেই কলে "আমিতো অসমীয়াই—অসমীয়া কথা কওঁ—অসমীয়া ৰীতি নীতিৰে চলো"। সাৰালগু গাওঁৰ গাওঁবুঢ়া, পকা পেকেৰাটো যেন চেহেৰা—অসমীয়া কবলৈ লাজ কৰি মিচিমি ভাষাতে অলপ কলে বেচো টেইলোৱে অসমীয়া ভাঙনি কৰিলে—"আমি ইমানদিন বনৰ বাঘ ভালুকৰ লগত আছিলোঁ।—আপোনালোকে আমাক মানুহ কৰিবলৈ আহিছে, ঘনাই আহি থাকিলে আমি ভাল মানুহ হম, আমাৰ লৰা-ছোৱালী মানুহ হব।" তেওঁলোকে আৰু ক'লে—ভুল বুজাবুজি হ'ল, ভাবৰ অমিল হল। আপোনালোকেও আমাক আদৰি নললে, ঘনিষ্ঠ সম্বন্ধ নাৰাখিলে। সেইকাৰণে বাহিৰৰ প্ৰভাৱ পৰিল। এতিয়াও শিক্ষাৰ মাধ্যম ইংৰাজী হলেও, হিন্দী শিকিলেও আমি অসমীয়া শিকিবই লাগিব, নহলে আমাৰ ব্যৱহাৰিক জীৱন নচলিব।

লোইলিয়াং ভাৰতীয় আদিম জাতি সেৱাশ্ৰমত বিশজনী মিচিমি ছোৱালী থাকে, প্ৰাথমিক স্কুলত পঢ়ে। তাৰ লৰা-ছোৱালীবোৰ দেখিলে তৈয়ামৰ লৰা-ছোৱালী যেন লাগে। বহুত বুঢ়ী মানুহো আমাক চাবলৈ আহিছিল। বৰ আগ্ৰহেৰে আমাৰ কথা সকলোৱে শুনিলে। শ্ৰীতুলেন্দ্ৰ নাথ গগৈ এই আশ্ৰমৰ পৰিচালক—সপৰিয়ালে আছে। অসমীয়া শিক্ষকো দুজনমান পালোঁ, তেওঁলোকো সপৰিয়ালে আছে।

ৰাতিপুৱা ট্যাঙ্কো গাওঁলৈ গলো। মোৰ লগত তেজুৰ পৰা সমাজ আৰু সাংস্কৃতিক সংগঠক শ্ৰীৰামটিংচো ট্যায়েং আৰু শ্ৰীচন্দ্ৰকান্ত বৰুৱাও গৈছিল। গাওঁৰ প্ৰাথমিক স্কুলৰ ওচৰতে সমাজ সেৱা কেন্দ্ৰত ৰহিলোঁ। গাওঁৰ সকলো মানুহ তালৈ আহিল। ধৰ্মীয়, সামাজিক আৰু শিক্ষা বিষয়ক নানা কথা পাতিলোঁ। তেওঁলোকে ফেব্ৰুৱাৰী মাহত খেতি চপাই তামলাডু নামে উৎসৱ পাতে। আমাৰ লক্ষ্মী পূজাৰ নিচিনা। ডিগাৰু আৰু মিজো মিচিমিৰ মাজত প্ৰচলিত। ইডো মিচিমি সকলে ৰে পূজা (Rhe) ফেব্ৰুৱাৰী মাহৰ প্ৰথম ভাগতে পাতে। তাত বাঘৰ দাঁত, মহৰ শিং, ময়ূৰৰ পাখি, কড়ি আদি দিয়ে আৰু ঢোল তাল, কাঁহ আদি বজায়। গাহৰি, মেথোন মাৰি ভোজ খায়। মানুহ মৰিলে দাহন কৰে, দহা কাম কৰে বুলি কয়। লৰা-ছোৱালী মাতি আনি ইংৰাজী কিতাপ পঢ়ি ইংৰাজী নাইবা হিন্দীতে অৰ্থ কৰিবলৈ কলোঁ—নোৱাৰিলে। অসমীয়াত অৰ্থ কৰিব পাৰিলে। ট্যাঙ্কো গাওঁলৈ যাওঁতে ডুৰাপানী নদীৰ বুকেৰে গলোঁ, এটুপিও পানী নাই-শিলাময়। তেওঁলোকৰ পৰা শুনিলোঁ, তাৰ পৰা তিনিমাইল দূৰৈত বোলে সেই নদীৰ গভীৰ পানী, তাৰ পৰা হাইড্ৰো ইলেক্‌ট্ৰিক কৰিবলৈ আৰম্ভ কৰিছে। এই নদীৰ পানী আমি যোৱা বাস্তাৰ ৩।৪ ফুট তলেৰে বোলে গৈছে। মনত পৰিল গয়াতেই কেৱল ফল্গু গঙ্গা নহয় তেজুৰ এই ডুৰাপানীও ফল্গুৰ নিচিনা। তেজুত থকা কেইদিন চাৰ্কল অফিচাৰ শ্ৰী ডি. চি. দাস সদায় আমাৰ লগত



আছিল। আহিবৰ দিনা সদীয়াত ফেৰিত তুলি থৈ গল। আহোঁতে চুনপুৰাহৈ আহিলোঁ। তাত শ্ৰীচৌপক গোঁহাইৰ ঘৰত সোমালো। তেখেত অসম সাহিত্য সভাৰ আজীৱন সভ্য। তেখেতৰ দুটি লৰা শ্ৰীসুজিত মেইন গোঁহাই আৰু শ্ৰীচৌটেৱা মেইন গোঁহাই (জিলা পৰিষদৰ সদস্য) দুয়োজনেই মোৰ প্ৰাক্তন ছাত্ৰ। বৰ আদৰ সাদৰ কৰিলে, চাহ জলপান খুৱালে। অৰুণাচলৰ ভাষা লৈ 'টেৱা'ৰ লগত বহুকথা পাতিলো, বৰ ভাল লাগিল।

তাৰ ওচৰতে কুণ্ডিন নগৰ আৰু কিছুদূৰত ভীষ্মক নগৰ। তেজুলৈ গলোঁ, কিন্তু ৰাস্তা নোলোৱা বাবে পৰশুৰাম কুণ্ডলৈ যাব নোৱাৰিলোঁ; মনত দুখ থাকিল। পূৰ্বকালৰ পৰা লোহিত আহি দিবাং ভেলিৰ পাহাৰ ফালি ওলাই অহা দিবাং নদী লোহিতৰ লগত লগলাগি কিছুদূৰ গৈ বুঢ়ীদিহিঙৰ লগত মিলি ব্ৰহ্মপুত্ৰ নামলৈ সাগৰলৈ গতি কৰিছে। ফেৰীত আহি থাকোঁতে দূৰৈৰ দিবাংভেলিৰ ওপৰৰ শুকুলা বৰফেৰে ঢাক খাই থকা পৰ্বতমালাৰ দৃশ্য অতি মনোৰম।

টিৰাপ জিলাত নক্তে, ওৱাংচু, টাংচা, চিংফৌ প্ৰভৃতি উপজাতিয়ে বাস কৰে। তেওঁলোকৰ প্ৰত্যেকৰে কথ্য ভাষা বেলেগ বেলেগ, আনকি একে উপজাতিৰে বিভিন্ন কুলৰ ভাষা অলপ বেলেগ। নাহৰকটীয়াৰ পৰা খুনচালৈ নিজৰ গাড়ীৰেই গলোঁ, ডিব্ৰুগড় জিলা সাহিত্য পৰিষদৰ সম্পাদক শ্ৰীমেঘ গগৈ আৰু উপ-সভাপতি শ্ৰীনীলকান্ত শৰ্মাও মোৰ লগত গৈছিল। একাৰেকো পথ—দূৰৈত মনোৰম পৰ্বতমালা, মাজে মাজে পাহাৰৰ পৰা বাগৰি অহা সৰু সৰু নদী—শিলাময় নদী, যেন পাহাৰৰ পৰা শিলবোৰ থহাই আনি বুকুত বান্ধি শান্তি পায়। ভাঠ গছনি, দীঘল দীঘল হোলক গছবোৰ যেন আকাশ চুবলৈ হে প্ৰতিজ্ঞা কৰি ওপৰলৈ পোনহৈ গৈ আছে। ইমান ওখ ওখ পোন সেইগছবোৰ, গা গছজোপা অতি মিহি, ডাল-ভুৰু একেবাৰে নাই, কোনোবা বিশ্বকৰ্মাই যেন ৰেওামাৰি থৈছে। কিছুদূৰ গৈ দেওমালি পালোঁ—তাতেই নামচাঙৰ ৰজা ওৱাংমাই ৰাজকুমাৰক পালোঁ। তেওঁৰ লগত বহু সময় কথা পাতিলোঁ। বৰ ভাল লাগিল। তেওঁ স্পষ্টভাবে কলে যে "আমি অসমীয়া, ভুল বুজাবুজিৰ কাৰণে ভাবৰ কৰবাত অমিল হলেও তেজৰ অমিল হব নোৱাৰে"।

তাৰপৰা গৈ খুনচা পালো। তাতো দুজন বিষয়া সদায় আমাৰ লগতে আছিল; যথেষ্ট আদৰ-সাদৰ কৰি ৰাখিছিল। তেওঁলোকে আমাক দুখন গাওঁলৈ লৈ গৈছিল। খুনচা গাওঁলৈ গৈ তাৰ ৰজাৰ ঘৰতে বহি কথা পাতিলো, গাওঁৰ নামঘৰ চালো—টিনৰ সুন্দৰ ঘৰ। তাত থকা কেইদিনৰ ভিতৰতে নামচাং, লাক্‌টাং, খুন্‌চা আৰু বৰদুৱীয়া ৰজাক পালো আৰু প্ৰত্যেকৰে লগত বহু সময় কথা পাতিলোঁ। টিৰাপৰ ৰজা সকলৰ ভিতৰত নামচাং আৰু বৰদুৱীয়াই প্ৰধান। তেওঁলোকৰ পৰা জানিলোঁ—'কৰেষ্টৰ ৰয়েলটি'ৰ বাহিৰে আন একো উপাৰ্জন টিৰাপত নাই। এই ৰয়েলটি নামচাং আৰু বৰদুৱীয়া ৰজাই (নক্তেসকলৰ মাজৰ) পায়; কিন্তু তেওঁলোকে তাৰ নিচেই তাকৰ অংশ নিজৰ কাৰণে নি বাকীখিনি 'জন কল্যাণ' (Peoples development fund) পুঁজিত ৰাখে। এই পুঁজি বৰ শকত। ইয়াৰ পৰায়ে দেওমালিৰ ওচৰত ৰামকৃষ্ণ মিছনৰ দ্বাৰা এটি সুন্দৰ আবাসিক প্ৰাথমিক বিদ্যালয় স্থাপন কৰিছে। আমি সেই বিদ্যালয় দেখি তন্ময় মানিলোঁ। ১৫১ জন ছাত্ৰ ছাত্ৰাবাসত থাকে আৰু অলপ দূৰৈৰ ছাত্ৰীবাসত ২৪ জনী ছাত্ৰী থাকে; কিন্তু গোটেই দিনটো বিদ্যালয় চৌহদতে থাকে। দিনৰ খোৱা, ৰাতিপুৱা-আবেলিৰ জলপান তাতে খায়। ইমান পৰিপাটি আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন ভাবে আছে যে লৰা-ছোৱালীবোৰ দেখিলেই মৰম লাগে। তাত শিক্ষাৰ মাধ্যম ইংৰাজী। হিন্দী পঢ়ায়, অসমীয়া পঢ়োৱাৰ ব্যৱস্থা আছে, কিতাপ নাই বুলি কলে। বঙলাও কব পাৰে। উপাসনা-গৃহ, খোৱাঘৰ, থকা ঘৰ, শ্ৰেণীৰ কোঠা সকলো চালো। বৰ ভাল লাগিল। টিৰাপতে শুনিলো তাতেই তেওঁলোকে মাধ্যমিক স্কুল আৰু মহা-

বিদ্যালয় পতাৰো পৰিকল্পনা কৰিছে। খুনচাতো সাৰদা আশ্ৰমৰ ভৱিষ্যতে প্ৰকাণ্ড প্ৰকাণ্ড ঘৰ কৰি ছোৱালী স্কুল এটি স্থাপন কৰিছে। এই দুয়ো অনুষ্ঠানৰ কাৰণে সকলো খৰচ সেই জনকল্যাণ পুঁজিৰ পৰা কৰিছে বুলি কলে; আনকি প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ কাৰণে মাহে প্ৰায় আঢ়ৈশকৈ টকা সেই জনকল্যাণ পুঁজিৰ পৰায়ে খৰচ কৰে। তদুপৰি ৰাস্তাঘাট, শিপিনী-সংঘ আদিৰ কাৰণেও তাৰ পৰা খৰচ কৰে। সৰু সৰু ৰজাবোৰৰ কোনো উপাৰ্জন নাই। কিন্তু গাওঁৰ লোকসকলে খেতিবাতিৰ বস্তু কিছু দিয়ে। সেই বস্তুও তেওঁলোকে নিজৰ কাৰণে খৰচ নকৰে বোলে। উৎসৱ আদিত খৰচ কৰে, ভোজ ভাত খুৱায়। তেওঁলোকৰ নিজা খেতি-বাতি আছে। তাৰেই চলে। আমাৰ উন্নত ঠাইবোৰত কিন্তু এনে 'জন কল্যাণ পুঁজি' নাই। তেওঁলোকৰ এই কথাৰ কাৰণে সঁচাকৈ মোৰ অন্তৰত তেওঁলোকৰ প্ৰতি অশেষ শ্ৰদ্ধা উপজিছে। অৰুণাচলৰ আটাই কেইখন জিলাৰ প্ৰতিখনতে মাত্ৰ ২৫ জনকৈ পুলিচ আৰু ২৫ জনকৈ চি, আৰ, পি থকা বুলি কলে। তাত দোষী-অপৰাধীৰ সংখ্যা অতি কম। বেছি ভাগ বিচাৰ ৰাইজেই কৰে। আদালতলৈ কম সংখ্যক হে আহে। সেইফালৰ পৰা চালে তাতকে গণতন্ত্ৰ ভালদৰে চলি আছে। পলিটিকেল এচিচ্টেন্ট ওৱাংকপৰ লগত বহু সময় কথা পাতিলোঁ। টিৰাপত মহাপুৰুষীয়া ধৰ্মৰ প্ৰভাৱ বেছ আছে। প্ৰতিখন ডাঙৰ গাওঁতে সুন্দৰ টিনৰ নামঘৰ আছে। ওচৰতে গোঁসাই থকা আৰু খোৱা সৰু ঘৰ বান্ধি থোৱা আছে। নামঘৰীয়া আছে, চৰকাৰে দৰমহা দিয়ে। দেওমালিৰ ওচৰত নৰোত্তম নগৰ, নৰোত্তম কো-অপাৰেটিভ আছে। নক্তেসকলে শৰণ-ভজনৰ কথা কয়। ধাৰণা হয় মহাপুৰুষ শঙ্কৰদেৱৰ নগা ভকত নৰোত্তম ইয়াৰেই আছিল। নামচাং আৰু লাফটাং আদি ৰজাৰ ঘৰত সাঁচিপাতৰ পুথি থকা বুলি লাফটাওৰ ৰাজকুমাৰে কলে। নাজিৰাৰ বাৰেঘৰীয়া মহন্তই তেওঁলোকৰ গোঁসাই। এতিয়াও তেওঁ শৰণ-ভজন দিয়ে। কিন্তু গোঁসাইৰ আচৰণত তেওঁলোক সন্তুষ্ট নহয় যেন লাগিল। ওৱাংকপে ডিগবৈ সাহিত্য সভালৈকো সাংস্কৃতিক দল লৈ যোৱা বুলি কলে। কিন্তু তাত ভাল সোধ-পোছ নোপোৱা বাবে দুখ কৰিলে। এতিয়াও আদৰ-সাদৰ সম্ভাৱ পালে তেওঁলোক সাহিত্য সভালৈও আহিব বুলি কলে। ওৱাংমাই ৰাজকুমাৰেও একে কথাকে কৈছিল। ওৱাংকপে আকৌ কলে যে চাচনিৰ ওচৰত মেৰবিলত নৰোত্তম থান আছে। বহু মাটি বাৰেঘৰ সত্ৰৰ নামত আছে। নামচাং বৰদুৱিয়াৰ মানুহে গৈ এতিয়াও সেই নৰোত্তমৰ নামত ফুল দিয়ে, শলিতা দিয়ে। চাকৰিৰ পৰা অৱসৰ লৈ তেওঁ বোলে সেই থানত থাকি আশ্ৰম পাতি সেৱা কাৰ্য্য চলাব। থানৰ উন্নতি কৰিব বুলিও আমাক কলে। কথাবোৰ শুনি বৰ ভাল লাগিছিল।

দুয়োখন জিলাৰে শিক্ষা বিষয়াৰ পৰা তাৰ শিক্ষা পদ্ধতি আৰু ভাষাৰ স্থানৰ বিষয়ে বুজ ললোঁ।। খুনচাৰ উচ্চতৰ মাধ্যমিক স্কুললৈ গৈ তাৰ প্ৰধান শিক্ষয়িত্ৰী শ্ৰীমতী মলিনা গগৈ আৰু কেবাজন শিক্ষকৰ লগতো কথা পাতিলো। বৰ্তমানে অৰুণাচলৰ শিক্ষাৰ মাধ্যম প্ৰাথমিক আৰু মাধ্যমিক স্তৰত ইংৰাজী। ভাষা হিচাপেও ইংৰাজী প্ৰথম ভাষা, হিন্দী দ্বিতীয় ভাষা আৰু অসমীয়া তৃতীয় ভাষা; কিন্তু অসমীয়া ৫ম শ্ৰেণীৰ পৰা ৮ম শ্ৰেণীলৈ পঢ়ুওৱা হয়। কোনো কোনো ঠাইত নৱম শ্ৰেণীতো পঢ়ুৱাৰ ব্যৱস্থা আছে। আমি তেওঁলোকক মাধ্যমিক স্তৰৰ শেষ শ্ৰেণীলৈ পঢ়াই অসমীয়াকো পৰীক্ষাৰ বিষয় কৰিবলৈ পৰামৰ্শ দিছোঁ। তেওঁলোকৰ কেবাজনো নেতাই আৰু আমি লগ পোৱা সকলো লোকেই তেওঁলোকৰ নিজৰ মঙ্গলৰ কাৰণেই অসমীয়া ভাষা শিকিব লাগিব বুলি কলে। অৰুণাচলৰ সৰ্বতো উন্নতি কৰিবলৈ হলে তেওঁলোকে শিক্ষা, উদ্যোগ, কৃষি, বাণিজ্য সকলোতে উন্নতি কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে চিৰদিন সমস্ত ব্যয় বহন কৰি নাথাকিব। প্ৰাকৃতিক ঐশ্বৰ্যৰে ভৰপূৰ অৰুণাচলৰ লোকে সকলো

( ৭৮ পৃষ্ঠাত চাওক )




## ॥ ১ নীলমণি ফুকনৰ চিন্তাধাৰা ॥

লেখক : অধ্যাপক দিলীপ চৌধুৰী ; প্ৰকাশক : দত্ত বৰুৱা এণ্ড কোং, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৭২ চন, পৃষ্ঠা—১২৫, দাম – ৪·০০ টকা।

"অসমৰ জাতীয় জীৱনত এক বিচিত্ৰ ভূমিকাৰে বাগ্মীবৰ নীলমণি ফুকনদেৱ এক একক ব্যক্তি। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ 'ককা' বুলিলে যদি এজনকে বুজাব লাগে, তেতিয়া সেয়া হ'ল চৌবানৈশ্ব বছৰীয়া ফুকনদেৱ। ককাৰ প্ৰতিভা বহুমুখী, কৰ্ম জীৱনো বহুমুখী। ককা কবি, প্ৰবন্ধকাৰ; ককা ৰাজনীতিক, সমাজসেৱী আৰু সমাজৰ চিন্তা-নায়ক।" (ভূমিকা : ডঃ নেওগ)।

"বাগ্মীবৰ নীলমণি ফুকন ডাঙৰীয়াৰ দীৰ্ঘজীৱন-ব্যাপী বহু সুঁতিয়েদি প্ৰবাহিত হোৱা কৰ্মধাৰাৰ লেখ লবৰ সময় উপস্থিত হৈছে। এই কৰ্মধাৰা ইমান কোবাল আৰু ভৰা যে তেখেতৰ বাহিৰে তাৰ তন্ন তন্নকৈ খবৰ ৰাখোঁতা আজি দ্বিতীয় এজন পোৱা যাব নে নেযায় সন্দেহ, কাৰণ তেখেতৰ সমসাময়িক সহকৰ্মীসকলৰ প্ৰায় ভাগেই তেখেতকৈ আগতে ইহলোকৰ পৰা বিদায় লৈছে। এনে অৱস্থাত এজন ডেকা অধ্যাপকক ঈশ্বৰে সুবুদ্ধি দিলে—তেখেতৰ কৰ্মাৱলী আৰু চিন্তাধাৰাৰ এটা প্ৰমাণীভূত বৃত্তান্ত লিপিবদ্ধ কৰাৰ। (ওলগণি : তীৰ্থনাথ শৰ্মা)।

অথচ এনে সংগ্ৰহত পোৱা তিক্ত অভিজ্ঞতা লেখক দিলীপ চৌধুৰীৰ কিমান হৈছে, সেয়া আমি জানো। পাণ্ডুলিপি অৱস্থাতে কিতাপখন পঢ়াৰ সৌভাগ্য আমাৰ হৈছিল। বন্ধু-বান্ধৱৰ ঠাট্টা-মস্কৰাক চিগাৰেটৰ ধোঁৱাৰ লগত উৰাই দি কাষলতিত কাগজৰ টোপোলাটি লৈ ফুৰা দিলীপ চৌধুৰীয়ে কৈছিল—"কিতাপখন ওলালে একোখনি ৰাইজে আদৰি লবলৈ বাধ্য হব কিন্তু।" অসমীয়া মানুহে নিজৰ মাজৰ শ্ৰেষ্ঠ মানুহখিনিক দহৰ আগত গৌৰৱেৰে দাঙি ধৰিব নেজানে। অসমৰ 'ভীষ্ম পিতামহ' নীলমণি ফুকনৰ ওপৰত গ্ৰন্থ এখন ওলাবলৈ আজি পৰ্যন্ত দিলীপ চৌধুৰীলৈ বাট চাই থাকিব লগাটোৱে তাকেই সুস্পষ্টভাৱে জানো? আনহাতে জন্মসূত্ৰৰ দিশৰ পৰা দিলীপ চৌধুৰী আকৌ বঙালী মানুহ! ওলগণি বতৰাত হেম বৰুৱাই চৌধুৰীৰ প্ৰশংসা কৰাৰ লগতে লিখিছে—'যি জাতিয়ে মহৎ ব্যক্তিৰ সন্মান দিব নেজানে, সেই জাতি কেতিয়াও মহান হব নোৱাৰে।'

'নীলমণি ফুকনৰ চিন্তাধাৰা'ত মুঠতে ১০৮ টা প্ৰশ্ন আছে আৰু সেই প্ৰশ্নসমূহৰ উত্তৰ ফুকনদেৱে নিজেই

দিছে। ফুকনদেৱৰ মতে এইবোৰ "অষ্টোত্তৰ শত নীলোৎপল" নহয়,—"'সি যে মাথোঁ কথনাৰ ফুল" হে। ককাই যদি জানিলেহেঁতেন, তেখেতে 'কথনাৰ ফুল' বুলি ভবা উত্তৰবোৰত নতুন পুৰুষে চিন্তা কৰিব লগা বহু কথাই আছে, যিবোৰ ব্যক্তিগত সংস্পৰ্শৰ অভাৱত লোক-দৃষ্টিৰ অন্তৰালত ধূপৰ ধোঁৱাৰ দৰে সৌৰভ বিলাই নিজতেই নিঃশেষ হৈ গ'লহেঁতেন।

নীলমণি ফুকনৰ বয়সৰ চাম ব্যক্তিক নতুন পুৰুষে বুঢ়া বুলিয়েই বাদ দিবলৈ ধৰিছে। ফুকনৰ ব্যক্তিগত শাৰীৰিক শক্তিৰ (তেখেত এতিয়াও ডেকাতকৈ ডেকা) কথা বাদ দিলেও সমকালীন সমস্যাসম্পৰ্কে তেখেতৰ চিন্তাধাৰা কিমান সজীৱ, স্পষ্ট, নিৰ্ভীক আৰু যুক্তিপূৰ্ণ—তাৰ স্পষ্ট উদাহৰণ আলোচ্য গ্ৰন্থখনি। ফুকনৰ চিন্তাৰ ক্ষেত্ৰত বিতৰ্কৰ স্থল নিশ্চয় আছে—( ৯৮ নং প্ৰশ্নোত্তৰত ইন্দিৰা গান্ধীৰ মাতৃত্ব স্বীকাৰ কৰিবলৈ ডেকাসমাজক দিয়া পৰামৰ্শৰ কথা—উদাহৰণ হিচাপে আঙুলিয়াব পাৰি।); কিন্তু এই বিতৰ্কত নামিও ককাৰ আন্তৰিকতাৰ কথা অস্বীকাৰ কৰাৰ উপায় নাই। ৬৪ নং প্ৰশ্নত ছাত্ৰ ছাত্ৰীয়ে ৰাজনীতিত নমা উচিত নে নোৱাৰা উত্তৰটিত যুৱ সমাজলৈ যি উপদেশ দিছে—তাত দ্বিমত হোৱাৰ উপায় নাই—যদিও আপাতঃ দৃষ্টিত দ্ব্যৰ্থকতা থকা যেন লাগে। শিক্ষা আৰু শিক্ষক সম্পৰ্কীয় প্ৰশ্নোত্তৰখিনিয়েও আমাক নতুনকৈ ভবাই তুলিব বুলি মোৰ বিশ্বাস।

'ককা' ককাই। জটিল পৰিস্থিতি একোটাতো হাস্যৰসৰ ঢল বোৱাব পাৰে। ১৫ নং প্ৰশ্নত 'আপোনাৰ বিয়া কেতিয়া হৈছিল আৰু কাৰ লগত' বুলি সোধাত যি উত্তৰ দিছে—তাতেই সূক্ষ্ম হাস্যৰসিক ফুকনৰ নিখুঁত ছবি আছে।

'নীলমণি ফুকনৰ চিন্তাধাৰা'ক সৰ্বাঙ্গ সুন্দৰ কৰিবলৈ লেখক আৰু প্ৰকাশকে যত্নৰ ত্ৰুটি কৰা নাই। অলেখ ছবিৰে সমৃদ্ধ এই গ্ৰন্থখনি অসমীয়া জীৱনী সাহিত্যৰ ক্ষেত্ৰত এটি উল্লেখযোগ্য অৰিহণা বুলি বিবেচিত যে হ'ব তাত সন্দেহ নাই। জীৱনী লিখাৰ ষ্টাইলৰ দিশৰ পৰাও এইখন কিতাপে সুকীয়া আসন এখনি পাব। এনেধৰণৰ জীৱনী—অসমীয়া সাহিত্যত দ্বিতীয় এখন নাই।

শ্ৰী মেশ পাঠক


---

( ৭৬ পৃষ্ঠাৰ পিছৰ পৰা )

ক্ষেত্ৰতে উন্নতি সাধন কৰি নিজৰ ভৰিৰ ওপৰত থিয় হব লাগিব আৰু তাৰ কাৰণে সকলো দিহা কৰিব লাগিব। তেওঁলোক সকলোৱে সেই কথা স্বীকাৰ কৰি তাৰ কাৰণে ওচৰ-চুবুৰীয়া ৰাজ্য হিচাপে অসমৰ লগত ঘনিষ্ঠ সম্বন্ধ ৰাখিব লাগিব, অসমীয়া ভাষা শিকিব লাগিব বুলি কলে।

এইদৰে আমাৰ মাজৰপৰা ভাবৰ আদান-প্ৰদান আৰু বুজাবুজিৰ কাৰণে ঘনাই আমাৰ লোক গৈ থাকিলে, সাংস্কৃতিক দল গৈ থাকিলে অৰুণাচলৰ লগত আমাৰ সম্বন্ধ অতি মধুৰ হৈ পৰিব বুলি আমাৰ বিশ্বাস। তেওঁলোকৰ পৰাও মাজে সময়ে সাংস্কৃতিক দল আনিব লাগে, আমাৰ জাতীয় উৎসৱবোৰত যোগদান কৰাৰ সুবিধা দিব লাগে। অসম সাহিত্য সভাৰ মঙ্গলদৈ অধিবেশনলৈ তেওঁলোক আহিব লাগে বুলি মই কোৱাত কেবাজনেও সন্মতি দিছে। আশা কৰোঁ মঙ্গলদৈ অধিবেশনৰ অভ্যৰ্থনা সমিতিয়ে এই বিষয়ে বিশেষ ব্যৱস্থা লব। এইদৰেই আমি পৰ্বত-ভৈয়ামৰ মাজত ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰিব পাৰিম বুলি ভাবো; অৱশ্যে ই দীৰ্ঘম্যাদি কথা—পৰিকল্পিত সংগঠনৰ কথা আৰু তাৰ কাৰণে অশেষ ত্যাগ, অশেষ কষ্ট আৰু অশেষ অৰ্থ ব্যয় কৰিব পৰা অনুষ্ঠান গঢ়ি তুলিব লাগিব।

---



## আমাৰ অভিনন্দন

অসম সাহিত্য সভাৰ আগন্তুক মঙ্গলদৈ (৪১ তম) অধিবেশনৰ মূল সভাৰ সভাপতিৰ কাৰণে বিপুল ভোটাধিক্যত নিৰ্বাচিত হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু অধ্যাপক ডক্টৰ মহেশ্বৰ নেওগদেৱ। ডক্টৰ নেওগদেৱ একেধাৰে কবি, সমালোচক, গৱেষক আৰু আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত। তেখেত গুৱাহাটী বিশ্ববিদ্যালয়, অসম প্ৰকাশন পৰিষদ, সাহিত্য একাডেমী, সঙ্গীত নাটক একাডেমী, অসম সঙ্গীত প্ৰমুখ্যে ভালেমান শিক্ষা-সাহিত্য-সংস্কৃতি বিষয়ক অনুষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত। তেখেত অসম সাহিত্য সভাৰো অন্যতম কৃতী প্ৰধান সম্পাদক। তেখেতৰ একান্ত যত্নৰ ফলতেই সাহিত্য সভাৰ গুৱাহাটীত থকা ভগৱতীপ্ৰসাদ বৰুৱা ভৱন নিৰ্মিত আৰু ভালেমান মূল্যৱান গ্ৰন্থ প্ৰকাশিত হয়। এনে এজন গুণী, বিচক্ষণ ব্যক্তি অসম সাহিত্য সভাৰ সভাপতিৰূপে নিৰ্বাচন হোৱাটো অতিশয় সুখৰ আৰু আনন্দৰ বিষয় হৈছে। তেখেতৰ কাৰ্যকালত অসম সাহিত্য সভাৰ জয় জয় ময় ময় হ'ব বুলি আশা কৰিছোঁ। এই ছেগতে তেখেতক আমাৰ অভিনন্দন জ্ঞাপন কৰিলোঁ।

মঙ্গলদৈ অধিবেশনৰ কবি-সন্মিলন, বুৰঞ্জী-সন্মিলন, আৰু আলোচনা-চক্ৰত যথাক্ৰমে সভাপতিত্ব কৰিব শ্ৰীভৱানন্দ ৰাজখোৱাদেৱ, শ্ৰীসদানন্দ চলিহাদেৱ আৰু শ্ৰীমুনীন বৰকটকীদেৱে। সাংস্কৃতিক সমাৰোহৰ উদ্বোধক শ্ৰীনাৰায়ণ বেজবৰুৱাদেৱ। এই আটাইকেইজন নিজ নিজ প্ৰতিভাৰে সুপ্ৰতিষ্ঠিত ব্যক্তি। এখেত সকলকো আমাৰ অভিনন্দন জ্ঞাপন কৰিলোঁ।

## পত্ৰিকাৰ বিষয়ে

অতি দুখৰ কথা যে কাগজৰ মহাৰ্ঘৰ কাৰণে আমি শাৰদীয় সংখ্যাৰ পিছৰপৰা পত্ৰিকাখন উলিয়াব পৰা নাছিলো। তাৰ কাৰণে সহৃদয় পাঠক বৰ্গৰ ওচৰত ক্ষমা বিচাৰিছো। দ্বিতীয়তে, প্ৰাপ্ত কাগজৰ দাম অতিপাত বৃদ্ধি হোৱাত আৰু পত্ৰিকাৰ মূল্যও পূৰ্বৰদৰে ৰাখিব লগা হোৱাত আমাৰ অনিচ্ছাকৃতভাৱে পত্ৰিকাৰ কলেৱৰ আগতকৈ কিঞ্চিৎ সৰু কৰিব লগা হ'ল। ইয়াৰ বাবেও আমি লেখক আৰু পাঠক সমাজৰ ওচৰত ক্ষমা খুজিছো। আশা কৰোঁ পত্ৰিকাখন তেখেত সকলৰ মৰমৰ পৰা বঞ্চিত নহব।

## WIN Rs. 2,50,000/-

You are only to maintain a minimum deposit of Rs. 200/- in your Postal Savings Bank Account upto 31.3.74. There are 11,115 other prizes worth more than thirty two lakhs of rupees.

You can open one Account in your name in each Post Office but total deposit must not exceed Rs. 25,000/-.

Hurry up – last date extended upto 1.12.73

Even if you donot get any prize your money will earn interest

★ For details—contact your nearest Postmaster, District Savings Officer or Small Savings Agent.

( Issued by the Director, Small Saving Schemes, Assam, Gauhati –3. )



★

সাহিত্য সংস্কৃতিৰ উপাসক সকলৰ<br>
বহুমুখী প্ৰতিভাৰ অমৰ অৱদানে<br>
অসম তথা ভাৰতৰ অগণন জনতাক<br>
সাম্য মৈত্ৰী একতাৰ ভেঁটিত<br>
সুপ্ৰতিষ্ঠিত কৰিবলৈ প্ৰেৰণা যোগায় যেন।

উত্তৰ-পূৱ ভাৰতৰ প্ৰহৰীৰূপে<br>
অসম নানা সমস্যাৰ সন্মুখীন হৈও<br>
শিক্ষা, অৰ্থনৈতিক, সামাজিক উন্নয়নৰ<br>
পথত দৃঢ়তাৰে আগবাঢ়িছে।<br>
স্বদেশপ্ৰেমীসকলৰ অৱিহণাই<br>
এখনি প্ৰকৃত গণতান্ত্ৰিক সমাজ<br>
গঠনত আমাৰ চৰকাৰে গ্ৰহণ কৰা<br>
নতুন নতুন নীতি আৰু আঁচনিসমূহক<br>
সাফল্যমণ্ডিত কৰিবলৈ উদ্দীপনা যোগাওক<br>
এয়ে আমাৰ একান্ত কামনা।

( অসম চৰকাৰৰ তথ্য আৰু জনসম্পৰ্ক বিভাগৰ দ্বাৰা প্ৰচাৰিত )

Registration No. A/199




# Some Opinions of World-renowned Scholars

about

**KANAKLAL BARUA'S**

# STUDIES IN THE EARLY HISTORY OF ASSAM

*Edited by Dr Maheswar Neog*

Dr Suniti Kumar Chatterji, National Professor of India in Humanities : writing to the Editor of the Volume :

> Kanaklal Barua was one of the makers of Assam...who formed a galaxy of eminent personalities, who shed lustre on the whole of India during the 19th-20th centuries. Your Introduction is brilliant and most informative, worthy both of Kanaklal Barua and yourself. This is a precious volume to keep.

Dr Ramesh Chandra Majumder, the eminent historian and Professor :

> This collection...would prove very useful to scholars in the history of Assam. I think you have chosen the best way of perpetuating the memory and offering tributes to his scholarship.

Dr D. C. Sircar, Carmichael professor of Ancient Indian History and Culture, Calcutta University :

> The book, the get-up of which is nice, will be useful to the students of early Assamese history.

Dr Sukumar Sen, Retired Khaira Professor Linguistics, etc, Calcutta University :

> I congratulate Assam Sahitya Sabha for bringing out the excellent book

Professor K. D. Bajpai, Professor of Ancient Indian History, Culture and Archaeology, University of Sagar :

> You have indeed done a commendable job by bringing out this handy publication.

Dr K. K. Dutta, historian and formerly Vice-Chancellor, Patna University :

> I must respectfully congratulate those who have brought out this volume. I have read it with great profit and pleasure.

Reviews are shortly to be published in different Oriental and Historical Research Journals of India.

Pages Royal 8vo 14+XX+342 Price Rs. 20·00

*To be had of :*

**ASAM SAHITYA SABHA**

Bhagavatiprasad Barua Bhavan
Gauhati-1

Chandrakanta Handique Bhavan
Jorhat-1


সম্পাদক . হেমন্তকুমাৰ শৰ্মা

মূল্য—দুই টকা